












# অমৃতধাৰা

## খাগৰিজান কলেজ, নগাঁও

## ২০১১-২০১২

# Our family



**Front row from right :** Prof. Kabita Goswami, Prof. Mamoni Bhuyan, Prof. Salima S. Khandakar, Prof. Ajanta Khargharia, Dr.Sagar Boruah (Principal), Prof. Abdul Salam, Prof. Joyashri Choudhury, Prof. Niva Saikia

**Back row from right :** Deepak Sarkar, Swapan Jyoti Nath, Ashraful A. Choudhury, Nazlin Hussain, Dharitri Das, Kabita Bhuyan, Rupshree Devi, Sibani Adhikari, Late Hafijul Islam, Deepak Nath (Librarian)



## Editorial Board



**Sitting from right:** Prof. Ajanta Khargharia (Incharge), Dr. Sagar Boruah (Principal& President), Prof Joyashri Choudury (Member).
**Standing:** Pratima das (Magazine Secretary ), Kartik Bonik (Member &G.S)

## Non- Teaching Staff



**Sitting from right:** D. Borah, B. Bora, Dr S. Boruah (Principal), Dilip Ghose, D. Nath
**Standing:** D. Das, Sun Mahmad, Dipti, S. Adhikari

## Union Body



**Sitting from right:** Prof. R. Devi, Prof. A.Salam, Dr.S. Boruah (Principal), Prof A. Khargharia
**Standing from right:** S. Rahman, N.Hussain, R. Begum, P. Das, S. Zaman, K. Bonik



# অমৃতধাৰা

**খাগৰিজান** কলেজৰ মুখ্য প্ৰয়াস হৈছে ছাত্ৰ-ছাত্ৰীক বিকাশশীল আৰু পাৰদৰ্শী কৰি গঢ়ি তোলা, যাতে ভৱিষ্যতে তেওঁলোক শিক্ষাৰ জৰিয়তে সমাজৰ একোজন সুযোগ্য ব্যক্তি হৈ নিজৰ লগতে জাতি আৰু দেশৰ বাবে একোজন পোহৰ বিলাওঁতা ব্যক্তি হ'ব পাৰে। কলেজৰ এই উদ্দেশ্য আগত ৰাখিয়ে 'অমৃতধাৰা' অৰ্থাৎ 'জ্ঞানৰ সুঁতি' আপোনালোকৰ হাতত তুলি দিয়া হ'ল। আশা ৰাখিছো এই আলোচনীখনিয়ে সকলোৰে হৃদয়ত জ্ঞানৰ জ্যোতি বিলাব।

## সম্পাদনা সমিতি

**সভাপতি**
ড° সাগৰ বৰুৱা

**তত্বাৱধায়িকা**
অজন্তা খাৰঘৰীয়া

**আলোচনী সম্পাদিকা**
প্ৰতিমা দাস

**সদস্য**
জোনাৰাম নাথ
জয়শ্ৰী চৌধুৰী
টুটুমণি বণিক
কাৰ্তিক বণিক (সাঃ সম্পাদক)

মুদ্ৰণ ঃ অজন্তা প্ৰেছ, হয়বৰগাঁও
৯৪৩৫০-৬১৭৪৫

# Contents


Message 1-6
অধ্যক্ষৰ একাষাৰ ৭
তত্বাৱধায়িকাৰ একাষাৰ ৮
Governing Body and Other Members of College 9
আলোচনী সম্পাদিকাৰ একাষাৰ ১০

**প্ৰবন্ধ**

খাগৰিজান মহাবিদ্যালয় প্ৰতি অনুভৱ — মহিম বৰা ১১
তত্ত্বকথা — কবিতা গোস্বামী ১২
ভাৰতীয় মহিলাৰ সামাজিক মৰ্যাদা — নিভা শইকীয়া ১৭
বিশ্বশিল্পী ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি — লুটুফুৰ ৰহমান ২০
নতুন পোহৰ — সৌজন্যময়ী ভট্টাচাৰ্য ২২
মৃত্যু আৰু জীৱনৰ সৌন্দৰ্য — ড° শৰৎ বৰকটকী ২৩
সাম্প্ৰতিক সময়ৰ গণতান্ত্ৰিক ব্যৱস্থাৰ — ড° যুগল খাৰঘৰীয়া ২৭
শিক্ষা ঃ ইয়াৰ আদৰ্শ আৰু বাস্তৱ স্বৰূপ
বিহুগীতত নাৰীদেহৰ অংগশোভা — জোনাৰাম নাথ ৩১
মাধৱদেৱৰ ভটিমা ঃ এটি অৱলোকন — পদুম ৰাজখোৱা ৩৩
ডেল কাৰ্ণেগীৰ কিছুমান সূত্ৰ — ৰূপশ্ৰী দেৱী ৩৭
অসমত যৌতুক প্ৰথা আৰু নাৰী নিৰ্যাতনঃ এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন — হাফিজুল ইছলাম ৩৯
নাট্যকাৰ অৰুণ শৰ্মাৰ 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য' নাটকখনত নিবাৰণ চৰিত্ৰটিয়ে দুখৰ ভাব আনিলেও এইখন ট্ৰেজেদি নহয়— এটি মূল্যায়ন — ধৰিত্ৰী দাস ৪৩
নাৰীৰ সবলীকৰণৰ বাবে শিক্ষা — ৰূণজুন শৰ্মা ৪৫
ভাৰতবৰ্ষত উচ্চ শিক্ষাৰ বিকাশ — পদ্মা বৰ্মন ৪৭
অনুশাসন — চামচুন নাহাৰ ৫০
শিশু শ্ৰমিক প্ৰতিৰোধ আৰু ইয়াৰ কাৰ্যকৰণত চৰকাৰ আৰু বেচৰকাৰী অনুষ্ঠানৰ ভূমিকা — গীতাশ্ৰী শইকীয়া ৫১
শিষ্টাচাৰ — ধ্ৰুৱজ্যোতি বৰুৱা ৫২
ড° ভূপেন হাজৰিকা — নিতুল নীৰৱ বৰা ৫৩
মূল্যবোধৰ শিক্ষাৰ প্ৰয়োজনীয়তা — হাছিনা বেগম ৫৪
ঐতিহ্যৰ মাজত বৰ্তমান মাজুলী — প্ৰতিমা দাস ৫৬
এইড্‌ছ (AIDS) এক ভয়াবহ ব্যাধি — ৰুকছানা আহমেদ ৫৮
উপাধ্যক্ষ শ্ৰদ্ধেয় লুটফুৰ ৰহমান ছাৰৰ অনুভৱ — অজন্তা খাৰঘৰীয়া ৬০
মহৎলোকৰ বাণী — খালিদা বেগম ৬২
অতি লোভৰ ফল — চবনম দেৱী ৬৩
বগলীৰ প্ৰতিশোধ — বচিৰ আহমেদ ৬৪

**কবিতা 65 - 69**

উজবেক কবিতা ঃ
মাতৃভূমি — অনুবাদ ড° প্ৰয়াগ শইকীয়া ৬৫
খৰমান — স্বপন জ্যোতি নাথ ৬৫
তুমি — নাজলিন হুছেইন ৬৫
আহ্বান — জ্যোতি বনিয়া ৬৬
লজ্জা — পদ্মা বৰ্মন ৬৬
মা — মীৰাজুল হক ৬৬
আহ্বান — জ্যোতিস্না শইকীয়া ৬৭
শিক্ষা — কুনটুন ৬৭
দুখ — ৰুকচানা ৬৭
ভাগ্যহীন — মঃ আশ্বাফুল আলম ৬৭
মোৰ যে কিমান হেঁপাহ — দীপজ্যোতি বৰা ৬৮
লুইতপৰীয়া ডেকা — প্ৰাঞ্জল শৰ্মা ৬৮
সত্য পথ — চুফিয়া বেগম ৬৮
ভূপেন হাজৰিকাদেৱৰ স্মৃতিত ৬৯
সুধাকণ্ঠ ড° ভূপেন হাজৰিকা — ভাস্কৰজ্যোতি বৰুৱা ৬৯
গণশিল্পী ড° ভূপেন হাজৰিকাদেৱৰ সোঁৱৰণত ৬৯

**বঙালী বিভাগ ৭০-৭১**

পুরণো পেরিয়ে নতুনের পদধ্বনি — ড° বাদল চন্দ্র ঘোষ ৭০
চেষ্টা — গোপাল সূত্রধর ৭১
প্রেমের গান — দীপক সূত্রধর ৭১

সাধাৰণ সম্পাদকৰ প্ৰতিবেদন — কাৰ্তিক বণিক ৭২
অন্তৰঙ্গ আলাপ — কাৰ্তিক বণিক ৭৩
সাক্ষাৎকাৰ — প্ৰতিমা দাস ৭৪

**English Section**

Academic Activities of the college 75
**Views of Resource Person to our College**
*Professor* B. S. Mipun 77
*Professor* A.K. Thakur 78
PROBLEMS AND PROSPECTS OF CULTURAL TOURISM — *S.S. Kandakar* 79
The Psychology of Adolescents and Our Parents and Guardians — *Dr. Bhadra Phukan* 85
Netaji Subhas Chandra Bose and I.N.A. — *R. Ahmed* 88
Impact of Educational Technology in Teaching Learning Process — *Ajanta Khargharia* 91
Fighting cancer with antioxidants — *Dr. Devashish Sengupta* 95
Occupational Stress : Impact on Teacher Effectiveness — *Dr. (Mrs) R.M. Tongper* 99
Role of Literature in Society — *Ashraful Alam Choudhury* 100
Gandhian Widen Concept of Religion : A Philosophical Outlook — *Manuranjan Das* 102
Lady Macbeth — *Prof. Kabita Bhuyan* 104
Importance of Physical Exercise — *Joy Prakash Nath* 105

**Poem**

Be Thankful — *Rakibuz Zaman* 106
First Love — *Joy Prakash Nath* 106
The Best Friend Jesmin — *Sabnam Devi* 107
What is life — *Sameer Ahmed* 107



ৰকিবুল হুছেইন

মন্ত্ৰী
পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগ,
পৰিবেশ আৰু বন
অসম, দিশপুৰ,
গুৱাহাটী-৭৮১০০৬
ফোন নং ঃ (০৩৬১)- ২২৩৩১৬৩ (কা)
২২৩৭০০৭ (কা)
২২৬২৯৭০ (বাঃ গৃঃ)

Message



সত্যমেব জয়তে

# শুভেচ্ছাবাণী

নগাঁৱৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান খাগৰিজান মহাবিদ্যালয়ৰ ২০১১-১২ শিক্ষা বৰ্ষৰ 'অমৃতধাৰা' প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই নথৈ আনন্দিত হৈছোঁ।

এই কথা নিশ্চিত যে বিগত দিনবোৰত মুখপত্ৰখনিত প্ৰকাশ পোৱা লেখাসমূহত মহাবিদ্যালয়খনৰ বিদ্যায়তনিক, সাংস্কৃতিক, বৌদ্ধিক আদি দিশবোৰ যথাযথভাৱে প্ৰতিফলিত হৈ অহাৰ লগতে মুখপত্ৰখনিত প্ৰকাশিত লেখাসমূহৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে বিশেষভাৱে অনুপ্ৰেৰণা লাভ কৰি আহিছে। মই গভীৰভাৱে আশা কৰোঁ যে আগন্তুক দিনবোৰতো মুখপত্ৰখনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ জ্ঞান, প্ৰতিভা তথা সুস্থ দৃষ্টিভংগী প্ৰকাশৰ সুযোগ লাভ কৰিব আৰু সমাজৰ কল্যাণৰ হকে আত্মনিয়োগ কৰিবলৈ তেওঁলোক উদ্বুদ্ধ হ'ব।

সদৌ শেষত, মুখপত্ৰখনিৰ লগত জড়িত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ৰকিবুল হুছেইন)





**Dr. Durlav Chamua**
M.B.B.S., FAIMS, MAIMS

**MLA**
86 No. Nagaon Sadar LAC, (Assam)
Phone : 94351-08675, 98549-39745

**CHAIRMAN**
Medical Deptt.
Assam Pradesh Congress Comittee

**Member APCC**
Ex-Chairman, AFDC Ltd.
Govt. of Assam Undertaking
Excertifying Surgeon Govt. of Assam

Message



सत्यमेव जयते

# শুভেচ্ছাবাণী

খাগৰিজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ৬তম্ সংখ্যাৰ কলেজৰ 'অমৃতধাৰা' নামৰ আলোচনীখন প্ৰকাশৰ দিহা কৰা বুলি জানিবলৈ পাই নথৈ আনন্দিত হৈছোঁ।

এই কথা মই গৌৰৱেৰে ক'ব লাগিব যে বিগত দিনবোৰত ছাত্ৰ একতা সভাৰ আলোচনীখনিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত যথেষ্টখিনি অৰিহণা যোগাই আহিছে আৰু মোৰ দৃঢ় বিশ্বাস যে ছাত্ৰ একতা সভাই শিক্ষানুষ্ঠানটিত সুস্থ বৌদ্ধিক বাতাৱৰণ অব্যাহত ৰখাত গুৰুত্ব প্ৰদান কৰি মহাবিদ্যালয়খনৰ সুনাম অটুট ৰখাত ইতিবাচক প্ৰচেষ্টা চলাই যাব।

'অমৃতধাৰা'ৰ লগত জড়িত সকলোলৈকে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আলোচনীখনিয়ে সকলোৰে পৰা যথোচিত সমাদৰ লাভ কৰিব আৰু উৎকৰ্ষ সাধন কৰিবলৈ সমৰ্থ হ'ব বুলি আশা কৰিলোঁ।

ডাঃ দুৰ্লভ চমুৱা
বিধায়ক, নগাঁও সদৰ সমষ্টি




**Phanindra Jidung,**
M.A, M.Phil, LL.B, AES

GOVERNMENT OF ASSAM
Director, Higher Education
Kahilipara, Guwahati-781019
Fax : + 0361 - 2382286 (O)
Email : phanindrajdng@gamil.com


Message



सत्यमेव जयते

# Message from Director, Higher Education

I am glad to know that Khagarijan College, Nagaon, Assam is going to bring out an Annual college Magazine, "Amritdhara" shortly on the progress and development of overall academic activities of the College. I hope this Magazine will serve the intended purpose adequately.

I wish for all round future development of the college and successful publication of the magazine.

2.6.12
**(P. Jidung)**
Director, Higher Education, Assam
Kahilipara, Guwahati-781019






**(Dr. P. Ashok Babu)** IAS
Deputy Commissioner

Office of the
**DEPUTY COMMISSIONER**
NAGAON, PIN-782001, ASSAM, INDIA
Tel : 0367-2233185 (O), 2233202 (R)
Fax : + 91 367 - 2233222
Email : ashokias@gmail.com


Message



सत्यमेव जयते

# Message from Deputy Commissioner, Nagaon

It gives me great pleasure to know that Khagarijan College, Nagaon is going to publish their annual magazine "Amritdhara" for the session 2010-11. It is great task and the organizers need to be appreciated for their efforts.

I am hopeful that the magazine will provide an excellent opportunity to the students, teachers and society to reflect their views as well as exchange their knowledge.

I wish all success in their efforts and hope that this magazine will be of immense benefit to all concerned.

**(Dr. P. Ashok Babu)** IAS
Deputy Commissioner, Nagaon



Dr. Badal Chandra Ghosh,
(M.A., Ph.D.)

**President**
Governing Body
Khagarijan College, Nagaon
Assam

Message

# Message from President, Governing Body

It gives me immense pleasure to know that Khagarijan College is going to publish its Magazine, namely, 'AMRITA DHARA'. I am sanguine that the College has earned vast experience in imparting qualitative education and will guide the new generation to a better tomorrow and contributing in moulding responsible citizen and prosperous nation. I am confident that the Magazine will contain valuable articles which will inspire the student community for their qualitative education.

I thank all the teaching and non-teaching staff of the institution and wish the 'AMRIT DHARA' and the college a grand success.

**(Dr. Badal Chandra Ghosh)**





# অধ্যক্ষৰ একাষাৰ





খাগৰিজান মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'অমৃতধাৰা'ৰ ষষ্ঠ সংখ্যা প্ৰকাশৰ পথত। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অনুসন্ধিৎসু পাঠক-পাঠিকা আৰু সুধীবৃন্দৰ হাতত আলোচনীখন সৰ্বাঙ্গসুন্দৰ ৰূপত তুলি ধৰিবৰ বাবে তত্ত্বাৱধায়িকা অধ্যাপিকা অজন্তা খাৰঘৰীয়া আৰু সম্পাদিকা প্ৰতিমা দাসে চেষ্টা কৰিছে। এই ছেগতে অধ্যাপিকা অজন্তা খাৰঘৰীয়া আৰু প্ৰতিমা দাসলৈ ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

বিদ্যালয়-মহাবিদ্যালয়ৰ আলোচনীসমূহে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান-বুদ্ধি আৰু সাহিত্য সাধনাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগায়। আলোচনীত আত্মপ্ৰকাশ কৰা বহু ছাত্ৰ-ছাত্ৰীয়ে পৰৱৰ্তী কালত সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত সুনাম অৰ্জন কৰি নিজকে বৌদ্ধিক জগতত প্ৰতিষ্ঠা কৰাৰ লগতে সমাজক গতিশীল কৰি তোলে। খাগৰিজান মহাবিদ্যালয়ৰ মুখপত্ৰ তথা আলোচনী 'অমৃতধাৰা'ই ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান আৰু বৌদ্ধিক চিন্তা-চৰ্চাৰ খোৰাক আৰু নান্দনিক পৰিতৃপ্তি নিশ্চয় দিব পাৰিব। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সামাজিক দায়বদ্ধতাৰ ভাব জগাই তুলিব।

বৰ্তমান পৰিস্থিতিত শিক্ষা প্ৰতিষ্ঠানসমূহ অধিক গতিশীল আৰু উন্নত হোৱা উচিত। মহাবিদ্যালয় অথবা বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লাভ কৰাৰ পিছত যুৱক-যুৱতীসকলে কৰ্ম সংস্থাপনৰ কথা চিন্তা কৰে। বৃত্তিমুখী শিক্ষাৰ বিষয়বোৰ সাধাৰণ শিক্ষাৰ মহাবিদ্যালয়বোৰে ইচ্ছা থাকিলেও অতি সহজে প্ৰৱৰ্তন কৰিব নোৱাৰে। তথাপিও চেষ্টাৰ ত্ৰুটি কৰা দেখা নাযায়। নগাঁও জিলাৰ এখন অগ্ৰণী শিক্ষাস্থলী খাগৰিজান মহাবিদ্যালয়ৰ পৰিচালনা সমিতি তথা কৰ্তৃপক্ষই এইবোৰত ইতিবাচক ভূমিকা পালনৰ প্ৰচেষ্টা চলাই আহিছে। বিশ্বাবিদ্যালয়ৰ অনুদান আয়োগৰ সাহায্য আৰু মহাবিদ্যালয়ৰ সামান্য উপাৰ্জনেৰে মহাবিদ্যালয়খনিৰ শৈক্ষিক, আভ্যন্তৰীণ, সহ সম্বন্ধীয় বিষয়ৰ গুণগত মানদণ্ড বৃদ্ধিৰ বাবে প্ৰচেষ্টা চলাইছে। এই প্ৰচেষ্টাক গতিশীল কৰি তোলাত সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ আন্তৰিক সহায়-সহযোগিতা অতিকৈ প্ৰশংসনীয়।

আৱয়িক দিশৰ পৰা খাগৰিজান মহাবিদ্যালয় অতি সৰু কিন্তু মনোবল অফুৰন্ত। পৰিচালনা সমিতি, শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰবল ইচ্ছা শক্তি অনুষ্ঠানখনিৰ মূলধন। লগতে ৰাইজৰ শুভাশিস। এই সকলোবোৰ অটুট থাকিলে খাগৰিজান মাবিদ্যালয়ৰ অবিৰত যাত্ৰা যে অন্তহীন হৈ ৰ'ব তাত কোনো সন্দেহ নাই।

**ড° সাগৰ বৰুৱা**
অধ্যক্ষ, খাগৰিজান মহাবিদ্যালয

# তত্ত্বাৱধায়িকাৰ একাষাৰ



শিক্ষকতা বৃত্তিটো এক দৌৰৱ প্ৰশিক্ষণৰ দৰে। আমি বহুতে এটা আশা লৈ শিক্ষকতাক জীৱিকা হিচাপে গ্ৰহণ কৰোঁ যেন আমি এখন পৰিৱৰ্তনশীল আৰু উন্নত পৃথিৱী গঢ়ি তুলিব পাৰোঁ। কেতিয়াবা আমাৰ আশাবোৰ বাস্তৱত ৰূপ দিয়ে আৰু কেতিয়াবা নিদিয়ে। বহুত সময়ত আমি বিচৰাটো অন্য ধৰণে পাওঁ। হয়তো আজি আমি কৰি থকা ভাল কামবোৰে বৰ্তমানত ইমান গুৰুত্ব নাপাব পাৰে, কিন্তু ই নিশ্চয় ভৱিষ্যতৰ প্ৰজন্মক আগুৱাই লৈ যোৱাত সহায় কৰিব। প্ৰগতিৰ পথ বাস্তৱিকতে ধীৰ গতিৰ হয়, কিন্তু ইয়াৰ ফল মিঠা হয়, প্ৰয়োজন মাথোঁ দৃঢ়তাৰ। আমি যদি এদিনত এজন শিশুকো পৰিৱৰ্তন কৰিব পাৰোঁ, ই ভৱিষ্যতৰ প্ৰগতিত মিঠা ফল দিব।

আলোচনী তত্ত্বাৱধায়িকাৰ দায়িত্ব লৈ যথেষ্ট আনন্দ অনুভৱ কৰিছিলোঁ। মনে মনে মহাবিদ্যালয়ৰ আলোচনীখন সৰ্বাঙ্গসুন্দৰ কৰি গঢ়ি তুলিবলৈ বহু হাবিয়াস কৰিছিলোঁ। এখন মহাবিদ্যালৰ সাহিত্য-চৰ্চা বুলি ক'লে মূলতঃ ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য সাধনা কৰাকেই বুজায়। কিন্তু বৰ্তমান সময়ত কিমান ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য সাধনাত মনোনিৱেশ কৰে সেয়া সন্দেহৰ বিষয়। তথাপিও যিসকল ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে তেওঁলোকৰ বহুমূলীয়া লেখাৰে আলোচনীখন প্ৰকাশ কৰাত সহায় আগবঢ়ালে সেই সকলৰ ওচৰত মই কৃতজ্ঞ।

শব্দ কিমান শক্তিশালী সেয়া যিকোনো ভাষা-সাহিত্যৰ কাষ চাপিলেহে গম পোৱা যায়। আশা ৰাখিছো মহাবিদ্যালয়ৰ এই আলোচনীৰ লেখাসমূহে সকলোৰে মনত বৌদ্ধিক আস্বাদনৰ সুতীব্ৰ আকাংক্ষা সৃষ্টি কৰিব।

শেষত, মোৰ সহকৰ্মীবৃন্দৰ সহায়-সহযোগ আৰু অধ্যক্ষ ড° সাগৰ বৰুৱা ছাৰৰ দিহা-পৰামৰ্শৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।



অজন্তা খাৰঘৰীয়া





## Governing Body and Other Members of College

### GOVERNING BODY

1. Dr. Badal Ch. Ghosh — *President*
2. Dr. Sagar Boruah — *Principal,* Khagarijan College
3. Md. Lutfur Rahman — *Vice Principal (member)*
4. Mr. Jonaram Nath — *Member*
5. Mrs. Mamoni Bhuyan — *Member*
6. Mr. Dhirendra Kr. Das — *Member*
7. Mr. Bragendra Kr. Sarkar — *Member*
8. Mrs. Haripriya Boruah — *Member*
9. Mr. Digen Bora — *Member*

**PRINCIPAL** Dr. Sagar Baruah

### TEACHING UNIT

1. Mrs. J. Choudhury
2. Mr. A. A. Choudhury
3. Mrs. K. Goswami
4. Mr. J. Nath
5. Mr. S. J. Nath
6. Mr. Lutfur Rahman
7. Mrs M. Bhuyan
8. Mrs. A. Khargharia
9. Mrs. N. Saikia
10. Mr. M. H. Akanda
11. Mr. R. Ahmed
12. Mrs. S. S. Khandakar
13. Mr. A. Salam
14. Mrs. R. Devi
15. Mrs. U. Salma
16. Mr. D. Sarkar
17. Mr. K. Medhi
18. Mr. H. Islam
19. Mr. M. Das
20. Miss D. Das
21. Mrs. T. Banik
22. Miss K. Bhuyan
23. Miss N. Hussain
24. Miss V. Bora

### Non-Teaching Unit

1. Mr. D. Bora
2. Mr. N. Saikia
3. Mr. D. Ghosh
4. Mr. B. K. Saikia
5. Mr. R. Saikia
6. Mr. S. Bora
7. Mrs. D. Dey
8. Mr. D. Nath
9. Mr. U. K. Ram
10. Miss S. Adhikari

# আলোচনী সম্পাদিকাৰ একাষাৰ



**প্ৰতিমা দাস**

আলোচনী সম্পাদিকা, খাগৰিজান মহাবিদ্যালয়

প্ৰথমে খাগৰিজান মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু অতি মৰমৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বছৰেকীয়া সংকলন 'অমৃতধাৰা'লৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

সাহিত্য সুন্দৰৰ সাধনা। ই মানৱ জীৱনৰ এক অবিচ্ছেদ্য অংগ, সৃষ্টিৰ মাধ্যমত জীৱনৰ নিত্য ৰূপ দিবলৈ যাওঁতে সাহিত্য হৈ পৰে জীৱনৰ পথ প্ৰদৰ্শক। সেয়েহে শিক্ষা জগতত আৰু জাতীয় জীৱনত সাহিত্যৰ ভূমিকা উল্লেখযোগ্য। ভাষা, সাহিত্য আৰু সংস্কৃতি নাথাকিলে কোনো জাতিয়ে নিজৰ অস্তিত্ব বচাই ৰাখিব নোৱাৰে। আলোচনী এখন বিদ্যালয়ৰ মুখপত্ৰ। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ সৃষ্টিশীল প্ৰতিভা প্ৰকাশ কৰিবলৈ পোন প্ৰথমে সুবিধা পাই শিক্ষানুষ্ঠানৰ মুখপত্ৰৰ জৰিয়তে আৰু তাত প্ৰকাশিত উচ্চমানৰ প্ৰবন্ধ-পাতিয়ে বিদ্যালয়ৰ গৌৰৱ বৃদ্ধি কৰাত সহায় কৰে, লগতে ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনত নতুন দিগন্তৰ সৃষ্টি কৰে।

### কৃতজ্ঞতা

মুখপত্ৰখনি প্ৰকাশ কৰিবলৈ লোৱা প্ৰচেষ্টাৰ আৰম্ভণি কালৰে পৰা দিহা-পৰামৰ্শ আদিৰে সৰ্বতো প্ৰকাৰে সহায় আগ বঢ়াই অহা তত্বাৱধায়িকা অজন্তা খাৰঘৰীয়া মহোদয়ালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মুখপত্ৰখনি প্ৰকাশ হোৱাত যিসকল গুৰু তথা ছাত্ৰ-ছাত্ৰীয়ে সহায়-সহযোগিতা আগ বঢ়ালে তেখেতসকললৈকো কৃতজ্ঞতা জনাইছোঁ।

শেষত মহাবিদ্যালয়ৰ ২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ অশেষ কৃতজ্ঞতা জনাইছোঁ।

সদৌ শেষত মোৰ অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰি সম্পাদকীয় ইমানতে সামৰিছোঁ।

'জয়তু খাগৰিজান মহাবিদ্যালয়'





# খাগৰিজান মহাবিদ্যালয় প্ৰতি অনুভৱ

নগাঁৱৰ আগৰ নাম খাগৰিজান আছিল। পিছতহে 'নগাঁও' নামকৰণ কৰা হ'ল। গতিকে খাগৰিজান কলেজখন নগাঁও জিলাৰ তথা নগৰৰ পুৰণি ঐতিহ্যৰ বাহক। ইয়াৰ ছাত্ৰসকলে এই ঐতিহ্য লৈ সদায় গৌৰৱ কৰি থাকিব পাৰিব। আপোনালোকে নগাঁৱৰ পুৰণি বুৰঞ্জীৰ কাহিনী জানি থোৱা উচিত। এই নগাঁৱতেই মহাপুৰুষ শংকৰদেৱৰ আবিৰ্ভাৱ হৈছিল আৰু মহাপুৰুষ দামোদৰদেৱৰ জন্মস্থান ইয়াতেই বুলি কোৱা হয়। অনন্ত কালজুৰি আন এজন মহাকবি আৰু গুৰুজনৰ পৰমভক্ত অনন্ত কন্দলিৰ জন্ম ইয়াতেই। বাদুলি খোৱোং বুলি যি ডোখৰ ঠাই আছে সেই কাহিনীৰ লগতো বৌদ্ধধৰ্মৰ একান্ত সাধকৰ নাম জড়িত হৈ আছে। মইনামতী গোপী চান্দৰ কাহিনীৰ লগতো নগাঁৱৰ নাম জড়িত বুলি কোনো কোনোৱে কয়। নগাঁৱৰ এটা অঞ্চলত নাৰীৰ শাসন চলিছিল। এই মুহূৰ্তত মোৰ সকলো কথা মনলৈ অহা নাই। সপ্তকাণ্ড ৰামায়ণ আমাৰ ভাষালৈ পদ ভাঙনি কৰোঁতা শংকৰদেৱতকৈ এশ বছৰৰ আগৰ অৰ্থাৎ ১৪ শতিকাৰ কবি মাধৱ কন্দলিৰ জন্মস্থানো নগাঁৱতেই বুলি জানিব পৰা গৈছে। গুৰুজনাই তেওঁক আদি আৰু অপ্ৰমাদী কবি বুলি উচ্চ স্থান দি তেওঁক হাতীৰ লগত আৰু নিজক শহাপহুৰ লগত তুলনা কৰি গৈছে। এই নগাঁৱৰেই বিভিন্ন স্থানত মোগল আৰু মানৰ লগত আমাৰ বহুকেইখন যুদ্ধ সংঘটিত হৈছিল। কলিয়াবৰত মূলা গাভৰুৱে মোগল সেনাপতি তুৰ্বকৰ লগত মুখামুখি যুদ্ধ কৰি প্ৰাণ আহুতি দিছিল। গুৰুজনাৰ দিনতেই সতী ৰাধিকাই তেওঁৰ সতীত্বৰ গৌৰৱ প্ৰকাশ কৰিব পাৰিছিল। বৰদোৱাৰ শান্তিজান তাৰেই চানেকি। স্বাধীনতা সংগ্ৰামত গান্ধীজীৰ আহ্বানত নগাঁৱৰ বিভিন্ন স্থানত পুলিচৰ গুলীত বহু কেইজন ছহিদৰ মৃত্যু, শ শ লোকে কাৰাবৰণ আৰু হাজাৰ হাজাৰ লোক অত্যাচাৰৰ সন্মুখীন হৈছিল। বৃটিছৰ লগতো নগাঁৱৰ কেইবাজনো কবি, সাহিত্যিক, পণ্ডিতে আমাৰ সাহিত্য-সংস্কৃতিলৈ বিশেষ বৰঙণি আগ বঢ়াই গৈছে। তেখেতসকল হ'ল— ড° সূৰ্য্যকুমাৰ ভূঞা, ড° বিৰিঞ্চিকুমাৰ বৰুৱা, অতুল চন্দ্ৰ হাজৰিকা, দেৱকান্ত বৰুৱা, নৱকান্ত বৰুৱা, ৰুদ্ৰ বৰুৱা, মলিন চন্দ্ৰ বৰা, তৰিক উদ্দিন আহমেদ, মঃ মছলেহ উদ্দিন আহমেদ, মহিচন্দ্ৰ বৰা, ৰাধিকা মোহন দেৱগোস্বামী, গোলাপ চন্দ্ৰ ভূঞা আৰু মনত নপৰা সকলৰ সৈতে এই সকল স্বৰ্গীয় শ্ৰদ্ধেয় ব্যক্তিৰ নাম নগাঁওবাসীৰ চিৰস্মৰণীয়। বৰ্তমান জীৱিতসকলৰ ভিতৰতো কেইবাগৰাকী পুৰুষ-মহিলাই বিভিন্ন ক্ষেত্ৰত তেওঁলোকৰ নাম উজ্জ্বলাব পৰিছে। বিখ্যাত সদাগৰ ভোলানাথ বৰুৱাও নগাঁৱৰে সন্তান। নগাঁৱ ৰাইজ অসম বুৰঞ্জীত বজাখেদা নগাঁৱ নামেৰে জনাজাত। সেয়া এটা বেলেগ কাহিনী। মুঠতে কলং-কপিলীৰ এই বিস্তৃৰ্ণ অঞ্চলটো পুৰাণৰ যুগৰ পৰাই বিখ্যাত হৈ আহিছে। আপোনালোক এই গৌৰৱৰ অধিকাৰী। আপোনালোকৰ মাজৰ পৰাই সাহিত্যিক, শিল্পী, বৈজ্ঞানিক, খেলুৱৈ, গণিতজ্ঞ, শিক্ষাবিদ, আদৰ্শ খেতিয়ক, আদৰ্শ ব্যৱসায়ী ভৱিষ্যতে ওলাই থাকিব। কিন্তু তাৰ কাৰণে লাগিব সাধনা। কঠোৰ শ্ৰমৰ বাহিৰে নিৰ্দিষ্ট লক্ষ্য পাবগৈ নোৱাৰি। ভাল খেলুৱৈ এজন হ'বলৈ বা ভাল শিল্পী এজন হ'বলৈ কঠোৰ শ্ৰম কৰিব লাগিব। গতিকে



আপোনালোকে নিজ লক্ষ্য স্থিৰ কৰি আগ বাঢ়ি যাওক ভগৱন্তই কৃপা কৰিব। মই বৰ্তমান অসুখত ভুগি আছোঁ, সেই কাৰণে সকলো মনলৈ অহা নাই। শ্ৰীমান প্ৰিয়ঙ্কুৱে আকোৰগোজকৈ লগাত এই কথাখিনি ক'লোঁ। নিজ নিজ ধৰ্ম মতত থাকি ঈশ্বৰৰ কৃপা বিচাৰিলে ভগৱন্তই আপোনালোকক কৃপা কৰিব। এটা কথা সদায় মনত ৰাখিব আমাৰ দেশত 'দেশতকৈ মোমাই ডাঙৰ নহয়' আৰু মই লগতে যোগ দিব খুজিছোঁ দেশতকৈ ভাগিনো ডাঙৰ নহয়, দেশৰ স্বাৰ্থ সকলোতকৈ আগ আৰু দেশপ্ৰেম এটা শ্লগান নহয়। ভগৱন্তই আপোনালোকক কৃপা কৰক।

**মহিম বৰা**

শ্ৰুত লিখক ঃ প্ৰিয়াঙ্কু শৰ্মা

৮-৯-২০১২, মঙ্গলবাৰ ঃ ফোন ২৩৫৬৭৯

# তত্ত্বকথা



**কবিতা গোস্বামী**
*সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ*
*খাগৰিজান মহাবিদ্যালয়*

জাতি এটাৰ সন্ধিক্ষণত এনেকুৱা একোজন ক্ষণজন্মা পুৰুষৰ জন্ম হয়, যি জনাই তেওঁৰ লেখাৰে জাতিটোক পুনৰুজ্জীৱিত কৰি স্বকীয়ত্ব বজাই ৰাখি আগ বাঢ়ি যাবলৈ সাহ-পিত যোগান ধৰে। এনেকুৱা এজন ক্ষণজন্মা পুৰুষ আছিল লক্ষ্মীনাথ বেজবৰুৱা। অসমীয়া জাতিৰ এটা অতি দুৰ্যোগপূৰ্ণ সময়ত তেখেতে হাতত কলম তুলি লৈছিল। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসম দেশ ইংৰাজৰ অধীনলৈ যায়। বৃটিছৰ আগমনে অসমীয়া ভাষাক প্ৰথম মাধমাৰটো শোধালে। ১৮৩৬ চনৰ পৰা ১৮৭৪ চনলৈকে স্কুল-আদালতত বঙলা ভাষা প্ৰৱৰ্তন কৰে। বঙালী ভাষাৰ অগ্ৰাসনৰ ফলত, অসমীয়া এটা স্বতন্ত্ৰ জাতি হৈও, অসমৰ জাতীয় সন্মান ৰক্ষা কৰাত অপাৰগ হৈছিল। বঙলা ভাষা প্ৰচাৰৰ লগে লগে অসমত বঙলা গান, নৃত্যকে আদি কৰি অন্যান্য কলা-সংস্কৃতিয়ে গা কৰি উঠিছিল। মুঠতে সেই সময়ৰ ডেকাচামৰ মাজত প্ৰবল বঙলা প্ৰীতিয়ে গা কৰি উঠিছিল। আনহে নালাগে, আমাৰ সুকীয়া বৈশিষ্ট্যসম্পন্ন অংকীয়া ভাওনাৰ পৰম্পৰা চলি থকা দুই-এখন সত্ৰৰ সত্ৰাধিকাৰসকলেও বঙলা নাট ৰচনা কৰি অভিনয় কৰি নিজৰ পাণ্ডিত্য জাহিৰ কৰিছিল।

এনেকুৱা এটা সন্ধিক্ষণতে অসমৰ মাটিত পদাৰ্পণ কৰিছিল খৃষ্টান মিছনেৰীসকলে। মিছনেৰীসকলৰ নেৰা-নেপেৰা চেষ্টাত অসমৰ স্কুল-আদালতত অসমীয়া ভাষা প্ৰচলন হ'ল। অসমীয়া জাতিয়ে স্বস্তিৰ নিশ্বাস পেলালে, কিন্তু আন এটা নতুন সমস্যাই গা কৰি উঠিল। মিছনেৰীসকল আহিছিল খৃষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেৰে, গতিকে তেওঁলোকে **বাইবেল** অসমীয়ালৈ অনুবাদ কৰি, বাইবেলৰ কাহিনী-উপকাহিনীবোৰৰ সৰু সৰু পুস্তিকা প্ৰকাশ কৰি জনসাধাৰণৰ মাজত খৃষ্টধৰ্ম প্ৰচাৰৰ প্ৰথমটো পদক্ষেপ পেলালে। খৃষ্টান ধৰ্মৰ এই অগ্ৰাসন বেজবৰুৱাই সহজভাৱে ল'ব পৰা নাছিল। সৰুৰে পৰা শংকৰ-মাধৱৰ **কীৰ্ত্তন-নামঘোষা** আৰু বৈষ্ণৱ ধৰ্মৰ ঐতিহ্যময় পৰিৱেশত লালিত-পালিত লক্ষ্মীনাথ বেজবৰুৱাৰ স্বজাতি আৰু স্বধৰ্মৰ গ্লানি দেখি অন্তৰত প্ৰবল জাতীয়তাবোধ জাগি উঠিছিল। বৈষ্ণৱ ধৰ্মক জগত সভাত স্থাপন কৰাটোক তেওঁ এটা দায়িত্ব হিচাপে গ্ৰহণ কৰিছিল আৰু এই দিশত তেওঁ বহুত চিন্তা-চৰ্চা কৰি এটা ফলপ্ৰসূ উপায় উদ্ভাৱন কৰিছিল। বেজবৰুৱাৰ আগলৈকে কোনেও অসমীয়া জাতি আৰু সংস্কৃতিক এটা নতুন মোৰ দিয়া শংকৰদেৱৰ সাহিত্যৰাজিক বিশ্ব-দৰবাৰলৈ উলিওৱা কথা ভবা নাছিল। অসমৰ জনসাধাৰণৰ বাবে গীতা, ভাগৱতৰ জটিল দাৰ্শনিক তত্ত্ববিলাকৰ সহজ-সৰল ব্যাখ্যা অতি প্ৰয়োজনীয় হৈ পৰিছিল। ছাত্ৰ হৈ কলিকতাত পঢ়ি থাকোঁতে তেওঁৰ দৰ্শন বিষয়টোত এটা ৰাপ বহিছিল আৰু পিছলৈ পৈণত বয়সতহে এই বিষয়টোৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হৈছিল। ভাৰতৰ বিভিন্ন দাৰ্শনিক মতবাদৰ প্ৰামাণ্য গ্ৰন্থসমূহ তেওঁ গভীৰভাৱে অধ্যয়ন কৰিছিল। হিন্দু ধৰ্মকে ধৰি পৃথিৱীৰ আন তিনিটা শ্ৰেষ্ঠ ধৰ্ম— খৃষ্টান, বৌদ্ধ আৰু ইছলাম ধৰ্মৰ বিষয়েও বিশদ জ্ঞান আহৰণ কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাই সমগ্ৰ উপনিষদ সাহিত্য অধ্যয়ন কৰাৰ উপৰিও **ভাগৱত, পুৰাণসমূহ, গীতা, ষড়দৰ্শন,** ধৰ্ম আৰু দৰ্শন সম্পৰ্কীয় প্ৰসিদ্ধ সংস্কৃত পণ্ডিতসকলৰ গ্ৰন্থসমূহ অধ্যয়ন কৰিছিল। এইবোৰৰ অধ্যয়নে বেজবৰুৱাৰ দাৰ্শনিক মনটোৰ পৰিপুষ্টি সাধন কৰিছিল আৰু **বাঁহী** আলোচনীৰ পাতত বিভিন্ন তত্ত্বমূলক প্ৰবন্ধ লিখিবলৈ প্ৰেৰণা পাইছিল। বেজবৰুৱাৰ প্ৰতিভাৰ অন্যতম উল্লেখনীয় কৃতি এই তত্ত্বমূলক প্ৰবন্ধসমূহ সময়ৰ বিচাৰত এক বলিষ্ঠ পদক্ষেপ। **শংকৰদেৱ, মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ, তত্ত্বকথা, শ্ৰীকৃষ্ণকথা** আদি ৰচনাসমূহ এই বলিষ্ঠ পদক্ষেপৰে ফচল। শংকৰ-মাধৱক অসমীয়া জাতিৰ একনিষ্ঠ সংগঠক হিচাপে প্ৰতিষ্ঠা কৰাত এই ৰচনাসমূহে দিক্‌দৰ্শন কৰাৰ লগতে হাস্যৰসেৰে ভৰা বেজবৰুৱাৰ ভিতৰৰ গভীৰ তত্ত্বদৰ্শিতাকো প্ৰকট কৰি তুলিছে।

বেজবৰুৱাই **তত্ত্বকথা** নামৰ কোনো গ্ৰন্থ ৰচনা কৰি থৈ যোৱা নাছিল। পিছৰ কালত এই একেসুৰীয়া এঘাৰটা প্ৰবন্ধ একেলগ কৰি অতুলচন্দ্ৰ হাজৰিকাদেৱে **তত্ত্বকথা** নামৰ পুথিখন প্ৰস্তুত কৰে আৰু অসম সাহিত্য সভাই ১৯৬৩ চনত প্ৰকাশ কৰে। অসমীয়া জাতীয় জীৱনলৈ বেজবৰুৱাৰ গল্প, নাটক, উপন্যাস, চুটিগল্প, ৰমাৰচনা, জীৱনী আদি বিভিন্ন অৱদানৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ অৱদান আছিল শংকৰ-মাধৱৰ বহুমূলীয়া গ্ৰন্থৰাজিক সমল হিচাপে লৈ শংকৰ-মাধৱৰ ধৰ্ম, দৰ্শন আৰু আদৰ্শক বিশ্ব-দৰবাৰত প্ৰতিষ্ঠাৰ কাৰণে সৃষ্টি কৰা তেওঁৰ তত্ত্বমূলক প্ৰবন্ধসমূহ। **তত্ত্বকথাৰ** এই প্ৰবন্ধসমূহত ধৰ্মতত্ত্ব সম্বন্ধে কোনো বৈজ্ঞানিক দৃষ্টিভংগী বা নতুনত্বৰ অৱতাৰণা কৰা নাই। ধৰ্মৰ জটিল তত্ত্ববিলাকৰ সহজ-সৰল ভাষাৰ প্ৰভাৱত ফুট্‌ফুটীয়া হৈ পৰিছে। তেওঁৰ এই প্ৰবন্ধলানিৰ আৰু এটা উল্লেখনীয় দিশ হ'ল আমাৰ সমাজ যে ধৰ্মীয় আবেষ্টনীৰ বাহিৰত নহয়, সেইটো প্ৰতিপন্ন কৰাটো। **অৰুনোদইৰ** সময়ৰপৰা খৃষ্টধৰ্ম প্ৰচাৰকসকলে কৰা উপহাসমূলক উক্তিৰ যোগ্য উত্তৰ দিছিল খৃষ্টধৰ্ম আৰু অন্যান্য ধৰ্মৰ উদাহৰণেৰে—

> ভক্তিৰ মূলত বিশ্বাস আৰু বিশ্বাসেই একশৰণ। গীতাৰো শেষ বচন এয়ে— 'সৰ্বাধৰ্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ'। খৃষ্টান ধৰ্মতো বিশ্বাসেই মূলমন্ত্ৰ— ঈশ্বৰৰ শেষ 'প্ৰফেট' মহম্মদত বিশ্বাস আৰু একশৰণ। *(তত্ত্বকথা ৫ পৃষ্ঠা)*

'শব্দব্ৰহ্ম' এই কথাৰ ব্যাখ্যা দিবলৈ গৈ বেজবৰুৱাই কৈছে

> পৃথিৱীত যত প্ৰকাৰ শাণিত সুতীক্ষ্ণ অস্ত্ৰ আছে সকলোৰে ভিতৰত শব্দ অস্ত্ৰ সকলোতকৈ চোকা। 'কথাত কটা যায়, কথাত বঁটা পায়' বুলি কয়। 'ভাতৰ তিতা সহিব পাৰি মাতৰ তিতা সহিব নোৱাৰি।' এইবোৰ বুঢ়ালোকৰ সাৰুৱা বচন। শব্দক সেই দেখি শব্দব্ৰহ্ম বোলে। ওঁকাৰ সেই দেখি মূলমন্ত্ৰ। বাইবেলত সেই দেখি Word is God বুলিছে।' *(তত্ত্বকথা পৃষ্ঠা-৬)*

'শব্দব্ৰহ্ম' সম্পৰ্কে ইয়াতকৈ সহজ ব্যাখ্যা দিয়াটো সম্ভৱ নহয়।

> নামলোৱা ভকতক উপহাস কৰাসকলৰ মুখ বন্ধ কৰিবলৈ তেওঁ কৈছিল— "ঈশ্বৰত ৰতি নোহোৱাকৈ ঈশ্বৰৰ নাম প্ৰথমতে চেলেং-পেতেংকৈ লওঁতে লওঁতে কালত তাৰ মন ঈশ্বৰত নিবিষ্ট হয়। এইবাবেই কি কৰ্মকাণ্ডবাদী, কি জ্ঞানকাণ্ডবাদী, কি শাক্ত, কি শৈৱ, কি বৈষ্ণৱ সকলোৱে তেওঁলোকৰ অনুষ্ঠান আৰু ক্ৰিয়াবোৰ আৰু ইষ্টমন্ত্ৰ জপ, গায়ত্ৰী সন্ধ্যা আদি দিনৌ কৰে। গীৰ্জাত আৰু মছজিদত এই বাবেই ঈশ্বৰৰ 'প্ৰেয়াৰ' আৰু নামাজৰ ব্যৱস্থা। এই বাবেই শংকৰদেৱৰ নামলোৱা ব্যৱস্থা।*(তত্ত্বকথা পৃষ্ঠা-৬)*

অৰ্থাৎ এনেকুৱা নিত্য স্মৰণৰ দ্বাৰা মনৰ একাগ্ৰতা বাঢ়ে আৰু এই একাগ্ৰতাই একশৰণ।

'সগুণ আৰু নিৰ্গুণ ধৰ্মতত্ত্ব' প্ৰবন্ধত বেজবৰুৱাদেৱে অজামিল উপাখ্যানৰ বিষ্ণুদূত আৰু যমদূতৰ কথোপকথনৰ মাজেদি সগুণ আৰু নিৰ্গুণ ধৰ্মতত্ত্বৰ ব্যাখ্যা কৰিছে। তিনি বেদত প্ৰতিপাদিত ধৰ্ম হ'ল সগুণ ধৰ্ম আৰু ভগৱৎ প্ৰণিত বিশুদ্ধ ধৰ্ম হ'ল নিৰ্গুণ ধৰ্ম। ইয়াত নামেই মূল বস্তু। জীৱনকালত নানা ধৰণৰ পাপ কাম কৰিও অজামিল ব্ৰাহ্মণে মৃত্যুৰ আগমুহূৰ্তত পুত্ৰ 'নাৰায়ণ'ক মতা কাৰণে সকলো পাপৰ পৰা মুক্ত হ'ল আৰু যমদূতৰ পৰিবৰ্তে বিষ্ণুদূতে তেওঁৰ আত্মা লৈ গ'ল। তত্ত্বকথাত কৈছে—

> 'জুয়ে যেনেকৈ শুকান কাঠ দগ্ধ কৰে, সেইদৰে হৰি নাম-কীৰ্তনে পাপীৰ পাপ, জ্ঞানকৃতই হওক, দগ্ধ কৰে। যেনেকৈ কোনো মানুহে নজনাকৈয়ে কোনো অতিশয় বীৰ্যবান ঔষধ ভক্ষণ কৰিলে সেই ঔষধে নিজৰ গুণ দেখুৱায়, হৰিনামো তেনেকুৱা। *(তত্ত্বকথা পৃষ্ঠা-১০)*

শ্ৰীকৃষ্ণতত্ত্ব প্ৰবন্ধত বেজবৰুৱাই 'কৃষ্ণ' শব্দৰ উৎপত্তি সম্বন্ধে ব্যাখ্যা দাঙি ধৰি শ্ৰীকৃষ্ণৰ কৰ্ম আৰু গুণৰ ব্যাখ্যাও দাঙি ধৰিছে। মাধৱদেৱৰ নামঘোষাৰ ঘোষা এফাকিৰেই তেওঁ 'কৃষ্ণ' নামটো যে ভূমিৰ লগত জড়িত তাৰ ব্যাখ্যা দাঙি ধৰিছে—

> কৃষ্ হেন শব্দ ইটো     পৃথিৱী বাচক ভৈল
> ণ আনন্দত প্ৰবৰ্ত্তয়।
> দুইৰ এক পদ ভৈলে   পৰমব্ৰহ্ম ৰূপ কৃষ্ণ
> নাম আনন্দক মাত্ৰ কয়।। ১৪০

উপনিষদত ব্ৰহ্মাক সচ্চিদানন্দ বুলি কৈছে। ব্ৰহ্মাৰ স্বৰূপ লক্ষণ হৈছে সৎ, চিৎ আৰু আনন্দ। বেজবৰুৱাই তত্ত্বকথাৰ 'শ্ৰীকৃষ্ণতত্ত্ব' নামৰ প্ৰবন্ধত কৃষ্ণ নামৰ ব্যাখ্যা প্ৰসঙ্গত কৈছে— অস্তিত্ব, চৈতন্য আৰু পৰমানন্দৰ মিলনৰ নামেই কৃষ্ণ। তেওঁ উপনিষদসমূহৰ পৰা ব্যাখ্যা দাঙি ধৰি এই কথা বেছি প্ৰাঞ্জলকৈ বুজাই দিছে। কৃষ্ণ পৰম ব্ৰহ্ম সৎ। অৰ্থাৎ তেওঁ চিৰ সত্য। কৃষ্ণ চিৎ অৰ্থাৎ চৈতন্য। কৃষ্ণ আনন্দ। গতিকে কৃষ্ণ আনন্দ স্বৰূপ সত্তা। তেওঁ সচ্চিদানন্দ। বেজবৰুৱাৰ মতে এই সচ্চিদানন্দ পৰম বিগ্ৰহেই কৃষ্ণ। তেওঁ বেদোক্ত পৰম ব্ৰহ্মাকে শ্ৰীকৃষ্ণ বুলি যুক্তি সহকাৰে প্ৰতিষ্ঠা কৰিছে আৰু ইয়াকে কৰিবলৈ যাওঁতে উপনিষদ, গীতা-ভাগৱত আৰু লগতে শংকৰ-মাধৱৰ ৰচনাৰো আশ্ৰয় লৈছে।

বস্ত্ৰহৰণ তত্ত্ব, ৰাসলীলা তত্ত্বৰেই প্ৰাৰম্ভিক পৰ্যায়। গোপ কুমাৰীসকলে যমুনাত স্নান কৰি কাত্যায়নী দেৱীৰ পূজা কৰিছিল শ্ৰীকৃষ্ণক পতি ৰূপে পাবৰ বাবে। বস্ত্ৰহৰণ তত্ত্ব আৰু ৰাসলীলা তত্ত্ব ইটো আনটোৰ পৰিপূৰক। সেই সময়ৰ সমাজত 'ৰাসলীলা'ত কাম-কেলিৰ বৰ্ণনা থকা কাৰণে বৈষ্ণৱ ভক্তি ধৰ্মক ইতিকিং কৰিছিল। আনকি পাশ্চাত্য শিক্ষাৰে শিক্ষিতসকলেও 'কৃষ্ণৰ গাৰ পৰা এইবোৰ ধুই-মচি-জাৰি-ফুকি পেলাই তেওঁক চাফ-চিকুণকৈ লোৱাৰ' কথাও ভাবিছিল। কিন্তু বেজবৰুৱাই ৰামকৃষ্ণ পৰমহংসৰ 'শ্ৰীকৃষ্ণৰ ঈশ্বৰত্ব বৃন্দাবন লীলাত। বৃন্দাবন লীলা বাদ দিলে, তেওঁৰ ঈশ্বৰত্ব থাকে ক'ত?' উক্তিৰে মানুহৰ মনৰ সন্দেহ দূৰ কৰিছিল। এই প্ৰবন্ধ দুটা তাত্ত্বিক দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ। বেজবৰুৱাই বিভিন্ন শাস্ত্ৰৰ উল্লেখেৰে ৰাসলীলা তত্ত্ব যে ভগৱন্তৰ লীলাহে তাক প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। তেওঁ এঠাইত কৈছে—

> 'এই বস্ত্ৰহৰণ লীলা যদি পাৰ্থিৱ কামগন্ধময় লীলা হ'লহেঁতেন, তেন্তে সুন্দৰী তিৰোতাই পুৰুষক ৰমণৰ নিমিত্তে নিজে প্ৰাৰ্থনা কৰিছে আৰু পুৰুষে তাত অসন্মতি প্ৰকাশ কৰি ঘৰলৈ উভতি যাবলৈ কৈছে, এনে অসম্ভৱ কাৰ্য কেতিয়াও দেখা নগ'লহেঁতেন।' *(তত্ত্বকথা পৃষ্ঠা - ২৭)*

শংকৰদেৱেও কৈছিল—

> ইটো ৰাসক্ৰীড়া কেলি নামে কামজয়।
> কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময়।।
> আৰু গুণে ভণে যিটো জনে অবিশ্ৰাম।
> বাঢ়িবে ভকতি আতি জিনিবেক কাম।।

সংসাৰ ধৰ্মত আউল নলগাকৈও যে পৰমপুৰুষ ভগৱন্তৰ সৈতে ৰমণ কৰি পৰমানন্দ আৰু পৰম সুখ লাভ কৰিব পাৰি তাকে ৰাসলীলা তত্ত্বত ব্যক্ত কৰা হৈছে। কাৰণ ৰাসলীলাৰ সময়ত শ্ৰীকৃষ্ণ দেৱকীৰ ওচৰত আৰু গোপিনীসকল নিজ নিজ পতিৰ ওচৰতে আছিল।

'বেদাদিতত্ত্ব' প্ৰবন্ধত তেওঁ কৈছে যে ঈশ্বৰ সৰ্বব্যাপী যদিও তেওঁক পাবলৈ সুকীয়া ভক্তি বা উপাসনাৰ প্ৰয়োজন। বেজবৰুৱাই কৈছে— 'জগতক ব্ৰহ্ম বুলি ভাবিলে (যদিও সেইটো ঠিক ভাৱেই) আমি এইবোৰ একো নেপাওঁ। আমি পিয়াহত পানী খাবলৈ গৈ নৈৰ মাজত জঁপিয়াই পৰিলে তাত বুৰিহে মৰিম, পিয়াহ গুচাব নোৱাৰোঁ, কিন্তু তাৰ পৰা এচলু বা এবাটি পানী আনি খালেহে আমাৰ পিয়াহ গুচিব'। এই প্ৰবন্ধটোত তেওঁ ভক্তি ধৰ্মৰ মূলতত্ত্বৰ লগত সংগতি ৰাখি, ঈশ্বৰৰ প্ৰতি একান্ত বিশ্বাসেৰে তেওঁক ভজন বা উপাসনা কৰাত গুৰুত্ব আৰোপ কৰিছে।



'গীতাতত্ত্ব' প্ৰবন্ধটিত তেওঁ ভক্তি ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিছে। **গীতাত** কৃষ্ণই অৰ্জুনক যুদ্ধ নকৰোঁ বুলি শোকত ম্ৰিয়মাণ হৈ পৰা দেখি জ্ঞানযোগ, কৰ্মযোগ আদিৰ বিষয়ে ব্যাখ্যা কৰিছে। অৰ্জুনৰ এই বিষাদ, অবিদ্যা আৰু মায়াৰ কাৰণেই যে হৈছে তাকো ব্যাখ্যা কৰিছে। গীতাতত্ত্বত ঈশ্বৰপ্ৰাপ্তিৰ দিশ চাৰিটাৰ বিষয়ে বেজবৰুৱাই এইদৰেই কৈছে— 'ঈশ্বৰপ্ৰাপ্তিৰ চাৰিটা ঘাই বাট। জ্ঞানমাৰ্গ, কৰ্মমাৰ্গ, যোগমাৰ্গ আৰু ভক্তিমাৰ্গ। যদিও এই চাৰিটা বাট সুকীয়া তথাপি চাৰিওৰে মুখ্য লক্ষ্য একেটা অৰ্থাৎ ঈশ্বৰপ্ৰাপ্তি বা মুক্তি।' **গীতাত** থকা নিষ্কাম কৰ্মৰ বিষয়ে তেওঁ গীতাত ভগৱান কৃষ্ণই কোৱা শ্লোকটোৰ সৰল ব্যাখ্যা দাঙি ধৰিছে— 'তুমি ফলাভিসঙ্গ ৰহিত হৈ সদায় অৱশ্যে কৰণীয় কৰ্মানুষ্ঠান কৰা। অনাসক্ত হৈ কৰ্ম কৰিলে পুৰুষে মোক্ষ লাভ কৰে।' লক্ষ্মীনাথ বেজবৰুৱাই **গীতাৰ** মূলতত্ত্ব 'একমেৱ দ্বিতীয়ম' যদিও অন্য ধৰ্মমতৰ লগত ইয়াৰ কোনো শত্ৰুতা নাই বুলি কৈছে। **কথোপনিষদত** কোৱা হৈছে—

> ভয়াদস্যাগ্নিস্তপতি ভয়াৎ তপতি সূৰ্য্যঃ।
> ভয়াদিন্দ্ৰশ্চ বায়ুশ্চ মৃত্যুধাৱতি পশ্চমঃ।।

এই কথাযাবক প্ৰতিনিধিত্ব কৰিছে শংকৰদেৱে **কীৰ্ত্তন-ঘোষাত** কোৱা এই কথাখিনিয়ে—

> পলায় জগতৰ মৃত্যু যি প্ৰভুক ডৰে।
> যাৰ ভয়ে চন্দ্ৰ-সূৰ্য্য পৱন সঞ্চৰে।।
> হেন জগন্নাথ অনাথৰ নাথ দেৱ।
> হৰি বিনে আৱৰ তাৰন্তা নাহি কেৱ।।

শ্ৰীকৃষ্ণৰ মুখনিসৃত **গীতা** হিন্দুৰ **বেদ, উপনিষদ** আৰু দৰ্শনৰ ঘনীভূত সাৰতত্ত্ব বুলি বেজবৰুৱাই যুক্তি সহকাৰে প্ৰতিপন্ন কৰিছিল। গীতাৰ শ্ৰেষ্ঠত্ব সম্পৰ্কে তেওঁৰ অভিমত দাঙি ধৰিছে এনেদৰে 'হিন্দুৰ এই প্ৰসিদ্ধ পুৰণি শাস্ত্ৰ কৰ্ম, জ্ঞান, ভক্তি, দৰ্শন, বিজ্ঞান, যুক্তি, বিশ্বাসৰ সামঞ্জস্যকৃত সম্মিলন। পৃথিৱীৰ কোনো সভ্য জাতিৰ কোনো শাস্ত্ৰই কৰ্তব্য, কৰ্ম, জ্ঞান আৰু ভক্তি, সৃষ্টি মুক্তি, সৃষ্টি ৰহস্য, আত্মতত্ত্ব জ্ঞান, জীৱাত্মা আৰু পৰমাত্মাৰ বিষয়ে **গীতাৰ** দৰে বিশদভাৱে শিক্ষা দিব পৰা নাই। এইবোৰ বিষয়ত গীতা অদ্বিতীয়।'

'ভাগৱততত্ত্ব' প্ৰবন্ধটিত ভাগৱতৰ ৰসময়ী ভক্তিৰ শ্ৰেষ্ঠত্ব সম্বন্ধে বিশদ ব্যাখ্যা দাঙি ধৰিছে। প্ৰবন্ধৰ আৰম্ভণিতে তেওঁ কৈছিল— 'বাস্তৱিকতে এনেকুৱা জ্ঞান আৰু ভক্তিৰ গ্ৰন্থ সংস্কৃত ভাষাত আন এখন নাই। অকল সংস্কৃতত কিয় পৃথিৱীত আন কোনো সভ্য জাতিৰ ভাষাতো এনে গ্ৰন্থ নাই।' ইয়াৰ পিছৰ অংশত তেওঁ ভাগৱতৰ শ্ৰেষ্ঠ অধ্যায় ঊনত্ৰিংশ অধ্যায়ৰ পৰা পাঁচটা অধ্যায়ত বৰ্ণিত ৰাসলীলাৰ জৰিয়তে ভগৱৎপ্ৰাপ্তিৰ বিষয়ে আলোচনা কৰিছে। ভাগৱতৰ সাৰবস্তু হ'ল— 'যি সদায় কাম, ক্ৰোধ, ভয়, স্নেহ, ঐক্য, সম্বন্ধ আৰু সৌহাৰ্দ্য ভক্তি হৰিত নিয়োজিত কৰিব পাৰে, সি তাৰ দ্বাৰাই ঈশ্বৰেৰে সৈতে তন্ময় হয় আৰু তন্ময় হ'লেই মুক্তি।'

বেজবৰুৱাই যি উদ্দেশ্য আগত ৰাখি ধৰ্মতত্ত্ব সম্বন্ধীয় এইলানি প্ৰবন্ধ লিখিছিল সেই উদ্দেশ্যৰ সমুদায় প্ৰতিফলন ঘটিছে 'নামধৰ্মতত্ত্ব' আৰু 'কীৰ্ত্তন আৰু ঘোষাতত্ত্ব' নামৰ প্ৰবন্ধ দুটিত। তাত্ত্বিক দিশটোৰ বাহিৰেও ইয়াত তেওঁ অসমীয়া জাতীয় জীৱনৰ প্ৰয়োজনত বহুত কথাৰ অৱতাৰণা কৰিছে। তেওঁ এটা নতুন দৃষ্টিভংগীৰে কীৰ্ত্তন পুথিৰ বিচাৰ-বিশ্লেষণ আগ বঢ়াইছিল। কীৰ্ত্তন পুথিৰ আৰম্ভতে শংকৰদেৱে সনাতন ধৰ্মতত্ত্ব সম্পৰ্কীয় এযাৰ বৰ সুন্দৰ কথা লিখিছে।

> প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
> সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।

বেজবৰুৱাই এই পদফাকিক উচ্চস্বৰে প্ৰশংসা কৰি এনেদৰে লিখিছে— 'কি প্ৰকৃত আৰম্ভণ। এনে সুন্দৰ আৰম্ভণ আৰু ধৰ্মগ্ৰন্থত বা অন্য গ্ৰন্থত বিৰল। বেদ-উপনিষদৰ পৰা আৰম্ভ কৰি আজি যিকোনো পৰাবিদ্যাৰ ধৰ্মগ্ৰন্থ বা অপৰাবিদ্যাৰ গ্ৰন্থকে চোৱা, দুশাৰী উজু কথাৰে পৃথিৱীৰ সকলো সনাতন ধৰ্মৰ তত্ত্ব এনেকৈ প্ৰথমতে প্ৰকাশ ক'তো নোপোৱা।' ধৰ্মৰ গ্লানি গুচাই যুগধৰ্ম প্ৰৱৰ্তাৰৰ আৱশ্যক হ'লে নিৰাকাৰ ব্ৰহ্মাই সাকাৰ ৰূপ ধৰি বিভিন্ন অৱতাৰী লীলা প্ৰদৰ্শন কৰাৰ আৱশ্যক হয়। 'খৃষ্টান ধৰ্মতো এই বাবে প্ৰাকৃতিক ৰক্ত মাংসৰ শৰীৰেৰে যীচুৰ অৱতাৰ আৰু মুছলিম ধৰ্মটো তেনে ৰূপেই মহম্মদৰ অৱতাৰ।'

শংকৰদেৱৰ ধৰ্মতত্ত্ব সম্বন্ধীয় পুথিসমূহ পৃথিৱীৰ ভিতৰতে অনন্য, তাকে প্ৰতিপন্ন কৰিছে এইষাৰ কথাৰে— "ভাই অসমীয়া, পৃথিৱীৰ সুসভ্য, অসভ্য, অৰ্ধসভ্য, কোন দেশৰ ধৰ্ম প্ৰচাৰক সাধক ভক্তৰ হৃদয়ত এনে 'মহতো মহীয়ান' প্ৰাৰ্থনা ওলাইছে, এবাৰ সেইবোৰৰে সৈতে, দুখীয়া অসমৰ এচুকত পৰি থকা আমাৰ মহাপুৰুষ মাধৱদেৱৰ এই প্ৰাৰ্থনাটি তুমি ৰিজাই চোৱা, দহোকুৰি চোৱা। আমাৰ দৃঢ় বিশ্বাস, তেতিয়া তুমি নিঃসন্দেহে ক'ব পাৰিবা

যে ধৰ্ম বিষয়ত তোমাৰ দেশ আন সকলো দেশতকৈ ধনী আৰু শংকৰ-মাধৱ তোমাৰ আঁচলৰ নিধি।"

এনেকুৱা মন্তব্যবিলাকৰ জৰিয়তে তেওঁ শংকৰদেৱৰ যুগজয়ী, মহৎ প্ৰতিভাৰ জয়গান গোৱাৰ লগতে তেওঁক অসমীয়া জাতি গঠনৰ প্ৰধান কাণ্ডাৰী হিচাপে প্ৰতিষ্ঠিত কৰিছে। ইয়াৰ উপৰিও এই প্ৰবন্ধবোৰৰ মাজত এটা বিশ্বজনীন দৃষ্টিভংগীও দেখিবলৈ পোৱা গৈছে। 'আন নালাগে, আন আন ধৰ্মাৱলম্বীৰে সৈতেও হিন্দু ধৰ্মৰ অন্তৰ্নিহিত সত্যৰ সূক্ষ্ম ঐক্য বিস্তৰ আছে।' 'কৃষ্ণ, ৰাম, কালী, দুৰ্গা, খোদা, আল্লা, গড যি কোনো নামৰ দ্বাৰা যি কোনো জাতীয় মানুহে তেওঁক মাতে, প্ৰাণভৰি তেওঁত আত্মসমৰ্পণ কৰে, ওপৰে ওপৰে নহয় তাৰেই মনস্কামনা সিদ্ধি হয়।'

"এতেকে হে জগতবাসী! হে ভাৰতবাসী! শঙ্কৰদেৱে দিয়া উপদেশ মতে; হে খৃষ্টান! খৃষ্টই দিয়া উপদেশমতে; হে মুছলমান! মহম্মদে দিয়া উপদেশ মতে, এই ঈশ্বৰৰ শৰণ লৈ, ৰাম কৃষ্ণ হৰি বোলা, 'গড' বোলা, 'ফাদাৰ' অৰ্থাৎ পিতা বোলা আৰু মহম্মদে দিয়া মতে 'আল্লাহো আকবৰ' বোলা, নিশ্চয় মুক্তি পাবা, ভক্তি পাবা, শান্তি পাবা। শঙ্কৰ-মাধৱৰ কৃষ্ণই সাংখ্যৰ প্ৰকৃতি পুৰুষৰ নিয়ন্তা কাল-মায়াদিৰ অধিকাৰী পৰম পুৰুষ পৰমেশ্বৰ আৰু খৃষ্টৰ (God the Father) আৰু মহম্মদৰ আল্লাহো আকবৰ।"

ধৰ্মতত্ত্ব সম্বন্ধীয় এনে মহান আৰু উদাৰ দৃষ্টিভংগীয়ে শংকৰদেৱে দেখুৱাই দিয়া ধৰ্মৰ পথটি যে সঁচাকৈয়ে উদাৰ আৰু উজু আছিল সেই কথাকে প্ৰতিপন্ন কৰিছে। সকলো ধৰ্মৰ প্ৰতি সহনশীল দৃষ্টিভংগী প্ৰকাশ কৰি সমসাময়িক সমাজৰ ধৰ্মীয় গোড়ামি পৰিত্যাগ কৰি এক উন্নতমানৰ চিন্তা-চৰ্চাৰ বাট মুকলি কৰিছিল। বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত বেজবৰুৱাৰ এনেকুৱা চিন্তা-চৰ্চাৰ কোনো বিশেষ মূল্য নাথাকিব পাৰে; কিন্তু তেতিয়া নতুনকৈ গঠিত হ'ব ধৰা অসমীয়া সমাজখনৰ কাৰণে এই প্ৰবন্ধলানি অতি গুৰুত্বপূৰ্ণ আছিল। এফালে এচাম লোকৰ বঙালী সংস্কৃতি প্ৰীতি, আনফালে খৃষ্টান ধৰ্মৰ অগ্ৰাসন, এনেকুৱা সন্ধিস্থলত ৰচনা কৰা বেজবৰুৱাৰ এই প্ৰবন্ধলানিয়ে অসমৰ বৌদ্ধিক জগতখন জোকাৰি দি, নিজৰ থকাখিনি শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছিল। বৰ্তমান সময়ত শংকৰ-মাধৱৰ বিষয়ে হোৱা বিভিন্ন দিশৰ চিন্তা-চৰ্চাৰ বাট মুকলি কৰিছিল লক্ষ্মীনাথ বেজবৰুৱাই। লক্ষ্মীনাথ বেজবৰুৱাৰ আগলৈকে বৈষ্ণৱ ধৰ্মৰ আদৰ্শ ঘৰুৱা গোসাঁইঘৰ আৰু নামঘৰৰ ভিতৰতে সীমাবদ্ধ আছিল। শংকৰদেৱৰ জীৱন, আদৰ্শ আৰু বাণীৰ তাৎপৰ্য আজি কেৱল অসমতেই নহয়, অসমৰ বাহিৰতো অনেকে হৃদয়ঙ্গম কৰিছে। ভালদৰে গমি চালে দেখা যায় যে এই সকলোৰে গুৰিতে আছে এজন পুৰুষৰ একক নিষ্ঠা আৰু ঐকান্তিক মানসিক পৰিশ্ৰম। তেৰেঁই লক্ষ্মীনাথ বেজবৰুৱা যাৰ সমগ্ৰ জীৱন আছিল অতুলচন্দ্ৰ হাজৰিকাৰ ভাষাত শংকৰ-মাধৱময়।

- এটা মাত্ৰ মৰমৰ শব্দই তিনিমাহৰ শীতৰ যন্ত্ৰণা নাশ কৰিব পাৰে।
- চিন্তাহীন বিদ্যা-শিক্ষাত পৰিশ্ৰম অথলে যায়, বিদ্যাহীন চিন্তা ভয়ংকৰ হয়।
- নিষ্ঠাৰে কৰা সকলো সৎ কৰ্ম বা পৰিশ্ৰমেই পৱিত্ৰ। পৰিশ্ৰম পৃথিৱীৰ সমানেই বিশাল, কিন্তু তাৰ শীৰ্ষ হ'ল স্বৰ্গ।

**হোমেন বৰগোহাঞি**

- ধন্য সেই মানুহ— যিজনে নিজৰ কৰ্ম বিচাৰি পাইছে। তেওঁ আন একো সৌভাগ্য বিচৰাৰ দৰকাৰ নাই।

**— টমাছ কাৰ্লাইল**

- কামৰ মাজত কেৱল মহত্বই নাই, তাৰ মাজত আনকি পৱিত্ৰতাও আছে। যি মানুহে সদায় আশাশুধীয়াভাৱে কাম কৰে তেওঁৰ জীৱনত নিৰাশা বা হতাশাৰ কোনো স্থান নাই। অন্তহীন হতাশা থাকে কেৱল আলস্যৰ মাজত।

**— কাৰ্লাইল**

- মানুহে পঢ়ি একো শিকিব নোৱাৰে, কেৱল কৰিহে শিকিব পাৰে।

**— হেনৰি ডেভিদ থৰো।**





# ভাৰতীয় মহিলাৰ সামাজিক মৰ্যাদা



**নিভা শইকীয়া**

*অধ্যাপিকা, ৰাজনীতি বিভাগ*

ঐতিতহাসিক স্তৰৰ বিভিন্ন সময়ত মহিলাৰ মৰ্যাদাৰ ক্ষেত্ৰত বিভিন্নতা পৰিলক্ষিত হয়। বৈদিক যুগত নাৰীৰ সামাজিক মৰ্যাদা বৰ উচ্চ খাপৰ আছিল বুলি ইতিহাসত উল্লেখ আছে। শিক্ষা, যুদ্ধবিদ্যা আদি সকলো ক্ষেত্ৰতে তেওঁলোক আগবঢ়া আছিল আৰু পুৰুষৰ সৈতে সমানে ফেৰ মাৰিব পাৰিছিল। সেই সময়ত নাৰীসকলেও পুৰুষৰ সৈতে উচ্চ পৰ্যায়ৰ বিদ্যা-শিক্ষা আহৰণ কৰিবলৈ সুযোগ পাইছিল। মহিলাই গুৰুকুলত থাকি শিক্ষা আহৰণ কৰিছিল। সেই সময়ত পুৰুষে নাৰী অবিহনে ধৰ্মীয় কাম-কাজ সুচাৰুৰূপে কৰিব নোৱাৰিছিল। নাৰীয়ে সামাজিক মৰ্যাদা লাভ কৰিছিল আৰু পুৰুষসকলেও নাৰীক অৰ্ধাঙ্গিনী হিচাপে বিবেচনা কৰিছিল। পূজা, যজ্ঞ আদিত নাৰীয়ে স্বামীৰ সৈতে সমানে অংশ গ্ৰহণ কৰিছিল। বৈদিক যুগত নাৰীৰ বাহিৰে-ভিতৰে পূৰ্ণ স্বাধীনতা আছিল। এইবোৰে সেই সময়ত নাৰীৰ উচ্চ মৰ্যাদা থকাটো প্ৰতিপন্ন কৰে। বৈদিক যুগত বাল্যবিবাহ আৰু পৰ্দা প্ৰথা নাছিল।

কিন্তু বৈদিক যুগৰ পিছৰ পৰা নাৰীৰ সামাজিক মৰ্যাদা কমি আহিবলৈ ধৰে। লাহে লাহে বাল্যবিবাহ, বহু পত্নী প্ৰথাৰ প্ৰচলন হ'ল। উক্ত সময়ছোৱাত ছোৱালীৰ বিয়াৰ বয়স আছিল নিম্নতম ৯ৰ পৰা ১০ বছৰ। শিক্ষাৰ ক্ষেত্ৰতো নাৰী বাধাৰ সন্মুখীন হ'ল। নাৰীৰ কাৰণে 'স্বামী দেৱতা', 'নাৰী সদায় পুৰুষৰ অধীন' আদি ধাৰণাবোৰৰ সৃষ্টি হ'ল। লাহে লাহে নাৰীৰ সামাজিক মৰ্যাদা নিম্নগামী হৈ পৰিল। নাৰী হৈ পৰিল নিঃসঙ্গ, পৰাধীন, দুৰ্বলী আৰু পুৰুষৰ অধীন বা দাসীত পৰিণত হয়। বাল্য বিবাহ, সতীদাহ প্ৰথা, যৌতুক প্ৰথা, কন্যা শিশু হত্যা আদিৰ নিচিনা অন্ধবিশ্বাসৰ ব্যাধিয়ে গোটেই সমাজখন গ্ৰাস কৰিলে। মনুস্মৃতিয়ে এনেকুৱা ধৰণে প্ৰচাৰ কৰিলে— 'নাৰী কেতিয়াও স্বাধীনভাৱে বাস কৰাৰ যোগ্য নহয়,

শিশুকালত পিতৃৰ অধীন, যৌৱনত পতিৰ অধীন, আৰু বৃদ্ধকালত পুত্ৰৰ নিয়ন্ত্ৰণত থাকে।'

১১ শতিকাৰপৰা ১৮ শতিকালৈ মধ্যযুগ বুলি গণ্য কৰা হয়। মধ্যযুগত আলেকজেণ্ডাৰ আৰু হুনসকলে ভাৰতবৰ্ষ আক্ৰমণ কৰিছিল। তেওঁলোকৰ আক্ৰমণৰ ফলত ভাৰতীয় নাৰীৰ মৰ্যাদা একেবাৰে নিম্নগামী হৈ পৰিছিল। সেইখিনি সময়ত ভাৰতবৰ্ষ বিজেতা অৰ্থাৎ বিদেশী সৈন্যৰে ভৰি পৰিছিল। মহিলাসকলক নিৰাপত্তাৰ বাবে পৰ্দাৰ আঁৰত সোমাই থাকিবলৈ দিয়া হৈছিল। এই সময়ছোৱাত মহিলাসকলক শিক্ষাৰ পৰা বঞ্চিত কৰা হৈছিল আৰু মহিলাৰ ওপৰত সকলো ক্ষেত্ৰতে অত্যাচাৰ কৰা হৈছিল। মধ্যযুগত জাতিপ্ৰথা অধিক জটিল হৈ পৰিছিল।

মুছলমান শাসনৰ সময়ছোৱাত পৰ্দা প্ৰথা প্ৰচলিত আছিল। কিন্তু, এইটোও সত্য যে— কিছুমান ক্ষেত্ৰত মুছলমান মহিলাসকলৰ অৱস্থা তুলনামূলকভাৱে হিন্দু মহিলাসকলতকৈ উন্নত আছিল। কাৰণ তেওঁলোকৰ পৈত্ৰিক সম্পত্তিৰ ওপৰত অধিকাৰ আছিল। কিছুমান বিশেষ পৰিস্থিতিত তেওঁলোকৰ বিবাহ-বিচ্ছেদ বিচৰাৰ অধিকাৰ আছিল। তেওঁলোকৰ বিবাহ-বিচ্ছেদ হ'লেও, বিধৱা হ'লেও পুনৰ বিবাহৰ অধিকাৰ আছিল। কিন্তু হিন্দু মহিলাসকলৰ বিবাহ-বিচ্ছেদ হ'লে বা বিধৱা হ'লে পুনৰ বিবাহৰ ব্যৱস্থা নাছিল। মুছলিম সমাজত সতী যোৱা প্ৰথা বা যৌতুকৰ ব্যৱস্থা নাছিল কিন্তু হিন্দু সমাজত দুয়োটা প্ৰথা বাহাল আছিল। যিসকল হিন্দু বিধৱা সতীযোৱা নাছিল তেওঁলোকে চুলি কাটি সন্ন্যাসিনীৰ দৰে জীৱন-যাপন কৰিব লাগিছিল।

কিন্তু, হিন্দু আৰু মুছলিম উভয় সমাজ পিতৃতান্ত্ৰিক আছিল। তেওঁলোক উভয়ে উভয় সম্প্ৰদায়ৰ পৰা তেনেবোৰ প্ৰথা আৰু নিয়মক সহজে অনুসৰণ কৰিছিল, যিবোৰে মহিলাসকলক সদায় অৱদমিত কৰি ৰাখিছিল।

উনৈশ শতিকাৰ পৰা কুৰি শতিকাৰ সময়ছোৱাত ভাৰতত মহিলাসকলৰ স্থানৰ ক্ষেত্ৰত উন্নতি পৰিলক্ষিত হৈছিল। স্বাধীনতা লাভৰ আগৰ কালছোৱাত অৰ্থাৎ ইংৰাজৰ শাসনকালত কেইজনমান ভাৰতীয় সংস্কাৰকে ভাৰতীয় নাৰীৰ স্থান উন্নত কৰিবলৈ আৰু হেৰুওৱা সামাজিক মৰ্যাদা ঘূৰাই অনাৰ কাৰণে অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল। ১৮২৮ চনত ৰাজা ৰামমোহন ৰায়ে 'ব্ৰহ্ম সমাজ' প্ৰতিষ্ঠা কৰিছিল। এই সমাজে সতীদাহ প্ৰথাৰ ঘোৰ বিৰোধিতা কৰি আন্দোলন কৰিছিল। তেওঁৰ চেষ্টাতেই ১৮২৯ চনত সতীদাহ প্ৰথা সমাপ্ত কৰাৰ বাবে সতীপ্ৰথা নিষেধ আইন প্ৰৱৰ্তন হ'ল। ব্ৰহ্ম সমাজে বহুপত্নী প্ৰথাৰ বিৰোধিতা কৰিছিল। ৰাজা ৰামমোহন ৰায়ে মহিলাসকলক সম্পত্তিৰ অধিকাৰ দিবলৈ আৰু বাল্য বিবাহ বন্ধ কৰি মহিলাসকলক শিক্ষা গ্ৰহণত আগ্ৰহী কৰি তুলিবলৈ চেষ্টা কৰিছিল।

১৮৭৫ চনত স্বামী দয়ানন্দ সৰস্বতীয়ে 'আৰ্য্য সমাজ' প্ৰতিষ্ঠা কৰিছিল। আৰ্য্য সমাজেও পৰ্দাপ্ৰথা আঁতৰ কৰি মহিলাসকলক শিক্ষিত কৰি তুলিবলৈ চেষ্টা কৰিছিল। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে কোনো ধৰণৰ সংস্থা প্ৰতিষ্ঠা কৰা নাছিল যদিও তেওঁ হিন্দু বিধৱাক পুনৰ বিবাহ আৰু স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাবে যথেষ্ট সংগ্ৰাম কৰিছিল। তেওঁৰ চেষ্টাতেই ১৮৫৬ চনত 'হিন্দু-বিধৱা পুনৰ বিবাহ আইন' গৃহীত হৈছিল। এই সকলৰ সমাজ সংস্কাৰকৰ চেষ্টাতেই ১৮৯১ চনত 'Age of Consent Bill' আইনত পৰিণত হয়। ইয়াৰ দ্বাৰা ছোৱালীৰ বিয়াৰ বয়স ১২ বছৰ নিশ্চিত কৰা হৈছিল। কেশৱচন্দ্ৰ সেনৰ চেষ্টাৰ ফলত Native Marriage Act. খন গৃহীত হৈছিল। এই Actখনে বহু-বিবাহক দণ্ডনীয় অপৰাধ বুলি ঘোষণা কৰিছিল আৰু Inter-Caste Marrage (আন্তঃজাতীয় বিবাহ)ক স্বীকৃতি প্ৰদান কৰিছিল।

স্বাধীনতাৰ পিছত ভাৰতীয় নাৰীৰ স্থান লাহে লাহে উন্নত হ'বলৈ ধৰে। সমাজ সংস্কাৰক, মহিলা সংগঠন, বেচৰকাৰী সংগঠন, চৰকাৰৰ প্ৰচেষ্টাতেই বৰ্তমান ভাৰতীয় নাৰীৰ স্থান মধ্যযুগৰ ভাৰতীয় নাৰীৰ স্থানতকৈ বহু ওপৰত। বৰ্তমান মহিলাসকলে পৰিয়ালৰ সম্পত্তিৰ ওপৰত উত্তৰাধিকাৰ লাভ কৰিছে। মহিলাসকলে বিবাহ বিচ্ছেদৰ অধিকাৰ লাভ কৰিছে আৰু নিজৰ জীৱনসঙ্গী বাছি লোৱাৰ অধিকাৰ লাভ কৰিছে। শিক্ষাৰ ক্ষেত্ৰত মহিলাৰ কাৰণে ৰেহাই আৰু বিশেষ ব্যৱস্থা, চাকৰি বা ব্যৱসায় কৰা মহিলাসকলৰ শিশুসকলৰ কাৰণে তত্ত্বাৱধান কেন্দ্ৰ (Child Care Centre) আদি মহিলাৰ কাৰণে উপযুক্ত পদক্ষেপ বুলি ক'ব পাৰি। স্থানীয় স্বায়ত্ত শাসনৰ নিৰ্বাচনত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ অধিকাৰ আদি মহিলাৰ বাবে সকাৰাত্মক বিকাশ বুলি ক'ব পাৰি। মহিলাৰ উন্নতিৰ বাবে চৰকাৰে লোৱা বিভিন্ন আঁচনিসমূহ যেনে— মহিলা যোজনা আদিয়ে মহিলাৰ যথেষ্ট উন্নতি সাধন কৰাত অৰিহণা যোগাইছে। আজি ভাৰতীয় নাৰীয়ে পুৰুষৰ সৈতে সমানে শিক্ষা-দীক্ষা লাভ কৰিব পাৰিছে। বিভিন্ন কৰ্মক্ষেত্ৰ, চাকৰি, ব্যৱসায় আদিত পুৰুষৰ সৈতে সমানে কাম কৰাৰ পাৰদৰ্শিতা লাভ কৰিছে। আৰ্থিক বিষয়ত মহিলাসকল স্বাৱলম্বী হৈছে— যাৰ ফলত তেওঁলোকে পুৰুষৰ অধীন





নোহোৱাকৈ এটা স্বচ্ছল জীৱন-যাপন কৰিবলৈ সক্ষম হৈছে। আজিৰ ভাৰতীয় নাৰীয়ে শিক্ষা-দীক্ষা, সামাজিক, ৰাজনৈতিক আদি দিশত পুৰুষৰ সৈতে সমানে প্ৰতিযোগিতা কৰিব পাৰিছে। আজিৰ নাৰী সমাজ সচেতন, ৰাজনীতি সচেতন। নাৰীয়ে পুৰুষৰ সমানে ভোটাধিকাৰ লাভ কৰিছে। ৰাজনৈতিক ক্ষেত্ৰতো মৰ্যাদাপূৰ্ণ পদত অধিষ্ঠিত হৈছে। 'যুগে যুগে নাৰী পুৰুষৰ অধীন'— এই ধাৰণা এতিয়া সম্পূৰ্ণ ভুল বুলি প্ৰমাণিত হৈছে।

কিন্তু বৰ পৰিতাপৰ কথা এয়ে যে আজি একবিংশ শতিকাতো সমাজৰ সকলো স্তৰতে লিংগ বৈষম্যৰ ধাৰণা বদ্ধমূল হৈ আছে। যাৰ ফলত সংঘটিত হৈছে কন্যা ভ্ৰূণ নষ্ট কৰা, কন্যা শিশু হত্যা কৰা, যৌতুকৰ বাবে বোৱাৰী হত্যা আদি হৃদয় বিদাৰক ঘটনা। বৰ্তমান বাতৰি কাকতসমূহতো দৈনিক নাৰী ধৰ্ষণ আৰু হত্যা আদি ঘটনাবোৰ প্ৰকাশ হোৱাতো এটা অতি সাধাৰণ বিষয়ত পৰিণত হৈছে।

সমাজ বুলিলে নাৰী-পুৰুষ উভয়কে বুজায়। গ্ৰীক দাৰ্শনিক প্লেটোৱে কৈছিল— সমাজৰ উন্নতি হ'ব লাগিলে নাৰী-পুৰুষ উভয়েই শিক্ষিত হ'ব লাগিব আৰু সমান সামাজিক মৰ্যাদা পাব লাগিব, তেহে সমাজৰ উন্নতি হ'ব আৰু সমাজৰ উন্নতি হ'লেহে দেশৰ উন্নতি হ'ব। গতিকে, নাৰীক হেয়জ্ঞান কৰি বা নাৰীক পুৰুষৰ পদদলিত কৰি সমাজ কেতিয়াও উন্নতিৰ পথত আগুৱাই যাব নোৱাৰে। য'ত নাৰী অৱহেলিত, নিষ্পেষিত তাত সমাজে অগ্ৰগতি লাভ কৰিব নোৱাৰে— তাত স্থবিৰ হৈ ৰ'ব সামাজিক উন্নয়ন।

জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীয়েও নাৰীৰ মৰ্যাদাৰ বিষয়ে এই বুলি মন্তব্য কৰিছিল—

'God has made man and woman one complete whole. In the scheme of nature, both of them are equal.' মহিলাৰ মৰ্যাদা সম্পৰ্কে সমৰ্থন জনোৱা আন এগৰাকী উদাৰনৈতিক আন্দোলনৰ সমৰ্থক হৈছে জন ষ্টুৱাৰ্ট (John Stuart) তেওঁ মন্তব্য কৰিছিল—

'The existing relations be tween the sexes, the legal subordiration of sex to the other, is wrong in itself and now one of the chief hindrances to human improvement and that it ought to be replaced by perfect equality admitting no power or privilege on the one side nor disability on the other side.'

মহাত্মা গান্ধী আৰু জন ষ্টুৱাৰ্টৰ নাৰীৰ মৰ্যাদা সম্পৰ্কে আগবঢ়োৱা এই মন্তব্য সকলোৱে মনত ৰখা উচিত।

- নিজক জনাটোৱেই তোমাৰ প্ৰধান কাম বুলি কেতিয়াও নাভাবিবা, তুমি এজন অজ্ঞেয় ব্যক্তি। তুমি কোনবোৰ কাম কৰিব নোৱৰা সেই কামবোৰ জানিবলৈ চেষ্টা কৰা আৰু সেই কামবোৰ কৰিবলৈ চেষ্টা কৰা।

**হোমেন বৰগোহাঞি**

- মানুহে যেতিয়া যিটো কাম কৰে —বহা, থিয় হোৱা, থমকি ৰোৱা, কিবা এটা কাম কৰা— তেতিয়া সেই কামটোৰ ওপৰতে নিজৰ সমস্ত মনযোগ নিবদ্ধ কৰিব লাগে। কামটোৰ মূল্য কি কামটোৰ লগত নিজৰ সম্পৰ্ক কি —সেইবোৰ কথা সমূলি ভাবিব নালাগে, কেৱল কামটোৰ ওপৰতে অৰ্থাৎ মনযোগ দি কৰিব লাগে।

**বৌদ্ধ দাৰ্শনিক অশ্বঘোষ**

- অতিশয় দৰিদ্ৰতা ব্যক্তি আৰু প্ৰজাতি উভয়ৰে কাৰণে ক্ষতিকৰ কিন্তু ধন-সম্পত্তিৰ প্ৰাচুৰ্যও সমানেই ক্ষতিকৰ। আলস্যই ধনী-দুখীয়া উভয়কে শাৰীৰিক আৰু নৈতিকভাৱে দুৰ্বল কৰি তোলে।

**এলেক্সিছ কেৰেল**

- মই বহুতো বিপদ আৰু সমস্যাৰ বিষয়ে দুশ্চিন্তা কৰি কৰি মোৰ জীৱনৰ বহুতো মূল্যবান সময় নষ্ট কৰিলোঁ— যিবোৰ বিপদ আৰু সমস্যা মোৰ জীৱনলৈ কেতিয়াও নাহিল।

**—উইনষ্টন চাৰ্চিল**

# বিশ্বশিল্পী ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি



**লুটফুৰ ৰহমান**
উপাধ্যক্ষ
খাগৰিজান মহাবিদ্যালয়, নগাঁও ঃ অসম

মৃত্যুও এটা শিল্প
জীৱনৰ কঠিন শিলত কটা
এক নিৰ্লোভ ভাস্কৰ্য
(হীৰেন ভট্টাচাৰ্য)

বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাই অসম আৰু অসমীয়াৰ বুকু উদং কৰি যোৱা ৫ নৱেম্বৰ, ২০১১ ৰ বিয়লি বেলা জীৱনৰ মায়া এৰি গুচি গ'ল। তেওঁৰ নশ্বৰ দেহাক লক্ষ লক্ষ জনতাই শেষ শ্ৰদ্ধা জনাবলৈ গৈ জজ খেলপথাৰক এক তীৰ্থভূমিত পৰিণত কৰিলে। জনতাৰ এই শেষ দৰ্শন এক শিল্প দৰ্শন হিচাপে পৃথিৱীত নতুন ইতিহাস ৰূপে চিহ্নিত হ'ল।

জীৱন কালতেই কিংবদন্তিত পৰিণত হোৱা ড° ভূপেন হাজৰিকা আজি আমাৰ মাজত নাই। কিন্তু লক্ষ লক্ষ জনতাৰ হিয়াৰ মাজত আছে তেওঁৰ যাদুকৰী কণ্ঠৰ গীত, মাত, সুৰ, শব্দ আৰু ব্যক্তিত্বৰ সীমাহীন মিঠা মিঠা অনুভূতিবোৰ। নিজকে যাযাবৰ বুলি কোৱা, এইগৰাকী শিল্পী বৰ্তমান বিশ্বসংগীত জগতৰ এক অন্যতম শিল্পী হোৱাৰ মূলতে তেওঁ বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ অভিজ্ঞতা বুটলি সৃষ্টি কৰিছিল বিভিন্ন ভাষাত নিভাঁজ আৰু নতুন নতুন সুৰ। তেওঁৰ অভিজ্ঞতাৰ ক্ষেত্ৰ আছিল অতি বিচিত্ৰ আৰু বিশাল, শঙ্কৰদেৱ-বিষ্ণু-জ্যোতিৰ পৰা পলৰবচনলৈ, শব্দ আৰু উচ্চাৰণৰ অভিজ্ঞতা বুটলিছিল শিক্ষাগুৰু দণ্ডীনাথ কলিতাৰ পৰা জ্যা-পল ছাৰ্ত্ৰে লৈ। সেয়ে তেওঁৰ গীতৰ সুৰ, শব্দ আৰু উচ্চাৰণৰ অপূৰ্ব মিলনৰ বাবে তেওঁৰ গীতে শ্ৰোতাৰ হৃদয়ত জোৱাৰৰ সৃষ্টি কৰে। সৌন্দৰ্যবোধ আৰু মানৱীয় অনুভূতিৰে সৃষ্টি কৰা গীতৰ কথা আছিল মনোৰম প্ৰকৃতিৰ, জোনাক, নিয়ৰ, মানুহৰ কামনা-বাসনা, নিষ্পেষিতজনৰ কান্দোন, বঞ্চিত হাজাৰ জনৰ বৈপ্লৱিক চেতনা আৰু বুকুত উমি উমি জ্বলা শোক আৰু বেদনা। তেওঁ অসমীয়া জাতিক আগুৱাই নিবলৈ প্ৰেৰণা দিছিল গীতৰে। তেওঁৰ বহু গীতৰ কথাই নতুন সৃষ্টিৰ প্ৰেৰণা দিয়ে আৰু একোটা বিষয়ৰ প্ৰতিনিধিত্ব কৰিব পাৰে। তেওঁ গীতৰ এনে বিচিত্ৰতাৰ বাবেই বহু ব্যক্তি আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ দৃষ্টিত তেওঁ আছিল সুধাকণ্ঠ, অসমৰত্ন, পৃথিৱীৰত্ন, সঙ্গীতসূৰ্য আদি।

মই শৈশৱ কালতেই এইগৰাকী মহান শিল্পীৰ গীতৰ প্ৰতি আকৰ্ষিত হৈছিলোঁ। কিন্তু কেতিয়াও ভবা নাছিলোঁ যে ভূপেনদাক কেতিয়াবা লগ পাই কথা পাতিম বুলি। মই গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি থকা অৱস্থাত শিক্ষা বিভাগৰ মুৰব্বী ড° বি. চি. কৰ ছাৰে বিদায় ল'লে। আমি শিক্ষা বিভাগৰ ছাত্ৰ-ছাত্ৰীবোৰ বিদায় সভাৰ আয়োজন কৰিলোঁ। কোনোবা এজনে ক'লে ভূপেন হাজৰিকা গুৱাহাটীতে আছে, লৈ আহোঁগৈ। সঁচাকৈ ভূপেন হাজৰিকা ১ ঘণ্টাৰ পাছত আহি পালে। আমি ভূপেনদাৰ লগত ব্যস্ত হৈ পৰিলোঁ। সভাত তেওঁ কথা কোৱাৰ পৰিৱৰ্তে কেইবাটাও গীত গালে, আমি অৱশ্যে সেইটোকে বিচাৰিছিলোঁ। সভাৰ শেষত তেওঁ বহু সময় আমাৰ লগত কটালে— বহু কথা পাতিলোঁ। আজীৱন উৰণীয়া মৌ ভূপেনদাই যেন জিৰণি ল'লে আমাৰ লগত। তেতিয়া জনা নাছিলোঁ ভূপেনদা পুনৰ ইয়াতেই চিৰদিন জিৰণি ল'বহি বুলি।

ভূপেনদাক পুনৰ আমাৰ অঞ্চলত অতি নিবিড়ভাৱে লগ পোৱাৰ এক সৌভাগ্য হ'ল। আমাৰ হাবি বৰঙাবাৰী (মৰিগাঁও)ত এখন সঙ্গীত বিচিত্ৰানুষ্ঠানলৈ তেখেতক আমন্ত্ৰণ কৰা হ'ল। অনুষ্ঠান পৰিচালনা সমিতিয়ে মোক আৰু এগৰাকী পঞ্চায়ত কাউন্সিলাৰক আদৰণিৰ দায়িত্ব দিলে। সেইদিনা ভূপেনদাক অতি নিবিড়ভাৱে লগ পোৱাৰ অভিজ্ঞতাৰে এইগৰাকী মহান শিল্পীৰ বিষয়ে চমুকৈ ক'ব খুজিছোঁ।

ভূপেনদাৰ গাড়ীখন মঞ্চৰ গে'টত আহি ৰ'ল। গাড়ীৰ পৰা ভূপেনদা নামি আহিল। ভূপেনদাক দেখি এনে অনুভৱ হ'ল যেন স্বৰ্গৰ এজন দেৱদূত আমাৰ মাজলৈ আহিছে। বগা লং পেণ্ট আৰু ৰঙা হাফ চাৰ্ট পিন্ধি অহা এজন দুৰন্ত তৰুণ। আমি এখন ডাঙৰ শৰাই লৈ আদৰণি জনালোঁ। ধূলি-মাকতিৰে ভৰা ৰাস্তাতে আমাৰ সম্মুখতে তেওঁ আঁঠু কাঢ়ি আমাৰ অঞ্চলৰ ৰাইজক প্ৰণাম জনালে। এগৰাকী বিশ্ববৰেণ্য শিল্পীৰ নম্ৰতা দেখি অভিভূত হ'লোঁ। পাছত তেওঁক আমি ল'ৰা-ছোৱালীৰ দীঘলীয়া শাৰীৰ মাজেৰে আগুৱাই লৈ আহিলোঁ। ল'ৰা-ছোৱালীবোৰে ফুল ছটিয়াইছিল, আমাৰ পাছত আছিল গায়ন-বায়নৰ দল। ফুল-বৰষুণৰ মাজেৰে আহি থাকোঁতে মিচিকিয়া হাঁহিৰে মোক সুধিলে আগতে লগ পাইছোঁনে? মই বিশ্ববিদ্যালয়ত লগ পোৱাৰ কথা ক'লোঁ। তেওঁৰ জিৰণিৰ বাবে ৰখা ঘৰত আমি গৈ প্ৰৱেশ কৰাৰ লগে লগে তাত থকা গণ্য-মান্য ব্যক্তিবোৰ থিয় হৈ অভিবাদন জনালে। তেওঁ অভিবাদন গ্ৰহণ কৰিয়েই ৰাইজক ক'লে এওঁ মোৰ ছাত্ৰ। মোক ক'লে তুমি আজি মোৰ কাষতেই থাকিবা। বিশাল ব্যক্তিত্বৰ অধিকাৰী এইগৰাকী শিল্পীৰ বহু কথাই প্ৰত্যক্ষ কৰাৰ সুবিধা পাইছিলোঁ।

গীতৰ অনুষ্ঠান আৰম্ভ হোৱাৰ আগতে কিছু মেধাৱী ছাত্ৰ-ছাত্ৰীক পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰিছিল আৰু ভূপেনদাৰ হাতেদি দিব। ইয়াৰ পাছত মঞ্চৰ আয়োজকসকল ব্যস্ত হৈ পৰিছিল। গ্ৰীণৰুমত ভূপেনদা আৰু মই। তেওঁক মই ক'লোঁ ভূপেনদা আপোনাৰ গীত মই খুব ভাল পাওঁ। তেওঁ ক'লে কোনটো গীত বেছি ভাল পোৱা? মই ক'লোঁ সকলো গীতেই। তেওঁ ক'লে তেনেহ'লে তুমি মোক জানা। মোৰ গীতৰ মাজত মই আছোঁ।

গীতৰ মঞ্চ আৰম্ভ হ'ল। শঙ্কৰদেৱ, জ্যোতিপ্ৰসাদৰ পৰা আৰম্ভ কৰি নিজৰ বহু গীত গালে। মঞ্চ শেষ হোৱাৰ পাছত এখন বিছনাত আধা শোৱাকৈ তেওঁ জিৰণি ল'লে আৰু কাষতে মই। ইয়াতে বাহিৰত বুঢ়া এজন লাখুটি লৈ অহা দেখি তেওঁক মতাই আনি কাষতে বহিবলৈ দিলে। ক'লে— আতৈ আপুনি ডেকাকালত পথাৰত অকলে থাকোঁতে গোৱা গীত এটা মোক গাই শুনাৱকচোন। বুঢ়াই গালে। ভূপেন দাই ক'লে মই এটা সেইসময়ৰ গীত গাম, গাই বুঢ়াক সুধিলে হৈছেনে? বুঢ়াই হৈছে বুলি শলাগিলে। মই ভাবিলোঁ 'We are in the same boat brother' গাই পৃথিৱী কঁপোৱা গায়কজনে কোনোৱা অঞ্চলৰ পথাৰত গোৱা গীতো জানে, জানে মানে সংগ্ৰহ কৰি ৰাখিছে। মনত পৰিল ভূপেন দাই ক'ৰবাত কোৱা এষাৰ কথা। অতীতৰ 'মূল' নাজানিলে কোনেও ভাল সৃষ্টি কৰিব নোৱাৰে। তেওঁ আধুনিক গীতত শাস্ত্ৰীয় সাহিত্যৰ ৰাগ ব্যৱহাৰ কৰাৰ বাবে তেওঁৰ বহু গীতে শ্ৰোতাৰ মন-প্ৰাণ কাঢ়ি নিয়ে।

ভূপেনদাই অসমৰ গীত-মাত আৰু সংস্কৃতিক বিশ্বৰ দৰবাৰলৈ আগুৱাই লৈ গ'ল, অসমীয়াক আগুৱাই নিবলৈ ওৰেটো জীৱন গীত গাই প্ৰেৰণা দিলে। কিন্তু আমি এইগৰাকী শিল্পীক কি দিলোঁ? তেওঁ কোৱাৰ দৰে 'গীতৰ ভাষাৰে মই কত সকিয়ালোঁ গীত বুলিয়েই মাথোঁ ল'লা'— আমি? মাথোঁ গীত শুনিলোঁ। আমাৰ চেতনা ফিৰি আহিল তেওঁৰ মৃত্যুৰ পিছত। অৱশ্যে সদৌ অসম ছাত্ৰ সন্থাক মই ধন্যবাদ দিওঁ কাৰণ জীৱন কালতেই ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিৰে এক বিৰল সন্মান যাচিলে। এটা গীতৰে মুক্তি সংগ্ৰামত প্ৰেৰণা দিয়াৰ বাবে চুবুৰীয়া বাংলাদেশে দেশৰ সৰ্বোচ সন্মান 'মুক্তিযোদ্ধা' সন্মান দিলে। আমাৰ বাবে ওৰেটো জীৱন গীত গোৱা এইগৰাকী শিল্পীক আমি কি দিলোঁ— আমাৰ এতিয়া আত্ম বিশ্লেষণ কৰাৰ সময় হ'ল। কাৰণ শিল্পীগৰাকী এতিয়া আমাৰ মাজত নাই।

# নতুন পোহৰ

সৌজন্যময়ী ভট্টাচাৰ্য
বিশিষ্ট লিখিকা, নগাঁও



আজিৰ যুগ আৰু আগৰ যুগ বহুত পাৰ্থক্য, কাৰণ আগৰ অসমীয়া সমাজ আৰু আজিৰ সমাজ একে নহয়। আগেয়ে ল'ৰা-ছোৱালীক সম্পূৰ্ণ বেলেগ শিক্ষাৰে ডাঙৰ কৰিছিল। উচ্চ শিক্ষা কেৱল ল'ৰাকহে দিছিল। কেতিয়াও ল'ৰাৰ লগত ছোৱালীক শিক্ষা দিয়া নাছিল। খোৱা-বোৱাও একেলগে নকৰিছিল। সদায় ল'ৰাক সন্মান দিছিল। আজি নতুন যুগত সেইটো নহয়। সমানে শিক্ষা দিছে। সমানে খৰচ কৰিছে। সেই কাৰণে আজিৰ যুগটো বৈদিক যুগৰ লগত মিলায়। এদিন অসমীয়া স্বাৱলম্বী আছিল, আকালো নাই; ভৰালো নাই। মাথোন আনন্দ। ধৰ্ম পুথি ল'ৰা-ছোৱালীয়ে স্কুল বন্ধ হ'লেই পঢ়িছিল আৰু চৰিত্ৰ গঠন কৰিছিল। আজি কালি সময় নাই। বন্ধ পালেই বহুত ধন ভাঙি ফুৰিবলৈ যায়, দেশ-বিদেশ চায়গৈ। তেওঁলোকে নিজৰ দেশৰ কাৰণে একো অৰিহণা আনিবলৈ নিবিচাৰে। মাথোন লোকৰ দেশৰ গুণহে গায়হি। আমি আশা কৰোঁ, সকলো শিক্ষিত ল'ৰা-ছোৱালীয়ে বিদেশলৈ গৈ ভাল কথাবোৰ কঢ়িয়াই আনি আমাৰ দেশত যেন বিলাই দিয়েহি। তেতিয়াহে তেওঁলোক প্ৰকৃত দেশপ্ৰেমিক হ'ব। নিজৰ দেশ বেয়া, নিজৰ মাক বেয়া বুলি পলৰীয়া স্বভাৱ এৰিব লাগে। নতুন প্ৰজন্মলৈ আমি এইটো কথাই দঢ়াই দঢ়াই ক'লোঁ। আৰু বিশ্বত যি বিজ্ঞানৰ জয় হৈছে সেই বিজ্ঞানৰ চৰ্চা কৰি আমাৰ অসমী আইক উজ্জ্বল কৰিব লাগে। আমাৰ জন্মভূমি পৃথিৱীৰ ভিতৰত ধুনীয়া দেশ, আমাৰ নাই কি? সুন্দৰ সাজ-পাৰ, সুন্দৰ অলঙ্কাৰ, অতি সুন্দৰ ভাষা। যি ভাষা শুদ্ধ কৰিবলৈ মহা মহা পণ্ডিতসকলে দেৱভাষা অধ্যয়ন কৰি অসমীয়া ভাষা তৈয়াৰ কৰিছিল। আমাৰ দেশৰ হিমালয় বৰগিৰিতে সকলো ঋষি-মুনিয়ে ধ্যান কৰি নানান শুদ্ধ কথা উলিয়াইছিল। সেইখন ঠায়েই হৈছে অসম দেশ।

গতিকে আমি নৱ প্ৰজন্মক, নতুন পুৰুষসকলক অনুৰোধ কৰোঁ তেওঁলোকে যেন সেই কথা 'মহা মহা পুৰুষৰ চানেকিৰে' নিজক উজ্জ্বল কৰক। আমি অসমীয়াই মহাপুৰুষসকলক সদায় সন্মান দি আহিছোঁ। বিদ্যাৰ্থীসকলৰ বিদ্যা অধ্যয়ন কৰাই একমাত্ৰ কৰ্তব্য, সকলো ভাষাৰে চৰ্চা কৰি নিজৰ জন্মভূমি মাতৃৰ মুখ উজ্জ্বল কৰিব লাগে। এয়ে আমাৰ নতুন পুৰুষলৈ অনুৰোধ। তাৰ লগতে এতিয়া আমিও নতুন পুৰুষসকলৰ পৰাই জিলিকি উঠিম বুলি ভাবি আনন্দ কৰিছোঁ। তেওঁলোক সদায় সৎ কামত যেন লিপ্ত হয়। তেওঁলোকৰ পৰাই অসমী আই আকৌ উন্নতি জখলাত উঠক। তেওঁলোকৰ পিতৃ-মাতৃয়েও বহুত আশা কৰি বহুত কষ্ট কৰি লেখা-পঢ়া শিকাইছে আৰু আমিও আমাৰ অসমীয়া ভাষা, অসমীয়া সংস্কৃতি, আমাৰ হেৰাই যোৱা গৌৰৱ যেন ঘূৰাই পাম বুলি আশা কৰি আছোঁ।

চৰকাৰী কাগজ-পত্ৰবোৰ যেন অসমীয়া ভাষাত প্ৰচাৰ কৰে। জন্মভূমি অসমী আইৰ মান ৰক্ষা কৰিব বুলি আশা কৰিলোঁ। নতুন প্ৰজন্মই যিটো শিক্ষা ল'ব সেইটোতেই যেন পাকৈত হয়। তেওঁলোকৰ ওপৰতে আমি আশা কৰিলোঁ ইংৰাজী ভাষাটোৰেই জনসাধাৰণে বিশ্বৰ সকলো ঠাইতে মিলিব পাৰিছে সেইটো একেবাৰেই সত্য কথা, তাৰ লগে লগেই আমাৰ মাতৃভাষাৰো উন্নতি কৰিব লাগে। আজি নতুন বিজ্ঞানৰ যুগত বিশ্বৰ লগত আমাক আগুৱাই নিবলৈ যেন নতুন পুৰুষৰ পৰাই আমি বহুত আশা কৰিলোঁ। বিজ্ঞানৰ যোগেদিয়ে যেন আমি নতুন পোহৰ ল'ব পাৰোঁ ইয়াকে কামনা কৰিলোঁ।





# মৃত্যু আৰু জীৱনৰ সৌন্দৰ্য



ড° শৰৎ বৰকটকী
অধ্যক্ষ, নগাঁও মহাবিদ্যালয়

মৃত্যুৰ গতি অনিৰুদ্ধ। মৃত্যু আমোঘ। মৃত্যুক প্ৰতিৰোধ কৰিব নোৱাৰি। জীৱনক শুহি লোৱা মহাকালৰ ৰূপ। মৃত্যুৱেই জীৱনৰ পৰিসমাপ্তি। পৃথিৱীৰ সকলো নশ্বৰ। মৃত্যুৰ লগে লগে সকলোৱেই পৃথিৱীৰ পৰা বিদায় ল'বই লাগিব। জীৱ বিজ্ঞানীৰ মতে মানুহ হিচাপে বাচি থাকিবলৈ হ'লে মৃত্যু সম্পৰ্কে নাভাবি থাকিব নোৱাৰে। মৃত্যু হৈছে জৈৱ ৰাসায়নিক বিক্ৰিয়াৰ পৰিসমাপ্তি। যি পাঞ্চভৌতিক উপাদানৰ সৈতে প্ৰাণৰ সৃষ্টি; মৃত্যু হ'লে তাৰ বিনিঃশেষ মিশ্ৰণ ঘটে পাৰ্থিৱ ভৌত উপকৰণত। মৃত্যুৰ সৈতে মানুহৰ সংগ্ৰাম অনন্তকালৰ পৰা আৰম্ভ হৈছে; নৈতিকভাৱে মৃত্যুক ৰোধ কৰিব নোৱাৰিলেও সাংস্কৃতিকভাৱে এই সংগ্ৰাম চলাই আছে। ভাববাদী মানুহে মৃত্যুৰ লগত ইহলোক-পৰলোক, স্বৰ্গ-নৰক আদিৰ বিষয়ে ব্যাখ্যা কৰি আহিছে। দাৰ্শনিক জাঁ পল ছাৰ্ত্ৰেৰ মতে সকলো ক্ৰিয়াশীলতাৰ পৰিসমাপ্তিয়েই হৈছে মৃত্যু। দাৰ্শনিক হাইডেগাৰে কৈছিল আমাৰ পাৰ্থিৱ জীৱনৰ দৈনন্দিন গ্লানি, হতাশা, বিষণ্ণতা, নৈৰাশ্য আৰু অহংবোধৰ পৰা উত্তীৰ্ণ হৈ জীৱনৰ ঐকান্তিক উপলব্ধিত নিজকে বিধৃত কৰাৰ পথত মৃত্যু চেতনা এক অলঙঘ্য নিয়ন্ত্ৰা শক্তি। এই নিয়ন্ত্ৰা শক্তি মৃত্যুমুখী স্বাধীনতা। দাৰ্শনিক শ'পেন হাৱাৰৰ মতে, মৃত্যু চেতনাই সকলো দাৰ্শনিক অভীপ্সাৰ মূল উৎস। মৃত্যুৰ অটলান্ত অতি প্ৰাকৃত ৰহস্যৰ মাজত দাৰ্শনিক জীৱন আৰু অস্তিত্বৰ সম্পৰ্কে তাৎপৰ্য গভীৰ উপলব্ধি কৰে। মৃত্যু চেতনাক মানুহে উপেক্ষা কৰিব নোৱাৰে। জীৱনৰ চৰম মূল্য হেনো মৃত্যুৰ মুখামুখি হৈহে অনুভূত হয়। ছাৰ্ত্ৰেৰ মতে, মৃত্যু চেতনাই আমাক সঠিক সিদ্ধান্ত লোৱাত সহায় কৰে আৰু তাতেই মৃত্যু চেতনাৰ মূল্য নিহিত হৈ থাকে। ছাৰ্ত্ৰেই কৈছে— 'Death is never that which gives life

its meaning. It is on the contrary, that which on principle removes all meaning from life. The awareness of death has value only in so far as it obliges us or helps us to make authentic decisions' মৃত্যু চেতনাৰ মাজতেই ব্যক্তিয়ে তাৰ যথাযথ তাৎপৰ্য উপলব্ধি কৰিব পাৰে। সকলো মানুহ মৰণশীল। এই উক্তিৰ পৰা আমি মৰণশীল বুলি উপলব্ধি কৰিব পাৰিলেই মৃত্যুৰ যথাৰ্থ অৰ্থপূৰ্ণ ৰূপ প্ৰতিভাত হয়। ছক্ৰেটিচে মৃত্যুদণ্ডৰে দণ্ডিত হৈও বিচলিত হোৱা নাছিল। হেমলক (বিষ) পান কৰি শিষ্যসকলক কৈছিল— পলমকৈ বিষপান কৰি একো লাভ নাই, কোনেও চকু পানী নুটুকিবা। ছক্ৰেটিচে মৃত্যুৰ অৰ্থ সকলো দুখ-কষ্ট-যন্ত্ৰণাৰ বিলুপ্তি বুলি ভাবিছিল। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে লিখি থৈ গৈছে ঃ

'ওগো মৃত্যু সেই লগ্নে নির্জন শয়ন প্রান্তে
এসো বর বেশে
আমার পরাণ বধু ক্লান্ত হস্ত প্রসারিয়া
বহু ভালো বেসে ধরিবো তোমার বাহু
তখন তাহারে তুমি-মন্ত্র পড়ে নিয়ো
মৃত্যু লওহে বাঁধন ছিড়ে
তুমি আমার আনন্দ।'

ৰবীন্দ্ৰনাথ ঠাকুৰ মৃত্যুৰ বিষয়ে আৰু কৈছে—

"জীবন আমাৰ
এত ভালোবাসি ব'লে হয়েছে প্রত্যয়,
মৃত্যুরে এমনি ভালো বাসিব নিশ্চয়।"

জাপানীসকলে মৃত্যুৰ আগে আগে কবিতা লিখি থৈ যোৱাটো এটা নিয়ম। এই কবিতাবোৰক কোৱা হয় "Farewell Poem To Life"। অসমৰ কবি বিপুলজ্যোতি শইকীয়াই জাপানী মৃত্যু কবিতাৰ অনুবাদ গ্ৰন্থ এখন ইতিমধ্যে প্ৰকাশ কৰিছে।

জাপানীসকলে যুদ্ধত মৃত্যু হোৱা সকলক বীৰগতি প্ৰাপ্ত হোৱা বুলি অভিহিত কৰে। জাপানী কবি এজনৰ কবিতা এটা এনেধৰণৰ—

"মন মোৰ প্ৰশান্ত
শেষ পানীৰ ফেনকণো
পৰিল অন্ত"

আন এগৰাকী শ্বিয় নামৰ জাপানী কবিৰ মৃত্যু কবিতা এনেধৰণৰ—

"মৃত্যু পৰ্বততো থাকিব
বগৰীগছৰ শোভাৰ সৈতে
এটি চাহ ঘৰ"

আমাৰ অসমীয়া কবি নলিনীবালা দেৱীৰ কবিতাত

'বৈ আছোঁ শেষ অৰ্ঘ্য লৈ
পূজো বুলি তোমাৰ চৰণ
জীৱনৰ গধূলি পৰত
কৰো বুলি তোমাক বৰণ'

পাৰ্বতি প্ৰসাদ বৰুৱাই গাইছিল—

'হাঁহিবনে প্ৰাণে মোৰ
মৰণৰ মৌ পৰশত'

কবি মহিম বৰাই লিখিছে—

'তোমাৰ প্ৰেমৰ ছাঁই আৱৰিছে যত দিন
মই মুক্ত চিৰ জ্যোতিষ্মান
প্ৰেমৰেই পূৰ্ণগ্ৰাস- মই সুপ্ত অন্তজ্যোতি
মৃত্যু তাৰ নাম'

কবিৰ ভাষাত 'হে বাসৰ ঘৰ/বিশ্বত প্ৰেম মৃত্যুহীন/তুমিও অমৰ

বৌদ্ধ দৰ্শনত মৃত্যুৰ শেষ পৰিণতি পুনৰ জন্মৰে মানুহে ব্যগ্ৰতাশূন্য কৰি তোলাৰ কথা বৰ্ণনা হৈছে। বৌদ্ধ ধৰ্মৰ মহাযানসকলৰ মতে জীৱাত্মা মিছা, পৰমাত্মা সঁচা। মৃত্যুৰ পিছত জীৱাত্মা পৰমাত্মাত লীন হয় বুলি বিশ্বাস কৰে। বৌদ্ধ দৰ্শনৰ মতে মৃত্যুৰ প্ৰধান কাৰণ হ'ল জন্ম। স্বামী বিবেকানন্দৰ মতে মৃত্যুয়েই আত্মাৰ শেষ নহয়। দেহাৰ বিনাশৰ পিছতো আত্মা জীৱিত হৈ থাকে। সম্পূৰ্ণ পূৰ্ণতা প্ৰাপ্তি নোহোৱালৈকে আত্মাই বাৰে বাৰে সংসাৰত জন্ম গ্ৰহণ কৰে আৰু নিজৰ অমৰত্ব আৰু স্বাধীনতা সম্পৰ্কে সজাগ হয়। পূৰ্ণজন্ম আত্মাৰ এটি দিশ। আত্মাৰ অমৰত্বৰ যথাৰ্থ অৰ্থ হ'ল মৃত্যুহীনতা। বিবেকানন্দই কৈছিল, 'জীৱনৰ প্ৰতীক হ'ল আত্মা। তেন্তে জীৱনক অস্বীকাৰ কৰা মৃত্যু আত্মাৰ ওপৰত কেনেকৈ আৰোপ কৰিব পাৰি? সেই কাৰণেই কোনো ব্যক্তিয়ে নিজৰ মৃত্যুৰ কথা ভাবিব নোৱাৰে। নিজৰ মৃত্যু সম্পৰ্কে চিন্তা কৰাৰ অপাৰগতাই আত্মাৰ অমৰত্ব নিৰ্দেশ দিয়ে। হিন্দু দৰ্শনত পুনৰ্জন্ম আৰু 'স্বৰ্গ'-'নৰক' অস্তিত্বৰ কথা স্বীকাৰ কৰে। ইছলাম দৰ্শনত পুনৰ্জন্মৰ বিকল্প হিচাপে স্বৰ্গ আৰু নৰকৰ কথা আছে। হিন্দু দৰ্শনত স্বৰ্গলোক এইধৰণৰ —

'স্বৰ্গে লোকে ন ভয়ং কিঞ্চ নাস্তি
ন তত্ৰ ত্বং ন জৰয়া বিভেতি





উভে তীত্বাহশনায়াপিপাসে
শোকতিগো মোদতে স্বৰ্গলোক।'

স্বৰ্গলোকত ভয় নাই, মৃত্যু নাই, জৰা নাই, ধ্বংস নাই

কঠোপনিষদত আছে—

'স ত্বমগ্নি স্বৰ্গমধ্যেষি মৃত্যু
প্ৰব্ৰূহি ত্বং শ্ৰদ্ধধানায় মহত্তম
স্বৰ্গলোকা অমৃত্য ভজন্তে
ত্ৰতেদ দ্বিতীয়েন বৃণে বৰেণ।'

'হে মৃত্যু, আপুনি সেই স্বৰ্গ সাধন অগ্নিক জানে। আমি শ্ৰদ্ধাবান আৰু স্বৰ্গগামী, যি অগ্নিচয়ন কৰিলে অমৰত্ব লাভ কৰিব পাৰি সেই অগ্নিৰ কথা কওক। আমি সেই অগ্নিবিদ্যাক প্ৰাৰ্থনা কৰিছোঁ। যি অগ্নিচয়ন বিদ্যাৰ সহায়ত মৰণশীল মানুহে অমৰত্ব আৰু চিৰস্বৰ্গ লাভ কৰিব পাৰে। সেই অগ্নিবিদ্যাক প্ৰাৰ্থনা কৰিছোঁ।'

সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱাই 'বীণ ব'ৰাগী' কবিতাত লিখিছে—

'সৰগ বাতৰি
সৰগৰ বীণে
অবুজ ভাষাৰে গায়
বুজিও নুবুজো
বুজিম সকলো
তেতিয়া সিপুৰী পায়।'

কবিয়ে মৃত্যুৰ পিছত যেতিয়া এই পৃথিৱী এৰি সৰগ পাবগৈ তেতিয়া ব'ৰাগীৰ বীণৰ ভাষা বুজিব পাৰিব বুলি ব্যাখ্যা কৰিছে।

বৈদিক কৰ্মকাণ্ডত সাংসাৰিক সুখ-শান্তি আৰু আনন্দ লাভৰ বাবে প্ৰয়োজনীয় ক্ৰিয়া-কলাপ বৰ্ণনা কৰা আছে। বৈদিক ক্ৰিয়া-কলাপৰ প্ৰধানতম বিষয় হ'ল মানুহৰ আত্মাক স্বৰ্গৰ উন্নততম স্তৰত প্ৰতিষ্ঠিত কৰা। ইয়াত পিতৃলোক আৰু স্বৰ্গলোকৰ বিষয়ে বৰ্ণনা হৈছে।

পিতৃলোকত মৰণোত্তৰ আত্মা আৰু মৃত আত্মীয়-স্বজনৰ সংগ লাভ কৰে আৰু সৎকৰ্ম, সৎচিন্তাৰ ফলত শুভফল লাভ কৰে। দেৱলোক হৈছে দেৱতাৰ স্থান।

প্ৰাচীন কালৰে পৰা মানুহৰ জৈৱিক মৃত্যুৰ পিছত এটা অবিনশ্বৰ অস্তিত্ব আৰু সেই অপাৰ্থিৱ অস্তিত্ব সম্পৰ্কে মানুহক নানান ধৰণে ভবাই তুলি আহিছে। তাতেই আত্মাৰ কথা উল্লেখ হৈছে। এডৱাৰ্ড টেইলৰ নামৰ নৃ-বিজ্ঞানী লেখকগৰাকীয়ে Animism 'আত্মাবাদ' নামৰ গ্ৰন্থত কৈছে যে ধৰ্মৰ উৎপত্তিৰ একমাত্ৰ কাৰণ হ'ল আত্মাৰ বিশ্বাস সম্পৰ্কীয় ধাৰণা। পূৰ্বপুৰুষৰ আত্মাৰ উদ্দেশ্যে শ্ৰদ্ধা বা পূজা নিবেদনৰ প্ৰয়াসেই ধৰ্ম সম্পৰ্কীয় প্ৰাথমিক বিশ্বাস। গীতাত আছে ঃ

'নৈনং ছিন্দন্তি শাস্ত্ৰাণি নৈনং দহতি পাবকঃ
ন চৈনং ক্লেদয়ন্ত্যাপো ন শোষয়তি মাৰুতঃ'

অস্ত্ৰই আত্মাৰ ছেদন নকৰে, অগ্নিয়ে ইয়াক দহন নকৰে। পানীয়ে ইয়াক আৰ্দ্ৰ নকৰে। বায়ুয়ে ইয়াক বিশুষ্ক নকৰে।

'বাসাংসি জীৰ্ণানি যথা বিহায়, নবানি গৃহ্ণাতি নৰোহপৰাণি।
তথা শৰীৰাণি বিহায় জীৰ্ণান্যন্যানি সংযাতি নবানি দেহী।'

আত্মাই হেনো কাপোৰ সলোৱাৰ দৰে দেহ সলনি কৰে।

বেদান্ত দৰ্শনৰ মতে, শৰীৰ আৰু আত্মাৰ সংযোগতে মানুহৰ



সৃষ্টি। শৰীৰ হ'ল মায়াৰ সৃষ্টি। প্ৰত্যেকজন মানুহৰ মাজত যি আত্মা আছে তাৰ নাম জীৱাত্মা। এই জীৱাত্মা আত্মাই আৰু আত্মাই ব্ৰহ্ম ('জীৱো ব্ৰহ্মৈৱ')। এই কথা উপনিষদত থকা 'তত্বমসি' এনে কথাৰে সূচিত হৈছে। ইয়াৰ অৰ্থ হৈছে 'তুমিয়েই তেওঁ' বা 'তেৱেঁই তুমি।' ইয়াত 'তুমি' আৰু 'তেওঁ'ৰ মাজত এটা সম্বন্ধ দেখুওৱা হৈছে। যদিও জীৱাত্মা মানুহ অনুযায়ী ভিন্ন যেন দেখায় তথাপি ইয়াৰ পাৰমাৰ্থিক ৰূপত ই ব্ৰহ্মাই (অৰ্থাৎ তেৱেঁই)।

বৰ্ডথৱছে কৈছিল—

'আত্মা মোৰ জীৱনৰ ধ্ৰুৱতৰা
ক'ত কোন সুদূৰে অস্ত গৈ উদয় হ'ল মোৰ গগণত
এনেকৈ চলিছে ধাৰা'

মৃত্যুৰ মাজতেই জীৱনৰ উত্থান। মৃত্যু আৰু জন্ম জীৱনৰ যুদ্ধৰ মাজত জীৱনৰ ৰূপ উজ্জ্বলতৰ আৰু উপযোগী হয়। মৃত্যুৰ জখলাৰ পৰা আত্মিক দৃষ্টি এক নতুন জীৱনৰ প্ৰতি। এনে চিন্তাৰ মাজতেই মৃত্যু আৰু সৌন্দৰ্য উপভোগ কৰিব পাৰি।

মৃত্যুৰ অধিপতি হৈছে যমৰাজ। মৃত্যু দেৱতাৰ নাম হ'ল যম। পৌৰাণিক কথা আৰু কাহিনী মতে যমৰাজেই হৈছে মৃত্যু নিয়ন্তা। মৃত্যুপুৰী বহু বিস্তৃত ধাৰণাৰে জনমানসত বিৰাজ কৰিছে যমৰাজৰ আমোঘ উপস্থিতি।

ঋকবেদত যমৰ কথা ৫০ বাৰ উল্লেখ হৈছে। যমৰ অস্তিত্বৰ কথা লোকসংস্কৃতিৰ কাহিনীত বিদ্যমান। যমৰ বিষয়ে আলোচনা কৰোঁতে বহুতে অপবিজ্ঞানক প্ৰশ্ৰয় দিয়া বুলি দোষাৰোপ কৰে। যমৰ কথা আহিলেই পাপ-পুণ্য, স্বৰ্গ-নৰকৰ কথা আহে। সাংস্কৃতিক নৃবিজ্ঞান দৃষ্টিৰে যমৰ কথা চাব পাৰি। যমদেৱতা প্ৰেমৰ হাতত কেতিয়াবা পৰাজিত হয়। 'মৰণৰে তুঁহু মম শ্যাম সমান।'

যমৰাজৰ চেহেৰা ভীতিপ্ৰদ। যমৰাজ আৰু মৃত্যুপুৰীৰ ছবিখনৰ বিষয়ে ভাৰতীয় জনমানসত স্পষ্ট। সামগ্ৰিক বিষয়টো প্ৰতীকীকৰণৰ প্ৰক্ৰিয়াৰ মাধ্যমেৰে মূল্যায়ন কৰিব পাৰি বুলি নৃবিজ্ঞানীসকলে মন্তব্য কৰিছে। যমৰাজ সত্যৰ অনুসৰণকাৰী হিচাপে পৰিচিত। ধৰ্ম ৰক্ষাই হৈছে প্ৰধান ব্ৰত। সেইকাৰণে যমৰাজক ধৰ্মৰাজ বুলিও কয়। মৃত্যুৰ লগত ভূতৰ সম্পৰ্ক আছে। নৃবিজ্ঞানৰ আলোচনাত ভূততত্ত্ব (Ghostology) অতি প্ৰয়োজনীয়। আত্মাই কেতিয়াবা অশুভ ৰূপ ধাৰণ কৰে আৰু প্ৰেতাত্মাত পৰিণত হয়। আদিবাসীসকলৰ বিশ্বাস যে মৃত্যুৰ পিছত আত্মা দেহৰ পৰা ওলাই গ'লে ভূত ৰূপ ধাৰণ কৰে। ভূত বিদেহী বা অদৃশ্য হ'লেও জীৱন্ত মানুহৰ দৰে ক্ষুধা, তৃষ্ণা, চেতনা আছে। কেতবোৰ আদিবাসী জনগোষ্ঠীয়ে নৱজাতকৰ নামকৰণ অনুষ্ঠানত মৃত আত্মীয়-স্বজনৰ নাম উচ্চাৰণ কৰে কিয়নো পূৰ্ব পুৰুষৰ আত্মাৰ পুনৰ্জন্ম নৱজাতকৰ মাধ্যমেৰে ঘটিব পাৰে বুলি তেওঁলোকে আশংকা কৰে। মানুহৰ ওপৰত ভূতৰ প্ৰভাৱ বিষয়ক চিন্তা বিশ্বজনীন। সেয়া যি কি নহওক ভূত, পুনৰ্জন্ম, পৰলোক, পিতৃলোক, দেৱলোক যিয়েই নহওক কিয় মৃত্যুক জয় কৰিব পৰা জনেই হৈছে প্ৰকৃত মানুহ। ইংৰাজ কবিয়ে মৃত্যু আৰু বিষাদৰ বিষয়ে এনেদৰে কৈছে—

'Death is a sharp pain to the heart
Death is a feeling of sadness and a pain
that won't go away
Death is a sign to let you know it's your time to go
Death is something you can't run from....'

পৃথিৱীৰ সকলো দেশতেই মৃত্যু বিষয়ে ধাৰণা প্ৰখৰ। কাৰ্লমাক্সে অৱশ্যে মৃত্যুক আধ্যাত্মিক বিশিষ্টমণ্ডিত কৰিবলৈ বিচৰা নাছিল। বিনন্দীয়া পৃথিৱীত জীয়াই থকাৰ হাবিয়াস কাৰনো নাই! সেয়ে আনৰ মৃতদেহ লৈ শ্মশানলৈ যোৱা সকলেও মৃত্যুক লৈ বিচলিত নহয়। তথাপি মৃত্যুক বিশিষ্টমণ্ডিত কৰিব পৰাসকলে মৃত্যু আৰু সৌন্দৰ্যৰ ৰস পান কৰিব পাৰে। কবিৰ ভাষাত প্ৰেম আৰু মৃত্যুৰ মাজত এক সৌন্দৰ্য লুকাই আছে। 'প্ৰেমৰেই পূৰ্ণ গ্ৰাস— মই সুপ্ত অন্তজ্যোতি। মৃত্যু তাৰ নাম।' প্ৰেম আৰু মৃত্যুৰ সংগমে হেনো সৃষ্টিৰ চকৰি ঘূৰায়। সৃষ্টি কৰে নিৰন্তৰ স্পন্দনৰ। কবিৰ কল্পনাত 'মৃত্যু তাৰ নাম'। কবিৰ কল্পনাত মৃত্যু ৰূপান্তৰিত হয় শিল্পলৈ। 'জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য'ৰ ৰূপ লয় মৃত্যুয়ে। কবি হীৰেন ভট্টাচাৰ্যই লিখিছে 'মৃত্যুৰ স'তে কোনে কাজিয়া কৰে/জীৱন সংগীত মৃত্যুৰ সূক্ষ্মতাত শুদ্ধ/স্বৰ যাৰ ধ্বনিৰ প্ৰাকৃত উদ্ধতি।'

প্ৰখ্যাত মাৰ্কিন কবি ছিলভিয়া প্লেথে মৃত্যুক শিল্প আখ্যা দিছিল। তেওঁ তেওঁৰ 'Lady Lazarus' শীৰ্ষক কবিতাটিত লিখিছে—

'Dying
is an art, like everything else,
I do it exceptionally well.'

কবি নৱকান্ত বৰুৱাৰ মতে যাৰ জ্ঞান স্থিৰ, তেওঁক মৃত্যুৰ বতাহে তেওঁৰ শিখা কঁপাব নোৱাৰে।

❑ ❑ ❑





# সাম্প্ৰতিক সময়ৰ গণতান্ত্ৰিক ব্যৱস্থাৰ শিক্ষা ঃ ইয়াৰ আদৰ্শ আৰু বাস্তৱ স্বৰূপ

**ড° যুগল খাৰঘৰীয়া**
সহযোগী অধ্যাপক, এচ, এচ, কলেজ শিৱসাগৰ

প্ৰতিজন মানুহেই ব্যক্তি হিচাপে তথা সমাজৰ অংশ হিচাপে সুখে-শান্তিৰে জীয়াই থাকি সমাগত দিনবোৰ অধিক সুখ-সমৃদ্ধি কঢ়িয়াই আনি, সৃষ্টিশীলতাৰ মাজেৰে পোৱা নতুনত্বৰে জীৱনটো অধিক উপভোগ্য হৈ উঠাটো কামনা কৰে। লগতে এইটোও দিশ চিন্তা কৰে যাতে আমাৰ পাছৰ পুৰুষে ক্ৰমাগত উন্নত জীৱন যাপন কৰিব পাৰে তাৰ পথো মুকলি কৰাটো বিচাৰে। এখন আদৰ্শ আধুনিক, প্ৰগতিশীল, গণতান্ত্ৰিক দেশৰ কথা মনত ৰাখি আমি ক'ব পাৰোঁ যে গণতন্ত্ৰ কেৱল জনসাধাৰণে নিৰ্বাচন কৰা প্ৰতিনিধিসকলৰ দ্বাৰা কেৱল আইন প্ৰণয়ন আৰু শাসন কাৰ্য চলোৱা এটা ব্যৱস্থাই নহয়, ই হ'ল জনজীৱনৰ প্ৰতিটো চিন্তা আৰু কৰ্মক্ষেত্ৰত বিয়পি থকা সুস্থ-সুন্দৰ পৰিৱেশৰ সমাহাৰ। কেইবা শতিকাৰ পৰীক্ষা-নিৰীক্ষাৰ অভিজ্ঞতা, সংগ্ৰামৰ মাজত আধুনিক গণতন্ত্ৰ পাশ্চাত্যৰ পৰশত আহি বৰ্তমান অৱস্থা পাইছে— য'ত সামাজিক, অৰ্থনৈতিক পৰিৱেশ, এটা মানসিক দৃষ্টিভংগী, এক দৰ্শন, এক বিশিষ্ট মানদণ্ডৰ জীৱন প্ৰবাহ আৰু এক জাতীয় ঐতিহ্য (বাৰ্তাবাহক)ৰ পৰিচিত ৰূপ।

মহৎ লোকসকলে বিশ্বৰ সকলো মানুহৰ লগত একাত্ম হোৱাৰ প্ৰৱণতা গঢ় লৈছে আৰু জীৱন ধাৰাৰ উন্নত কৰাৰ পদক্ষেপবিলাকত সহায়-সমৰ্থন আগবঢ়াইছে। আদৰ্শ গণতন্ত্ৰত সংপৃক্ত হৈ থাকে এনেদৰে— সকলো আইন জনগণৰ কল্যাণৰ হকে ৰচিত যাৰ বিনিময়ত আইনৰ প্ৰতি সকলোৰে শ্ৰদ্ধা আৰু আনুগত্য প্ৰকাশ, আইনৰ সুৰক্ষা সহজলভ্য, কাৰো প্ৰতি আনৰ শোষণৰ মনোভাৱ নাই, সমাজৰ কাৰণে আৱশ্যকীয় প্ৰতিটো বৃত্তিৰ প্ৰতি শ্ৰদ্ধা, ৰুচি আৰু দক্ষতা অনুসৰি কামৰ অধিকাৰ, আনৰ মতামত, ভাষা, ধৰ্ম, সংস্কৃতিৰ প্ৰতি সন্মান প্ৰদৰ্শন, নিজৰ অধিকাৰ, দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সদা সচেতনতা, আনৰ অধিকাৰৰ সীমা চেৰাই যোৱাটো অগণতান্ত্ৰিক আদি। ৰুচি আৰু যোগ্যতা অনুসৰি প্ৰত্যেকে উচ্চতৰ শিক্ষা লাভ কৰি আগুৱাই যাব পাৰে, নাৰী-পুৰুষৰ কৰ্মৰ অধিকাৰ আৰু মৰ্যাদা সমান। দুৰ্বল শিশু, বৃদ্ধ, ৰোগগ্ৰস্ত, পংগু কোনেও নিজকে অবাঞ্ছিত বুলি ভবাৰ অৱকাশ নাথাকে আৰু সকলোৱে জীৱনীশক্তিৰ শেষকণলৈ উপভোগ কৰিব পাৰে। অৰ্থাৎ এইটো নক'লেও হ'ব যে গণতন্ত্ৰত প্ৰতিজন ব্যক্তি সমাজৰ কাৰণে আৰু সমাজ প্ৰতিজন ব্যক্তিৰ বাবে। জনসংযোগ মাধ্যম অতি শক্তিশালী হোৱাৰ বাবে অন্য দেশবিলাকত কি আইন পৰিষদ, কি শাসনযন্ত্ৰ, কি সমাজসেৱী অনুষ্ঠান, শিক্ষালয় সকলোৱেই জনমতৰ প্ৰতি সদা সন্ত্ৰস্ত। ই সদা সচেতনতা, সদা ক্ৰিয়াশীল, সৰ্বদা বিকাশমুখী এক পৰিৱেশ তথা অৱস্থাৰ ব্যৱস্থা।

আলোচ্য বিষয়টো গণতান্ত্ৰিক ব্যৱস্থাত শিক্ষাৰ ব্যৱস্থাটো জানিবলৈ ওপৰত গণতন্ত্ৰৰ তথা কিছু কথা উলেখ কৰিব লগা হ'ল। সাম্প্ৰতিক সময়ত আদৰ্শ শিক্ষাৰ সম্পৰ্কে আমাৰ দেশতো বহু আলোচনা, গৱেষণা, পৰীক্ষা-নিৰীক্ষা অহৰহ চলি আছে তথা নিত্য-নতুন চিন্তা, কৌশল সংযোগ ঘটিয়ে আছে। শিক্ষাত প্ৰধানকৈ দুটা মতবাদ সৰ্বজনবিদিত— ব্যক্তি স্বাতন্ত্ৰ্যবাদৰ প্ৰবক্তাৰ মতে

শিশুৰ সুপ্ত সম্ভাৱনাক বিকাশৰ ব্যৱস্থা কৰিলেই নিজকে গঢ়ি তুলিব পাৰিব বৰ্তমান আৰু ভৱিষ্যৎ পৰিস্থিতিত তথা মানৱতাৰ প্ৰতি, দেশৰ প্ৰতি, জৰ্জ ৱাচিংটন, ডাৰ্বইউন, মাৰ্ক্স, আইনষ্টাইনৰ দৰে সমগ্ৰ পৃথিৱীত গতিধাৰা সভ্যতা পৰিৱৰ্তন কৰি দিব পাৰিব, য'ত শিক্ষাৰ্থীৰ ৰুচিক অবাধ স্বাধীনতা দিয়াটো বিচাৰে। দ্বিতীয়টো সমাজবাদী শিক্ষাবিদসকলৰ মত হ'ল— শিশুৰ কোমল মনত শাৰীৰিক বিকাশৰ লগে লগে পৰিয়াল, সমাজ, ৰাষ্ট্ৰ, কৃষ্টি-সংস্কৃতিৰ বিবিধ বিষয়ৰ জ্ঞান দি ব্যক্তিমনৰ বিকাশ ঘটোৱা যাতে আৰ্জিত জ্ঞান আৰু দক্ষতাৰে সমাজ সৰ্বাংগসুন্দৰ কৰি গঢ়ি তুলিব পাৰে। অৱশ্যে এখন আধুনিক গণতান্ত্ৰিক দেশত এই দুয়োটাৰে দেশৰ উপযোগী কৰি শিক্ষাৰ লক্ষ্য স্থিৰ কৰা হয়।

বিভিন্ন বিষয়ৰ জ্ঞান আহৰণ পুথিগতভাৱে, হাতে-কামে আয়ত্ত কৰি শিক্ষাৰ্থীক যোগ্য কৰি তোলাৰ লগতে গণতান্ত্ৰিক চেতনাসম্পন্ন নাগৰিক গঢ়ি তোলা তথা সামাজিক অনুভূতিবোৰ দেশপ্ৰেম, মানৱ প্ৰেম, কৰ্ম সংস্কৃতিৰ গুণৰাশি জগাই তুলিব লাগিব। সাহিত্য-সংস্কৃতি, খেল-ধেমালি, চিত্ৰ-ভাস্কৰ্য তথা সৃষ্টিশীল মন, সৌন্দৰ্য সন্ধানী মনৰ গৰাকী হিচাপে একোটা আদৰ্শ মন গঢ় দিব পাৰিব লাগিব। গণতান্ত্ৰিক ৰাষ্ট্ৰত অকল সাৰ্বজনীন শিক্ষাৰেই কথা নহয়, প্ৰয়োজনীয় সকলো ধৰণৰ শিক্ষাৰ ব্যৱস্থা কৰাটো ৰাষ্ট্ৰৰ কৰ্তব্য। কিছুমান দেশত শিক্ষাক প্ৰতিৰক্ষাৰ নিচিনা গুৰুত্বপূৰ্ণ বিভাগতকৈও অধিক গুৰুত্ব দিয়ে আৰু বাজেটত শিক্ষা শিতানত অধিক ধন ব্যয় কৰে। প্ৰগতিশীল গণতান্ত্ৰিক ৰাষ্ট্ৰবিলাকত প্ৰচলিত শিক্ষানীতিৰ সংস্কাৰ সাধনত সমগ্ৰ ব্যৱস্থাটোকে এনেকৈ গঢ় দিয়া হ'ল—

শিক্ষাৰ্থীৰ ব্যক্তিগত প্ৰতিভা অপচয় নহয়, মৌলিক অধিকাৰ, সামাজিক দায়িত্ব সচেতনতা বৃদ্ধি পায়, কৰ্ম সংস্কৃতিৰ ওপৰত আগ্ৰহ জন্মে, দেশপ্ৰেম, আত্মবিশ্বাস, নীতি-নিষ্ঠা, সময়-নিষ্ঠা, প্ৰকৃতি প্ৰেম আদি। এই বিলাকৰ জীৱন জোৰা সাধনা কৰা দেশ জাৰ্মানী, তেওঁলোকৰ শিক্ষা এটা জীৱন জোৰা উৎসৱ। হলেণ্ড, চুইডেন, ডেনমাৰ্ক আদি দেশবিলাকে সময়ে সময়ে উন্মেষ হোৱা নতুন চিন্তাৰ অভিজ্ঞতাবিলাক খুব কম সময়ৰ ভিতৰত আয়ত্ত কৰি ইয়াৰ সুফলবিলাক ভোগ কৰিবলৈ সমৰ্থ হয়।

উপৰোক্ত কথাবিলাক উল্লেখ কৰাৰ প্ৰয়োজনীয়তা এই বাবেই যে আমাৰ দেশ তথা ৰাজ্যই এইবিলাক প্ৰয়োগ কৰি আগবাঢ়ি যোৱাত সহায়ক হ'ব। আমি আমাৰ গণতান্ত্ৰিক ব্যৱস্থাটোৰ বিষয়ে, অধিকাৰবিলাকৰ বিষয়ে সম্যক জ্ঞান থাকিলেহে আমাৰ দেশৰ জনকল্যাণকামী শিক্ষাৰ প্ৰক্ৰিয়াত ক'ত কেনা লাগিছে বুজিব পৰা যায়। কেইবা শতিকাজোৰা পৰাধীনতা তথা ঔপনিৱেশিক শাসনৰ ফলশ্ৰুতিতেই আমাৰ গণতন্ত্ৰ আৱিৰ্ভাৱ হৈছিল। সেই সময়ত শিক্ষিত হাৰ মুঠ জনসংখ্যাৰ পাঁচভাগৰ এভাগতকৈও কম আছিল। এই শিক্ষিত লোকৰ আধাতকৈও বেছি আছিল অৰ্থ-যশৰ প্ৰতি লালায়িত, অন্যখিনিৰো বেছি অংশই সাম্প্ৰদায়িকতা, কুসংস্কাৰ, অন্ধবিশ্বাসৰ ওপৰত গুৰুত্ব দিয়া লোক। এনে পৰিস্থিতিত স্বাধীনতা আৰু গণতন্ত্ৰই আনি দিয়া সুযোগ এমুঠিমান নেতা তথা চতুৰ সুযোগ-সন্ধানী লোকে গণতন্ত্ৰ আৰু নিৰ্বাচনক মূল বিষয় হিচাপে লৈ আৰু জনসাধাৰণৰ ৰায়ৰ গইনাত যশ ভোগ তথা নিজৰ নিজৰ সম্পদ আহৰণত লাগি থাকিল আজিও। তেওঁলোকে ক'বলৈ ধৰিলে গণতন্ত্ৰ মানে হ'ল নিৰ্বাচন আৰু নিৰ্বাচনৰ অৰ্থই হ'ল যিকোনো পদ্ধতিৰে ক্ষমতা দখল কৰি বৰ্তি থকা। তেওঁলোকেই এনে ব্যৱস্থাৰে সৃষ্টি কৰিলে এচাম মধ্যভোগী লোক, যি তেওঁলোকৰ সকলো কামতে হয়ভৰ দিয়ে।

সাম্প্ৰতিক সময়ত শিক্ষাক সকলোৱে গ্ৰহণ কৰিব পৰাকৈ উপযুক্ত পদক্ষেপ লোৱাৰ পৰিৱৰ্তে কেইমুঠিমান ধনী লোকৰ বিশেষ সুবিধা ৰূপে সজাই-পৰাই তোলাৰ ব্যৱস্থা হৈ আমাৰ দেশত হ'বলৈ ধৰিছে নব্য-উদাৰবাদী মুক্ত বজাৰ নীতি দেশত কাৰ্যকৰী কৰিবলৈ লোৱাৰ প্ৰক্ৰিয়াত। পুঁজিবাদী বিশ্বায়নৰ অংশীদাৰ আমাৰ দেশৰ চৰকাৰে সৰ্বত্ৰই ব্যক্তিগতকৰণৰ নীতি ব্যাপকভাৱে কাৰ্যকৰী কৰিবলৈ গৈ শিক্ষাৰ ব্যৱস্থাটোকো সাঙুৰি ল'বলৈ পূৰ্ণ প্ৰয়াস কৰিছে। চৰকাৰে প্ৰাথমিক স্তৰৰ পৰা উচ্চ শিক্ষালৈকে গোটেই শিক্ষা পদ্ধতিটোকে মুক্ত বজাৰৰ নীতিৰ কবলত সুমুৱাটো বিচাৰিছে তথা শিক্ষাক এখন বজাৰলৈ ৰূপান্তৰ কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। বিশিষ্ট শিক্ষাবিদ মুচকুন্‌ড ডুবেৰ কৈছে— "Educational system as a whole has been commodified... The basic philosophical purpose of education is to enhance the capacity of the children to comprehend, to discern, to contest what, according to them, is wrong, and to develop the urge to transform what is wrong and unjust. These philosophical goals have been set aside and replaced my the functional goal of meeting the demand of the market... Training is no longer regarded as essential for teaching."



ইংৰাজে প্ৰথম ভাৰতবৰ্ষত সাৰ্বজনীন আধুনিক শিক্ষাৰ প্ৰৱৰ্তন কৰিলে যদিও সি আছিল এটা ঔপনিৱেশিক ব্যৱস্থা মাত্ৰ, সেই ব্যৱস্থাত হাত উজান দিছিল মধ্যবিত্ত শ্ৰেণীটোৱেই অলপ সংখ্যকে আৰ্থিক স্বচ্ছলতা তথা সমাজত প্ৰতিপত্তি পোৱাৰ আশাত। আজি সেই ঔপনিৱেশিক শিক্ষাৰেই ফচল ৰূপে আমি পাইছোঁ দেশী বাবু আৰু চাহাববোৰ, য'ত আছে অসংখ্য সুযোগ সন্ধানী কেৰিয়াৰিষ্ট ডিগ্ৰীধাৰী। এনে শিক্ষাৰ পৰাই শিক্ষিত শ্ৰেণীটো জনসাধাৰণৰ পৰা মানসিকভাৱে ক্ৰমাৎ বিচ্ছিন্ন হৈ পৰিছে। এই শিক্ষাই শিকাইছে শিক্ষিত মানুহৰ গণতান্ত্ৰিক দৃষ্টিভংগী, উদাসীনতা তথা অভাৱ বাৰুকৈ, জনসাধাৰণৰ দুখ-বেদনা ন্যায়ৰ প্ৰতি উদাসীনতা আৰু অমনোযোগিতা। প্ৰচলিত আইনৰ সুৰুঙাই চেমনীয়া আৰু যুৱ মানসিকতাক শোষণ কৰিছে, অশ্লীল চিনেমা, সাহিত্য, ড্ৰাগছ, মদৰ বিজ্ঞাপনৰ জৰিয়তে কৰা নিষ্কৰ্মা ভোগবাদী জীৱনৰ বিলাসী উপকৰণবোৰ এনে পৰিৱেশত উঠি অহা প্ৰজন্মক গতিশীলতা, সৃষ্টিশীলতা বেয়াকৈ ধ্বংস মাতি অনাইছে।

কেৱল এটা উদাহৰণৰ পৰাই জানিব পাৰিব বৰ্তমান সংবাদ শিক্ষাৰ বাস্তৱ স্থিতি। অলপ দিনৰ আগতে ইংলেণ্ডৰ সদন কমিটিৰ সন্মুখত প্ৰশ্নোত্তৰ দিবলৈ হাজিৰ হোৱা ৰুপাৰ্ট মডিকৰ কূট-কৌশল। মাৰ্ডিকৰ সংবাদ মাধ্যম বিশ্বৰ বহু দেশৰ গৰাকী। ইংলেণ্ড,আমেৰিকা অষ্ট্ৰেলিয়াৰ তেওঁ বহুত কাকত, টিভি চেনেল, আনুষংগিক প্ৰতিষ্ঠান, তেওঁ সংবাদ মাধ্যমৰ গৰাকী। তেওঁৰ ব্যৱসায় তথা সংবাদ মাধ্যমৰ মূল বিষয়বস্তু হ'ল ভুল তথ্যক আগ্ৰাসী ৰূপত প্ৰতিষ্ঠা কৰা। একে মিছাকে হেজাৰবাৰ কোৱা, ক্ৰিকেট, চিনেমা, অপৰাধ আৰু যৌনতাক গুৰুত্ব দি মনোৰঞ্জনৰ এখন জগত তৈয়াৰ কৰা। এশ সাতাইশখন কাকতৰ উপৰি অসংখ্য টিভি চেনেলৰ জৰিয়তে তেওঁ যুদ্ধৰ যুদ্ধবিলাকৰ সবিস্তাৰে প্ৰচাৰত ব্যস্ত থাকে। ইংলেণ্ডৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী মাৰ্গাৰেট থেচাৰ তেওঁৰ বন্ধু। জৰ্জ বুশ্ব, টনী ব্ৰেয়াৰৰো তেওঁৰ সৈতে আছিল সু সম্পৰ্ক। ষ্টাৰ নিউজকে ধৰি ষ্টাৰ প্লাছ, ষ্টাৰ ৰান, ষ্টাৰ গোল্ড, চেনেল ভি, ষ্টাৰ জলসা, ষ্টাৰ প্ৰবাহ, ষ্টাৰ ৱৰ্ল্ড, ষ্টাৰ মুভিজ, ষ্টাৰ উৎসৱ আদি কৰি যুটীয়া অংশীদাৰিত্বত কেইবাটাও চেনেলৰ মুঠ আঠটা ভাষাত ৩২ টা চেনেল আমাৰ দেশ ভাৰতত অহৰহ চলাই প্ৰায় এটা সপ্তাহতে ১৭০ নিযুত ভাৰতীয় লোকে তেওঁৰ চেনেলৰ দৰ্শক বুলি দাবীদাৰ। এনেবোৰেই হ'ল আজি সংবাদ মাধ্যমৰ দ্বাৰা পোৱা জ্ঞানৰ কাৰচাজি।

২০০৬ চনৰ জুন মাহত পৰিকল্পনা আয়োগে একাদশ পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ প্ৰতি দ্ৰুত আৰু বেছি ব্যাপক বিকাশৰ অভিমুখে' (Towards faster and more inclusion growth) শীৰ্ষক যি 'প্ৰৱেশ পত্ৰ' (approach paper) প্ৰকাশ কৰি উলিয়াইছিল তাৰ লক্ষ্য হ'ল—

শিক্ষাৰ বেচৰকাৰীকৰণ আৰু বাণিজ্যিকীকৰণক প্ৰৱৰ্তন কৰা। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বিয়াগোম পুঁজিৰ মালিকসকলে বিচাৰি আছে যে ভাৰতৰ শিক্ষা ক্ষেত্ৰখন তেওঁলোকক এৰি দিব লাগে যাতে শিক্ষাক পণ্য ৰূপে ব্যৱহাৰ কৰি ভাৰতত শিক্ষাৰ এক লাভজনক ব্যৱসায় আৰম্ভ কৰিব পাৰে। 'বিশ্ব বাণিজ্য সন্থা'ৰ সন্মিলনত শিক্ষাক সেৱা হিচাপে বিবেচনা কৰাৰ আলোচনা আৰু চুক্তি সম্পাদনাৰ দ্বাৰা শিক্ষাক্ষেত্ৰখন বিদেশী বিশ্ববিদ্যালয়ৰ বাবে মুকলি কৰা প্ৰক্ৰিয়া, যাৰ পৰিণতিত হ'ব পাৰে আমাৰ দেশৰ সমাজ বিজ্ঞান, কলা-সাহিত্য, বুৰঞ্জী, দৰ্শনৰ বোৱঁতী ধাৰা ক্ৰমে ধ্বংসৰ পথত পেলোৱাৰ সম্ভাৱনা। প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ যোগেদি আচলতে আমাৰ নিজস্ব সভ্যতা, সংস্কৃতি, ইতিহাস, বিজ্ঞান, সামাজিক পৰম্পৰা সকলোতে বিদেশী পুঁজিপতিসকলে অবাধ দখলৰ দ্বাৰা মুনাফা লুটাৰ অভিপ্ৰায়ে দেশৰ শৈক্ষিক আৰু বৌদ্ধিক জীৱনক এক বিকৃত কৰি সকলো ঐতিহ্য হেৰুৱাৰ উপক্ৰমত ভৰি থৈছে।

মুঠ কথাত ক'বলৈ হ'লে, নব্য উদাৰবাদী মুক্ত বজাৰ নীতিৰ গইনা লৈ দেশী-বিদেশী বৃহৎ পুঁজিৰ মালিক গোষ্ঠীয়ে আমাৰ শিক্ষা পদ্ধতিৰ জনকল্যাণকামী সৰ্বাঙ্গীন বিকাশ আৰু আমাৰ সমাজ-সংস্কৃতিৰ উৎকৰ্ষৰ বাবে মূৰ ঘমোৱা নাই, প্ৰয়োজনো নাই তেওঁলোকৰ লোকৰ দেশৰ বাবে বৰঞ্চ আমাৰ সমাজ-সংস্কৃতি, বৌদ্ধিক স্বাধীনতা, দেশৰ তথা আমাৰ ৰাজ্যখনৰ বিদ্যায়তনিক সুস্থ গৱেষণাৰ বাতাৱৰণ ধ্বংসৰ বিনিময়ত প্ৰচুৰ মুনাফা আদায়ৰ কথাটোতহে গুৰুত্ব দিব। আকৌ প্ৰতিযোগিতাৰ নামত আমাৰ দেশৰ বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানবোৰত ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তা-চেতনা তথা মানৱীয়তাৰ গুণৰাশিবোৰৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলাই আমাৰ থলুৱা সামাজিক পৰিৱেশ, শৈক্ষিক পৰিমণ্ডলক বিনষ্ট কৰিবলৈ গৈ আছে। পৰিৱেশে এনে ৰূপ লৈছে যে শিক্ষক আৰু শিক্ষাৰ্থীসকলেই আজি ৰাজনৈতিক আৰু সাম্প্ৰদায়িকভাৱে ক্ৰমাগত বিভক্ত হৈ পৰিছে। শিক্ষাৰ্থীৰ মাজত সৃষ্টিশীলতা, অধ্যয়নশীলতাৰ সলনি সহজলভ্য ধনেৰে বিলাসী জীৱন কটোৱাৰ মনোভাব গা কৰি উঠিছে। বহুতৰে অকালতে নেতা হোৱাৰ হাবিয়াস জন্মিছে, বৃহৎ সংখ্যক শিক্ষিত যুৱক যৌন অপৰাধ আৰু

ড্ৰাগছৰ বলি হৈছে, সৰু-ডাঙৰ সকলো অপৰাধত লিপ্ত হৈছে, ছাত্ৰাবাসবিলাকত মাদক দ্ৰব্য প্ৰবেশ ঘটিছে আদি অনেক অসামাজিক কামত লিপ্ত হৈছে।

শিক্ষা বিভাগৰ আসোঁৱাহসমূহ দূৰ কৰিবলৈ চলোৱা অধ্যয়ন, গৱেষণা, আয়োগ আদিতো বৃহত্তৰ সমাজৰ প্ৰেক্ষাপটৰ কথাটো আলোচনা কৰা নহয় বাবে প্ৰায় সেইবোৰ বিদ্যায়তনিক হৈ থাকে তথা বহুবিলাক কথা, সমস্যা উহ্য থাকে। উদাহৰণ স্বৰূপে ক'ব পাৰি ২০০৮ চনৰ ফেব্ৰুৱাৰী মাহত মানৱ সম্পদ দপ্তৰৰ মন্ত্ৰী অৰ্জুন সিঙে প্ৰসিদ্ধ বিজ্ঞানী তথা শিক্ষাবিদ অধ্যাপক যশপালৰ নেতৃত্বত বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC), সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা আয়োগ তথা উচ্চ শিক্ষাৰ পৰিচালনাৰ স'তে জড়িত আন বিভিন্ন প্ৰতিষ্ঠানৰ কাম-কাজ পুনৰীক্ষণৰ ভিত্তিত উচ্চ শিক্ষা পৰিচালনা সম্পৰ্কে পৰামৰ্শ আগবঢ়াবৰ বাবে এখন কমিটি গঠন কৰি দিছিল। এই কমিটিখনত মুঠ সদস্য-সদস্যাৰ সংখ্যা আছিল ২২ জন। তাৰ ভিতৰত কেইবাগৰাকী কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য বা প্ৰাক্তন উপাচাৰ্যক আদি কৰি IIT আৰু IIM ৰ তিনিগৰাকী সৰ্বোচ্চ পদাধিকাৰী আদি। উল্লেখযোগ্য কথা হ'ল কমিটিখনত এগৰাকী মাত্ৰ মহিলা সদস্যা, ভাৰতবৰ্ষৰ ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ এজন মাত্ৰ উপাচাৰ্য আৰু উত্তৰ-পূৱ ভাৰতৰ ছিকিমকে ধৰি মুঠ ৮ খন ৰাজ্যৰ কোনো শিক্ষাবিদ/ বিষয়া/ প্ৰতিনিধিয়ে এই কমিটিত স্থান পোৱা নাই। কথাটো সৰু হ'লেও, ৰাষ্ট্ৰীয় পৰ্যায়ত সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত উত্তৰ-পূৱ ভাৰতৰ প্ৰতিনিধিত্ব নথকাৰ বাবে শিক্ষাৰ সমস্যাৰ গুৰুত্বপূৰ্ণ দিশবিলাক স্বাভাৱিকতে আওকাণ হৈছে তথা এই উচ্চ স্তৰীয় কমিটিখনে সৰ্বভাৰতীয় চৰিত্ৰ প্ৰতিফলিত কৰা নাই।

যি কি নহওক শিক্ষাক বিশ্বমুখী কৰাৰ ব্যৱস্থাৰে মহাবিদ্যালয়, বিশ্ববিদ্যালয়বোৰে পৰম্পৰাগত শিক্ষাৰ পৰিধি আঁতৰাই যুগৰ লগত খোজ মিলাই, প্ৰযুক্তিৰ অগ্ৰাধিকাৰৰ জৰিয়তে আৱিৰ্ভূত উদ্যোগ, বাণিজ্য-বিজ্ঞান-কলাৰ ন ন দিশৰ নিয়োগ আৰু স্বনিয়োজনৰ প্ৰচুৰ সম্ভাৱনা থকা ক্ষেত্ৰৰ বাবে উপযোগী মানৱ সম্পদ গঢ় দিব লাগিব। এই ক্ষেত্ৰত চৰকাৰে এনে শিক্ষা প্ৰতিষ্ঠান সৃষ্টি কৰিব লাগিব কিয়নো ভাৰত চৰকাৰৰ ঘোষিত নীতি সাৰ্বিক উন্নয়নৰ পটভূমিতে ৮০ শতাংশ দুখীয়া ছাত্ৰ-ছাত্ৰী বিনামূলীয় কৰ্মসংস্থানৰ উপযোগী শিক্ষা পোৱাৰ সুযোগ চৰকাৰেই সৃষ্টি কৰিব লাগিব, অন্যথাই চৰকাৰৰ ঘোষিত নীতি সফল হ'ব নোৱাৰিব।

শিক্ষাক পৰম্পৰাগত মেৰপাকৰ পৰা উলিয়াই যুগ সাপেক্ষে প্ৰচুৰ বিকাশ ঘটোৱা আৱিৰ্ভূত উদ্যোগ, বাণিজ্যৰ নতুন দিশবো চাই স্বনিয়োজিত প্ৰচুৰ সম্ভাৱনা থকা ক্ষেত্ৰবিলাক চকু দি উপযোগী কৰি গঢ়িব লাগিব দেশৰ শিক্ষিত যুৱক-যুৱতীক। উচ্চ শিক্ষা পাঠ্যক্ৰমৰ পৰিৱৰ্তন আনি স্ব-নিয়োজনৰ বাবে উপযোগী উদ্যোগ মানৱ সম্পদ গঢ়াৰ পথ উলিয়াব লাগিব। নতুন বিষয়ৰ পাঠ্যক্ৰ প্ৰস্তুত কৰাৰ সমান্তৰালকৈ শিক্ষকৰ উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব। উচ্চ শিক্ষাক এটা অভিযান হিচাপে আগবঢ়া নিবলৈ চৰকাৰে আন্তৰিকভাৱে শিক্ষাৰ শিতানত অধিক ধ বিনিয়োগ ক্ষিপ্ৰতাৰে কৰিব লাগিব। তেতিয়াহে দেশৰ সকলে যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থান উপযোগী (Employmen Eduction)ৰ শিক্ষা ব্যৱস্থা কৰা সম্ভৱ হ'ব। উচ্চ শিক্ষাৰ ক্ষেত্ৰ আমূল পৰিৱৰ্তন অবিহনে আমাৰ উচ্চ শিক্ষা বিশ্ব বাণিজ্য সংস্থা চুক্তিৰ জৰিয়তে বিশ্বজুৰি আৰম্ভ হোৱা প্ৰতিযোগিতাত বিফ হ'ব— তাৰ ফল ভোগ কৰিব লাগিব আমাৰ দেশৰ উঠি অ নতুন প্ৰজন্মই, ভৱিষ্যৎ বংশধৰসকলে।

শিক্ষাৰ এই জটিল সন্ধিক্ষণত এনে কিছু লোক আছে সকল নিষ্ঠাবান, পৰিশ্ৰমী আৰু নিজৰ শিক্ষাৰ আদৰ্শক মৰ্যাদা দি লোক। যদিও তেওঁলোক অসহায়, বিবেকৰ দংশনৰ অনুভৱবো নিজৰ ভিতৰতে সীমাবদ্ধ কৰিছে তথাপি আশাৰে বাট চাই আ হয়তো এদিন সেই বিবেকবানসকলৰ প্ৰেৰণাৰে উদ্বুদ্ধ হৈয়ে শোষিত-নিৰ্যাতিত লোকসকলৰ বৃহৎ অংশই সমাজ ব্যৱস্থাটো শিক্ষা ব্যৱস্থাটো হৃদয়ঙ্গম কৰিব আৰু তেওঁলোকৰ সবল প্ৰতিবা সমাজ আৰু শিক্ষা জগতখনৰেই ক্লেদবোৰ উটুৱাই নিয়াটোৱেই হ বিকাশৰ বাবে বাস্তৱ সত্য।

❑❑❑





# বিহুগীতত নাৰীদেহৰ অংগশোভা

**জোনাৰাম নাথ**
অধ্যাপক, অসমীয়া বিভাগ

অসমৰ ঐতিহ্য তথা সংস্কৃতি ৰক্ষা কৰাত অসমীয়া নাৰীয়ে এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। নাৰীক কেন্দ্ৰ কৰি যেনেকৈ এখন ঘৰৰ চকৰি ঘূৰে, ঠিক সেইদৰে নাৰীক কেন্দ্ৰ কৰিয়েই ঘূৰে এখন সমাজ। কাতি, মাঘ আৰু ব'হাগ তিনিওটা বিহুতে নাৰীয়ে পিঠা-পনা খুন্দা, কাতি বিহুৰ দিনা পথাৰৰ গেৰেলি মেলা ধান চাই পথাৰৰ লখিমীক অভিবাদন জনোৱা, ঘৰ-বাৰী, তুলসীতলত চাকি-বন্তি জ্বলোৱা, ব'হাগ বিহুৰ দিনা আত্মীয়-স্বজনক বিহুৱান যচা, ঘৰৰ মূল মানুহ বা সন্মানীয়জনক বটাত আগ-গুৰি কটা তামোল-পাণেৰে সেৱা জনোৱা, পৰম আত্মীয়তাৰে জা-জলপান খুওৱা, এশ এটা বনৰীয়া শাকৰ আগ বুটলি, খাৰ-টেঙা আঞ্জাৰে ভাতমুঠি ৰান্ধি-বাঢ়ি পৰম তৃপ্তিৰে খুওৱা ইত্যাদি— এই সমূহ লোকাচাৰ পালন কৰি নাৰীয়েহে একতাৰ সুত্ৰেৰে বান্ধি ৰাখিছে একোটা পৰিয়ালক, এখন গাঁৱক, এখন সমাজক। সেয়েহে নদীৰ পানীত আকাশৰ জোন, তৰা, নক্ষত্ৰ আদি প্ৰতিফলিত হোৱাৰ দৰে বিহুগীতৰ নিজৰাত জিল্‌মিলাই থাকে অসমীয়া নাৰীৰ সৌন্দৰ্য জ্ঞান, কলা-কুশলতা। তদুপৰি মনোজগতৰ লগতে নাৰীদেহৰ মনোমোহা দৈহিক গঠন, সাজ-পাৰ, আ-অলংকাৰ, প্ৰসাধন সামগ্ৰীৰ ব্যৱহাৰ বিহুগীতৰ জোনাকত ফৰিংফুটা হৈ জিলিকি আছে।

## বিহুগীতত নাৰীদেহৰ দৈহিক গঠন শোভা

প্ৰাকৃতিক পৰিৱেশে মানুহৰ দৈহিক গঠন প্ৰক্ৰিয়াত বিশেষভাৱে সহায় কৰে। সেইফালৰ পৰা অসমৰ জলবায়ুৰ প্ৰভাৱ অনস্বীকাৰ্য। প্ৰাকৃতিক পৰিৱেশত ঠন ধৰি উঠা নাৰীৰ দৈহিক গঠন তথা ৰূপৰ বৰ্ণনা প্ৰকাশ পাইছে বিহুগীতত এনেদৰে—

'হাতৰে আঙুলি পবালি পবালি
ভৰিৰে আঙুলি ঘন।'

**কঁকাল আৰু চকুযুৰিৰ বৰ্ণনা ঃ**

'বিহুৰে তলিতে তোমাক বাছি ল'লোঁ
কঁকাল খামুচীয়া চাই।'
'তোমাৰ চকুযুৰি হৰিণাৰ চকু যেন
বুকুতো পদুমৰ চকা।'

**চুলি তথা গালৰ বৰ্ণনা ঃ**

'তোমাৰ মুখখনি মালি মাছৰ নিচিনা
ৰামি মাছৰ নিচিনা চুলি।'

**বুকুৰ গঠন ঃ**

'দেখিবলৈ শুৱনি তোমাৰ বুকুখনি
কুমলীয়া তামোলৰ থোক।'

**হাতৰ গঠন ঃ**

'তোমাৰ হাত দুখনি পদুমৰ ঠাৰি যেন
ৰেচমৰ কাপোৰে ঢকা।'

**চেলাউৰি, দাঁতৰ গঠন ঃ**

'লাহৰী শুৱনি চকুৰ চেলাউৰি
জামুকী বোলোৱা দাঁত।'

**নাকৰ গঠন ঃ**

'কিনো হাত দুখনি কিনো ভৰি দুখনি
তিল ফুল যেন নাক।'

## সাজ-সজ্জাৰ সৌন্দৰ্য প্ৰকাশ ঃ

বিহুগীতবোৰত প্ৰকাশ পোৱা নাচনী গাভৰুৰ সাজ-সজ্জাত চহা কবিৰ কল্পনা শক্তিৰ সুন্দৰ প্ৰতিফলন আৰু কাব্যিক প্ৰতিভাৰ অত্যুজ্জ্বল নিদৰ্শন জিলিকি আছে। সততে বিহু নাচনীয়ে পৰিধান কৰা সাজ-পাৰ— শেল দিয়া ফুলাম মুগা ৰিহা-মেখেলা, হাঁচতি, কিলাকুটিৰ ওচৰলৈকে নমা ব্লাউজ আদিৰ উদাহৰণ বিহুগীতত প্ৰকাশ পাইছে এনেদেৰে—

'নাচনীৰ মূৰৰে গুটি ফুলৰ গামোচা
যেনে ম'ৰা চৰাইৰ নেজ।'
'এপৰীয়া সেন্দূৰৰ যোৰ ফোঁট মাৰিলি
মুগা ৰিহা মেৰালি গাত।'

'আইদেউৰ হাঁচতি বাবৰি ফুলীয়া
ডিবুৰু বজাৰৰ সূতা।'
'আমাৰে মইনাই ৰবণটি সলালে
ল'লে ৰঙা ৰিহা গাত।'
'নাচনীৰ চোলাটি জৰী সাতে গছি
পখিলা উবাদি উৰে।'

## আ-অলংকাৰ পৰিধান

চহা কবিসকল কল্পনা প্ৰৱণ। নাচনীয়ে বিহু নাচ নাচিবলৈ যাওঁতে কিদৰে সাজি-কাচি অলংকাৰ পৰিধান কৰি ওলাইছিল সেই সেই বৰ্ণনা উত্থাপন কৰা প্ৰসংগতো কবিসকলৰ কল্পনা শক্তিৰ চৰম বিকাশ ঘটিছে গীতবোৰত। নাচনীয়ে সাজ-পাৰ কৰাৰ আৰম্ভণিতেই মূৰৰ চুলি চুচিবলৈ হাতত তুলি লয় হাতী দাঁতৰ ফণি। ফুটি মণি, গেজেৰা, ঢোলবিৰী, জোনবিৰী, মাছৰ চকু যেন বিৰী ডিঙিত পিন্ধা; দুই কাণত সুৱৰ্ণ কণ্ডল, জাংফাই; আঙুলিবোৰত বত্নৰ বহুমূলীয়া আঙঠি পিন্ধা; হাতত অতি হৰ্ষ মনেৰে গামখাৰু পিন্ধা, বলয়া পিন্ধা; কঁকালত ৰঙা ৰিহা মেৰাই পৰিধান কৰাৰ ক্ষেত্ৰত সন্নিবিষ্ট বৰ্ণনাই চহা কবি প্ৰতিভাৰ প্ৰতিফলন ঘটাইছে বুলি নিশ্চিতভাৱে ক'ব পাৰি। এই অলংকাসমূহেৰে সাজি-কাচি অপৰূপ হৈ নাচনীজনী কেনেকৈ ওলাইছিল তাৰ বিৱৰণ তলত উল্লেখ কৰা বিহুগীত কেইফাকিয়ে দিয়ে—

'লুইতৰ পাৰৰে বৰ্হমথুৰি আনিবা
হাতী দাঁতৰ আনিবা ফণি।'
'ডিঙিত নধৰিবি ফুটি মণি ছিগিব
বুকুতে সাৰটি ধৰ।'
'মাছৰ চকু যেন বিৰী গঢ়াই দিলোঁ
একেৰি নেদেখো গলত।'
'হাতৰে লাহৰে খাৰুযোৰ পিন্ধিলা
ভৰিৰে লাহৰে পাৰি।'
'হাতৰে শুৱনি হাতৰ গামখাৰু
কঁকালৰ শুৱনি ৰিহা।'
'আলিটি কেঁকুৰি চেনাই যায় চেঁকুৰি
কাণতে থুৰিয়া লৰে।'
'ডিঙিতে গেজেৰা মুখখনি চকলা
কাণতে এতোলা সোণ।'
'জাংফাই কেৰুযোৰ পনিয়লী বাখৰবোৰ
কাণত জিক্‌মিক্ কৰে।'

## প্ৰসাধন আৰু সাজোন-কাচোনৰ উল্লেখ

বিহুতলীৰ নাচনীৰ নিভাঁজ অসমীয়া প্ৰসাধন সামগ্ৰী আৰু পৰিপাটি সাজোন-কাচোনে কাৰ বাৰু মন বিমোহিত নকৰে? হাতীদাঁতৰ কাকৈ, ফণিৰে কেশ বিন্যাস কৰাৰ পিছত বিহুতলিৰ নাচনীলৈ মন কৰিলে দেখা যায়— হাতত জেতুকাৰ বোল; মূৰত নেঘেৰী, কলডিলীয়া, উধনীয়া খোপাত কপৌ, তগৰ, নাহৰ ফুল গুঁজি লোৱা; মাজমূৰত সেওঁতা, কঁপালত তিৰবিৰ কৰা সেন্দূৰৰ ফোঁট; গাত গোন্ধ তেল; ওঁঠত বৰ্হমথুৰি ৰং বোলোৱা; ডিঙিৰ ঢোলবিৰী, জোনবিৰী; কঁকালত হাঁচতি পিন্ধি সুশোভিতা হোৱাৰ কথা—

'হাততো জেতুকা ভৰিতো জেতুকা
কোনে দিলে জেতুকা বটি।'
'ধন মোৰ অহা নাই গোন্ধ তেল অনা নাই
আমনি লাগিছে থাকি।'
'এপুৰীয়া সেন্দূৰৰ যোৰ ফোঁট মাৰিলি
মুগা-ৰিহা মেৰালি গাত।।'
'গলধনত পেলাই খোপাটি বান্ধিলা
এহাত এমুঠন কৰি।'
'মূৰৰে শুৱনি মূৰৰে সেওঁতা
গলধনৰ শুৱনি খোপা।'
'নেঘেৰী খোপাত কপৌ ফুল এপাহি
সোণত সুৱগা চৰে।'
'হাত মেলি হালধি ঘঁহিলি মালতী
ভৰি মেলি ঘঁহিলি তেল।
'ঢোলবিৰী জোনবিৰী পিন্ধি তই আহিলি
বিহু মাৰোঁগৈ বুলি।
'কঁকালত হাঁচতি ডবুৰা কটাৰী
ওঁঠত বৰ্হমথুৰি ৰং।'
'কলডিলীয়া খোপাত পিন্ধি তই লাহৰী
তগৰে নাহৰে ফুল।'

এনেদৰে অতীজৰে পৰা অসমীয়া জনজীৱনৰ মুখে মুখে চলি অহা বিহুগীতবোৰত নাৰীদেহৰ গঠন, আ-অলংকাৰ, সাজ সজ্জা, প্ৰসাধন সামগ্ৰীৰ ব্যৱহাৰৰ অনুপম চিত্ৰই অসমৰ জাতীয় মৰ্যাদা তথা সম্ভ্ৰান্ত পৰিয়ালৰ স্বচ্ছল অৱস্থাৰ চিত্ৰ এখনি দাঙি ধৰে।





# মাধৱদেৱৰ ভটিমা ঃ এটি অৱলোকন

পদুম ৰাজখোৱা
অধ্যাপক, অসমীয়া বিভাগ
কলংপাৰ বিদ্যাপীঠ

ভটিমা হৈছে শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা এক বিশেষ শ্ৰেণীৰ গীত। ভটিমা শব্দৰ অৰ্থ হ'ল 'স্তুতি বা প্ৰশস্তি'। গতিকে ভটিমা হৈছে এক প্ৰকাৰ স্তুতি বা প্ৰশস্তিমূলক গীত। ভটিমাসমূহত স্তুতি বা প্ৰশস্তি কৰা হৈছে বৈষ্ণৱৰ উপাস্য দেৱ বিষ্ণু বা কৃষ্ণ বা ৰাম, পৃষ্ঠপোষক ৰজা (মল্ল নৃপতি) আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ। দেৱ ভটিমাত বৈষ্ণৱৰ উপাস্য দেৱ বিষ্ণু বা কৃষ্ণ স্তুতি-প্ৰশস্তি কৰা হৈছে। নাটকীয় ভটিমাতো কৃষ্ণ বা ৰামৰ প্ৰশস্তি আছে। ৰাজ ভটিমাত পৃষ্ঠপোষক ৰজাৰ প্ৰশস্তি আৰু গুৰু ভটিমাত শ্ৰীমন্ত শংকৰদেৱৰ প্ৰশস্তি কৰা হৈছে। বিষয়বস্তুৰ এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি ক'ব পাৰি ভটিমা হৈছে— বিষ্ণু, ৰজা আৰু গুৰুৰ স্তুতিমূলক বৈষ্ণৱ গীত বিশেষ।

ভটিমা হ'ল 'ভাট'ৰ গীত। আগৰ দিনত ভাট নামে এক শ্ৰেণীৰ গায়কে প্ৰশস্তিমূলক গীত গাই ফুৰিছিল। কালক্ৰমত ভাটে গোৱা গীতৰ অনুকৰণতে বৈষ্ণৱ গুৰু দুজনাই ৰচনা কৰা স্তুতি বা প্ৰশস্তিমূলক গীতে 'ভটিমা' নাম পালে। শ্ৰীমন্ত শংকৰদেৱে তীৰ্থ যাত্ৰাৰ কালত বিদেশী ভাট লগ পোৱা আৰু সেই ভাটৰ মুখৰ গীত শুনি প্ৰিয় শিষ্য মাধৱদেৱক তেনে গীত গাবলৈ উৎসাহিত কৰাৰ কথা চৰিত পুথিত পোৱা যায়। 'গুৰুচৰিত কথা'ত আছে—

'তাতে বৃন্দাবনৰ যাত্ৰী সুশৰ্ম্মা ঃ প্ৰাতচ কালে ৰাধাকৃষ্ণৰ বৰ্ণন আৱতি তত্ত গাইচে ভট ভট কৰে। মহাপুৰুষ গুৰু সুনি বোলে ববাপো লোকৰ ভাটে দেখো ভটভটাইছে। আমাৰ ভাটেনো কি কৰা জাই ঃ মূল ৰাখিব পাইলে সজ। পাছে শ্ৰীমাধৱদেৱ পুৰুষে গুৰু বাক্য শিৰে ধৰি ঃ প্ৰাতচ সমএ ভটিমা টৌটয় কৰিছে।'[1]

এই ভটিমা প্ৰসঙ্গত বৰদোৱা গুৰু চৰিতৰ বৰ্ণনা অৱশ্যে কিছু সুকীয়া। চৰিত পুথিখনৰ মতে— শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে তাঁতিকুছিৰ পৰা পাটবাউসীলৈ যোৱাৰ বাটত এজন ব্ৰাহ্মণ ভাটক লগ পালে। ব্ৰাহ্মণ ভাটৰ মুখত গীত শুনি শংকৰ গুৰুৱে মাধৱদেৱক ক'লে, 'বঢ়াৰ পো, আমাৰো গাব নোৱাৰিবনে?'[1] তেতিয়া মাধৱদেৱে এই ভটিমাটি ৰচনা কৰে।

ভটিমাটিৰ সৈতে যুক্ত বৰ্ণনাখিনিত ভিন্নতা আছে। কিন্তু এটা কথা উভয় বৰ্ণনাতে স্পষ্ট যে গুৰুজনাই ভাটৰ মুখে গীত শুনিয়েই মাধৱদেৱক ভটিমা সৃষ্টি কৰিবলৈ প্ৰত্যক্ষ অনুপ্ৰেৰণা যোগাইছিল।

শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাত ভটিমাৰ সংখ্যা বহুত। দেৱ ভটিমা, নাটকীয় ভটিমা আৰু ৰাজ ভটিমা—

এই তিনি শ্ৰেণীৰ ভালেখিনি ভটিমা মহাপুৰুষজনাই ৰচনা কৰি গৈছে। কিন্তু মাধৱদেৱে বেছি সংখ্যক ভটিমা ৰচনা কৰা নাছিল। মাধৱদেৱ বিৰচিত মাত্ৰ নটা ভটিমা পোৱা যায়। সেইবোৰ হৈছে—

**গুৰু ভটিমা** ঃ ১) জয় গুৰু শংকৰ সৰ্ব গুণাকৰ...
**নাটকীয় ভটিমা** ঃ ১) প্ৰাতস সময়ে যশোৱা জননী...
**দেৱ ভটিমা** ঃ ১) জয় জয় জগ জীৱন যাদৱ...
২) জয় জয় জীৱ সনাতন শিৱ...
৩) জয় জয় কৃষ্ণ কৰহু বহু সেৱ...
৪) জয় জয় জগত জনক যদুনন্দন বন্দন...

৫) জয় জয় জগত জীৱন...

৬) জয় জয় জীৱ সনাতন দেৱ...

৭) জয় জয় কৃষ্ণদেৱ আদি মূল...

উল্লেখযোগ্য যে মাধৱদেৱৰ দ্বাৰা ৰচিত কোনো ৰাজ ভটিমা পোৱা নাযায়।

**গুৰু ভটিমা ঃ** গুৰু ভটিমা হ'ল গুৰুৰ প্ৰশস্তিসূচক গীত। মাধৱদেৱৰ একমাত্ৰ গুৰু আছিল শ্ৰীমন্ত শঙ্কৰদেৱ; যিজনা মাধৱদেৱৰ দৃষ্টিত ঈশ স্বৰূপ। গুৰুৰ প্ৰতি ভক্ত কবিজনাৰ অচলা ভক্তি গুৰু ভটিমাত মূৰ্ত হৈ উঠিছে। মাধৱদেৱে এটি মাত্ৰ গুৰু ভটিমা ৰচনা কৰিছে। কিন্তু মাধৱদেৱৰ ভটিমাসমূহৰ ভিতৰত ইয়েই সবাতোকৈ উত্তম আৰু সমাদৃত। ভটিমাটি যেন অসমৰ প্ৰতিগৰাকী মহাপুৰুষীয়া বৈষ্ণৱৰে কণ্ঠস্থ—

জয় গুৰু শঙ্কৰ সৰ্বগুণাকৰ
যাকেৰি নাহিকে উপাম।
তাহেৰি চৰণক ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম।।[৫]

মাধৱদেৱৰ গুৰু ভটিমাটি ভাব-ভাষাৰ সুন্দৰ প্ৰয়োগেৰে এটি শ্ৰেষ্ঠ ৰচনা। ভক্ত শিষ্য মাধৱদেৱে এই ভটিমাটিত অংকন কৰিছে গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ কায়িক সৌন্দৰ্য আৰু মানসিক সম্পদৰ এখনি সাৰ্থক চিত্ৰ। মাধৱদেৱৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱেই আছিল একমাত্ৰ গুৰু, যি ভগৱানৰ সমানেই ভজনীয়। উপাস্য দেৱ কৃষ্ণৰ ৰূপ বৰ্ণনা কৰাৰ ভক্তি আৰু অনুৰাগপূৰ্ণ একেটা ৰীতিৰেই তেওঁ শ্ৰীমন্ত শঙ্কৰ গুৰুৰ ৰূপ বৰ্ণনা কৰি কৈছে—

দৰশিতে সুন্দৰ গৌৰ কলেৱৰ
যৌচন সুৰ পৰকাশ।
সকল সভাসদ ৰঞ্জন যাকেৰি
দৰশনে পাপ বিনাশ।।
বিনে অঙ্গ ভূষণ পেখি সুশোভন
গহন গম্ভীৰ ধীৰ মতি।
আয়ত কমল নয়ন বৰ সুন্দৰ
বয়ন চান্দকহো জ্যোতি।।

মাধৱদেৱে এই ভটিমাটিত শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশাল প্ৰতিভা, পাণ্ডিত্য, যশ আৰু গৌৰৱৰ কথা মুকলি আৰু কৃতজ্ঞ চিত্তে প্ৰকাশ কৰিছে। মাধৱদেৱৰ দৃষ্টিত— তেওঁৰ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ সাধাৰণ মনুষ্য নহয়; বৈষ্ণৱৰ আৰাধ্য দেৱ ৰাম বা বিষ্ণুৰহে অংশ। ভটিমাটিত কোৱা হৈছে—

ত্ৰিভুৱন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংস।
জগজন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ।।

দৈৱকী নন্দন কৃষ্ণৰ অংশ স্বৰূপ গুৰু শঙ্কৰে নৰতনু ধাৰ কৰিছে পাপ নিমজ্জিত ধৰাত হৰিভক্তি প্ৰচাৰৰ অৰ্থে—

মায়া নৰতনু ধৰি হৰি ভকতি
কয়লি বহু পৰচাৰ
সব নৰ পাপ পয়োধি মজ্জল
তাহে কয়লি উদ্ধাৰ।

ভটিমাটিৰ পৰৱৰ্তী অংশবোৰ গুৰুজনাৰ গুণ-গৰিমাৰ মুক প্ৰকাশেৰে পূৰ্ণ—

কি কহব শঙ্কৰ দেৱৰ মহিমা
জানি অন্ত নপাই।
যাকেৰি চৰণক ৰেণু শিৰে পৰশি
মুকুতি সুখ সুখে পাই।।

ভটিমাটিত গুৰুজনাৰ ভক্তৰ প্ৰতি থকা পুত্ৰৱৎ স্নেহৰ কথা আছে—

ভকতক ভকতি দানে কৰ গুৰু
দায়া তনয় অধিক।

নিঃসন্দেহে এই গুৰু ভটিমাটি অসমৰ মহাপুৰুষীয়া বৈষ্ণ সমাজৰ অমূল্য সম্পদ। উল্লেখযোগ্য যে শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বা ৰচিত কোনো গুৰু ভটিমা পোৱা নাযায়।

**নাটকীয় ভটিমা ঃ** অসমৰ নাট্য জগতলৈ শ্ৰীম শঙ্কৰদেৱৰ যি অভিনৱ অৱদান— অঙ্কীয়া নাট, তাৰ আৰম্ভণি মাজত আৰু সামৰণিত তিনিধৰণৰ ভটিমা পোৱা যায়। এই ভটি শ্ৰেণীয়েই হ'ল নাটকীয় ভটিমা। নাটৰ ভটিমা বাবেই ইয়াৰ নাম হ' নাটকীয় ভটিমা। নাটৰ আৰম্ভণি আৰু সামৰণিৰ মুক্তিমঙ্গ ভটিমাত দেৱ ভটিমাৰ দৰেই উপাস্য দেৱতাৰ গুণ-যশ কীৰ্তন ক হয়। নাটৰ মাজৰ ভটিমাত নায়ক-নায়িকাৰ ৰূপ-গুণৰ বৰ্ণ ৰূপায়িত হয়।

শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতিখন নাটতে একাধিক ভটিমাৰ প্ৰয়ো দেখা যায়; কিন্তু মাধৱদেৱে কেৱল 'ভোজন বেহাৰ' ঝুমুৰাত আৰম্ভণিত এটি ভটিমা ব্যৱহাৰ কৰিছে। ভটিমাটিৰ বিষয়বস্তু 'উ





উঠ বাপু গোপালহে/নিশি পৰভাত ভেল', 'তেজৰে কমলাপতি পৰভাতে নিন্দ' আদি বৰগীতৰ অনুৰূপ। সেই কাৰণেই ভটিমাটিক 'প্ৰাতঃ ভটিমা' বা 'পুৱাৰ ভটিমা' আখ্যা দিয়া হৈছে। ৰাতিপুৱা জননী যশোদাই টোপনি গৈ থকা তেওঁৰ নয়নৰ মণি কৃষ্ণক মুখত চুম্বন দি টোপনিৰ পৰা জগোৱাইছে আৰু ৰুটি-মাখন, শিঙা-বেণু লৈ বৃন্দাবনলৈ গৈ যমুনাৰ পাৰত গৰু চৰাবলৈ যাবলৈ কৈছে—

প্ৰাতস সময়ে যশোৱা জননী
মুখচুম্বিত শ্যাম জগাৱনকো
উঠ মেৰে লাল মদন গোপাল
আৰে তেৰে গোৱাল বলাৱনকো।

শয্যা ত্যাগ কৰি নন্দকুমাৰ কৃষ্ণই গো-চাৰণৰ কাৰণে বৃন্দাবনলৈ যাত্ৰা কৰিছে আৰু দাম-সুদাম আদি লগৰীয়াসকলৰ সৈতে আনন্দ মনে ক্ৰীড়া কৰিছে—

ছোড়ি ভুৱন চলহু নন্দ নন্দন
গোধন চাৰণ কাৰণ ৰে।
দাম সুদাম সখা সব মিলত
আনন্দে গোৱিন্দ খেৰি খেলাৱত ৰে।।

এই ভটিমাটিৰ বিষয়ে কিছু কথা ইতিমধ্যে উল্লেখ কৰা হৈছে।

**দেৱ ভটিমা ঃ** বিষ্ণু বা কৃষ্ণ হ'ল একশৰণ নাম-ধৰ্মৰ একমাত্ৰ উপাস্য দেৱ। তেওঁ কৃপালু, কৰুণাসিন্ধু, ভকতৰ বশ্য। তেওঁ ভক্তৰ মনোবাঞ্ছা পূৰণ কৰে, সংসাৰ সাগৰ পাৰ কৰায় আৰু মুক্তি প্ৰদান কৰে। এইজন বিষ্ণু বা তেওঁৰ অৱতাৰী ৰূপৰ স্তুতিবাচক ভটিমাক দেৱ ভটিমা বোলে।

মাধৱদেৱে সাতটা দেৱ ভটিমা ৰচনা কৰিছে, য'ত গৰখীয়া শিশুৰূপী ভগৱান কৃষ্ণৰ স্তুতিয়েই বিশেষ প্ৰাধান্য পাইছে। মাধৱদেৱে যদুনন্দন কৃষ্ণৰ জয়গান কৰি তেওঁৰ চৰণত প্ৰণিপাত জনাইছে—

জয় জয় জগ জীৱন যাদৱ
কৃষ্ণদেৱক দেৱ
কমল সম্ভৱ কৰত যাকৰ
চৰণ ৰজ নিত সেৱ।

তাৰ পিছতে কৃষ্ণৰ লীলা-মাহাত্ম্য ৰূপায়ণ কৰা হৈছে— পুতনাক যিজনে মোক্ষদান কৰিলে, সেইজন দয়াশীল কৃষ্ণই চক্ৰবাত, অঘ, বক আদি অসুৰক বিনাশ কৰিলে। কালীসৰ্পৰ দৰ্প চূৰ্ণ কৰিলে। বনাগ্নি পান কৰিলে। গোবৰ্ধন পৰ্বত ধাৰণ কৰি গোকুলবাসীক ইন্দ্ৰৰ কোপৰ পৰা ৰক্ষা কৰিলে। শৰতৰ পূৰ্ণিমা নিশা গোপিনীসকলৰ মনোৰথ পূৰণ কৰি ক্ৰীড়া কৰিলে। কেশী-কুবলয়, কংস আদি দুৰাচাৰীৰ প্ৰাণ নাশ কৰি ভূমিৰ ভাৰ হৰণ কৰিলে। কৌৰৱক বিনাশ কৰি পাণ্ডৱক পালন কৰিলে। সেইজন পৰমব্ৰহ্ম সনাতন কৃষ্ণৰ চৰণত প্ৰণাম জনাই মাধৱদেৱে কৈছে—

জয় জয় জীৱ সনাতন শিৱ
সুৰাসুৰ দেৱ কৰু সব সেৱ
তুহো বিনে কেৱ
নাহি আন দেৱ।।

গুৰুজনাই কৈছে—

প্ৰভুৰ গুণ-নাম অতি অনুপম, উপমাবিহীন। প্ৰভুৰ নাম যেন তেওঁৰ মুখত অবিৰাম থাকে—

তুৱা গুণ নাম।
অতি অনুপাম।
নাহিকে উপাম।
সোহি মুহে নাম।
ৰহু অবিৰাম।।

মাধৱদেৱে দেৱ ভটিমাত কৃষ্ণৰ অনুপম ৰূপ চিত্ৰিত কৰিছে—

কিৰীটি কেয়ূৰ উজোৰ
কংকণ বিজোৰ।
কনক ঝনক ৰতন মঞ্জীৰ।
ঝুৰাৱত উৰে হেমহাৰ।।

এনে ত্ৰিভুৱন মুগ্ধ কৰা সৌন্দৰ্যৰ গৰাকী, সৃষ্টি-স্থিতি-প্ৰলয়ৰ অধিকাৰী, নিৰ্গুণ, নিৰাকাৰ, মুৰাৰী বিৰিন্দা বিপিন বিহাৰী দৈৱকী নন্দন কৃষ্ণ বৈষ্ণৱসকলৰ আৰাধ্য দেৱ। মাধৱদেৱ তেওঁৰে দাস—

হামু তেৰি দাসকো দাস।
তোহাৰি গোসাঁই।
জনমে জনমে ওহি মনকাম।

আনকেইটা ভটিমাতো মাধৱদেৱে যদুনন্দন কৃষ্ণৰ অপৰূপ সৌন্দৰ্য, কৃপালু স্বভাৱ আৰু তেওঁৰ নামৰ মাহাত্ম্য প্ৰকাশ কৰিছে। সেই বৰ্ণনাবোৰত যদুনন্দনে দুৰাচাৰী বিভিন্ন দৈত্য-দানৱক বধ কৰি কিদৰে ভূমিৰ ভাৰ হৰণ কৰিলে, কিদৰে সন্তক পালন কৰিলে, তাৰ একো একোখন সুন্দৰ ছবি ৰূপায়িত হৈছে। মাধৱদেৱে

আটাইকেইটা দেৱ ভটিমাতে কৃষ্ণৰ একেখিনি লীলা-মাহাত্ম্যকে চিত্ৰিত কৰিছে, কিন্তু ভাষা আৰু ছন্দ বৈচিত্ৰ্যৰ কাৰণে প্ৰতিটো ভটিমাই অভিনৱ হৈ উজলি উঠিছে।

মহাপুৰুষীয়া ধৰ্মত কৃষ্ণ আৰু ৰাম অভিন্ন — সেই কথা ইয়াতো প্ৰকাশিত হৈছে। সেইকাৰণেই কোৱা হৈছে—

হৰিগুণ নাম ধৰম অনুপাম।
যাকেৰি থিৰ মন মুকুতিক কাম।।
কয় মন থিৰ জপহু ৰাম ৰাম।
মাধৱ কহ ডাকি বোলহ ৰাম।।

এটি দেৱ ভটিমাত বিষ্ণুৰ দশাৱতাৰ ৰূপায়িত হৈছে—

নৰহৰি মৎস্য কূৰুম হলীৰাম।
সীতাপতি বুদ্ধ বৰাহক নাম।।
কল্কী বামন ভৃগুপতি অৱতাৰ।
সো হৰি কৰত মুকুতি পৰচাৰ।।

বৰগীতৰ দৰেই মাধৱদেৱৰ ভটিমাসমূহৰ কাব্যিক সৌন্দৰ্য অতুলনীয়। এইবোৰৰ প্ৰধান আকৰ্ষণ হ'ল এহাতে গুৰু শঙ্কৰৰ ৰূপ-যশ আৰু আনহাতে যদুনন্দন কৃষ্ণৰ শিশুৰূপৰ মনোৰম চিত্ৰণ। মূলতঃ ধৰ্মীয় ভাবযুক্ত হ'লেও ভটিমাকেইটি কোনো কোনো ক্ষেত্ৰত কবিতাৰ দৰেই ৰসময়। অনুপ্ৰাসৰ ধ্বনি-প্ৰতিধ্বনি, আন্তৰিকতা, উপযুক্ত শব্দৰ প্ৰয়োগ আৰু অনুভূতিৰ প্ৰগাঢ়তাই ভটিমাকেইটিক সাৰ্থক ৰচনালৈ উন্নীত কৰিছে। ভটিমাসমূহৰ ভাষা বৰগীতৰ দৰেই ব্ৰজবুলি বা ব্ৰজাৱলী।

মাধৱদেৱৰ দ্বাৰা ৰচিত ভটিমাৰ সংখ্যা তাকৰ। কিন্তু যিদৰে জগতক প্ৰকাশ কৰিবৰ কাৰণে এটা মাত্ৰ সূৰ্যই যথেষ্ট, ঠিক সেইদৰে মহাপুৰুষজনাৰ কবি প্ৰতিভাক উজলাই তুলিবৰ কাৰণে তেওঁৰ গুৰু ভটিমাটিয়েই পৰ্যাপ্ত। গুৰু ভটিমাটি অসমৰ বৈষ্ণৱ সমাজৰ এনে আদৰৰ যে ই যেন নন্দন কাননৰ এপাহ পাৰিজাত পুষ্পহে।

**প্ৰসঙ্গ আৰু টোকা ঃ**

১। গুৰু চৰিত কথা ঃ চক্ৰপাণি বৈৰাগ্য, সম্পাদক— ড° মহেশ্বৰ নেওগ, দ্বিতীয় সংস্কৰণ, ১৯৮৬ খ্ৰীষ্টাব্দ ঃ অনুচ্ছেদ ৩০৩;
২। বৰদোৱা গুৰু চৰিত ঃ পুৰাৰাম মহন্ত, সম্পাদক— ড° মহেশ্বৰ নেওগ, ১৯৭৭ খ্ৰীষ্টাব্দ ঃ ১৬০ (অৱশ্যে মাধৱদেৱৰ নামৰ বিশেষণটো 'ৰবাৰ পো'হে শুদ্ধ)
৩। আলোচনাটিত উদ্ধৃত ভটিমাৰ অংশসমূহ 'ভট্টিমা আৰু গুণমালা', সংগ্ৰাহক ঃ হৰিনাৰায়ণ দত্ত বৰুৱা, দ্বিতীয় সংস্কৰণ, ১৯৮৫ খ্ৰীষ্টাব্দ, এই গ্ৰন্থখনৰ পৰা লোৱা হৈছে।

## তিনিৰ মহা মহিমা

**মেহেনাজ চুৰদাৰ**
*স্নাতক প্ৰথম বৰ্ষ*

- তিনিটা বস্তুৱে জীৱনত কাকো অপেক্ষা নকৰে **জন্ম, মৃত্যু আৰু সময়।**
- তিনিটা বস্তু জীৱনত এবাৰহে পোৱা যায়। **পিতৃ, মাতৃ আৰু যৌৱন।**
- তিনিটা বস্তু সদায় নিজৰ অধীনত ৰাখিব লাগে **কাম, ক্ৰোধ আৰু মোহ।**
- তিনিজন গুৰুক সদায় ভক্তি কৰি চলিব লাগে **আদিগুৰু, শিক্ষাগুৰু আৰু দীক্ষাগুৰু।**
- তিনিটা বস্তু সদায় স্মৰণ কৰি চলিব লাগে **ঈশ্বৰ, প্ৰেম আৰু মৃত্যু।**
- তিনিটা বস্তুৰ পৰা সদায় নিজকে ৰক্ষা কৰি চলিব লাগে **কুসঙ্গ, আত্মস্বাৰ্থ আৰু পৰনিন্দা।**
- তিনিজনৰ প্ৰতি সদায় দয়াশীল হ'ব লাগে **নাবালক, ভোকাতুৰ আৰু পাগল।**
- তিনিটা কথা কেতিয়াও পাহৰিব নালাগে **কৰ্তব্য, ঋণ আৰু আত্মসন্মান।**
- তিনিটা বস্তুৱে জীৱন নষ্ট কৰে **কুচৰিত্ৰ, আলস্য আৰু অহংকাৰ।**





# ডেল কাৰ্ণেগীৰ কিছুমান সূত্ৰ




**ৰূপশ্ৰী দেৱী**
**প্ৰৱক্তা, দৰ্শন বিভাগ**
*খাগৰিজান মহাবিদ্যালয়*

আমেৰিকাৰ এজন সফল ব্যৱসায়ী আৰু জনপ্ৰিয় লেখক ডেল কাৰ্ণেগীয়ে মানুহৰ জীৱনটো 'সফল' হিচাপে গঢ়ি তোলাৰ বহু সূত্ৰ নিজৰ আৰু আন বহুলোকৰ অভিজ্ঞতাৰ মিশ্ৰণেৰে উদ্ভাৱন কৰিছে আৰু এই বিষয়ত তেওঁৰ এখন শ্ৰেষ্ঠ পুথি হৈছে 'How to stop worrying and start living।' এই গ্ৰন্থখনত কাৰ্ণেগীয়ে দুঃশ্চিন্তা দূৰ কৰিবৰ বাবে উদ্ভাৱন কৰা কিছুমান সূত্ৰ তলত উল্লেখ কৰা হ'ল—

১) মানুহে বৰ্তমানৰ কথাহে ভাবিব লাগে। এতিয়া আপোনাৰ সন্মুখত কৰিবলগীয়া কাম কি আছে, সেই বিষয়েহে ভাবক আৰু সেই কাম সম্পূৰ্ণ পৰিপাটিকৈ কৰিবলৈ চেষ্টা কৰক। বৰ্তমানক এৰি ভৱিষ্যতৰ বাবে দুঃশ্চিন্তা কৰি একো লাভ নাই। আজিৰ কামখিনি ভালদৰে সম্পন্ন কৰিলেহে আপোনাৰ ভৱিষ্যৎ সুন্দৰ হ'ব।

২) আপোনাৰ অতীতত যি নহ'ল, সেয়া ভাবি অযথা চিন্তিত নহ'ব। অতীতত আপুনি যি হ'ব নোৱাৰিলে সেয়া ভাবি এতিয়া আৰু লাভ নাই। পৃথিৱীৰ সকলো ব্যক্তিয়ে সঁচাসঁচিকৈ বিচৰামতে নিজ লক্ষ্যত উপনীত হোৱাৰ সুযোগ নাপায়, এই কথা আপুনি জানি থওক। গতিকে আপোনাৰ যি নহ'ল তাৰ বাবে দুঃশ্চিন্তাগ্ৰস্ত নহৈ, আপোনাৰ সন্মুখত যি পথ খোলা আছে, তাৰ মাজেদিয়েই আগ বাঢ়ক। চেষ্টা আৰু আগ্ৰহ থাকিলে আপুনি যিকোনো কামতেই এক আদৰ্শ স্থানীয় জীৱন লাভ কৰিব পাৰিব।

৩) পুৱা শুই উঠি দিনটোত কৰিবলগীয়া কামখিনিৰ বিষয়েই ভাবিব লাগে। দিনটোত কৰিবলগীয়া কামখিনি যাতে সুচাৰুৰূপে সম্পন্ন হয়, তাৰ প্ৰতি লক্ষ্য ৰখা উচিত, কাৰণ আজিৰ কামখিনি ভালকৈ সম্পন্ন হ'লেহে কাইলৈৰ কামখিনি সুচাৰুৰূপে কৰিবলৈ

সুবিধা হ'ব। এইদৰেই আমি সপ্তাহটোৰ, মাহটোৰ, বছৰটোৰ... কামখিনি সম্পূৰ্ণ কৰিব পাৰিম।

৪) যিকোনো কাম কাইলৈ কৰিম, পৰহিলৈ কৰিম বুলি অযথা পিছুৱাই নথ'ব। কৰিবলগা কাম আজিয়েই আৰম্ভ কৰক। এই কথা মনত ৰাখিব লাগে— 'আজিৰ জীৱনেই সকলো। আজিৰ দিনটোতেই আছে জীৱনৰ পৰিপূৰ্ণতা। কাৰণ যোৱা কালিতো মাথোঁ অতীত আৰু অহাকালি মানেতো মাথোঁ কল্পনা; সেয়ে মাথোঁ আজিৰ দিনটোতেই আছে জীয়াই থকাৰ আনন্দ। আজি ভালদৰে জীয়াই থাকিলেহে কাইলৈৰ দিনটোত আশাৰোৰে পূৰ্ণতা পাব। সেইবাবে আজিৰ দিনটোকেই আনন্দেৰে নিজৰ প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিব লাগে।

৫) দুঃশ্চিন্তাই হৈছে মানুহৰ একমাত্ৰ আৰু প্ৰধান শত্ৰু। দুঃশ্চিন্তাই দেহৰ সৌন্দৰ্য নষ্ট কৰে, হৃদৰোগৰ সৃষ্টি কৰিব পাৰে, মানসিক অশান্তি আৰু অস্থিৰতাৰ কথাতো ক'বই নালাগে। সেয়ে সকলো সময়তে কিবা নহয় কিবা কামত ব্যস্ত থাকিব লাগে। কাৰণ সকলোবোৰ দুঃশ্চিন্তা দূৰ কৰাৰ মহৌষধ হ'ল কাম। কামত ব্যস্ত থাকিলে মানুহক কোনো ধৰণৰ দুঃশ্চিন্তাই গ্ৰাস কৰিব নোৱাৰে।

৬) সৰু-সুৰা কথাত জেদ কৰি লাগি নথকাই ভাল, জেদ ভাবে মনত হিংসাৰ ভাব জগাই তোলে আৰু হিংসাই মন, মগজু সকলোকে বিষাক্ত কৰি তুলিলে মানুহে কোনো কামতেই সফল হ'ব নোৱাৰে।

৭) যিটো অৱশ্যম্ভাৱী অৰ্থাৎ যিটো পৰিস্থিতি আপুনি চেষ্টা কৰিলেও সলনি কৰিব নোৱাৰে, তাক সহজভাৱে গ্ৰহণ কৰাই উচিত। ভাল কাম কৰি যাওক, তাৰ ভাল ফলাফল এদিন আপুনি পাবই, পলমকৈ হ'লেও।

৮) যিসকলক আপুনি পছন্দ নকৰে, তেওঁলোকৰ পৰা নিজেই আঁতৰি থাকক। তেওঁলোকৰ কথা ভাবি এক মিনিট সময়ো যাতে খৰচ নহয়, তাৰ প্ৰতি সাৱধান হওক।

৯) কাৰোবাক কিবা সহায় কৰি দিলে, তেওঁলোকৰ পৰা কোনো কৃতজ্ঞতা অথবা প্ৰতিদান আশা নকৰিব। বৰং আনক সহায় কৰি মনত যি আনন্দ লাগিব, এই আনন্দ আহিব অন্তৰৰ পৰা। আপোনাৰ আত্মসন্তুষ্টিয়েই হ'ব আপোনাৰ প্ৰতিদান।

১০) জীৱনত যি পালে, তাৰহে হিচাপ কৰিব লাগে। যি নাপালে তাৰ হিচাপ কৰাৰ প্ৰয়োজন নাই। আপুনি যিটো পাইছে, সেয়া আন বহুতেই পোৱা নাই। সেইবাবে আপোনাৰ যি আছে সেইখিনিকে লৈ সন্তুষ্ট থাকিবলৈ চেষ্টা কৰক। ভাল কামৰ প্ৰতি আগ্ৰহী হৈ নিজৰ পৰিশ্ৰম শক্তিৰে যিমান পাৰি সিমান কাম কৰি যাব লাগে।

১১) 'ভগৱান'ৰ প্ৰতি যদি বিশ্বাস আছে তেন্তে প্ৰাৰ্থনাৰ জৰিয়তেই তেওঁৰ পৰা শক্তি বিচাৰক যাতে আপোনাৰ সমস্ত দুৰ্বলতা আপুনি জয় কৰিব পাৰে। আনৰ আগত ক'ব নোৱাৰা কথাখিনি প্ৰাৰ্থনাৰ কালতেই ব্যক্ত কৰক। তেতিয়া মনলৈ সক্ৰিয়তা আহিব, হয়তো কেতিয়াবা কোনো সমস্যাৰ সমাধান সূত্ৰও বাহিৰ হ'ব। সন্ত ফ্ৰন্সিছে প্ৰাৰ্থনা কৰিছিল এইদৰে— "হে ঈশ্বৰ, মোক শান্তিৰ কামত নিয়োজিত কৰক। য'ত ঘৃণা আছে তাত ভালপোৱাৰ বীজ ৰোপণ কৰিবলৈ মোক সুবিধা দিয়ক। মোক ভালপোৱা নালাগে, মইহে সমগ্ৰ পৃথিৱীক ভাল পাব বিচাৰোঁ।"

(আপুনি যদি ভগৱানৰ শক্তিৰ প্ৰতি অবিশ্বাসী, তেনেহ'লেও প্ৰাৰ্থনা কৰক। এই প্ৰাৰ্থনা এখন চিত্ৰ অথবা এটা কবিতাও হ'ব পাৰে। এই প্ৰাৰ্থনা কোনো ধৰ্মীয় বা ভগৱানৰ প্ৰতি প্ৰাৰ্থনা নহয়— এই প্ৰাৰ্থনা হ'ব পাৰে এখন কিতাপৰ কিবা কোটেশ্বন, হ'ব পাৰে কোনো নাটকৰ এটা ডায়লগ। এই প্ৰাৰ্থনা হ'ব পাৰে কোনো এটা গান।...

*বিঃ দ্ৰঃ — ডেল কাৰ্ণেগীৰ শ্ৰেষ্ঠ পুথি*
*'How to stop worrying and living start'ৰ পৰা সংগৃহীত*





# অসমত যৌতুক প্ৰথা আৰু নাৰী নিৰ্যাতন ঃ এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন



**হাফিজুল ইছলাম**
**প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান**
*খাগৰিজান মহাবিদ্যালয়*

অসম বুৰঞ্জীৰ ঐতিহাসিক সমল, লিপি আৰু সাহিত্য সম্ভাৰ অধ্যয়নৰ জৰিয়তে প্ৰাচীন অসমৰ প্ৰচলিত সামাজিক ৰীতি-নীতি সন্দৰ্ভত এটি সম্যক ধাৰণা কৰিব পাৰি। আৰ্যসকল অসমলৈ অনুপ্ৰৱেশ কৰাৰ পূৰ্বে এই ভূমিখণ্ডত অনাৰ্য অৰ্থাৎ জনজাতীয় লোকসকল বসবাস কৰিছিল। আৰ্যসকলৰ সংস্পৰ্শই অনাৰ্যসকলৰ জীৱন ধাৰণত এক ৰূপান্তৰৰ সূচনা কৰিছিল। অনাৰ্যৰ ৰীতি-নীতি, সামাজিক বিধি-বিধান আটাইবোৰতে আৰ্য সভ্যতাৰ ছাপ স্পষ্টভাৱে পৰিছিল।

সামাজিক অনুষ্ঠান হিচাপে প্ৰতিষ্ঠিত হোৱা অনাৰ্যসকলৰ বিবাহ অনুষ্ঠানো আৰ্যসকলৰ প্ৰভাৱত পৰিবৰ্তন হৈছিল। অনাৰ্যৰ মাজত ইতিপূৰ্বে প্ৰচলিত 'ৰাক্ষস', 'পছোৱা', 'গান্ধৰ্ব' আদি পদ্ধতিৰে সম্পন্ন হোৱা বিবাহ অনুষ্ঠানে সম্পূৰ্ণভাৱে নতুন ৰূপত প্ৰতিষ্ঠিত হৈছিল। কিন্তু পূৰ্বৰ বিবাহ অনুষ্ঠান বা আৰ্যসকলৰ প্ৰভাৱত ৰূপান্তৰিত হোৱা বিবাহ অনুষ্ঠান ক'তোৱেই 'যৌতুক প্ৰথা'ৰ প্ৰচলন নাছিল। অসমত 'যৌতুক'[১] অৰ্থাৎ বিয়াৰ সময়ত ছোৱালীৰ সৈতে বয়-বস্তু দিয়াৰ প্ৰথা বিগত শতিকাৰ প্ৰাৰম্ভলৈ প্ৰচলন নাছিল। 'যৌতুক'ৰ পৰিবৰ্তে বিয়াৰ সময়ত দৰাপক্ষই কইনাপক্ষৰ ঘৰত কইনাজনী অনাৰ বিনিময়ত ৰূপ-চিকা, বয়-বস্তু, 'গা-ধন'[২] হিচাপে দিব লাগিছিল। 'গা-ধন' দিয়া-লোৱা প্ৰথা আমাৰ সমাজত ৫০ৰ দশকলৈ ছোগা-চোৰোকাকৈ চলিয়ে আছিল। তাৰোপৰি জনজাতীয় সম্প্ৰদায়ৰ বহুতৰে মাজত 'জামাই খাটনি'[৩] নামৰ এবিধ প্ৰথা বিবাহ অনুষ্ঠানৰ সৈতে জড়িত থকাৰ উল্লেখ পোৱা যায়।

তথাকথিত 'যৌতুক প্ৰথা' ৬০ দশকমানৰ পৰাহে অসমত বিশেষকৈ চহৰীয়া মধ্যবিত্ত শ্ৰেণীটোৰ মাজত ব্যাপকভাৱে প্ৰচলন হ'বলৈ ধৰে। আচাৰন্ত পিতৃ-মাতৃয়ে ছোৱালীজনী আন এঘৰলৈ

উলিয়াই দিয়াৰ সময়ত ছোৱালীৰ লগত আ-অলংকাৰ, কাপোৰ সহ অন্যান্য বয়-বস্তু সামৰ্থ্য অনুযায়ী দিয়াৰ অনুশীলন কৰিবলৈ লয়। কিন্তু সেই পৰ্যায়ত পিতৃ বা কন্যাগৰাকীৰ বাবে লগত লোৱা বা দিয়া বয়-বস্তুবোৰ যৌতুক নহয়, ছোৱালীজনীক 'উচৰ্গা'ত (উপহাৰৰ বস্তু) দিয়া বস্তু বুলিহে গণ্য কৰা হৈছিল। পৰৱৰ্তী পৰ্যায়ত এই নিময় চহৰত আঢ্যৱন্তৰ মাজতে আবদ্ধ নাথাকি গাঁও অঞ্চলৰ মধ্যবিত্ত, কৃষক পৰিয়ালৰ মাজলৈও আহিল। বিয়াৰ সময়ত ছোৱালীৰ সৈতে গহনা-পাতি, কাপোৰ-কানি দিয়াটো এটা অঘোষিত নিয়মত পৰিণত হ'ল। ছোৱালীৰ অভিভাৱকসকলৰ মাজতো কিমান বস্তু বিয়াৰ সময়ত ছোৱালীজনীক লগত দিব পৰা যায় তাৰ বাবে নীৰৱ প্ৰতিযোগিতা এখন আৰম্ভ হ'ল। ছোৱালীজনীৰ নতুন ঘৰখনত স্থিতি বা অস্তিত্ব লগত নিয়া বয়-বস্তুৰ মাপ-কাঠিৰে নিৰূপিত হয় আৰু ইয়াৰ দ্বাৰা অসমীয়া সমাজৰ জীয়ৰীসকলে পূৰ্বৰ মৰ্যাদাপূৰ্ণ অস্তিত্ব হেৰুৱাব লগা হয়।

আধুনিক সভ্যতাই অসমৰ জীয়ৰীসকলক পূৰ্বৰ হৃত মৰ্যাদাপূৰ্ণ স্থিতি পুনৰুদ্ধাৰ কৰাৰ শিকনি দিয়াৰ পৰিৱৰ্তে আধুনিক জীৱনৰ স্বাচ্ছন্দ্যপূৰ্ণ সামগ্ৰীসমূহ পিতৃগৃহৰ পৰা বিয়াৰ সময়ত লগত নি নিজকে গৌৰৱান্বিতবোধ কৰাৰ শিক্ষাহে দিলে। ফলস্বৰূপে লাহে লাহে অসমতো যৌতুকক কেন্দ্ৰ কৰি অস্বাস্থ্যকৰ, অস্বস্তিকৰ পৰিৱেশ এটাৰ সৃষ্টি হ'ল। যুব প্ৰজন্মৰ নৈতিক মানদণ্ডৰ অৱনতি হোৱাৰ উপক্ৰম হ'ল। বিয়াৰ সময়ত ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ দৰে যৌতুককেন্দ্ৰিক দাবীও আমাৰ ৰাজ্যত উত্থাপিত হ'বলৈ ধৰে। অভাৱগ্ৰস্ত অভিভাৱকসকলৰ বাবে কন্যা সন্তান বোজা হিচাপে প্ৰতিপন্ন হ'ল। 'যৌতুক' প্ৰথাই অসমৰ বুকুত এবাৰ নোৰৱা নিয়ম ৰূপে প্ৰতিষ্ঠা লাভ কৰিলে। বৰ্তমান যৌতুক এক জ্বলন্ত সমস্যা হিচাপে থিয় হৈ আমাৰ সমাজ জীৱনৰ প্ৰগতি তথা নাৰী মুক্তিৰ প্ৰধান অন্তৰায় স্বৰূপ হৈ পৰিছে।

**আমাৰ ক্ষেত্ৰভিত্তিক সমীক্ষা ঃ**

কেইগৰাকীমান মহিলায়ে ২০০২ চনৰ আগষ্ট মাহত অসমৰ পাঁচখন জিলাত 'যৌতুক' সন্দৰ্ভত এক সমীক্ষা চলাবলৈ গৈ সৰ্বমুঠ ২৪৩ গৰাকী অবিবাহিতা ছোৱালী আৰু ২৩৭ গৰাকী অভিভাৱকৰ মুখামুখি হৈছিল। প্ৰাপ্ত তথ্যমতে বৰ্তমান অসমীয়া সমাজত যৌতুক দিয়া-লোৱা এটা সহজ নিয়মত পৰিণত হৈছে। আমি যুগুতোৱা প্ৰশ্নাৱলী উত্থাপিত কৰি পোৱা তথ্য অনুযায়ী শতকৰা ২০.৯% উত্তৰদাতাৰ মতে বৰ্তমান অসমত যৌতুক নোহোৱাকৈ বিয়া হোৱাটো অসম্ভৱ।

**প্ৰশ্ন ঃ আপুনি যৌতুক নোহোৱাকৈ বিয়া হোৱাটো সম্ভৱ বুলি ভাবেনে?**

**উত্তৰ ঃ ভাবোঁ— ১৮৫ (৭৯.০৫%) আৰু নাভাবোঁ— ৪৯ (২০.৯%)**

ওপৰত উল্লিখিত প্ৰশ্ন উত্থাপন কৰি লগ ধৰ[illegible] যুৱতীসকলৰ মতে তেওঁলোকে যৌতুক বিহীনভাৱে শহুৰেকৰ ঘৰত নিৰাপদ অনুভৱ কৰিব নোৱাৰিব। যিহেতু যৌতুক নোলোৱাকৈ বা কম পৰিমাণে যৌতুক লৈ গ'লেও বোৱাৰীসকলে নানা ধৰণে শহুৰেকৰ ঘৰত নিৰ্যাতিত, অৱহেলিত হ'ব লগা হয় সেয়ে অনিচ্ছাসত্বেও তেওঁলোকে মাক-দেউতাকৰ ঘৰৰ পৰ[illegible] যৌতুক ল'ব লগা হয়। আৰ্থিকভাৱে স্ব-নিৰ্ভৰ হ'ব নোৱৰা বাবে এই যুৱতীসকলে নিজৰ প্ৰয়োজনীয় সা-সামগ্ৰীসমূহ যিমানখিনি সম্ভৱ পিতৃগৃহৰ পৰা নিব পৰাটোত গুৰুত্ব দিয়ে। আৰ্থিকভাৱে স্ব-নিৰ্ভৰশীল যুৱতীসকলৰ একাংশৰ ওচৰলৈ যৌতুক লোৱা-দিয়া[illegible] প্ৰশ্ন লৈ যাওঁতে তেওঁলোকে স্পষ্টভাৱে উত্তৰ দিছিল যে যদি বিয়া কৰাবলৈ ওলোৱা যুৱকজনে যৌতুকৰ বিৰুদ্ধে যায় তেন্তে তেওঁলোকে কোনো যৌতুক বিনে স্বামীগৃহত প্ৰৱেশ কৰিবলৈ কুণ্ঠাবোধ নকৰে।

## অভিভাৱকৰ পৰা যৌতুক প্ৰত্যাশা

| | | |
|---|---|---|
| আশীৰ্বাদ | — | ৮৪ (৩৫.৮৯ %[illegible] |
| সা-সামগ্ৰী | — | ৪৭ (২০.৮ %) |
| যৌতুক নোলোৱা যোগ্য দৰা | — | ১ |
| কোনো প্ৰত্যাশা নোহোৱা | — | ৭৯ (৩৩.৭ %) |
| ১০ হাজাৰ টকা যৌতুক আশা কৰা | — | ২ |
| মতামতহীন | — | ২১ |

ওপৰত উল্লিখিত সমীক্ষাত প্ৰকাশ হোৱা মতে ৩৩.[illegible] শতাংশ যুৱতীয়ে বিয়াত যৌতুক নিবিচাৰে। এওঁলোক[illegible] বেছিভাগেই উচ্চ শিক্ষিতা তথা সমাজত নিজৰ স্থিতি মৰ্যাদাপূৰ্ণভাৱে প্ৰতিষ্ঠিত কৰিব পৰা ধৰণৰ সুস্থ জীৱনবোধসম্পন্ন যুৱতী। ইয়াৰ ক্ষুদ্ৰ অংশ এটা প্ৰগতিশীল নাৰী আন্দোলনৰ সৈতে যুক্ত। সমীক্ষাত প্ৰকাশ পোৱা ২০.৪ শতাংশ যুৱতীৰ মতাম[illegible] অনুযায়ী যৌতুক লোৱাটো তেওঁলোকৰ পৈতৃক সম্পত্তিৰ ওপৰ[illegible] সন্তান হিচাপে থকা ন্যায়সংগত অধিকাৰ। যিহেতু বিয়াৰ পিছ[illegible] তেওঁলোকে মাক-দেউতাকৰ সম্পত্তিৰ ওপৰত অংশীদাৰ হিচাপে দাবী সাব্যস্ত নকৰে, সেয়ে বিয়াৰ সময়তে যৌতুক হিচাপে [illegible]



সামগ্ৰী কিছু লৈ সম্পত্তিৰ অংশ প্ৰাপ্তিৰ অধিকাৰ সাব্যস্ত কৰে। সচৰাচৰ এনেধৰণৰ উত্তৰ চহৰৰ মধ্যবিত্ত পৰিয়ালৰ শিক্ষিতা নিৰনুৱা ছোৱালীসকলে দিছিল।

গাঁও অঞ্চলৰ গৰিব যুৱতী কেইগৰাকীমানক বিয়াৰ সয়মত পিতৃৰ পৰা সম্পত্তি লোৱা-নোলোৱা প্ৰশ্ন অৱতাৰণা কৰাৰ সময়ত ওলোটাকৈ আমাক প্ৰশ্ন কৰিছিল যে যদি যৌতুক নোলোৱাকৈ বিয়া হোৱাৰ পিছত তেওঁৰ ওপৰত নিৰ্যাতন হয়, তেনেহ'লে তেওঁক নিৰাপত্তা কোনে দিব? গতিকে আত্মসন্তুষ্টিৰ বাবে নহয় কিন্তু নিৰাপত্তাৰ বাবে যৌতুক লগত নিয়া বা মাক-দেউতাকেও সন্তানৰ নিৰাপত্তাৰ স্বাৰ্থত যৌতুক দিবলৈ চেষ্টা কৰা উচিত।

আমাৰ সমীক্ষাৰ পৰা পোৱা তথ্যত এটা কথা স্পষ্টভাৱে প্ৰকাশ পাইছে যে আৰ্থিকভাৱে জৰাজীৰ্ণ পৰিয়ালবোৰেও নিজৰ সন্তানৰ নিৰাপত্তাৰ স্বাৰ্থত, বা কোনো ধৰণৰ মানসিক গ্লানি নোহোৱাকৈ জীয়ৰীগৰাকীয়ে যাতে শহুৰেকৰ ঘৰত চলিব পাৰে তাৰ বাবে ধাৰ-ঋণ কৰিও ছোৱালীৰ যৌতুকৰ সমলবোৰ যোগাৰ কৰে। পৰিয়ালৰ উপাৰ্জন কম হ'লেও জাকজমকৈ ছোৱালীৰ সৈতে বয়-বস্তু দিবলৈ গৈ বহু অভিভাৱকে জীৱনৰ বাকীছোৱা সময় ঋণগ্ৰস্ততাত কক্‌বকাই থাকিব লাগে।

যৌতুক সংক্ৰান্তীয় সমীক্ষাৰ তথ্যৰ ওপৰত যুগুতোৱা তালিকা দুখনে তাৰ সাক্ষ্য দাঙি ধৰে। তালিকা দুখন উল্লেখ কৰা হ'ল—

**পৰিয়ালৰ আয় ঃ**

| | | |
|---|---|---|
| ৫,০০০ৰ তলত | — | ১৩৭ (৫৭.৮০%) |
| ১০,০০০ৰ তলত | — | ৭৪ (৩১.২২%) |
| ১০,০০০ৰ ওপৰত | — | ২২ (৯.২৮%) |
| মতামতহীন | — | ৪ (১.৬৮০%) |

**ছোৱালীৰ বিয়াত হোৱা খৰচ (হাজাৰত) ঃ**

| | | |
|---|---|---|
| ১৫,০০০ লৈ | — | ৩৪ (১৪.৩৪%) |
| ১৬,০০০ - ৫০,০০০ লৈ | — | ৪৯ (২০.৬৭%) |
| ৫১,০০০ - ১,০০,০০০ লৈ | — | ২৩ (৯.৭০%) |
| ১,০০,০০০ৰ ওপৰত | — | ১২ (৫.০৬%) |
| মতামতহীন | — | ১০ (৪.২১%) |

যুগৰ সৈতে খাপ খুৱাই চলি যোৱাৰ তাগিদাত স্বল্প উপাৰ্জনৰ বহু অভিভাৱকে বিয়াৰ ক্ষেত্ৰত যৌতুক দিয়াটো বাধ্যতামূলক হিচাপে ধৰি লৈ ধাৰ তথা সা-সম্পত্তি বিক্ৰী কৰিও সেই প্ৰয়োজন পূৰণ কৰিবলৈ কুণ্ঠাবোধ নকৰে। আমাৰ সমীক্ষাত সেই তথ্য প্ৰকাশ পাইছে।

**ঋণ ঃ**

| | | |
|---|---|---|
| লৈছে | — | ১৭ (১৯.৮৩%) |
| লোৱা নাই | — | ১৫৯ (৬৭.০৮%) |
| মতামতহীন | — | ২০ (৮.৪৩%) |

আজিৰ পৰা মাত্ৰ কেইটামান দশক আগলৈ যৌতুকৰ নাম-গোন্ধ নোহোৱা আমাৰ অসমীয়া সমাজখনতো আজি যৌতুকৰ ক্ষেত্ৰত দৰাপক্ষৰ পৰা প্ৰায়ে দাবী উত্থাপন হ'বলৈ আৰম্ভ কৰিছে। বহুতৰ ক্ষেত্ৰত এই দাবী বিয়াৰ পিছতো উত্থাপন হৈ থাকে। যৌতুক এতিয়া উপহাৰৰ ৰূপত বা দৈনন্দিন জীৱন ধাৰণত লগা সা-সামগ্ৰীৰ মাজত আবদ্ধ নাই। আমাৰ সমীক্ষাত প্ৰকাশ পোৱা তথ্যমতে বহু ক্ষেত্ৰত দৰাপক্ষৰ তৰফৰ পৰা 'যৌতুক' হিচাপে নগদ টকাৰ দাবী উত্থাপন হৈ আছে আৰু পূৰণো হৈ আছে।

**বিয়াৰ পিছত উত্থাপিত যৌতুকৰ দাবী ঃ**

| | | |
|---|---|---|
| কৰিছে | — | ১৪ (৫.৯০%) |
| কৰা নাই | — | ২২২ (৯৩.৬৭%) |

**যৌতুকৰ দাবীঃ**

| | | |
|---|---|---|
| আ-অলংকাৰ | — | ৩৭ (১৫.৬১%) |
| নগদ ধন | — | ২১ (৮.৮৬%) |
| অন্যান্য | — | ৩৩ (১৩.৯২%) |
| মতামতহীন | — | ১৫ (৬.৩২%) |

**নাৰী নিৰ্যাতন আৰু আমাৰ ৰাজ্য ঃ**

শ্ৰম বিভাজনৰ জৰিয়তে নাৰী সমাজক গৃহ পৰিসৰৰ দায়বদ্ধতাৰ মাজত নিক্ষেপ কৰাৰ পিছৰে পৰা ক্ৰমাগত নাৰীৰ জীৱনলৈ যি দুৰ্যোগৰ পাহাৰ নামি আহিছিল, তাৰ চিত্ৰ পৃথিৱীৰ সকলো প্ৰান্ততে প্ৰায় সমগোত্ৰীয়। নাৰী মানৱ সমাজত পুৰুষৰ শয্যাসঙ্গিনী হৈ সন্তান উৎপাদনৰ যন্ত্ৰ হৈ পৰিছিল। নাৰীৰ ওপৰত যুগৰ কঠোৰ অত্যাচাৰ, অবিচাৰ আইনসম্মতভাৱে আৰোপিত কৰা হৈছিল। শাসক শ্ৰেণীৰ নিজৰ সুবিধাৰ বাবে সৃষ্ট ধৰ্মশাস্ত্ৰ, ধৰ্মীয় নীতি, দেশাচাৰ, পৰম্পৰা সকলোবোৰৰ অনুশীলন বা পালন কৰাটো নাৰীৰ বাবে বিধান হৈ গৈছিল। এই ব্যৱস্থাত যাতে নাৰী

বিচলিত নহয় তাৰ বাবে নাৰীৰ ওপৰত দেৱীত্বৰ মহিমা আৰোপিত কৰি নাৰীক শিক্ষা-দীক্ষা তথা সকলো প্ৰকাৰৰ সামাজিক কাম-কাজৰ পৰা বঞ্চিত কৰি শিশুকালৰে পৰা বিয়া হোৱা, স্বামীৰ সেৱা, গুৰুজনৰ সেৱা আদি দায়িত্ব পালনৰ মাজত নিজক আৱদ্ধ ৰখাৰ বাবে অলিখিত বিধি-বিধান প্ৰয়োগ কৰা হয়। ভোগ্য বস্তু সদৃশ নাৰীক অন্যৰ লুব্ধ দৃষ্টিৰ পৰা ৰক্ষা কৰাৰ বাবে নাৰীক অন্তেষপুৰত নিক্ষেপ কৰিব লাগে। এনেধৰণৰ মানসিকতা আমাৰ সমাজ জীৱনত গভীৰভাৱে প্ৰোথিত হোৱাৰ ফলস্বৰূপে নাৰীৰ স্বকীয় অস্তিত্বৰ ক্ৰমাগতভাৱে অৱলুপ্তি ঘটে। উৎপাদন প্ৰক্ৰিয়াৰ পৰা সম্পৰ্ক ছেদ কৰাৰ জৰিয়তে নাৰীৰ জীৱনলৈ পৰাধীনতা নামি আহে, নাৰীৰ জীৱনত নিৰ্যাতনৰ সূচনা হয়।

ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ নাৰী সমাজৰ দৰে অসমৰ নাৰী সমাজো সমাজ ব্যৱস্থাৰ বিধি-বিধানৰ দ্বাৰা আৰোপিত যন্ত্ৰণাত সমানে পিষ্ট। জনজাতীয় সমাজৰ পৰা উত্তৰণ হোৱা বাবে অসমীয়া সমাজত যৌতুক প্ৰথা পূৰ্বতে ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্ততকৈ ভিন্ন আছিল যদিও পুঁজিবাদী অৰ্থনীতিৰ প্ৰভাৱত ভোগ সৰ্বস্ব জীৱনবোধেৰে উদ্দীপিত আমাৰ সমাজখনতো 'যৌতুক প্ৰথা'ৰ ৰেহ-ৰূপ সমগোত্ৰীয় হৈ পৰিল। অসমত যৌতুকৰ বাবে বোৱাৰী হত্যা, বোৱাৰী নিৰ্যাতন আজি নতুন কথা নহয়।

আমাৰ ৰাজ্যখনত বিভিন্ন সম্প্ৰদায়ৰ সমাজত মহিলাৰ ওপৰত চলি থকা নিৰ্যাতনৰ বৈশিষ্ট্য মূলতঃ একে হ'লেও সম্প্ৰদায়ভেদে নিৰ্যাতনৰ ভিন্নতা নুই কৰিব নোৱাৰি। অসমত কু-সংস্কাৰ তথা অৰ্থহীনতাই অন্ধকাৰাচ্ছন্ন কৰি থকা জনজাতীয় সম্প্ৰদায়ভুক্ত গাঁও কিছুমানত 'ডাইনী' চিহ্নিত কৰাৰ দৰে এক অমানৱীয় প্ৰথাৰ প্ৰচলন এতিয়াও হৈ আছে। গোৱালপাৰা জিলাত 'ডাইনী' হিচাপে চিহ্নিত কৰা সুভদ্ৰা বসুমতাৰীৰ ঘটনা ইতিপূৰ্বে বাতৰি কাকতত প্ৰকাশ পাইছে। নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিয়ে তৎপৰতাৰে লোৱা উদ্যোগৰ ফলশ্ৰুতিত সুভদ্ৰাই ন্যা[...] বিচাৰ আংশিকভাৱে লাভ কৰিছে।

আধুনিক শিক্ষা আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ অভাৱ[...] আদিম ধ্যান-ধাৰণাৰে আচ্ছন্ন জনজাতীয় সমাজখন[...] 'ডাইনী'জনিত ঘটনা বিক্ষিপ্তভাৱে এতিয়াও ঘটি আছে। কিছু ঘট[...] বাতৰি কাকতত প্ৰকাশ পাইছে যদিও বেছিভাগ ঘটনাই অপ্ৰকাশি[...] হৈ আছে। যোৱা ২৮ মে'ৰ আমাৰ অসমত বৰংগা চাহ বাগিচা[...] (বিহালী সমষ্টি) বঙাগড় শাখাৰ মৰাংলাইনত ৰাকেশ লোহা[...] নামৰ এজন ব্যক্তিয়ে 'ডাইনী' সন্দেহত নিজৰ আইতাকক কা[...] দুছেও কৰে। বঙাগড় চাহ বাগিচাৰে তিনি নং লাইনৰ আঘো[...] তৱাং নামৰ বৃদ্ধা এগৰাকীকো 'ডাইনী' সন্দেহত ৰাজহুৱাভা[...] প্ৰহাৰ কৰা হয়। লাল পুখুৰী বাগিচাতো 'ডাইনী' সন্দেহত এগৰা[...] বৃদ্ধাক মাৰি পেলোৱা হৈছিল। বৰপেটা জিলাৰ উত্তৰাঞ্চলৰ বড়ো[...] অধ্যুষিত গাঁও কিছুমানতো 'ডাইনী' সন্দেহত মহিলাৰ ওপৰ[...] অত্যাচাৰ, নিৰ্যাতনৰ ঘটনা সংগঠিত হৈয়ে আছে। কিন্তু সময় ম[...] তেনেবোৰ ঘটনাই বাতৰি কাকতৰ শিৰোনাম দখল কৰা নাই।


**Reference**

১) ১, ২ ছেপ্তেম্বৰ, ২০০২ চনত, নতুন দিল্লীত— "Indian School of Women'[...] Studies and Development"

২) নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ উদ্যোগ[...] অনুষ্ঠিত কৰ্মশালাত পাঠ কৰা চেমিনাৰ পেপা[...] একাংশ।

৩) অসম বুৰঞ্জী— স্বৰ্ণলতা মহন্ত।

৪) বিভিন্ন বাতৰিকাকতৰ দফাসমূহ।

৫) মানৱ অধিকাৰ— পুৰন্দৰ গগৈ।


**স্মৰণীয় কথা**

- চিন্তাহীন বিদ্যা-শিক্ষাত পৰিশ্ৰম অথলে যায়, বিদ্যাহীন চিন্তা ভয়ংকৰ হয়।
- অনুগ্ৰহ পোৱাৰ কথা পাহৰি যাবা, আশীৰ্বাদ পোৱাৰ কথা মনত ৰাখিবা।
- মূৰ্খৰ লগত বন্ধুত্ব কৰাতকৈ জ্ঞানীৰ লগত শত্ৰুতা কৰা ভাল।
- মামৰে লো আৰু বেজাৰে হৃদয় নষ্ট কৰে।
- বহুবাৰ বন্ধুত্বৰ বিশ্বাস কৰিলে বিপদত পৰিবা।
- পৰীক্ষাত লাভ কৰা নম্বৰেই জীৱনৰ শেষ অংক নহয়।





# নাট্যকাৰ অৰুণ শৰ্মাৰ 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য' নাটকখনত নিবাৰণ চৰিত্ৰটিয়ে দুখৰ ভাব আনিলেও এইখন ট্ৰেজেদি নহয়— এটি মূল্যায়ন


**ধৰিত্ৰী দাস**

প্ৰৱক্তা, অসমীয়া বিভাগ

খাগৰিজান মহাবিদ্যালয়


অৰুণ শৰ্মা এগৰাকী নাট্যকাৰ আৰু মঞ্চশিল্পী। নাটকৰ এটা প্ৰধান উপাদান হৈছে চৰিত্ৰ সৃষ্টি। অৰুণ শৰ্মাৰ নাট্য সৃষ্টিৰ মূলতে হৈছে চৰিত্ৰৰ মানসিক দ্বন্দ্ব আৰু বিচিত্ৰতা প্ৰকাশ কৰা। এখেতৰ নাটকৰ ভিতৰত— জিন্‌টি (১৯৬২), উৰুখা পঁজা, পুৰুষ (১৯৬৪), শ্ৰীনিবাৰণ ভট্টাচাৰ্য, আহাৰ, বুৰঞ্জী পাঠ, চিএৱৰ আদি।

শ্ৰীনিবাৰণ ভট্টাচাৰ্য নাটকখনৰ নায়ক তথা কেন্দ্ৰীয় চৰিত্ৰ নিবাৰণ ভট্টাচাৰ্য তিনি কুৰি বছৰীয়া এজন নাট্য আৰু অভিনয়প্ৰাণ বৃদ্ধ। নাটক আৰু অভিনয়ৰ নামত বলিয়া এইজনা শিল্পীয়ে নাট আৰু অভিনয়ৰ জৰিয়তে প্ৰতিষ্ঠা লাভ কৰিব বিচাৰিছিল, সমাজত আৰু সমাজৰ সম্পদৰ সহানুভূতি তথা স্বীকৃতি পাবলৈ বিচাৰিছিল। কিন্তু তেওঁ নাট্যকাৰ, অভিনেতা স্বৰূপে সমাজখনৰ পৰা পাবলগীয়া স্বীকৃতি নাপালে। ফলস্বৰূপে তেওঁ হতাশাগ্ৰস্ত হয় আৰু এনে হতাশাগ্ৰস্ততাই তেওঁৰ জীৱনটোক কৰি তোলে খেয়ালী। খেয়ালী লোকৰ প্ৰতিটো চিন্তা, প্ৰতিটো কামেই হয় খেলি-মেলিৰে ভৰা, বিশৃংখল। নিবাৰণ ভট্টাচাৰ্যৰ চিন্তা-কথা-কামৰ জৰিয়তে এনে খেলি-মেলিয়ে প্ৰকাশ লাভ কৰিছে। সমাজৰ আন দহজন লোকে যি ধৰণে জীৱন যাপন কৰে, তেওঁ তেনে ধৰণে নকৰে। তেওঁৰ থকা-খোৱা, ফুৰা-চকা, কথা-কৰ্ম, ৰুচি-অভিৰুচি সকলোতে ব্যতিক্ৰম পৰিলক্ষিত হয়।

নিজৰ ব্যতিক্ৰমতা প্ৰকাশ কৰিছে তেওঁৰ এষাৰ সংলাপৰ দ্বাৰা— 'মোৰ সকলো কথা অলপ ব্যতিক্ৰম জানাই।' নাটক আৰু অভিনয়ৰ কামত বলিয়া হৈ থকা বাবেই তেওঁ আৰ্থিক দিশটোও পুষ্ট কৰিব নোৱাৰিলে। নিবাৰণ ভট্টাচাৰ্যৰ ল'ৰা-ছোৱালী পাঁচটা— ল'ৰা— ধীৰেন, দুৰ্গে, সুৰেন, উপেন; ছোৱালী— নন্দিনী। ধীৰেন দৰ্জী, দুৰ্গে কাঠমিস্ত্ৰী, সুৰেন চাইকেল মিস্ত্ৰী, উপেন চিনেমা হলৰ গে'ট কীপাৰ। নন্দিনী কলেজৰ অধ্যাপিকা। এই ক্ষেত্ৰতো নিবাৰণ ভট্টাচাৰ্যৰ ব্যতিক্ৰমতা দেখা যায়। সমাজৰ আন মানুহবোৰৰ বিপৰীতে নিবাৰণে ল'ৰাক নপঢ়ুৱাই বৃত্তিমূলক কামত লগাইছে আৰু ছোৱালীজনীক উচ্চ শিক্ষা দি কলেজৰ অধ্যাপিকাৰ দৰে সম্মানীয় চাকৰিৰ অধিকাৰী কৰি তুলিছে।

নিবাৰণ ভট্টাচাৰ্যৰ চৰিত্ৰৰ আন এটা আচহুৱা দিশ হ'ল— তেওঁ ক'ৰবাত ঘোঁৰা দেখা পালেই ৰ'ব নোৱাৰে। লেকাম টানি ধৰি ঘোঁৰা চেঁকুৰাবলৈ লয়। কিন্তু জীৱনৰ ঘোঁৰা আৰু শিল্প সাধনাৰ ঘোঁৰা একে নহয়। জীৱনৰ ঘোঁৰা চেঁকুৰাই তেওঁৰ শেষ নাটকৰ অভিনয় নিশাৰ কেইদিনমান আগতে হামখুৰি খাই পৰিল। এই ঘোঁৰাৰ পৰা বাগৰি পৰি হাত-ভৰি ভঙা, কঁকালত আঘাত পোৱা আদি তেওঁৰ শিল্পী জীৱনৰ ব্যৰ্থতাৰ পৰিচায়ক। কিন্তু এই ব্যৰ্থতাকে তেওঁ শেষ কথা বুলি ভবা নাই, তেওঁ নিৰাশ হোৱা

নাই। বৰং দৃঢ়তাৰে থিয়েটাৰলৈ ভাল হ'ব বুলি কৈছে। অভিনয়ৰ প্ৰতি তেওঁৰ অনুৰাগ প্ৰবল আশাবাদৰ দ্যোতক, যদিও করুণতাপূৰ্ণ।

নিবাৰণো এজন মৰম-স্নেহ আলসুৱা-অভিমানী মানুহ। তাৰ প্ৰকাশ ঘটে ৰমেশক কোৱা কথাষাৰত— 'মানে বাটৰ কাষত পৰিত্যক্ত আলকাতৰাৰ এই ভগা ঢোলটোত উপবিষ্ট নিবাৰণ ভট্টাচাৰ্যক ঢোলটোৰ সৈতে অবিচ্ছেদ্য এক অংশস্বৰূপ বুলি ভবাটো একান্ত স্বাভাৱিক কথা, বিশেষকৈ আলকাতৰাৰ সৈতে মোৰ গাৰ বং যেতিয়া অভিন্ন। কিন্তু তথাপিও এটা জীৱন্ত মানুহ দিয়াচোন। ইমান অৱজ্ঞা কেনেকৈ কৰিব পৰা বাৰু তোমালোকে।'

তেওঁ শিল্প সাধনাৰ ধাউতিটোক নিবাৰণ কৰিব নেজানিলে, তেওঁ তেওঁৰ শেষ নাটকৰ প্ৰস্তাৱনাটো আওৰাই গ'ল পাঁচশ দৰ্শক-শূন্য চকীৰ আগত। তেওঁ ৰংগমঞ্চৰ খটখটিটোৰেদি কেৱল উঠি যোৱাৰ ৰীতিটোৰেহে শিকিলে, ভগা খটখটিৰ শেষ খলপাটোত ৰ'ব নেজানিলে।

সমাজে নিবাৰণৰ নাট আৰু অভিনয় গ্ৰহণ নকৰিলে। অসংলগ্নভাৱে পাঁচশ শূন্য চকীৰ আগত প্ৰস্তাৱনাৰ কথাবোৰ কৈ কৈ লাহে লাহে চিৰিয়েদি ওপৰলৈ উঠি যায়। আৰু সকলোৰে আগতে চাই থাকোঁতেই ভগা ছাদৰ পৰা বিকট চিঞৰ মাৰি নিবাৰণ পৰি যায়।

নাটকখনত এটা অতি অৰ্থবহ সংলাপ আছে, যিটো সংলাপে নিবাৰণৰ পাৰিবাৰিক জীৱন আৰু শিল্পী জীৱনৰ সেতুখন আঙুলিয়াই দেখুৱাইছে— 'ৰমেশ— তোমাৰ বন্ধুৱে মোক কি বুলি ভাবেহে। ঘৰ-সংসাৰ, ল'ৰা-ছোৱালী সকলো বাদ দি মই এটা আৰ্টিষ্ট হোঁ। কিন্তু মই একো বাদ দিয়া নাই। তেওঁহে আঁতৰি গৈছে মোৰ জীৱনৰ পৰা, তেওঁৰ আসন শূন্য কৰি, আৰু সেই শূন্যতাৰে মোৰ হৃদয় পূৰ্ণ কৰি।'

তেওঁৰ শিল্পী জীৱনৰো শেষ অভিজ্ঞতাটো হ'ল যেন তাৰেই প্ৰতিধ্বনি। সমাজৰ বাবেই নাটক ৰচিছে অথচ কাৰো সময় নাই। এই শূন্যতা, এই বিচ্ছিন্নতা, এই নিসংগতাই নাটকখনৰ চূড়ান্ত প্ৰতীতি।

মুঠতে ক'ব পাৰি— নাট্যকাৰ অৰুণ শৰ্মাই নিবাৰণ ভট্টাচাৰ্যৰ চৰিত্ৰটো সহানুভূতিৰে অংকন কৰিছে। চৰিত্ৰটোত বৈচিত্ৰ্য আৰু আছে চমৎকাৰিত্ব, অভিনৱত্ব, চৰিত্ৰটোৰ প্ৰতিটো কথা-কা পাঠক-দৰ্শকক গভীৰ চিন্তা আৰু কৌতূহলৰ খোৰাক যোগাইছে।

অৰুণ শৰ্মাৰ 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য' নাটকখনক করুণাত্ম (Tragedy) অৰ্থাৎ ট্ৰেজেদী আখ্যা দিব নোৱাৰি। ট্ৰেজেদী হ'বলৈ হ'লে নাটকখন গভীৰ বিষয়ৰ আৰু ইয়াৰ সামৰণি শোকপূৰ্ণ হ' লাগিব। ট্ৰেজেদীৰ নায়কবিলাকে জীৱনৰ ঘাত-প্ৰতিঘাতৰ মাজে পূৰ্বপুৰুষসকলৰ কৃতকৰ্মৰ ফলহে ভোগ কৰে। তেওঁলোকৰ চৰি সৃষ্টি তেওঁলোকৰ কাৰ্যই নকৰে— কৰে ভাগ্যই। নাটকখনত ভাগ্যই একো কৰা নাই। কিন্তু নিবাৰণৰ মৃত্যুৱে খন্তেকৰ শো আনি দিয়ে।

নিবাৰণ ভট্টাচাৰ্য এজন নাট্যশিল্পীৰ করুণ ইতিহাস, ১২ খ নাটক ৰচনা কৰি অভিনয়ৰ আয়োজন কৰি দৰ্শকৰ উদাসীনতা বিফল মনোৰথ হৈ শেষবাৰ অভিনয়ৰ সকলো আনুষ্ঠানিক দি কৰিও যেতিয়া প্ৰায় শূন্য প্ৰেক্ষাগৃহ আগত লৈ আদৰণি ভাষ আৰম্ভ কৰে তেতিয়া ভট্টাচাৰ্যই স্থান, কাল, পাত্ৰ পাহৰি পূ প্ৰেক্ষাগৃহ কল্পনা কৰি তেওঁ বক্তব্য কৈ যোৱা অৱস্থা প্ৰকৃতত পুতৌজনক। শিল্পীজনৰ চৰম ব্যৰ্থতাত তেওঁ একেবাৰে ভা পৰে। বক্তৃতাখিনি দেখাত অসংগতি যেন বোধ হ'লেও ই প্ৰকৃতত মানসিক ব্যৰ্থতাই সৃষ্টি কৰা মস্তিষ্কৰ সাময়িক অসুস্থতা মাত্ৰ, ইয়া absurdity বা অস্বাভাৱিকতা বিশেষ নাই। তেওঁৰ ব্যৰ্থতা শিল্প জীৱনৰ ব্যৰ্থতাহে। কিন্তু শ্ৰীনিবাৰণ ভট্টাচাৰ্যৰ কোনে ব্যৰ্থতাবোধেই নাই। তেওঁ হাঁহি হাঁহি পৰাজয় স্বীকাৰ কৰে আ জয় লাভ কৰে। তেওঁ অদম্য আত্মবিশ্বাসী, চিৰ অম্লান আশাবাদী শেষ দৃশ্যৰ উপজিয়েই মৃত খন্তেকীয়া দুখানুভূতিটোৰ বাহিৰে নাটকখন প্ৰবল আশাবাদেৰে পৰিপূৰ্ণ। তেওঁ যে সদায় নিজ নামৰ লগত 'শ্ৰী' যুক্ত কৰে, তাৰ কাৰণ শ্ৰীত্ব সম্পৰ্কে সন্দেহাতীতভাৱে আস্থাবান আৰু গৌৰৱান্বিত। গতিকে 'নিবাৰ ভট্টাচাৰ্য' নাটকখনক ট্ৰেজেদী আখ্যা দিব নোৱাৰি বুলি নাটকখন পাতনিতে উল্লেখ কৰিছে কুলদাকুমাৰ ভট্টাচাৰ্যই।


**সহায়ক গ্ৰন্থ**

১। শ্ৰীনিবাৰণ ভট্টাচাৰ্য — অৰুণ শৰ্মা।

২। অসমীয়া নাট্য সাহিত্য — ড° সত্যেন্দ্ৰনাথ শৰ্মা।


❑ ❑ ❑





# নাৰীৰ সবলীকৰণৰ বাবে শিক্ষা




**ৰুণজুন শৰ্মা**

স্নাতক দ্বিতীয় বৰ্ষ


নাৰী হৈছে সমাজৰ অবিচ্ছেদ অঙ্গ। পুৰুষ আৰু মহিলাক লৈ এখন সমাজ সৃষ্টি হয়। সমাজৰ সৰ্বাঙ্গীণ উন্নতিৰ দিশত নাৰীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। পুৰুষৰ সৈতে নাৰীসকলৰ শিক্ষা শক্তি, সামাজিক প্ৰ-স্থিতি আদি সমানেই উন্নত নহ'লে সেইখন সমাজ যে শিক্ষা, স্বাস্থ্য আৰু আৰ্থিক দিশত অনুন্নত হৈ থাকিবলৈ বাধ্য সি ধ্ৰুৱপ।

সবল শব্দটোৰ অৰ্থ হৈছে বলী। সবলীকৰণ শব্দটোৰ সৰল অৰ্থ হৈছে বলী কৰা অৰ্থাৎ আৰ্থ-সামাজিক দিশৰ পৰা প্ৰয়োজনীয় শক্তি বঢ়াই তোলা। নাৰীৰ সবলীকৰণ বুলি কোৱা কথাষাৰৰ দ্বাৰা নাৰীসকলক আৰ্থ-সামাজিকভাৱে বলী অৰ্থাৎ শক্তিশালী কৰি তোলা কথাটোকে বুজায়। নাৰীসকলক সকলো প্ৰকাৰৰ আৰ্থ-সামাজিক দমন, নিপীড়নৰ পৰা মুক্ত কৰি পুৰুষৰ সমানে সকলো প্ৰকাৰৰ অধিকাৰ প্ৰদান কৰা প্ৰক্ৰিয়াকে সৰল অৰ্থত নাৰীৰ সবলীকৰণ আখ্যা দিয়া হয়। ইয়াৰ বাবে সমাজ জীৱনত প্ৰকৃত গণতান্ত্ৰিক বাতাবৰণ সৃষ্টি হোৱাটো প্ৰয়োজন। এনে সকলো কাৰ্যৰ বাবে শিক্ষাৰ ভূমিকা আৰু প্ৰয়োজনীয়তা অধিক।

শিক্ষাই মানুহৰ জৈৱিক প্ৰকৃতি ক্ৰমান্বয়ে পৰিশোধন কৰি সামাজিক আৰু ক্ৰমবিকাশশীল জীৱনত পৰিণত কৰে। ই মানুহৰ জীৱন নিয়ন্ত্ৰণ কৰে, পৰিচালনা কৰে আৰু ভৱিষ্যতৰ গতি নিৰ্ধাৰিত কৰে। ইয়াৰ দ্বাৰা ব্যক্তিৰ অন্তৰ্নিহিত শক্তিসমূহক বিকশাই তোলা হয়।

মহিলাৰ নিৰক্ষৰতা আৰু নিম্ন পৰ্যায়ৰ শিক্ষাৰ লগত কিছুমান বিষয় জড়িত হৈ থকা দেখা যায়। যেনে— উচ্চ পৰ্যায়ৰ গৰ্ভধাৰণ ক্ষমতা, উচ্চ পৰ্যায়ৰ মৃত্যুহাৰ, নিম্ন পৰ্যায়ৰ পৰিপুষ্টি, নিম্নস্তৰীয় উপাৰ্জন সম্ভাৱনা, ঘৰত নিম্নস্তৰীয় শাসনাধিকাৰ, দেশৰ অৰ্থনৈতিক

উন্নয়নত প্ৰতিবন্ধকতা আদি। নাৰী আৰু পুৰুষক সা-সুবিধা সমানে প্ৰদান কৰাৰ অৰ্থে সংগ্ৰাম চলাই থকা সত্বেও বৈষম্যবোৰৰ ভিতৰত আটাইতকৈ স্থায়ীভাৱে থকাটোৱেই হ'ল লিঙ্গভিত্তিক বৈষম্য। এইক্ষেত্ৰত পৰিৱৰ্তন অনাৰ বাবে লোৱা কাৰ্যসূচীমতে কাম এতিয়াও চলি আছে। পৃথিৱীৰ দৰিদ্ৰ লোকসকলৰ শতকৰা ৭০ ভাগ আৰু নিৰক্ষৰ লোকৰ তিনিভাগৰ দুভাগ মহিলা।

ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায় বহু সময়ত নাৰীয়ে সমাজৰ তথা ৰাজনৈতিক দিশত অনেক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আছে। আৰ্য সভ্যতাৰ সময়ছোৱাত মহিলাসকলে পুৰুষসকলৰ লগত সমানে সমানে ধৰ্মীয় আৰু সামাজিক কামত ব্ৰতী হৈ পৰিছিল। মধ্যযুগত মহিলাসকলৰ মৰ্যাদা কিছু পৰিমাণে হ্ৰাস পাইছিল যদিও কিছুমান বিদুষী মহিলাই নানা দুখ- কষ্ট সহ্য কৰিও নিজৰ বিশিষ্টতা প্ৰকাশ কৰিছিল। ঔপচাৰিক শিক্ষা ব্যৱস্থাত মহিলাসকলৰ ভৰ্তিকৰণ ঊনৈশ শতিকাৰ মাজভাগতে হৈছিল যদিও কুৰি শতিকাৰ মাজভাগতহে এনে প্ৰক্ৰিয়াক বহলভাৱে গ্ৰহণ কৰি লোৱা হৈছিল। জাতিৰ পিতা মহাত্মা গান্ধীয়েও উপলব্ধি কৰিছিল যে সকলো কাম-কাজত মহিলাক পুৰুষে পোৱাৰ দৰে সুযোগ নিদিয়া পৰ্যন্ত দেশৰ প্ৰগতি সম্ভৱ নহয়। সেই কাৰণে দেশৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিবলৈ মহিলাকো আহ্বান জনাইছিল। সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাই সৰোজিনী নাইডু, মীৰাবেন, বিজয়লক্ষ্মী পণ্ডিত, অৰুণা আশ্ৰফলি, অসমৰ কনকলতা আদিয়ে স্বাধীনতা আন্দোলনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। বৰ্তমান সময়তো চিন্তা-চৰ্চাত আগবঢ়া বহু পৰিয়ালৰ ছোৱালীয়ে উচ্চ শিক্ষাৰ সুবিধা আৰু পৰিয়াল আৰু সমাজৰ আন লোকৰ পৰা উৎসাহ-প্ৰেৰণা আদিৰ বাবে ডাক্তৰ, ইঞ্জিনিয়াৰ, বিচাৰক, পুলিচ বিষয়া, পাইলট, মন্ত্ৰী আদিৰ দৰে গুৰুত্বপূৰ্ণ পদবীত সেৱা আগবঢ়াই কৃতিত্ব অৰ্জন কৰিছে। উচ্চ শিক্ষা লৈ পুৰুষৰ সমান কৃতিত্বৰে বিভিন্ন বিভাগত সেৱা আগবঢ়োৱা ভাৰতীয় নাৰীৰ সংখ্যা বাঢ়িছে সঁচা, কিন্তু এতিয়াও ভাৰতৰ বহু নাৰী নিষ্পেষিত অৱস্থাত আছে। নাৰী-পুৰুষৰ অধীন, এই আপ্তবাক্য আজিও যেন বাস্তৱ হৈ আছে। অতি তাৎপৰ্যৰ কথা, ভাৰতবৰ্ষত বৰ্তমানেও নাৰীসকলৰ ওপৰত নানা ধৰণৰ অমানুষিক অত্যাচাৰ নিৰ্যাতন চলি আছে। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ দ্ৰুত বিকাশে সমাজ ব্যৱস্থাক এক নতুন মাত্ৰা প্ৰদান কৰাৰ সময়ছোৱাতে সকলোৰে বাবে এক ডাঙৰ প্ৰশ্ন হৈ ৰৈছে নাৰী কিমান সুৰক্ষিত?

নাৰী সবলীকৰণ সম্পৰ্কে আন্তৰ্জাতিক পৰ্যায়ত ১৯৭৫ চনৰ মেক্সিকো পৰিকল্পনা, ১৯৮৫ চনৰ নাইৰোবি সম্মিলন, ১৯৯৩ চনৰ মহিলাৰ বিৰুদ্ধে সকলো প্ৰকাৰৰ বৈষম্যমূলক আচৰণ পৰিহাৰমূলক সম্মিলন, ১৯৯৫ চনৰ বেইজিং সম্মিলন আদিয়ে বিভিন্ন পৰামৰ্শ দি আহিছে। ভাৰতবৰ্ষও এইক্ষেত্ৰত পিছ পৰি থকা নাই। দুৰ্গাবাঈ দেশমুখ কমিটি, হংসমেহনা কমিটি, ১৯৭২ চনৰ জাতীয় শিক্ষানীতি আৰু ইয়াৰ সংশোধিত পি অ' এ ১৯৯২ আদিয়েও নাৰীৰ শৈক্ষিক তথা সামাজিক, অৰ্থনৈতিক আদি বিভিন্ন দিশৰ উন্নতিৰ বাবে দিহা-পৰামৰ্শ দি আহিছে। ২০০১ চনত মহিলা সবলীকৰণৰ বাবে ৰাষ্ট্ৰীয় নীতি ঘোষণা হোৱাৰ পিছত নাৰী তথা শিশু বিকাশ বিভাগে নাৰীৰ নিয়োগ আৰু আয়ৰ পথৰ ব্যৱস্থা কৰা, সা-সুবিধা লাভৰ ক্ষেত্ৰত নাৰী আৰু পুৰুষৰ মাজত পাৰ্থক্য দূৰ কৰা আদি নাৰীৰ কল্যাণৰ বাবে কৰিব লগা কাম হাতত লৈছে।

মহিলাৰ সবলীকৰণৰ বাবে অসমতো নানা পদক্ষেপ গ্ৰহণ কৰা হৈছে। অসম চৰকাৰে সবলীকৰণ প্ৰক্ৰিয়াক বাস্তৱমুখী কৰি তুলিবলৈ অসম ৰাজ্যিক মহিলা আয়োগ এখন গঠন কৰিছে।

স্বাধীনতাৰ পৰৱৰ্তী কালত নাৰী অধিকাৰ বিষয়ক বিভিন্ন আইন প্ৰণয়ন কৰা হৈছে। ভাৰতীয় সংবিধানতো নাৰীৰ বাবে কিছুমান আইনৰ সু-ব্যৱস্থা কৰা হৈছে, যিয়ে নাৰীক নিৰ্যাতনৰ পৰা ৰক্ষা কৰিব পাৰে। তথাপিও দেখা যায় যে স্বাধীনতা লাভ কৰাৰ সুদীৰ্ঘ ৬৩ বছৰ পাছতো বৰ্তমানে যিধৰণে নাৰী হত্যা, ভ্ৰূণ হত্যা, ধৰ্ষণ আদিৰ দৰে অমানৱীয় ঘটনাসমূহ সংঘটিত হৈ আছে, তাৰ পৰা এইটো অনুমান কৰিব পাৰি যে নিপীড়ন, শোষণ আৰু পৰাধীনতাৰ শিকলিৰ পৰা আজিও ভাৰতীয় নাৰী সম্পূৰ্ণ মুক্ত হ'ব পৰা নাই। সেয়েহে নাৰীৰ সবলীকৰণৰ বাবে সমাজৰ সকলো দিশত সুস্থ-সবল বাতাৱৰণ তৈয়াৰ কৰি সবলীকৰণৰ প্ৰক্ৰিয়াক বাস্তৱমুখী কৰি তুলিব লাগিব।

❑ ❑ ❑





# ভাৰতবৰ্ষত উচ্চ শিক্ষাৰ বিকাশ

**পদ্মা বৰ্মন**
*স্নাতক দ্বিতীয় বৰ্ষ*



বিদেশী শাসনৰ পৰা মুক্ত হোৱাৰ পিছত ভাৰতক এখন সাৰ্বভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবৰ বাবে ৰাষ্ট্ৰীয় নেতাসকল দৃঢ় সংকল্পবদ্ধ হৈছিল। দেশ আৰু জাতি গঠনৰ বাবে শিক্ষাৰ সৰ্বাধিক গুৰুত্ব সকলোৱে উপলব্ধি কৰিলে। স্বাধীন চৰকাৰে দেশৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ পিছতে শিক্ষা ব্যৱস্থাটো সবল কৰি গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিলে। স্বাধীনতাৰ এবছৰৰ পিছতে উচ্চ শিক্ষাৰ বিকাশৰ বাবে ১৯৪৮ চনত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ অধ্যক্ষতাত বিশ্ববিদ্যালয় শিক্ষা আয়োগ গঠন কৰা হয়। ১৯৫২ চনত তেতিয়াৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° লক্ষণস্বামী মুডালিয়াৰৰ অধ্যক্ষতাত মাধ্যমিক শিক্ষা আয়োগ গঠন কৰা হয়। ১৯৬৪ চনত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ সভাপতি ড° দৌলত সিং কোঠাৰীৰ অধ্যক্ষতাত কোঠাৰী আয়োগ গঠন কৰা হয়। শিক্ষাৰ সকলো দিশতে এই আয়োগে আলোকপাত কৰে। এই আয়োগৰ পৰামৰ্শৰ ভিত্তিতে ১৯৬৭ আৰু ১৯৭৯ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি ঘোষণা কৰা হৈছিল। পিছত ১৯৮৬ চনত ঘোষিত ভাৰতৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আধাৰত বৰ্তমান এই দেশৰ শিক্ষা ব্যৱস্থা চলি আছে। শিক্ষাৰ বিভিন্ন সংগঠন যেনে NCERT, UGC, AICTE, ICAR, ICSR, AICME, আদিক অধিক সক্ৰিয় কৰা আৰু এই সংগঠনবোৰৰ মাজত সু-সমন্বয় গঢ়ি তোলাৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। এনেধৰণৰ প্ৰচেষ্টাৰ পিছতো দেখা যায় যে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত আমাৰ দেশৰ শিক্ষাৰ গুণগত মানৰ যিদৰে বিকাশ হ'ব লাগিছিল সেইদৰে হোৱা নাই।

বৰ্তমান বিশ্বৰ দেশসমূহৰ উচ্চ শিক্ষাৰ গুণগত মানৰ সমীক্ষাসমূহ বিচাৰ কৰি চালে আমাৰ দেশৰ শিক্ষাৰ মান সম্বন্ধে কিছু উমান পোৱা যায়। নতুন দিল্লীৰ পৰা প্ৰকাশিত 'মেইল টুডে' (Mail Today) নামৰ বাতৰি কাকতখনৰ যোৱা ২৬ আগষ্ট সংখ্যাত প্ৰকাশিত প্ৰতিবেদন মতে বিশ্বৰ ৫০০ খন সৰ্বশ্ৰেষ্ঠ বিশ্ববিদ্যালয় বা সমপৰ্যায়ৰ শিক্ষানুষ্ঠানৰ তালিকাত ভাৰতৰ মাত্ৰ এখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানেহে স্থান লাভ কৰিছে। সেই প্ৰতিষ্ঠানটো হ'ল বাংগালুৰুত অৱস্থিত ইণ্ডিয়ান ইনষ্টিটিউট অব্ ছায়েন্স (Indian Institute of Science) বা ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান। পৃথিৱীৰ বিশ্ববিদ্যালয়সমূহক এনেদৰে প্ৰথম, দ্বিতীয়, তৃতীয় আদি স্থান প্ৰদান কৰা কাৰ্যক (Academic Ranking of World Universities) বা চমুকৈ ARWU বুলি কোৱা হয়। চীন দেশৰ ছাং হাইত অৱস্থিত জিয়াও টং (Jiao Tong) নামৰ বিশ্ববিদ্যালয়খনে প্ৰকাশ কৰা ৰেংকিং অনুসৰি বিশ্বৰ শীৰ্ষস্থানৰ পাঁচখন বিশ্ববিদ্যালয় হ'ল ক্ৰমে হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়, ষ্টেনফৰ্ড বিশ্ববিদ্যালয়, মাছাছুছেটছ ইনষ্টিটিউট অব্ টেকনলজি, কেলিফৰ্ণিয়া বিশ্ববিদ্যালয় আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়। ইয়াৰে প্ৰথম চাৰিখন বিশ্ববিদ্যালয় আমেৰিকা যুক্তৰাষ্ট্ৰত অৱস্থিত আৰু পঞ্চমখন বিশ্ববিদ্যালয় গ্ৰেট ব্ৰিটেইনত অৱস্থিত। বিশ্ববিদ্যালয়সমূহৰ এনেকুৱা ৰেংকিং কৰাৰ সময়ত বৈজ্ঞানিক গৱেষণাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়খনে অৰ্জন কৰা সফলতাৰ ওপৰত আটাইতকৈ বেছি গুৰুত্ব আৰোপ কৰা হয় বুলি কোৱা হৈছে। বৈজ্ঞানিক গৱেষণাৰ ক্ষেত্ৰত আমেৰিকা আৰু ইউৰোপৰ বিশ্ববিদ্যালয়সমূহ যে যথেষ্ট আগ বঢ়া সেইটো প্ৰতিবছৰে ঘোষণা কৰা ন'বেল বঁটাৰ তালিকাখনৰ পৰাই বুজা যায়। পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, চিকিৎসা বিজ্ঞান আৰু আনকি অৰ্থ বিজ্ঞানৰ ন'বেল আমেৰিকা আৰু ইউৰোপৰ বিভিন্ন আগশাৰীৰ বিশ্ববিদ্যালয়সমূহৰ অধ্যাপক-অধ্যাপিকাসকলে লাভ কৰা দেখা যায়। তাৰ তুলনাত ভাৰতবৰ্ষ বা এছিয়াৰ কোনোবা বিশ্ববিদ্যালয়ৰ অধ্যাপকে ন'বেল বঁটা পোৱাটো এক প্ৰকাৰৰ বিৰল বুলিয়েই ক'ব পাৰি। অৰ্মত্য সেন, সুব্ৰমণিয়াম চন্দ্ৰশেখৰ বা হৰগোবিন্দ খোৰানা আদি যি সকল ভাৰতীয় পণ্ডিতে ন'বেল বঁটা লাভ কৰিছে তেওঁলোকো ইউৰোপ-আমেৰিকাৰ বিশ্ববিদ্যালয়ৰ সৈতেহে জড়িত।

বিজ্ঞান বিষয়ক ন'বেল বঁটাসমূহ যিহেতু সম্পূৰ্ণ যোগ্যতা আৰু মেধাৰ ভিত্তিতহে দিয়া হয় গতিকে তাৰ পৰা অনুমান কৰিব পাৰি যে ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয় বা সমপৰ্যায়ৰ শিক্ষানুষ্ঠানসমূহ বৈজ্ঞানিক গৱেষণাৰ ক্ষেত্ৰত পিছ পৰি আছে। অথচ ভাৰতবৰ্ষত মেধাৱী ছাত্ৰৰ অভাৱ নাই বুলিয়েই ক'ব পাৰি। আমাৰ দেশৰ বহু মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে বিদেশৰ বিভিন্ন বিশ্ববিদ্যালয়ত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। ভাৰতবৰ্ষত থকা আই আই টিসমূহ অতি উচ্চ স্তৰৰ বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষানুষ্ঠান। টমাছ এল ফ্ৰিড্‌মেনে তেওঁৰ 'The world is Flat' নামৰ গ্ৰন্থখনত লিখিছে যে ভাৰতবৰ্ষৰ আই আই টিসমূহত নামভৰ্তিকৰণৰ বাবে যিটো প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হয় সেইটো হেনো পৃথিৱীৰ ভিতৰতে সবাতোকৈ কঠিন পৰীক্ষা আৰু ভাৰতবৰ্ষৰ বিভিন্ন ক্ষেত্ৰত ব্যাপক দুনীৰ্তিৰ পয়োভৰ আছে যদিও আই আই টিৰ বাছনি পৰীক্ষাত 'দুই নম্বৰী' ৰাস্তাৰে উত্তীৰ্ণ হোৱা কোনো ব্যৱস্থা নাই। সেই কাৰণে ভাৰতবৰ্ষৰ সকলো কোমল বয়সীয়া মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে আই আই টিত নামভৰ্তি কৰাটোকে নিজৰ জীৱনৰ লক্ষ্য কৰি লয় আৰু সেই প্ৰতিষ্ঠানসমূহত নামভৰ্তি কৰিবলৈ পালেই জীৱনটো সাৰ্থক হোৱা বুলি ভাবে। তেনেক্ষেত্ৰত ভাৰতবৰ্ষৰ আই আই টিসমূহে আমাৰ দেশৰ আটাইতকৈ চোকা ছাত্ৰ-ছাত্ৰীখিনিক আকৰ্ষিত কৰি লৈ যোৱাৰ পাছতো কোনো এখন আই আই টিয়েই বিশ্বৰ ৫০০ খন শ্ৰেষ্ঠ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ তালিকাত স্থান নোপোৱাটো সঁচাকৈয়ে চিন্তনীয় বিষয়।

পৃথিৱীৰ বিশ্ববিদ্যালয়সমূহৰ এনেকুৱা ৰেংকিং অকল ছাংহাই বিশ্ববিদ্যালয়েই প্ৰস্তুত নকৰে। এনেকুৱা ৰেংকিঙৰ তালিকা প্ৰস্তুত কৰা আন আন কিছু সংস্থা বা প্ৰতিষ্ঠানো আছে। উদাহৰণ স্বৰূপে লণ্ডনৰ পৰা প্ৰকাশিত বিখ্যাত 'টাইম' আলোচনীৰ শিক্ষা বিষয়ক পৰিপূৰিকা Time's Educational supplementতো এনেকুৱা ধৰণৰ ৰেংকিং মাজে-সময়ে প্ৰকাশ পায়। ঠিক তেনেদৰে কিউ এছ নামৰ কেৰিয়াৰ আৰু শিক্ষা সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় নেটৱৰ্ক এটাই অলপতে বিশ্বৰ ৬০০ খন বিশ্ববিদ্যালয়ৰ তালিকা প্ৰস্তুত কৰিছে আৰু এই তালিকাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ক অতিক্ৰম কৰি ইংলেণ্ডৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ে প্ৰথম স্থান অধিকাৰ কৰিছে চাৰিটা কথাৰ ওপৰত ভিত্তি কৰি—

ক. গৱেষণাৰ গুণগতমান
খ. স্নাতকসকলৰ নিয়োগ সম্ভাৱনা
গ. শিক্ষাদানৰ গুণগত মান
ঘ. শিক্ষক আৰু ছাত্ৰসকলৰ মাজত ভিন্ন দেশৰ ছাত্ৰ-শিক্ষকৰ সংখ্যা কিমান সেইটো।

যি সংস্থাই এনেকুৱা ৰেংকিং নকৰক কিয় বা যিহৰ ভিত্তিতেই এনেকুৱা ৰেংকিং কৰা নহওক কিয় ভাৰতৰ্বষৰ বিশ্ববিদ্যালয়সমূহ যে ইউৰোপ আৰু আমেৰিকাৰ বিশ্ববিদ্যালয়সমূহৰ তুলনাত বহু যোজন পিছ পৰি আছে। 'ইণ্ডিয়া টুডে' নামৰ আলোচনীখনে আজি কেইবছৰমান ধৰি শৈক্ষিক বৰ্ষ আৰম্ভ হোৱাৰ সময়ত ভাৰতবৰ্ষৰ কলেজ, বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয় আদিৰ এখন ৰেংকিং তালিকা প্ৰস্তুত কৰি আহিছে। এই বছৰৰ ১৮ জুলাই সংখ্যাত প্ৰকাশিত তালিকা অনুসৰি ভাৰতবৰ্ষৰ শীৰ্ষ পঞ্চাশখন কলা বিষয়ক মহাবিদ্যালয়ৰ তালিকাত অসমৰ কোনো মহাবিদ্যালয় নাই। শীৰ্ষ পঞ্চাশখন বিজ্ঞান বিষয়ক মহাবিদ্যালয়ৰ ক্ষেত্ৰত আমাৰ মাথোন কটন কলেজেহে ৪১ সংখ্যক স্থান লাভ কৰিছে। তেনেদৰে বাণিজ্য বিষয়টো অধ্যয়নৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ প্ৰথম ৫০ খন মহাবিদ্যালয়ৰ ভিতৰত অসমৰ কোনো মহাবিদ্যালয় অন্তৰ্ভুক্ত হোৱা নাই। চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত প্ৰথম ২৫ খন মেডিকেল কলেজৰ ভিতৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়খনে ২৩ তম্ স্থান অৰ্জন কৰিছে। ইঞ্জিনীয়াৰিং শিক্ষাৰ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত আই আই টিয়ে ২৫ খন শিক্ষানুষ্ঠানৰ ভিতৰত ১০ম স্থানত আছে। আনহাতে ভাৰতবৰ্ষৰ প্ৰথম ৫০ খন সাধাৰণ শিক্ষাৰ বিশ্ববিদালয়ৰ তালিকাত শেষৰ ফালে স্থান লাভ কৰিছে। গোটেই বিশ্বৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত ভাৰতবৰ্ষ যেনেদৰে বহু পিছ পৰি আছে ঠিক তেনেদৰে ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ পৰিমণ্ডলৰ ভিতৰত অসমখন আকৌ ভালেখিনি পিছ পৰি আছে। অসমৰ উচ্চ শিক্ষাৰ গুণগত মান সম্পৰ্কে আলোচনা কৰাৰ সময়ত এই প্ৰেক্ষাপটটো অৱশ্যেই মনত ৰখা প্ৰয়োজন।

বিশ্বৰ তুলনাত ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ গুণগত মান অৱনমিত হোৱাৰ কাৰণ ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থাত আছে সেইটো হ'ল আমাৰ দেশৰ শ্ৰেণী কক্ষত কিতাপ একোখন পঢ়ুওৱা হয়, কিতাপখনত কি আছে, সেইটো শিক্ষকে ছাত্ৰ-ছাত্ৰীক বুজাই দিয়ে— কিতাপখনৰ কথাখিনি ভালদৰে আয়ত্ত কৰাটোৱেই ছাত্ৰ-ছাত্ৰীৰ কাম। কিন্তু আমেৰিকাৰ শ্ৰেণী কোঠাত কিতাপ নহয় বিষয় এটাহে আলোচনা কৰা হয়। ছাত্ৰ-ছাত্ৰীসকল শ্ৰেণীলৈ আহোঁতে এটা নিৰ্দিষ্ট বিষয়ৰ কেইবাখনো কিতাপ আৰু গৱেষণাপত্ৰৰ অংশবিশেষ পঢ়ি আহিবলগীয়া হয় আৰু তাত শিক্ষা দান মানে 'আলোচনা'— কোনো এটা বিশেষ প্ৰশ্ন সম্পৰ্কে শিক্ষকে কি ভাবে, যিবোৰ লেখকৰ কিতাপ পাঠ্যক্ৰমত আছে তেওঁলোকে কি ভাবে এইবোৰ সমৰ্থন যোগ্য হয় নে নহয় সেই সম্পৰ্কে তীব্ৰ বাদানুবাদ আৰু উত্তপ্ত আলোচনা। শিক্ষকসকলে বিচাৰে ছাত্ৰ-ছাত্ৰীসকলে এনেকুৱা প্ৰশ্ন কৰক যাতে প্ৰচলিত ধাৰণা সম্পৰ্কে নতুন দিশৰ উন্মোচন হয় আৰু সেইমতে যেতিয়া ক্লাছবোৰ অনুষ্ঠিত হয় তেতিয়া শ্ৰেণী কোঠাবোৰ প্ৰাণৱন্ত আৰু আকৰ্ষণীয় হৈ উঠে।

আমাৰ দেশৰ উচ্চ শিক্ষাত এনেধৰণৰ বাতাৱৰণৰ পৰিৱৰ্তে নিৰ্দিষ্ট পাঠ্যক্ৰমৰ নিৰ্দিষ্ট বস্তুখিনি যিকোনো প্ৰকাৰে আয়ত্ত কৰি পৰীক্ষাত ভাল ফলাফল কৰিবলৈহে ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰা হয়। ফলত তেওঁলোকেও সাফল্যৰ চমু বাট বিচাৰি 'প্ৰাইভেট টিউচন' বা ক'ছিঙৰ শৰণাপন্ন হয়। এই টিউচন ব্যৱস্থা ছাত্ৰ-ছাত্ৰীৰ বাবে আপাতদৃষ্টিত লাভজনক যেন লাগে যদিও সামগ্ৰিক দৃষ্টিত ছাত্ৰ-ছাত্ৰীক ই চিৰজীৱনলৈ ঘূণীয়া কৰে। কিয়নো নিজে কৰিব লগীয়া কামটো ঘৰুৱা শিক্ষকৰ দ্বাৰা কৰাই উঠি ছাত্ৰ-ছাত্ৰীজনে নিজৰ সৃষ্টিশীলতা তথা উদ্ভাৱনী ক্ষমতা বিকশিত হোৱাৰ পথটো নিজে নিজেই বন্ধ কৰি দিয়ে। কিন্তু ভাৰতীয় অভিভাৱকসকলে আজিৰ প্ৰতিযোগিতাৰ নিগনি দৌৰত নিজৰ সন্তানক তিষ্ঠাই ৰাখিবলৈ পুৱাই -গধূলিয়ে টিউচনৰ উপৰি টিউচন ৰাখি দিব লগাত পৰিছে। ফলত সেই ছাত্ৰ-ছাত্ৰীসকল হয়তো জীৱন যুদ্ধৰ এটা পৰ্যায়ত সফল হৈছে, কিন্তু এই শিক্ষা ব্যৱস্থাই তেওঁলোকৰ দৃষ্টি আৰু লক্ষ্যৰ পৰিসীমাকো বহু পৰিমাণে সংকুচিত কৰি পেলাইছে। প্ৰখ্যাত অৰ্থনীতিবিদ অৰ্মত্য সেনে এবাৰ চীনৰ বেইজিং বিশ্ববিদ্যালয়ত বক্তৃতা দিওঁতে কিবা প্ৰসংগত প্ৰাইভেট টিউচনৰ প্ৰসংগ ওলাল। কিন্তু চীনৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰাইভেট টিউচন কি বুজি নাপায়। তেওঁক ওলোটাই এই সম্পৰ্কে প্ৰশ্ন কৰাত তেওঁ 'প্ৰাইভেট টিউচন' সম্পৰ্কে বুজাওঁতেও তেওঁলোকে বুজি নাপালে। যি কোনো দেশৰ সামগ্ৰিক বিকাশ আৰু উন্নয়নৰ সৈতে সেই দেশৰ উচ্চ শিক্ষাৰ ঘনিষ্ঠ সম্পৰ্ক আছে। আমেৰিকা, ইউৰোপ আদি দেশ উন্নত এই বাবেই যে সেইবোৰ দেশৰ উচ্চ শিক্ষা উন্নত কাৰণেও সেইবোৰ দেশ অধিক উন্নত হৈছে। উচ্চ শিক্ষা আৰু সমাজৰ সামগ্ৰিক বিকাশ ইটো সিটোৰ পৰিপূৰক। ভাৰতবৰ্ষৰ উন্নয়ন আৰু বিকাশৰ গতি ত্বৰান্বিত কৰিবলৈ হ'লে এই দেশৰ উচ্চ শিক্ষাৰ বিকাশ পৰিমাণগত আৰু গুণগত দুয়োদিশতেই হ'ব লাগিব। ভাৰতবৰ্ষৰ ১৮-২৫ বছৰ বয়সৰ যুৱক-যুৱতীৰ মাত্ৰ ১১-১২ শতাংশই উচ্চ শিক্ষাৰ সুযোগ পাইছে; তাৰ বিপৰীতে আমেৰিকা, ইউৰোপৰ দেশবিলাকত এই হাৰ ৫০ শতাংশতকৈও ওপৰত। গতিকে উচ্চ শিক্ষাৰ প্ৰসাৰ আৰু গুণগতমান উন্নয়ন এই দুয়োটা লক্ষ্য পূৰণ কৰিব পাৰিলেহে ভাৰতবৰ্ষৰ উচ্চ শিক্ষাই উন্নত ৰাষ্ট্ৰসমূহৰ উচ্চ শিক্ষাৰ সৈতে সমানে ফেৰ মাৰিব পাৰিব।

# অনুশাসন



চামচুন নাহাৰ
স্নাতক প্ৰথম বৰ্ষ

অনুশাসন বুলিলে সাধাৰণ অৰ্থ হৈছে Disciple ইংৰাজী Disciple শব্দটো লেটিন ভাষা। ৰুছোৰ মতে অনুশাসন আৰু শিষ্যৰ অৰ্থ একেটাই, এই কথা কোৱাৰ প্ৰয়োজন নাই যে বিদ্যালয় গৃহ, সমাজ পৰিৱেশ, সকলো ক্ষেত্ৰতে শৃংখলা অবিহনে কোনো কাৰ্যই সু-সম্পাদিত হোৱাটো সম্ভৱপৰ নহয়। গৃহ পৰিবেশত সন্তানে পিতৃ-মাতৃ, অভিভাৱকৰ নিৰ্দেশ মানি চলিব, বিদ্যালয়ত শিক্ষাৰ্থীয়ে শিক্ষকৰ উপদেশ মানি পঢ়া-শুনাত মনোযোগী হ'ব আৰু শিক্ষাকাৰ্য পুনৰ অনুশাসন কৰি বিদ্যালয়ৰ আইন যথাৰ্থভাৱে মানি চলিব আৰু সেইদৰে সামাজিক পৰিস্থিতিতো নাগৰিকে বৃহত্তৰ সমাজৰ বাধা-নিষেধ মানি চলিব— এনে ধৰণৰ কাৰ্যৰ ওপৰত অভিজ্ঞতা শিশুটিৰ সুস্থ বিকাশ সম্পূৰ্ণ নিৰ্ভৰ কৰিছে। তাকে নকৰি যদি ঘৰুৱা পৰিৱেশত শিশুৱে নিজৰ ইচ্ছা আৰু খেয়াল মতে কাম কৰে বিদ্যালয়ত যিহকে মন যায় তাকে কৰে তেন্তে গৃহ, বিদ্যালয় ক'তো শৃঙ্খলা ৰক্ষা কৰাটো সম্ভৱপৰ নহ'ব। বিশেষকৈ শৃঙ্খলা থকা প্ৰতিমুহূৰ্ত্তে অনুভৱ কৰা যায় শিক্ষাৰ ক্ষেত্ৰত, কাৰণ শিক্ষা প্ৰক্ৰিয়াক যদি আমি আচৰণৰ বাঞ্ছিত পৰিবৰ্তনৰ প্ৰধান অস্ত্ৰ বুলি ভাবোঁ তেন্তে এই পৰিবৰ্তন একমাত্ৰ সম্ভৱ হ'ব অনুশাসন বা শৃঙ্খলাৰ দ্বাৰাহে। সেই গতিকে প্ৰতি শিক্ষানুষ্ঠানৰ নিজা নীতি-নিয়ম, বাধা-নিষেধ, নিৰ্ধাৰিত কৰা থাকে। ইয়াৰ প্ৰধান উদ্দেশ্য হ'ল যাতে শিশু বিপথে যাব নোৱাৰে।

**বাহ্যিক আৰু আভ্যন্তৰীণ অনুশাসন**

বাহ্যিক আৰু আভ্যন্তৰীণ অনুশাসনৰ উদ্দেশ্য হৈছে মানুহৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰা যাতে তেনে নিয়ন্ত্ৰণৰ জৰিয়তে প্ৰত্যেক ব্যক্তিয়ে উন্নতিৰ জখলাত বগাব পাৰে আৰু তেওঁৰ ব্যৱহাৰে আনক উন্নতিৰ জখলাত বগোৱাৰ কাৰ্যত ব্যাঘাত জন্মাব নোৱাৰে। ব্যৱহাৰৰ নিয়ন্ত্ৰণ দুই ধৰণেৰে হ'ব পাৰে— প্ৰথম হ'ল নিয়ম ভংগ কৰিলে পাবলগীয়া শাস্তিৰ ভয়ত আৰু দ্বিতীয় নিয়ম অনুসৰণ উপকাৰিতাৰ উপলব্ধিৰ ফলত। প্ৰথমবিধ অৰ্থাৎ শাস্তিৰ ভয়ত উদ্ভৱ হোৱা অনুশাসনক বাহ্যিক অনুশাসন বুলি কোৱা হয়। দ্বিতীয়বিধক অৰ্থাৎ নিয়মৰ উপকাৰিতা উপলব্ধিৰ ফলত উদ্ভৱ হোৱা অনুশাসন আভ্যন্তৰীণ অনুশাসন বুলি কোৱা হয়। আভ্যন্তৰীণ অনুশাসন উপৰুৱা গুণ। এই ক্ষেত্ৰত নিয়ম আঁতৰ হ'লেই ব্যৱহাৰৰ নিয়ন্ত্ৰণো আঁতৰ হয়। আনহাতে আভ্যন্তৰীণ অনুশাসন এক ভিতৰৰ গুণ। বাহ্যিক নিয়ম আঁতৰ হ'লে ব্যৱহাৰিক নিয়ন্ত্ৰণ আঁতৰ নহয়।

**স্কুলৰ অনুশাসন**

স্কুলৰ অনুশাসন হৈছে বৰ্তমান শিক্ষা ব্যৱস্থাত শিশুক কেন্দ্ৰ কৰি শিক্ষা দিয়া ব্যৱস্থা শিক্ষাবিদসকলে সমৰ্থন কৰিছে। শিক্ষাদানৰ ক্ষেত্ৰত শিশুৰ প্ৰকৃতি আৰু প্ৰয়োজন বুজা দৰকাৰ। আধুনিক শিক্ষাবিদসকলৰ মতে খেলাৰ নিচিনা স্বাভাৱিক আৰু মুক্ত পৰিবেশৰ মাজেদি শিশুৰ জন্মগত বুদ্ধি-বৃত্তি, ব্যক্তিত্ব আৰু চৰিত্ৰৰ বিকাশ সম্ভৱ হয়। সেইবাবেই ৰুছো, ফ্ৰবেল, মণ্টেশ্বৰী নাম আদি শিক্ষাবোৰৰ প্ৰধান উদ্দেশ্য হৈছে খেলাৰ দৰেই পঢ়া-শুনাৰ প্ৰতি শিশুৰ স্বাভাৱিক আৰু আকৰ্ষণ জগাই তোলা। আগ্ৰহ আৰু প্ৰেৰণাৰ কাৰণে শিক্ষাৰ্থীয়ে বিদ্যালয়ৰ নিৰ্দেশ মানি চলিবলৈ দ্বিধাবোধ নকৰে, নিজ ইচ্ছাৰে শিশুৱে বিদ্যালয়ৰ নিৰ্দেশ মানি চলাৰ অৰ্থ এয়ে যে অনুশাসন আৰু অনুশাসনৰ মাজত কোনো বিৰোধ নাই। নিজৰ আগ্ৰহ আৰু প্ৰেৰণাৰ কাৰণে শিশুৱে যেতিয়া স্কুলৰ অনুশাসন মানি চলে তাক আত্মানুশাসন বুলি ক'ব পাৰি। আত্মানুশাসন আৰু ৰুছোৰ মুক্ত অনুশাসনৰ মাজত কোনো পাৰ্থক্য নাই। গতিকে দেখা গ'ল যে ৰুছোৰ মুক্ত অনুশাসন আৰু স্কুলৰ আত্মানুশাসনৰ মাজত পাৰ্থক্য নাই।





# শিশু শ্ৰমিক প্ৰতিৰোধ আৰু ইয়াৰ কাৰ্যকৰণত চৰকাৰ আৰু বেচৰকাৰী অনুষ্ঠানৰ ভূমিকা

গীতাশ্ৰী শইকীয়া
একাদশ মান

আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক। সেয়ে শিশুসকলক শ্ৰমিক ৰূপে যি এচামে বিভিন্ন কল-কাৰখানা, হোটেল বা ঘৰৰ বনকৰা লগুৱা বা লিগিৰী হিচাপে ব্যৱহাৰ কৰিছে এই কাৰ্যৰ প্ৰতিৰোধ কৰিব লাগে। শিশু শ্ৰমিক প্ৰতিৰোধত চৰকাৰী আৰু বেচৰকাৰী দুয়ো অনুষ্ঠানৰ ভূমিকা গুৰুত্বপূৰ্ণ।

**শিশু শ্ৰমিক প্ৰতিৰোধত চৰকাৰী অনুষ্ঠানৰ ভূমিকা**

এটি শিশুৰ প্ৰাথমিক শিক্ষা শিশুটিৰ জন্মগত অধিকাৰ। এই অধিকাৰৰ পৰা যাতে শিশুসকল বঞ্চিত নহয় তাৰ বাবে চৰকাৰে বিভিন্ন আঁচনি প্ৰস্তুত কৰিছে, যেনে সৰ্বশিক্ষা অভিযান আঁচনি। এই আঁচনিৰ জৰিয়তে ১৪ বছৰ বয়সলৈকে প্ৰতিটো শিশুৱে চৰকাৰী বিদ্যালয়সমূহত বিনামূলীয়া শিক্ষা গ্ৰহণ কৰিব পাৰিব। তাৰ বাবে চৰকাৰে মধ্যাহ্ন ভোজন, বিনামূলীয়া পাঠ্যপুথি বিতৰণ, সমসাজ বিতৰণ আদি বিভিন্ন সুবিধা প্ৰদান কৰিছে। যাতে খাদ্যৰ অভাৱত, পোছাক-পাতি বা পাঠ্যপুথিৰ অভাৱত শিশুসকল শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত নহয়। পিতৃ-মাতৃয়েও যাতে খুৱাব-পিন্ধাব বা পঢ়াব সুবিধা দিব নোৱাৰি শিশুসকলক শ্ৰমিক হিচাপে নিযুক্তি নিদিয়ে তাৰ বাবে পিতৃ-মাতৃসকলৰ বাবেও জব কাৰ্ড, বি. পি. এল কাৰ্ড আদি বিভিন্ন সুবিধা প্ৰদান কৰিছে।

**শিশু শ্ৰমিক প্ৰতিৰোধত বেচৰকাৰী প্ৰতিষ্ঠানৰ ভূমিকা**

বেচৰকাৰী প্ৰতিষ্ঠানসমূহেও শিশু শ্ৰমিক প্ৰতিৰোধত তলত দিয়া ধৰণে সহায় কৰিব পাৰে। যেনে—



**১। গণ মাধ্যমৰ জৰিয়তে ঃ** জনগণৰ মাজত সজাগতা বৃদ্ধি কৰি শিশু শ্ৰমিক প্ৰতিৰোধত অনুপ্ৰেৰণা দিব পাৰি।

**২। সভা-সমিতি পাতি ঃ** বেচৰকাৰী প্ৰতিষ্ঠানে মাতৃসভা আদি পাতি মাতৃসকলক সজাগ কৰিও শিশু শ্ৰমিক প্ৰতিৰোধত সহায় কৰিব পাৰি।

**৩। প্ৰচাৰ পত্ৰিকা বিতৰণৰ যোগে ঃ** শিশু শ্ৰমিক প্ৰতিৰোধ কৰক আদি প্ৰচাৰ পত্ৰিকা জনসাধাৰণৰ মাজত বিতৰণ কৰিও শিশু শ্ৰমিক প্ৰতিৰোধত সহায় কৰিব পাৰে।

**৪। চাৰ্ট, পোষ্টাৰ আদিৰ জৰিয়তে ঃ** চাৰ্ট, পোষ্টাৰ আদিৰ জৰিয়তে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰি শিশু শ্ৰমিক প্ৰতিৰোধত সহায় কৰিব পাৰে।

**৫। শ্ল'গানৰ জৰিয়তে ঃ** শ্ল'গানৰ জৰিয়তেও জনগণক সজাগ কৰি শিশু শ্ৰমিক প্ৰতিৰোধত সহায় কৰিব পাৰি।

**৬। গীতমাত পৰিৱেশনৰ যোগেদি ঃ** শিশু শ্ৰমিকক গীত-মাত পৰিৱেশনৰ যোগেদিও শিশু শ্ৰমিক প্ৰতিৰোধত সহায় কৰিব পাৰি।

**৭। বাটৰ নাট পৰিৱেশন কৰি ঃ** শিশু শ্ৰমিকৰ ওপৰত বাটৰ নাট পৰিৱেশন কৰি জনগণক সজাগ কৰি শিশু শ্ৰমিক প্ৰতিৰোধত সহায় কৰিব পাৰে।

**৮। থলুৱা আৰু সহজ ভাষাত বুজাকৈ ঃ** শিক্ষিত বা জনা-বুজাসকলে থলুৱা আৰু সহজ ভাষাত শিশু শ্ৰমিকৰ অপকাৰসমূহ বুজায়ো শিশু শ্ৰমিক প্ৰতিৰোধত সহায় কৰিব পাৰে।

পৃথিৱীত বসবাস কৰা প্ৰতিটো শিশুৰে নিজৰ বাল্যকালছোৱা সুন্দৰভাৱে উপভোগ কৰাৰ সম্পূৰ্ণ অধিকাৰ আছে। এই পৃথিৱীৰ বিভিন্ন দিশ চোৱাৰ, আবিষ্কাৰ কৰা তেওঁলোকৰো অধিকাৰ আছে। বস্তুগত পৃথিৱীখনৰ পৰা শিশুসকল সম্পূৰ্ণ মুক্ত। গতিকে তেওঁলোকক এইটো বয়সত মুক্তভাৱে পঢ়া-শুনা, খেলা-ধূলা, নাচ-গান আৰু সুন্দৰ প্ৰকৃতিৰ কোলাত ডাঙৰ-দীঘল হ'বলৈ এৰি দিব লাগে।

# শিষ্টাচাৰ

**ধ্ৰুৱজ্যোতি বৰুৱা**
স্নাতক তৃতীয় বৰ্ষ

মানুহৰ জীৱনত শিষ্টাচাৰ এক আৱশ্যকীয় অঙ্গ। ই অলংকাৰ স্বৰূপ। অলংকাৰে যেনেকৈ মানুহক সুন্দৰ কৰে তেনেকৈ শিষ্টাচাৰেও মানুহক সৌন্দৰ্যশালী কৰে। মানুহ সভ্য হোৱাৰ লগে লগে শিষ্টাচাৰ সচেতন হৈ পৰিল আৰু এনেদৰে আদিম মানুহে সভ্যতাৰ অলংকাৰ পিন্ধিলে। ইয়াৰ যোগেদি মানুহে মানুহৰ লগত সুমধুৰ সম্পৰ্ক গঢ়ি তুলিলে, ইজনে সিজনৰ প্ৰতি সচেতন হৈ পৰিল আৰু লগে লগে বিশাল মানৱ সমাজলৈ আহিল ঐক্য, শৃঙ্খলা।

শিষ্টাচাৰ মানুহৰ বাহিৰৰ আচৰণেই নহয়, ই অন্তৰৰ পৰা নিগৰি ওলোৱা এক মহৎ গুণ। মানুহে বাহিৰত দেখুৱাই সভ্য আচৰণ কৰিলেই শিষ্টাচাৰ প্ৰকাশ কৰা নুবুজায়, জীৱনৰ প্ৰতিটো কাম-কাজ আৰু আদৰ্শত ই বিৰিঙি ওলায়, গতিকে ই বাহিৰত দেখুওৱা সৌজন্যবোধেই নহয়; ই এক সু-সংস্কৃত অন্তৰৰ পৰিচায়ক।

আত্মসংযম আৰু মাৰ্জিত প্ৰকাশভঙ্গীৰ দ্বাৰাহে শিষ্টাচাৰ আহৰণ কৰিব পৰা যায়। বহু সময়ত অপ্ৰিয় সত্য প্ৰকাশৰ যোগেদি মানুহে নিজৰ সাহস আৰু দৃঢ়তা প্ৰকাশ কৰে। স্পষ্টবাদিতা এটা ভাল লক্ষণ হ'লেও ই বহু সময়ত সামাজিক শালীনতাবোধত আঘাত কৰে। শিষ্টাচাৰৰ কথা চিন্তা নকৰি এনেদৰে স্পষ্টবাদিতা প্ৰকাশ কৰিবলৈ গ'লে মানুহ অপ্ৰিয় হোৱাৰ সম্ভাৱনাই বেছি। শিষ্টাচাৰবোধসম্পন্ন মানুহে কেতিয়াও এনে আচৰণ নকৰে। তেওঁ যিমান পৰা যায় শালীনতা বা নিজৰ ব্যক্তিত্বৰ প্ৰভাৱ অক্ষুণ্ণ ৰাখি কোনো কথা বা কাৰ্য সমাজৰ আগত দাঙি ধৰে। এনে গুণৰ অধিকাৰী একেদিনাই হ'ব নোৱাৰে। ইয়াৰ কাৰণে দৰকাৰ আশৈশৱ সংস্কাৰৰ।

কিন্তু সেইবুলি শিষ্টাচাৰ মানে তোষামোদ নহয়। এইখিনিতে শিষ্টাচাৰী লোক এজনৰ স্বভাৱ আৰু তোষামোদকাৰী লোক এজনৰ স্বভাৱৰ পাৰ্থক্য চকুত পৰে। শিষ্টাচাৰসম্পন্ন মানুহ এজনে নিজৰ অসুবিধা কৰিও পৰৰ সুবিধা কৰি দিবলৈ আগ্ৰহী, আনহাতে তোষামোদকাৰীয়ে বিচাৰে নিজৰ সুবিধা, আত্মসুখ আৰু আত্মসমৃদ্ধি। শিষ্টাচাৰসম্পন্ন মানুহ সহজ-সৰল, তোষামোদকাৰীসকল সৌষ্ঠৱহীন, কুটিল। শিষ্টাচাৰত থাকে বিশ্বমুখিতা, তোষামোদত থাকে স্বাৰ্থপৰতা।

শিষ্টাচাৰৰ লগত দৃঢ়তা সংযুক্ত হৈ থাকিলে মানুহক ই সৰ্বগুণাকৰ কৰি তোলে। অমায়িক অথচ আত্মপ্ৰতিষ্ঠ লোক প্ৰিয় আৰু সত্যনিষ্ঠ মানুহ সমাজৰ আদৰণীয় আৰু সেইবোৰ লোক সমাজৰ নিম্ন স্তৰত থাকিলেও ভোটাতৰাৰ দৰে উজলি থাকে। বহু সময়ত দেখা যায় এই শ্ৰেণীৰ লোকসকল দুখীয়া হ'লেও এই স্বভাৱৰ গুণতেই এওঁলোক ঐশ্বৰ্যশালী হৈ পৰে। ঐশ্বৰ্যশালী ব্যক্তিয়ে এই স্বভাৱৰ গুণতেই পৰোপকাৰী হৈ আন দহজনৰ উন্নতিৰ কাৰণে নিজৰ অৰ্থ বিনিয়োগ কৰে। ক্ষমতাসম্পন্ন এনে মানুহৰ ওচৰলৈ যাবলৈ মানুহে কুণ্ঠাবোধ নকৰে আৰু তেওঁৰ পৰা ন্যায় আশা কৰে।

আজি আমাৰ সমাজত শিষ্টাচাৰহীনতাৰ প্ৰকোপ বাঢ়িছে। ইয়াৰ অন্যতম কাৰণ হ'ল দুৰ্নীতি। সমাজৰ বিভিন্ন স্তৰত দুৰ্নীতি শিপাই যোৱাৰ কাৰণে তৎক্ষণাৎ হোৱা ধনীৰ মাত্ৰা বাঢ়িছে। ধনৰ গৰ্বত তেওঁলোকে সৌজন্যবোধ পাহৰি যায় আৰু ধনেই জীৱনৰ সৰ্বস্ব বুলি ভাবে। বহু সময়ত পাশ্চাত্য আদৱ-কায়দাৰ প্ৰসাৰে শিষ্টাচাৰৰ জন্ম দিলেও বহু সময়ত সি শিষ্টাচাৰহীন যেন বোধ হয়। ভাৰতীয় আদৰ্শৰ প্ৰতি শ্ৰদ্ধাহীনতাও অশিষ্টাচাৰৰ অন্যতম কাৰণ। শিশুৰ ঘৰখনেই শিক্ষাৰ প্ৰথম আদৰ্শস্থান। ঘৰত শিষ্টাচাৰ বোধৰ বিষয়ে শিশুসকলক সচেতন কৰি নোতোলাৰ ফলতো সমাজত অশিষ্ট আচৰণৰ লোক বৃদ্ধি পাইছে। সমাজত নানা সমস্যাৰ উদ্ভৱ হেতুকে মূল্যবোধৰ ভেটি খহি গৈছে। নতুন কোনো মূল্যবোধৰ ভেটিও তৈয়াৰ হোৱা নাই। আনহাতে সামাজিক অসাম্য, ন্যায় বিচাৰৰ অভাৱ আৰু ধনিক শ্ৰেণীৰ ঔদ্ধত্য আৰু নিষ্ঠুৰতাই সৰ্বসাধাৰণ মানুহকো উদ্ধত আৰু অসংযমী কৰি তুলিছে। সমাজত গঢ় লৈ উঠা অশিষ্টাচাৰ ইয়াৰ এটা অন্যতম কাৰণ।

আজি আমাৰ দৈনন্দিন জীৱন যাত্ৰা অতিশয় ক্লান্তিকৰ। অবিচাৰ, দুৰ্নীতি, ক'লা বজাৰে যান্ত্ৰিক জগতখনক ক্ৰমাগতভাৱে কঠুৱা কৰি তুলিছে। এই পৰিস্থিতিত মানুহে শিষ্টাচাৰ, সৌজন্যবোধৰ সম্পৰ্ক গঢ়ি তুলিলেহে এই পৃথিৱীখন সুন্দৰ হ'ব। ইহে জীৱন কল্যাণকৰ কৰি তুলিব পাৰিব।





# ড° ভূপেন হাজৰিকা

**নিতুল নীৰৰ বৰা**
*স্নাতক প্ৰথম বৰ্ষ*

সঁচাকৈয়ে এটা গান শেষ হ'ল। গীত আৰু সুৰেৰে গোটেই বিশ্ব জয় কৰা অসমবাসীৰ পুত্ৰ, পিতা, মামা, দাদা আদি সম্বন্ধৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু আজি আমাৰ মাজত নাই। ২০১১ চনৰ ৫ নবেম্বৰৰ বিয়লি ৪ বাজি ৩৭ মিনিটত গোটেই অসমখনেই যেন এজন গৃহস্থক হেৰুৱালে, শোকাতুৰ হৈ পৰিল গোটেই অসম। অপ্ৰত্যাশিত যদিও ড° ভূপেন হাজৰিকাই, অসমৰ মানুহৰ 'ভূপেন দা'ই শেষ বিশ্বাস ত্যাগ কৰাৰ লগে লগে অসমখন নহয়, ভাৰত আৰু বিশ্বৰ সাংস্কৃতিক জগতখনেই যেন ম্ৰিয়মাণ হৈ পৰিল।

'ভূপেন দা' বুলি ক'লেই তেওঁৰ আৰু দ্বিতীয় এটা পৰিচয়ৰ প্ৰয়োজন নহয়। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পাছতে সাম্প্ৰতিক সময়ত সৰ্বাধিক উচ্চাৰিত নামটো আছিল সুধাকণ্ঠ ভূপেন দা। বয়সৰ ওচৰত কোনোদিনে হাৰ নামানি নিজকে 'দুৰন্ত তৰুণ' হিচাপে চিনাকি দি তেওঁ ভাল পাইছিল। প্ৰেমৰ গীত গাবলৈ বিজন যাযাবৰী শিল্পীৰ প্ৰয়োজন, বুঢ়া লুইতক অভিমান কৰি ৰাজপথত বিপ্লৱৰ ধ্বনি দিবলৈও একেজন শিল্পীৰে প্ৰয়োজন হয়; তেৰেই আছিল ভূপেন হাজৰিকা। শিশুৰ পৰা বুঢ়া-মেথালৈকে, চিনাকিজনৰ পৰা বহু অচিনাকিজনলৈ তেওঁ আছিল মাথোঁ ভূপেন দা। তেওঁৰ জীৱিত অৱস্থাত ৰচিত মধুৰ, অৰ্থপূৰ্ণ সকলো জাতিৰ পথ প্ৰদৰ্শক স্বৰূপ গীত, কবিতা আদি আমাৰ মাজত সীমাহীন সময়লৈকে থাকিব। কিন্তু এটাই দুখ যে ভূপেন হাজৰিকা নামৰ গোটেই ভাৰতৰ সেই মূল শিপাডাল আমাৰ মাজত কেতিয়াও নাথাকে। সৃষ্টিশীল শিক্ষক পিতৃ নীলকান্ত হাজৰিকা আৰু স্নেহশীল-সহনশীল গীত-পদ-মাতেৰে পৰিপূৰ্ণ মাতৃ শান্তিপ্ৰিয়া হাজৰিকা শদিয়াত থকা কালতে ভূপেন হাজৰিকাৰ ১৯২৬ চনৰ ৮ ছেপ্তেম্বৰত জন্ম হয়। ১৯৩০ চনৰ ৩০ অক্টোবৰত গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুলত অনুষ্ঠিত ৰাজহুৱা অনুষ্ঠানত গীত পৰিৱেশন কৰি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা চুমা আৰু আশিস লাভ কৰি ৫ বছৰ বয়সতে তেওঁ জীৱনৰ প্ৰথম সাংস্কৃতিক খোজটো দিয়ে। ১৯৩৩ চনত সোণাৰাম স্কুলৰ তৃতীয় শ্ৰেণীৰ শিশু ভূপেনক জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভাই কলকাতালৈ লৈ গ'ল বিষ্ণু ৰাভা ৰচিত গীত চেনোলা মিউজিকেল প্ৰডাক্টছ কোম্পানীত ৰেকৰ্ড কৰিবলৈ। জয়মতী, শোণিত কুঁৱৰী পালানাটত এটা সময়ত গীত গোৱা সেই ভূপেন হাজৰিকা ডাঙৰ হ'ল আৰু ১৯৩৯ চনত পিতৃ নীলকান্ত হাজৰিকা ৰচিত গীত 'অ মইনা কেতিয়া আহিলি তইঁ'ত ভূপেন হাজৰিকাই সুৰ আৰু কণ্ঠ দিলে। সেই চনতেই ভূপেন হাজৰিকাই ৰচিলে 'অগ্নিযুগৰ ফিৰিঙতি মই'। ১৯৪০ চনত তেজপুৰৰ পৰা মেট্ৰিক পাছ কৰি ভূপেন হাজৰিকাই কটন কলেজত পঢ়ে। ১৯৪৫ চনত বানাৰসীৰ কাশী হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৪৮ চনত সতী বেউলা কথাছবিৰ সংগীত পৰিচালনাৰ দায়িত্ব লাভ কৰে। তেওঁ বিদেশতো বিভিন্ন অনুষ্ঠানত অংশ গ্ৰহণ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল। ১৯৭২ চনৰ ১৪ ফেব্ৰুৱাৰীত বাৰ্লিনত অনুষ্ঠিত দ্বিতীয় আন্তৰ্জাতিক সংগীত সন্মিলনত যোগদান কৰিবলৈ আমন্ত্ৰিত হৈছিল, ১৯৮০ চনত জাপানৰ বুদ্ধিজীৱী সাংস্কৃতিক সংগঠন RO-ON ৰ দ্বাৰা আমন্ত্ৰিত হৈ ১৫ ছেপ্তেম্বৰত বিশ্বৰ ১২০ জন সৰ্বশ্ৰেষ্ঠ গণশিল্পীৰ সৈতে মুখ্য অতিথি শিল্পী ৰূপে যোগদান কৰে। ১৯৮৪ চনত ঢাকা টেলিভিশ্বনত গীত পৰিৱেশন আৰু সম্বৰ্ধনা গ্ৰহণৰ উপৰি বাংলাদেশ শিল্পকলা একাডেমীৰ আমন্ত্ৰণত সংগীত সন্মিলনত যোগদান কৰে। ১৯৯৩ চনত তেওঁ 'দাদা চাহেব ফাল্কে' বঁটা লাভ কৰে। এনেকৈয়ে সুধাকণ্ঠই ভাৰতৰ বাহিৰে-ভিতৰে বিভিন্ন ঠাইত প্ৰতিভা প্ৰকাশ কৰি নিজ দেশলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। জাতি-ধৰ্মৰ ভেদ ভাব বিচাৰ নকৰা ড° হাজৰিকাই সমাজলৈ আগ বঢ়োৱা গীতৰ অৱদান আছিল অতুলনীয়। গীতেৰে সুৰেৰে, কথাৰে সকলোকে মন্ত্ৰমুগ্ধ কৰিব পৰা যাযাবৰী শিল্পীজনৰ পৰিসৰো সেইবাবে বিশ্বৰ প্ৰান্তে প্ৰান্তে। তেওঁ প্ৰত্যেকটো গীতৰ যি ৰাগী সেই ৰাগীত দেশ-বিদেশৰ বিভিন্ন অঞ্চলত বিভিন্নজনৰ হিয়া উদ্বেলিত হৈ পৰে আৰু ইয়াৰ ফলতেই তেওঁক সংগীত সূৰ্য, সুধাকণ্ঠ, সংগীত সম্ৰাট, সংগীতৰ মুকুট বিহীন সম্ৰাট, সুৰৰ যাদুকৰ, কলাৰত্ন আদি বিভিন্ন উপাধিৰে বিভিন্নজনে অলংকৃত কৰিছে। সমাজৰ নিম্নশিক্ষিত আৰু উচ্চ শিক্ষিত সকলো লোকেই বুজিব পৰাকৈ তৈয়াৰ কৰা সেই কালজয়ী গীতবোৰ যেন এখন ভাগৱত স্বৰূপ। জীৱন কালত অগণিত ইতিহাস সৃষ্টিৰে নিজৰ লগতে অসম আৰু অসমীয়াৰ নাম চিৰদিনৰ বাবে বিশ্ববাসীৰ আগত প্ৰতিষ্ঠা কৰি থৈ যোৱা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই মৃত্যুৰ পিছতো ইতিহাস ৰচনা কৰি থৈ গ'ল। প্ৰকৃত শিল্পীৰ মৰণ নাই নতুবা মৃত্যু নহয়। জনতাৰ শিল্পী ড° ভূপেন হাজৰিকাৰ মৃত্যু হোৱা নাই আৰু হ'বও নোৱাৰে। গতিকে আমি তেওঁৰ গীতৰ জৰিয়তে আগ বঢ়োৱা আদৰ্শৰাজিক সদায় স্মৰণ কৰি জীৱনৰ বাটত সফলতাৰে আগবাঢ়ি যোৱাত প্ৰতিজ্ঞাবদ্ধ হোৱা উচিত।

# মূল্যবোধৰ শিক্ষাৰ প্ৰয়োজনীয়তা




**হাছিনা বেগম**

স্নাতক দ্বিতীয় বৰ্ষ


মূল্যবোধ বুলিলে মানুহৰ জীৱন ধাৰণৰ আদৰ্শকে বুজায়। এই মূল্যবোধে ব্যক্তিৰ জীৱনৰ নীতি নিৰ্ধাৰণ কৰাত আৰু ব্যক্তিত্বৰ সৰ্বাঙ্গীণ বিকাশ সাধন কৰাত সহায় কৰে। ঐতিহাসিক দৃষ্টিভঙ্গীৰে চালে মূল্যবোধে সদায় কোনো এবিধ বস্তুৰ ভাল দিশটোক বুজায়। পূৰ্বণি দাৰ্শনিক চিন্তাধাৰাত মূল্যবোধৰ ব্যাখ্যা দি কোৱা হৈছিল— 'সত্যম শিৱম সুন্দৰম্।' মূল্যবোধ হৈছে জীৱনৰ এক গতিশীল ধাৰা। প্ৰয়োজন, পৰিস্থিতি, সময় আৰু মানুহৰ সমস্যা অনুসৰি ইয়াৰ পৰিবৰ্তন হৈ থাকে। ব্যক্তিভেদে মূল্যবোধৰ অৰ্থও ভিন্ন হ'ব পাৰে। এজন ব্যক্তিয়ে যদি কোনো এক বিশেষ বিষয়ত অধিক মূল্য দিয়ে, আন এজনে আকৌ আন বেলেগ এটা বিষয়তহে অধিক গুৰুত্ব আৰোপ কৰিব পাৰে। কাৰণ সদায় নিজৰ আগ্ৰহ, ইচ্ছা, ৰুচি-অভিৰুচি, ভাল লগা, বেয়া লগা আদিৰ ওপৰত নিৰ্ভৰ কৰিহে মানুহৰ মনত মূল্যবোধ সৃষ্টি হয়। সেয়ে মূল্যবোধ সদায় পৰিবৰ্তনশীল।

সাধাৰণতে মানুহৰ মাজত ১২ টা প্ৰধান মূল্যবোধ আছে বুলি কোৱা হয়— শান্তি, সন্মান, আনন্দ, স্বাধীনতা, মানৱীয়তা, সহিষ্ণুতা, সহযোগিতা, একতা, সৎ, দায়িত্ববোধ আৰু সৰলতা। উপযুক্ত শিক্ষাৰ জৰিয়তে এটি শিশুক এই মূল্যবোধসমূহ বুজিবলৈ সহায় কৰিব লাগে আৰু ইয়াৰ বিকাশ কৰিব লাগে।

যিবিলাক চাৰিত্ৰিক বৈশিষ্ট্যৰ অৱস্থিতিয়ে এজন ব্যক্তিক প্ৰয়োজনীয়, আদৰণীয় আৰু সন্মানীয় কৰি তোলে সেইবিলাক বৈশিষ্ট্যকে মূল্যবোধ বুলি কোৱা হয়। এটি নৱজাত শিশুৱে জন্মতে কোনো মূল্যবোধ লৈ জন্ম গ্ৰহণ নকৰে। অৰ্থাৎ মূল্যবোধ কোনো জন্মগত গুণ নহয়। সকলো মূল্য প্ৰতিজন ব্যক্তিয়ে নিজৰ জীৱনত আহৰণ কৰি লোৱা গুণ। যিবিলাক গুণ এজন ব্যক্তিৰ বা এখন সমাজৰ বাবে লাভ কৰাটো প্ৰয়োজনীয়, সেইবিলাক গুণ আহৰণ কৰিবলৈ চলোৱা প্ৰচেষ্টাকে মূল্যবোধৰ শিক্ষা বোলে। এই মূল্যবোধৰ শিক্ষা প্ৰতিজন ব্যক্তিৰে সৰ্বাঙ্গীণ বিকাশৰ বাবে অতি প্ৰয়োজনীয়। কাৰণ মূল্যবোধৰ শিক্ষাই এজন ব্যক্তিক তেওঁৰ সুপ্ত প্ৰতিভাসমূহ বিকাশ সাধনত সহায় কৰি জীৱনৰ উচ্চ শিখৰত নিজকে উপনীত কৰাত অৰিহণা যোগাব পাৰে। বৰ্তমান সমগ্ৰ পৃথিৱীৰ মানৱ সমাজে যুদ্ধ-বিভীষিকা আৰু জীৱনৰ প্ৰতি অহা বিভিন্ন ভাবুকিৰ মাজত জীৱন নিৰ্বাহ কৰিছে। সেয়েহে বৰ্তমান সময়ত মূল্যবোধৰ শিক্ষাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

মূল্যবোধ হ'ল সমাজ এখনৰ মূল কাৰক। অৰ্থাৎ সমাজ এখন ধৰি ৰাখে মূল্যবোধে। মানৱ সমাজ বিকাশত আদিম কালৰে পৰা অভিজ্ঞতাৰ মাজেৰে বহুবোৰ মূল্যবোধ আহৰণ কৰিছে। সময়ৰ বিচাৰত তাৰ বহু অদৰকাৰী বুলিও মানুহে ভাবিছে। সেইবোৰ এৰিও পেলাইছে। কিন্তু এনেবোৰ মূল্যবোধৰ খোকোচাত উঠিয়েই মানুহে সভ্যতাৰ শিখৰ বগাইছে।

নৈতিক, আধ্যাত্মিক, নান্দনিক আদি বিভিন্ন মূল্যবোধে মিলি-জুলিহে মানৱ জীৱনবোধ সমৃদ্ধি কৰিছে। এনেবোৰ মূল্যবোধ আছে বাবেই মানুহ অইনবোৰ জীৱতকৈ শ্ৰেষ্ঠ বুলি পৰিগণিত হৈছে। গতিকে মানৱ সমাজ থাকে মানে নৈতিক শিক্ষাবো প্ৰয়োজনীয়তা থাকিব। তদুপৰি বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিয়ে নানান সুবিধা দিয়াৰ ফলত মানুহ বস্তুবাদী, ব্যক্তিবাদী আৰু ভোগবাদী হৈ পৰিছে। ব্যক্তিগত ভোগৰ বাবে মানুহে যিকোনো কামেই কৰিব পৰা হৈছে। এনে পৰিস্থিতিত সমাজৰ কল্যাণৰ বাবে মূল্যবোধৰ শিক্ষা অপৰিহাৰ্য হৈ পৰিছে।

মূল্যবোধ বিকাশৰ বাবে শিক্ষা ব্যৱস্থাই ইতিমধ্যেই বহু ব্যৱস্থা গ্ৰহণ কৰিছে। তাত্ত্বিকভাৱে মূল্যবোধৰ শিক্ষাত গুৰুত্ব কম দিয়া হৈছিল যদিও বৰ্তমান তাৰো ব্যৱস্থা হৈছে। ভাৰতৰ প্ৰাচীন শিক্ষা ব্যৱস্থাতো মূল্যবোধ শিক্ষা অপৰিহাৰ্য আছিল। যম, নিয়ম আদি শিক্ষাৰ প্ৰাৰম্ভিক প্ৰস্তুতিৰ দৰে আছিল এতিয়াও বিদ্যালয় শিক্ষাৰ লগত যোগ, ধ্যান, প্ৰাণায়াম আদিৰ সাধাৰণ শিক্ষা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীক শাৰীৰিক শৃংখলাৰ বিষয়ে শিকাব পাৰি।

বিভিন্ন শিক্ষাবিদে মূল্যবোধক বিভিন্ন প্ৰকাৰে ভাগ কৰিছে। ৰোকে এচ্-এ মূল্যবোধসমূহক দুটা বহল শ্ৰেণীত ভাগ কৰিছে। সেইকেইটা হ'ল— (ক) যান্ত্ৰিক বা সহায়ক আৰু (খ) অন্তিম বা অন্তৰ্নিহিত প্ৰমূল্য।

যিবোৰ প্ৰমূল্যক কোনো এটা বিশেষ বস্তুৰ বাবে অথবা কিবা প্ৰয়োজনত ভাল বুলি বিচাৰ কৰা হয় সেইবোৰ প্ৰমূল্যক যান্ত্ৰিক বা সহায়ক প্ৰমূল্য বুলি কোৱা হয়। আনহাতে যিবোৰ প্ৰমূল্য বস্তু বা কাৰ্য বা ঘটনাৰ প্ৰান্ত দেশত অন্তৰ্ভুক্ত তেনেবোৰ প্ৰমূল্যকে অন্তিম প্ৰমূল্য বুলি কোৱা হয়।

কিছুমান বিশেষজ্ঞই প্ৰমূল্যবোধক আন কেইটামান ভাগত বিভক্ত কৰিছে। যেনে— প্ৰাকৃতিক বা স্বাভাৱিক মূল্যবোধ, অৰ্থনৈতিক মূল্যবোধ, আধ্যাত্মিক মূল্যবোধ, নৈতিক মূল্যবোধ, সামাজিক মূল্যবোধ, জাতীয় মূল্যবোধ, আন্তৰ্জাতিক মূল্যবোধ ইত্যাদি।

প্ৰমূল্যৰ অথবা মূল্যবোধ শিক্ষাৰ অৰ্থ হৈছে বিভিন্ন ধৰণৰ প্ৰমূল্যৰ, যেনে প্ৰাকৃতিক বা স্বাভাৱিক, অৰ্থনৈতিক, সামাজিক, নৈতিক আৰু কৰ্তব্য বিষয়ক, লগতে আধ্যাত্মিক আদি প্ৰমূল্যসমূহ মানুহৰ জীৱন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত গুৰুত্ব সম্পৰ্কে উপলব্ধি কৰাৰ শিক্ষা। মূল্যবোধৰ শিক্ষাই মানুহৰ অস্তিত্বৰ বাবে ভিন্ন ধৰণৰ প্ৰমূল্যসমূহত গুৰুত্ব উপলব্ধিত সহায় কৰে। মানুহৰ জীৱনৰ ভিন্ন অৱস্থাত প্ৰমূল্য শব্দটো ভিন্ন ধৰণে ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে, অৰ্থনীতিৰ ক্ষেত্ৰত মানুহ আৰু সমাজৰ সকলো ধৰণৰ বস্তুগত দিশ বুজাবলৈ মূল্য শব্দটো ব্যৱহাৰ কৰা হয়।

বৰ্তমান শিক্ষা ক্ষেত্ৰত মূল্যবোধৰ ধাৰণাই এক গুৰুত্বপূৰ্ণ স্থান পোৱা উচিত। শিক্ষাৰ নিম্ন পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়লৈ এই শিক্ষা প্ৰদান কৰিব পাৰি।

❑ ❑ ❑

### স্মৰণীয় কথা

- বাহিৰৰ চোৰক পহৰা দিব পাৰি; পৰিয়ালত থকা ঘৰুৱা চোৰক পহৰা দিয়া টান।
- সজ বিবেকহীন জ্ঞানতকৈ জ্ঞানীহীন সজ বিবেক ভাল।
- চাকৰ দেখি গিৰীহঁত কেনে বুজিব পাৰি।



# ঐতিহ্যৰ মাজত বৰ্তমান

## মাজুলী

প্ৰতিমা দাস
স্নাতক প্ৰথম বৰ্ষ

পৃথিৱীৰ বৃহত্তম নদীদ্বীপ মাজুলীৰ প্ৰকৃতি বৰ্ণনা। বিশাল ব্ৰহ্মপুত্ৰৰ বিশাল বুকুৰ মাজতে চিৰদিন অতীত স্মৃতিৰ পৰা বিজড়িত হৈ থকা বিশ্বৰ বৃহত্তম নদীদ্বীপ 'মাজুলী'। যি অসমৰ ঐতিহ্য, কলা-সংস্কৃতিৰ অন্যতম উৎকৃষ্ট কাৰক হৈ পৰিছে। প্ৰকৃতিৰ ৰম্য কানন, লৌহিত তথা ব্ৰহ্মপুত্ৰৰ জলধাৰাৰে ধৌত, সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ, ঐতিহাসিক সম্পদৰে ভৰপূৰ বিশ্বৰ ঐতিহ্য ক্ষেত্ৰ, বহু সৌন্দৰ্যৰ ৰম্যভূমি, একতা মহত্বৰ থলী 'মাজুলী'।

একালত 'ৰত্নপুৰ' নামেৰে প্ৰসিদ্ধি থকা এই মাজুলীৰ উৎপত্তি সম্পৰ্কীয় কিংবদন্তি অনুসৰি প্ৰাচীন কালত জীতাৰি বংশৰ ৰজা আৰিমত্তই পিতৃ মাথামত্তৰ সহিত চিকাৰলৈ যাওঁতে পশু বুলি শৰ নিক্ষেপ কৰোঁতে দৈৱক্ৰমত পিতৃ বধ হ'ল। পিতৃ হত্যা প্ৰায়শ্চিত্তৰ বিধান শ্ৰুতি স্মৃতিৰ বাহিৰৰ হোৱা বাবে মহাবাহু ব্ৰহ্মপুত্ৰতেই ধন-সোণ অৰ্পণ কৰি দোষ মুক্ত হ'বলৈ যত্ন কৰিছিল কিন্তু সেই দান ব্ৰহ্মপুত্ৰই গ্ৰহণ নকৰি বলুকা পেলাই গতিধাৰা সলনি কৰিলে। সেই বলুকাংশই 'মাজুলী'।

এই সম্পৰ্কীয় আন এক কিংবদন্তি অনুসৰি পৰশুৰামে মাতৃ হত্যা পাপ মোচনৰ বাবে পৃথিৱী পৰ্যটন কৰি অৱশেষত পৰ্বত কাটি পৰশুকুণ্ডৱেদি ব্ৰহ্মপুত্ৰক পৃথিৱীলৈ বোৱাই অনাৰ পাছত হাতৰ কুঠাৰ খহি পৰিছিল। ইয়াৰ পাছত বিষ্ণুক ধ্যান কৰি থকাৰ সময়তে ব্ৰহ্মপুত্ৰ পৰশুৰামৰ দুই জানুৰ কাষেদি দুটি ধাৰা বৈ যায়। সেই ধ্যানস্থ অংশই নদীদ্বীপ 'মাজুলী'।

ত্ৰয়োদশ শতিকাৰ পৰা ষষ্ঠদশ শতিকাৰ ভিতৰত পৃথিৱীৰ খেয়ালৰ ফলত দিহিঙে- ব্ৰহ্মপুত্ৰই মিলি জন্ম দিলে মাজুলী দ্বীপ। সাগৰৰ অটল গৰ্ভৰ পৰা মূল্যবান মানিক উদ্ধাৰৰ চেষ্টা অব্যাহত ৰখাৰ দৰে মাজুলীৰ বুকুৰ পৰাও নানা তথ্যৰাজি উদ্ধাৰৰ বাবে গৱেষকসকলে গৱেষণা অব্যাহত ৰাখিছে।

অসমত আহোম ৰাজত্বৰ কালত ইয়াৰ নাম মাজালি, মজালি, মাযালি আদি থকা বুৰঞ্জীত আছে। অষ্টাদশ শতিকাত ড° জে. পি ৱেডে পোনতে মাজুলী শব্দটো ব্যৱহাৰ কৰে। পানীৰে আবৃত্ত, জল পৰিবেষ্টিত অৰ্থতেই মাজুলী শব্দটো ব্যৱহাৰৰ বিষয়ে হেমকোষত আছে। তদুপৰি অতুলচন্দ্ৰ হাজৰিকাৰ মতে, মাজুলী দ্বীপটো এসময়ত শস্য-মৎস্যৰে উভেনদী ভোগালী ঠাই আছিল বাবে ইয়াকে সন্ধি কৰি 'মা মানে 'লক্ষ্মী' আৰু 'জুলী' মানে 'ভৰাঁল' অৰ্থাৎ মা+জুলী=মাজুলী শব্দৰ উৎপত্তি হয়।

অসমীয়া সাহিত্যৰ ৰবঘৰৰ বাৰেৰহণীয়া অসমীয়া সংস্কৃতিৰ সম্পদেৰে ভৰপূৰ মাজুলী। মাজুলীৰ সাংস্কৃতিক বৈশিষ্ট্য ৰক্ষাত সেই অঞ্চলত বসবাস কৰা মিচিং আৰু দেউৰীসকলে অশেষ অৱদান আগ বঢ়াইছে। সেই অঞ্চলত পুৱা-গধূলি দবা-কাঁহ, খোল-তালৰ শব্দই মাজুলীৰ বুকুত ভক্তিৰ নিৰ্যাস বোৱাই পবিত্ৰ নিৰ্মল আৰু আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰে। শংকৰ-মাধৱৰ ঐতিহাসিক মনি-কাঞ্চন সংযোগস্থল মাজুলীৰ গাঁৱে-ভূঞে, সত্ৰই-নামঘৰে হৰিনামৰ ধ্বনি আৰু সাংস্কৃতিক চৰ্চাৰ গুণগুণনি শুনিবলৈ পোৱা যায়। সমগ্ৰ বিশ্বৰ ইতিহাসত প্ৰসিদ্ধ ঠাইসমূহৰ লগত স্থান পোৱা মাজুলীৰ আটাইতকৈ আকৰ্ষণীয় সম্পদ তথা জীৱনী শক্তি হ'ল— ধৰ্ম আৰু সংস্কৃতিৰ ধ্বজাবাহী সত্ৰসমূহ। বৰ্তমান মাজুলীত চাৰি সংহতিৰ প্ৰায় ৩৬ খন সত্ৰ আছে। ইয়াৰে কিছুমান সত্ৰ ৰজাঘৰীয়া পৃষ্ঠপোষকতাত আৰু কিছুমান গুৰু ঘৰীয়া পৃষ্ঠপোষকতাত গঢ়ি উঠিছে। ইয়াৰ বাহিৰেও প্ৰকৃতিৰ দুৰ্যোগৰ বাবে কিছুমান সত্ৰ স্থানান্তৰ হৈ মাজুলীৰ বাহিৰত প্ৰতিষ্ঠা হৈছে। মাজুলীৰ সত্ৰসমূহৰ ভিতৰত আকৰ্ষণীয় আৰু মূল সত্ৰসমূহ হ'ল— আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ, দক্ষিণপাট সত্ৰ, বেঙেনাআটী সত্ৰ, কমলাবাৰী সত্ৰ, চামগুৰি সত্ৰ, ভোগপুৰ সত্ৰ আদি উল্লেখযোগ্য।

এই বিশাল সংস্কৃতিৰ গৰাকী মাজুলী বৰ্তমান অৱস্থাত বানপানী আৰু গৰাখহনীয়াৰ বাবে একোটা সমস্যাই নহয় ই সন্ত্ৰাসত পৰিণত হৈছে। প্ৰতি বছৰে ধোৱাই যোৱা বানপানী আৰু ভূখণ্ডক সংকুচিত কৰা খহনীয়াই মাজুলীৰ আন্তঃগাঁথনি বিশেষকৈ আৰ্থিক, সামাজিক, যাতায়াত আদিৰ উন্নতিৰ ক্ষেত্ৰত প্ৰতিবন্ধক হৈ থিয় দিছে। এই দুই সমস্যা সমাধানৰ বাবে চৰকাৰী-বেচৰকাৰীভাৱে বহুতো আঁচনি লোৱা হৈছে যদিও সফল পৰিণতিত উপনীত হোৱা দেখা পোৱা নাই। উপযুক্ত সংৰক্ষণ কৰিবলৈ সক্ষম নহ'লে এটা ধুনীয়া সম্পদ পৃথিৱীৰ বুকুৰ পৰা নিশ্চিহ্ন হ'ব সোনকালে।

মাজুলীৰ জনসাধাৰণ মূলতঃ কৃষিজীৱী। মাজুলীৰ সাৰুৱা ভূমিত প্ৰকৃতিয়ে অকৃপণভাৱে যেন সকলো সম্পদ প্ৰদান কৰিছে। বনজ সম্পদত মাজুলী চহকী। ইয়াৰ নৈ চাপৰি, জলাশয়, পিটনি, ডোবা, বিল আদি হ'ল বিভিন্ন চৰাইৰ বিচৰণথলী। লগতে এই নৈত বিভিন্ন প্ৰজাতিৰ মাছো দেখিবলৈ পোৱা যায়। পানীৰে আবৃত্ত হোৱা বাবেই মাজুলীৰ লগত বাহিৰৰ একমাত্ৰ যোগাযোগ পথ হ'ল জলপথ। নাও অথবা জাহাজেই ইয়াৰ মূল বাহন।

বানপানী, গৰাখহনীয়াৰ বাবে সেই অঞ্চলৰ কৃষিজীৱী লোকসকলৰ লগতে প্ৰকৃতি জগতো বহু সমস্যাৰ সন্মুখীন হ'ব লগীয়াত পৰিছে। তথাপিও বিভিন্ন সমস্যাৰ মাজতো মাজুলীৰ বুকুত অদ্যপৰিমিত জীৱন্ত হৈ থকা ঐতিহাসিক সৌন্দৰ্য, ৰমণীয় প্ৰাকৃতিক সুষমাই মাজুলীক উজলাই ৰাখিছে আৰু সদায় উজলি থাকে যেন— তাৰে কামনা কৰিব লাগে বিশ্ববাসীয়ে।

**স্মৰণীয় কথা**

- নিজক চিনি পোৱাৰ সমান জটিল কাম একো নাই।
- অধিক শিক্ষাই যি কৰিব নোৱাৰে, উদাহৰণে তাতকৈ বেছি কৰিব পাৰে।
- ল'ৰা-ছোৱালী আৰু মূৰ্খ মানুহে সঁচা কথা কয়।
- অহংকাৰে ঘোঁৰাত উঠি ঘৰ এৰে, কিন্তু খোজ কাঢ়ি উলটি আহে।
- জীৱনৰ অন্তিম কালত মৰণৰ ব্যৱস্থা কৰি ঈশ্বৰে প্ৰকৃততে জ্ঞানৰ চিনাকি দিছে।
- কাণে নুশুনিলে হৃদয়ে বেজাৰৰ হাত সাৰে।

# এইড্‌ছ (AIDS) এক ভয়াবহ ব্যাধি



ৰুকছানা আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ

বৰ্তমান যুগৰ এক ভয়াবহ মহামাৰি হ'ল এইড্‌ছ। প্ৰথমবাৰৰ বাবে এই মহামাৰি ৰোগবিধ ১৯৮১ চনত আমেৰিকাৰ লছ এঞ্জেলছ চহৰত প্ৰথমবাৰ ধৰা পৰে। AIDS ৰোগ ১৯৮৩ চনত পেৰিছৰ পেষ্টিঅ'ৰ গৱেষণাগাৰত লাঁ মঁণ্টেগ্নিয়াৰ (Lue Montagnier) নামৰ বিজ্ঞানীজনে ধৰা পেলায়। এইড্‌ছ ৰোগক ইংৰাজীত 'একুৱাৰ্ড ইমিউন' ডেফিচিয়েঞ্চি চিণ্ড্ৰম' (AIDS-Acquired Immune Deficiency Syndrome) বুলি নামকৰণ কৰা হৈছে। এইড্‌ছ ৰোগ কেতিয়াৰ পৰা পৃথিৱীলৈ আহিছে তাৰ সঠিক উত্তৰ আজিও পোৱা নগ'ল যদিও অনুমান হয় যে ষাঠি দশকৰ আগত এই ৰোগ পৃথিৱীত নাছিল। কোনো কোনোৰ মতে, এই ৰোগৰ বীজাণু অন্য গ্ৰহৰ পৰা অচিন বস্তুৰ লগত পৃথিৱীলৈ আহিছে। আকৌ কাৰোবাৰ মতে আফ্ৰিকাত থকা এক ধৰণৰ বান্দৰৰ দেহৰ পৰা এনে ৰোগ অৰ্থাৎ এইছ আই. ভি (HIV) ভাইৰাছ মানুহৰ দেহলৈ বিস্তাৰিত হৈছিল। এই এইড্‌ছ ৰোগৰ ভাইৰাছটো হৈছে— (HIV - Human Immune Virus.) এইছ আই. ভি। এইড্‌ছ ভাইৰাছ এক ধৰণৰ ৰেট্ৰ'ভাইৰাছ (Retrovirus) যাৰ দেহত বংশগতিৰ পদাৰ্থ (RNA) থাকে। আকাৰত এইবিলাক ১০০ নেন' মিটাৰতকৈ সামান্য ডাঙৰ (১ নেন'মিটাৰ = ১/১০০০,০০০ মি.মি.)। বৰ্তমান সময়ত ই এক কালনাশক ভাইৰাছৰ পৰা হোৱা ব্যাধি ৰূপে চিহ্নিত হৈছে। বৰ্তমান যুগত দুই ধৰণৰ এইড্‌ছ ভাইৰাছ চিনাক্ত কৰা হৈছে। এবিধক HIV-I আৰু আনবিধক HIV-II বোলা হয়। এণ্টিজেন (Antigen)ৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি এনে বিভাজন কৰা হৈছে। ই দেখাত প্ৰায় ঘূৰণীয়া। এনে ধৰণৰ ভাইৰাছ কেৱল মানুহৰ আৰু বান্দৰৰ দেহ কোষত বংশ বৃদ্ধি কৰে।

**এইড্‌ছ ৰোগ হোৱাৰ লক্ষণ ঃ** এইড্‌ছ ৰোগৰ লক্ষণসমূহক দুটা ভাগত ভাগ কৰা হৈছে। যেনে— ১। মুখ্য লক্ষণ, ২। গৌণ লক্ষণ।

১। মুখ্য লক্ষণ

ক) শৰীৰৰ ওজন অকাৰণত অত্যধিক কমি যোৱা।
খ) এমাহতকৈ অধিক বিৰামহীন জ্বৰ।
গ) নেৰা-নেপেৰাকৈ বা প্ৰায়ে পনীয়া শৌচ হোৱা।

২। গৌণ লক্ষণ

ক) শৰীৰৰ বিভিন্ন ঠাইত লিম্ফগ্ৰন্থিসমূহ উখহি উঠা।
খ) গোটেই গাত দেখা দিয়া খজুৱতি বা ঘামচিৰ নিচিনা ৰোগ।
গ) মুখৰ ভিতৰত আৰু জিভাত বগা বগা দাগ পৰা বা ছত্ৰাকে (fungi) বাহ লোৱা।
ঘ) এমাহতকৈ অধিক দিন কাহত বা হাপানিত ভুগি থকা।

**এইড্‌ছৰ আক্ৰমণ**

১। এই ৰোগৰ বীজাণু থকা পুৰুষ বা মহিলাৰ লগত যৌন সম্পৰ্ক গঢ় ল'লে।
২। ৰোগীক তেজ দিয়াৰ সময়ত তেজত এইড্‌ছৰ বীজাণু আছে নে নাই অনেক সময়ত পৰীক্ষা কৰা নহয়। এনেধৰণেৰে তেজ দিলে অনেক সময়ত এইড্‌ছৰ ৰোগ ধৰা নপৰা লোকৰ তেজত বীজাণু থাকিব পাৰে।
৩। সন্তান প্ৰৱসৰ সময়ত আক্ৰান্ত মাতৃৰ পৰা সন্তানৰ দেহলৈ ৰোগ সংক্ৰমণ হয়। আক্ৰান্ত মাতৃৰ গাখীৰৰ লগতো বীজাণু শিশুলৈ সংক্ৰমিত হয়।
৪। স্বাস্থ্যকৰ্মী বা ডাক্তৰৰ অসাৱধানতাবশতঃ ৰোগীৰ তেজৰ সংস্পৰ্শলৈ আহিলেও ৰোগ বিয়পে।
৫। অসুৰক্ষিত যৌন সংগম।

**কি কি কাৰণত এইড্‌ছ ৰোগ সংক্ৰমিত নহয়**

১। একেটা ঘৰত একেলগে বাস কৰা।
২। দৈহিক স্পৰ্শ, কৰমৰ্দন কৰা।
৩। একেলগে খেলা-ধূলা কৰা।
৪। একেলগে ভোজন কৰা।
৫। এইড্‌ছ ৰোগীৰ পানী লগা, হাঁচি, কাহ ইত্যাদি।

**এইড্‌ছ আক্ৰান্ত লোকৰ পৰিসংখ্যা**

১৯৮১ চনত আমেৰিকাতে চাৰিজন লোকৰ মাজত প্ৰথম এইড্‌ছ ৰোগ ধৰা পৰে। ইয়াৰ পিছত পৃথিৱীৰ বিভিন্ন দেশত এই ৰোগত ভোগা মানুহৰ সংখ্যা দিনে দিনে বৃদ্ধি পাবলৈ ধৰিলে। বৰ্তমান সমগ্ৰ বিশ্বত প্ৰায় ৪০ নিযুত এইড্‌ছ ৰোগী আছে বুলি অনুমান কৰা হৈছে। প্ৰতি ১৪ ছেকেণ্ডত এজনকৈ লোক এই ৰোগত আক্ৰান্ত হয়। দক্ষিণ-পূব এচিয়াৰ প্ৰায় ৯৫% ৰোগী থাইলেণ্ড আৰু ভাৰতবৰ্ষত আছে। প্ৰতি বছৰে ৰোগীৰ সংখ্যা দ্বিগুণ হৈ গৈ আছে। ১৯৯৪ চনত কৰা এটা সমীক্ষাৰ মতে অসামাজিক যৌনাচাৰৰ বাবে ভাৰতবৰ্ষত ৭৫% লোক আক্ৰান্ত হৈছে। বাকী কাৰণৰ ভিতৰত তেজ দানৰ ফলত ১২% লোক আক্ৰান্ত হৈছে।

বৰ্তমানলৈকে এইড্‌ছ ৰোগৰ কোনো ঔষধ আৱিষ্কাৰ হোৱা নাই। কেৱল কোনো কোনো ঔষধ ব্যৱহাৰ কৰি ৰোগৰ প্ৰকোপ কিছুদিনলৈ কমাই ৰাখিব পৰাহে সম্ভৱ হৈছে। HIV-ত আক্ৰান্ত ব্যক্তি এজন "HIV Test" নামৰ এক তেজ পৰীক্ষাৰ দ্বাৰা চিনাক্ত কৰিব পাৰি আৰু এই তেজ পৰীক্ষা কিছুমান নিৰ্দিষ্ট চিকিৎসাৰ আয়োজিত কৰা তেজ পৰীক্ষা শিবিৰত কৰিব পাৰি। এই ৰোগত আক্ৰান্ত মানুহ কেৱল ৮-১০ বছৰ বয়সলৈকে জীয়াই থাকিব পাৰে। এই ভাইৰাছ বিভাজন ৰোধ কৰাৰ বাবে বৰ্তমান 'এইড্‌ছথাই মিডিন' (AZT) আৰু 'TIAS' নামৰ ঔষধ দুবিধ ব্যৱহাৰ কৰা হয়।

এইড্‌ছত আক্ৰান্ত লোকৰ বৰ্তমান সময়ত চলি থকা ভাৰতবৰ্ষ, অসম আৰু নগাঁৱৰ তালিকা তিনিখন তলত উল্লেখ কৰা হ'ল।

**এইড্‌ছ ৰোগীৰ প্ৰতি আমাৰ অথবা সমাজৰ দায়িত্ব**

এইড্‌ছ ৰোগীৰ প্ৰতি দেশৰ আৰু সমাজৰ দায়িত্ব অপৰিসীম। বৰ্তমান একবিংশ শতিকাৰ সমাজৰ অন্ধবিশ্বাসৰ কবলত পৰা লোকসকলে HIV বা AIDS-ত আক্ৰান্ত লোকৰ সমাজত জীয়াই থকাৰ সামান্যতম সুবিধা তেওঁলোকক প্ৰদান নকৰে আৰু সেই ৰোগীসকল উপায়হীন হৈ অকাল মৃত্যুক সাবটি লয়। সেইবাবে ১৯৯২ চনত বিশ্ব স্বাস্থ্য সংস্থাই 'এইড্‌ছ আৰু মানৱ অধিকাৰ' সম্পৰ্কত এটা প্ৰস্তাৱ যোগে প্ৰকাশ কৰে যে কোনো ৰাষ্ট্ৰই এইড্‌ছ ৰোগীৰ প্ৰতি কোনো ধৰণৰ বৈষম্যমূলক আচৰণ কৰিব নোৱাৰিব। এওঁলোকৰ চিকিৎসা আৰু চোৱা-চিতা কৰা বিষয়ত সমাজ আৰু চৰকাৰে যথোচিত দায়িত্ব ল'ব লাগে।

**এইড্‌ছ নিয়ন্ত্ৰণ ব্যৱস্থা**

এই ৰোগ নিয়ন্ত্ৰণৰ বাবে বিশ্ব স্বাস্থ্য সংস্থাৰ আহ্বানত বিশ্বৰ প্ৰতি দেশত জাতীয় এইড্‌ছ সমিতি গঠন কৰা হৈছে। ভাৰতবৰ্ষৰ প্ৰতি ৰাজ্যতে ৰাজ্যিক সমিতিও গঠিত হৈছে। এই সমিতিৰ মূল কাম হ'ল—

১। যৌন শিক্ষাৰ প্ৰৱৰ্তনৰ দ্বাৰা কিশোৰ-কিশোৰীৰ মাজত স্বাভাৱিক যৌন আচৰণৰ সম্পৰ্কে শিক্ষা দিয়া আৰু অবাঞ্ছিত যৌন আচৰণৰ বিপদ আৰু যৌন ৰোগ সম্পৰ্কে সতৰ্ক কৰা।
২। মানুহৰ মাজত প্ৰচাৰ মাধ্যমৰ যোগেদি এইড্‌ছ ৰোগৰ কাৰণ আৰু নিয়ন্ত্ৰণৰ বাবে জনগণক শিক্ষা দিয়া।
৩। এইড্‌ছ ৰোগত আক্ৰান্ত ব্যক্তিক আৰ্থিক আৰু চিকিৎসা সেৱাৰ সুযোগ কৰি দিয়া।
৪। বিপদজনক যৌন আচৰণকাৰী আৰু ব্যৱসায়িক ৰক্তদাতাসকলক চিনাক্ত কৰি পৰীক্ষা কৰা আৰু এইড্‌ছ ৰোগৰ বীজাণুৰ সংক্ৰমণ ৰোধ কৰা।



# উপাধ্যক্ষ শ্ৰদ্ধেয় লুটফুৰ ৰহমান ছাৰৰ অনুভৱ



অজন্তা খাৰঘৰীয়া
অধ্যাপিকা, শিক্ষা বিভাগ
খাগৰিজান মহাবিদ্যালয়

চলিত বৰ্ষৰ শেষৰ ফালে অৱসৰ গ্ৰহণ কৰিবলগীয়া সকলোৰে শ্ৰদ্ধাৰ আৰু মৰমৰ আমাৰ কলেজৰ উপাধ্যক্ষ লুটফুৰ ৰহমান ছাৰক, তেখেতৰ কৰ্মজীৱনৰ অভিজ্ঞতা আৰু খাগৰিজান মহাবিদ্যালয়ৰ প্ৰতি তেখেতৰ অনুভৱ সম্পৰ্কে মই আৰু মোৰ সহকৰ্মীসকলে কিছু কথা জানিব বিচাৰিছিলোঁ। যিহেতু ছাৰ আমাৰ মহাবিদ্যালয়ৰ লগত প্ৰায় আৰম্ভণিৰ পৰাই সকলো দিশতে ওতপ্ৰোতভাৱে জড়িত।

■ **কলেজ সঙ্গীত ৰচনা কৰা অনুভূতিটো আমাক কওকচোন?**

■■ সকলো সৃষ্টিৰ অন্তৰালত থাকে প্ৰেৰণা। বাহিৰৰ বা নিজ অন্তৰতো সৃষ্টি হ'ব পাৰে।

২০০৪ চন। অধ্যক্ষ বাদল ঘোষ ছাৰে মোক মাতি আনি ক'লে নৱাগত আদৰণি সভালৈ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক মাতিলোঁ। আহিব। সভাখন কলেজ সঙ্গীতেৰে আৰম্ভ কৰিব লাগিব। আপুনি কলেজ সঙ্গীত এটা লিখক। মই অসমীয়া বিভাগৰ কথা ক'লোঁ। তেওঁ ক'লে— নহয় আপুনি লিখক। পাছদিনা শনিবাৰ। মই ঘৰলৈ বুলি বাছত উঠিলোঁ। বাছৰ গতিয়ে মোৰ অশান্ত মনক উৰুৱাই লৈ গ'ল ছাত্ৰ-ছাত্ৰীৰ মনৰ মাজলৈ। বাছৰ গতিয়ে যেন ক'লে— 'আমি' আগুৱাই যাওঁ, কিন্তু কেনেকৈ? সৃষ্টি হ'ল — 'নৱ নৱ সৃষ্টিৰে আমি আগুৱাওঁ ....। ঘৰত গৈ গীতটো সম্পূৰ্ণ কৰিলোঁ। কিন্তু এটা শব্দই বাৰে বাৰে আমনি কৰিলে.... ভাতৃপ্ৰতীম স্বপনজ্যোতি নাথে 'পোহৰ' শব্দটোৰ সলনি 'কৃষ্টি' শব্দটো দিলে। গীত এটা হৈ গ'ল। আজি স্বপনজ্যোতি নাথক আনুষ্ঠানিকভাৱে ধন্যবাদ আৰু কৃতজ্ঞতা জনাবলৈ পাই ভাল লাগিছে।

■ **আপুনি এই কলেজৰ লগত কেতিয়াৰ পৰা জড়িত?**

■■ ১৯৭৭ চনৰ নৱেম্বৰ মাহৰ পৰা।

■ **সেইসময়ৰ পৰা বৰ্তমান সময়লৈকে কলেজৰ অগ্ৰগতি সম্বন্ধে আপোনাৰ মতামত কি?**

■■ এটা সামান্য চালি ঘৰৰ পৰা সু-সজ্জিত অট্টালিকালৈ কলেজৰ চমকপ্ৰদ পৰিবৰ্তন হৈছে। আটাইতকৈ ডাঙৰ পৰিবৰ্তনটো হৈছে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি।

■ **গুৱাহাটী বিশ্ববিদ্যালয়ে নতুনকৈ প্ৰৱৰ্তন কৰা ষান্মাষিক পদ্ধতি সম্পৰ্কে আপোনাৰ দৃষ্টিভঙ্গী জনাবনে?**

■■ ষান্মাসিক পদ্ধতি হৈছে শিক্ষা ব্যৱস্থাৰ এক পৰিৱৰ্তন। এই পদ্ধতিৰ মূলকথা হৈছে ব্যস্ততা— ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ উভয়ৰে। এই ব্যস্ততাক আদৰি লোৱা উচিত বুলি ভাবোঁ, অন্যথা জাতীয়তাবাদীসকলে 'বৃটিছ শিক্ষানীতি' এতিয়াও চলি আছে বুলি ক'ব।

■ **কলেজৰ লগত জড়িত এটা ভাল লগা স্মৃতি ক'বনে?**

■■ অধ্যক্ষ তগৰ বৰা ছাৰ, পৰিচালনা সমিতিৰ কেইগৰাকীমান সদস্যৰ সৈতে ময়ো কলেজৰ সাহায্যৰ বাবে প্ৰহ্লাদ টোডীৰ ঘৰলৈ গৈছিলোঁ। ছাৰহঁতে তেওঁৰ পৰা ৫ হাজাৰ টকা আৰু ৫ হাজাৰ ইটা বিচাৰিলে। তেওঁ কিন্তু যিকোনো এটাহে দিব বুলি ক'লে? ছাৰহঁতে বহু সময় তেওঁক অনুৰোধ কৰিও তেওঁক মান্তি কৰাব নোৱাৰিলে। তেওঁ মাজে মাজে অন্যৰ লগত কথা পাতিবলৈ উঠি যায় আকৌ আহে। এবাৰ উঠি যাওঁতে ছাৰে মোক মাতিলে আৰু টকা ৫ হাজাৰ লোৱাৰ কথা ক'বলৈ ক'লে। তেওঁ বহাৰ লগে লগে ছাৰে তেওঁক ক'লে এই ল'ৰাটোৱে আমাৰ সিদ্ধান্তটো দিব। মই আগুৱাই গৈ তেওঁৰ ওচৰত গাদীত বাহিলোঁ। ক'লো আপুনি যিকোনো এটাহে দিব। টকা ৫ হাজাৰকে দিয়ক আৰু এটা কথা আপোনাক কওঁ আমি অন্য ইটাৰ মালিকৰ ওচৰলৈ যাম আৰু ২ হাজাৰ টকা আৰু ২ হাজাৰ ইটা বিচাৰিম। আমি সিহঁতক আপুনি ৫ হাজাৰ টকা আৰু ৫ হাজাৰ ইটা দিয়া বুলি ক'ম। কথাটো শুনি তেওঁ ডাঙৰকৈ হাঁহি এটা মাৰি ক'লে। এই ল'ৰাটো বৰ চালাক। ঠিক আছে, মই ইটাও দিম। আজি গধূলি কলেজত ইটা পেলাই দিব।' এইটো এটা মোৰ ভাল লগা স্মৃতিৰ ভিতৰৰ সৰু ঘটনা।

■ **সুদীৰ্ঘ কৰ্মজীৱন অতিবাহিত কৰাৰ পিছত আপোনাৰ অনুভৱ কি? অৱসৰৰ প্ৰাক্‌মুহূৰ্তৰ অনুভৱ?**

■■ এটা পৰিয়াল এৰি আন এটা পৰিয়ালৰ লগত বহু দিন কটালোঁ। এতিয়া আকৌ আগৰ পৰিয়ালৰ মাজলৈ ঘূৰি যাম। বেয়া লগা আৰু ভাল লগা দুয়োটা অনুভূতি মনলৈ আহে।

■ **নতুন প্ৰজন্ম তথা আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি আপোনাৰ উপদেশ কি?**

■■ সাহস, নৈতিকতা আৰু সততাক ব্যক্তিত্বৰ সংৰক্ষণ ৰূপে গঢ়ি লৈ নিজৰ কৰ্তব্য পালন কৰি পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাৰ লগত মিলি থাকিব লাগে বুলি ভাবোঁ।

■ **জীৱন সম্পৰ্কে আপোনাৰ আশা আৰু প্ৰত্যাশা কেনেকুৱা?**

■■ আশাই জীৱন, আশাই জীৱনৰ সঞ্জীৱনী শক্তি। নিৰাশাক বোধ কৰিবলৈ চেষ্টা কৰোঁ, অভিনয় নকৰোঁ।

কলেজত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িছে। নতুন ছাত্ৰ-ছাত্ৰীক মই গীতৰে ক'ব খোজো—

হিন্দু মুছলমান শিখ
জৈন কাৰ্বি
তোমাৰ বুকুত আমি
একেই জাতি
শান্তিৰ বাবে যাওঁ
আগুৱাই
তুমি শক্তি দিবা
মৰমী আই!!

# মহৎলোকৰ বাণী

**খালিদা বেগম**
স্নাতক প্ৰথম বৰ্ষ

■ বিদ্যালয় হৈছে বৃহত্তম সমাজৰ প্ৰতিচ্ছবি আৰু ক্ষুদ্ৰ সংস্কৰণ। আনহাতে বিদ্যালয় সৰলতা, পবিত্ৰতা আৰু সুন্দৰৰ ভাৰসাম্য বজাই ৰখা এক বিশেষ সমাজ।

**— জন ডিউ**

■ দহটা পুত্ৰ জন্ম দিয়া আৰু এডাল গছৰ বোৰা একে কথা।

**—হজৰত মহম্মদ (চঃ)**

■ যিবিলাক কিতাপে আপোনাক আটাইতকৈ ভবাই তোলে সেইবিলাকেই আপোনাক আটাইতকৈ সহায় কৰে

**— মেথিডিৰ পাৰ্কাৰ**

■ জুয়ে শুকান খৰি পুৰি ছাৰখাৰ কৰাৰ দৰে ঈৰ্ষায়ো সকলো ভাল কাম নষ্ট কৰি দিয়ে।

**—হজৰত মহম্মদ (চঃ)**

■ হাঁহিৰে জীৱন সুন্দৰ কৰা চকুৰ পানীৰে নহয়।

**— লক্ষ্যধৰ চৌধুৰী**

■ শিক্ষাই হৈছে মূল উপায়, যি মানৱ জীৱনলৈ সুখ-শান্তিৰ নিজৰা বোৱাই আনিব পাৰে।

**— এৰিষ্টট'ল**

■ সত্যৰ বাবে সকলো ত্যাগ কৰিব পাৰি, কিন্তু কোনো কাৰণতে সত্যক ত্যাগ কৰিব নোৱাৰি।

**— স্বামী বিবেকানন্দ**

■ যি মানুহৰ চকু নাই তেওঁ অন্ধ নহয়, কিন্তু যি মানুহৰ চকু থাকিও নিজৰ দোষ নেদেখে তেওঁহে অন্ধ।

**— জিম কৰবেট**

■ এহেজাৰজন পুৰুষতকৈ এজন ভাল শিক্ষকৰ মূল্য বেছি।

**— মহাত্মা গান্ধী**

■ আজি সকলোৱে পঢ়িব জানে, কিন্তু কি পঢ়িব তাক নাজানে।

**— বাৰ্নাৰ্ড শ্ব**

■ এগৰাকী ধুনীয়া মহিলা হ'ল মূল্যবান অলংকাৰ। কিন্তু এগৰাকী মহান মহিলা হ'ল সম্পদ।

**—হৃদি**

■ 'পদ মানুহে কামৰ কাৰণে লয়, কিন্তু কাম কৰিব নোৱাৰিলে পদৰ মূল্য কি?

**— গোপীনাথ বৰদলৈ**

■ নিজক জ্ঞানী বুলি ভবাজন আটাইতকৈ মূৰ্খ।

**— ভল্টেয়াৰ**

■ জীৱনৰ ডাঙৰ ডাঙৰ কথাবোৰত মহত্বৰ পৰিচয় দিব পৰাটো বিশেষ টান কাম নহয়, আটাইতকৈ টান কাম হ'ল জীৱনৰ সৰু সৰু কথাবোৰত মহত্বৰ পৰিচয় দিব পৰাটোহে।

**— টি. এছ. ইলিয়ট**

■ তুমি সাহসী হোৱা, কিন্তু কাৰোবাক হত্যা কৰি নহয়, তুমি ঘৃণা কৰাজনক প্ৰেমেৰে আঁকোৱালি লৈ। প্ৰেমে কাৰো মাজত বিভাজন নানে, বৰং ই আমাক আনৰ সৈতে সাঙোৰেহে।

**— মাদাৰ টেৰেছা**

□ □ □

■ মাথোন এজনকেই আজীৱন ভাল পাই থাকিব পাৰিব বুলি একেডাল মমবাতিয়েই চিৰকাল জ্বলি থাকিব বুলি কোৱাৰ নিচিনা।

■ তোমাৰ কথাই কাকো সন্তোষ দিব নোৱাৰিলে আধাখিনি বাদ দিবা।

■ ভালকৈ কথা ক'ব পৰাজনেই ভালকৈ মিছা মাতিব পাৰে।

■ হীৰাক ঘঁহি ঘঁহি মিহি কৰিব পাৰিলেহে তাৰ সৌন্দৰ্য ওলায়।

■ উপদেশৰ বাহিৰে আন একোকে মানুহে ইমান উদাৰভাৱে দান কৰিব নোৱাৰে।

■ প্ৰেমহীন জীৱন শলিতা নোহোৱা বন্তিৰ দৰে।

■ কেৱল মুখৰ চেহেৰা চাই মানুহক বিচাৰ নকৰিবা। মখুৰ হাঁহিৰ অন্তৰালত লুকাই থাকিব পাৰে গভীৰ বিষাদ।

■ অতিশয় কৰ্মব্যস্ততা মানুহৰ প্ৰাণ-প্ৰাচুৰ্যৰ অভাৱৰ লক্ষণ।

■ অধিক শিক্ষাই যি কৰিব নোৱাৰে, উদাহৰণে তাতকৈ বেছি কৰিব পাৰে।







# অতি লোভৰ ফল

**চবনম দেৱী**
স্নাতক প্ৰথম বৰ্ষ

এখন নদীৰ কাষত থকা এজোপা প্ৰকাণ্ড জৰী গছত নানা প্ৰজাতিৰ ৰং-বিৰঙৰ অসংখ্য চৰায়ে ৰব মিলেৰে বসবাস কৰিছিল। এদিন হঠাতে দুষ্ট কাউৰী এটাৰ চকুত পৰিল সেই গছত থকা অসংখ্য চৰাইবোৰ। লগে লগে সি ভাবিলে, কি কৰিলে এই চৰাইবোৰৰ পোৱালি আৰু কণীবোৰ খাব পৰা যাব। তাৰ মনলৈ এটা দুষ্ট বুদ্ধি আহিল। সূৰ্যোদয়ৰ আগত এদিন কাউৰীটোৱে আহি আটাইতকৈ ওখ গছজোপাৰ এটা ডালত এখন ভৰি দি আৰু আনখন ভৰি দাণ্ডি ওপৰলৈ মুখ কৰি ডেউকা দুখন মেলি ৰৈ থাকিল। পুৱাৰ লগে লগে চৰাইবোৰে কাউৰীটোক দেখি ভয়ত আতংকিত হৈ গ'ল। তাৰ মাজৰ এজনী চৰায়ে সাহসেৰে সুধিলে তোমাৰ পৰিচয় কি? তোমাৰ নাম কি? তোমাৰ আহাৰ কি? কাউৰীটোৱে উত্তৰ দিলে যে তোমালোকে মোক ভয় নকৰিবা মোৰ নাম বুটি। মই তোমালোকৰ নিচিনা চৰাইয়ে কিন্তু মই বতাহ খাই জীয়াই থাকোঁ। এই উত্তৰটো শুনি চৰাইবোৰৰ মনলৈ শান্তি আহিল। চৰাইবোৰে ভাবিলে যে সি আমাৰ কণীবোৰ আৰু পোৱালিবোৰ নাখাই কাৰণ তাৰ আহাৰ বতাহ। যেতিয়া সদায় চৰাইবোৰ পুৱাতে ওলাই যায় আৰু সন্ধিয়া আহে তেতিয়া দেখে যে পোৱালি আৰু কণীবোৰ কমি যায়। তেতিয়া চৰাইবোৰে নিশ্চিত কৰিলে যে এইবোৰ নিশ্চয় সেই চৰাইটোৱে কাম। গতিকে তেওঁলোকে এদিন পুৱাতে ওলাই গৈ সোনকালে আহি দেখে যে কাউৰীটোৱে কণীবোৰ খাই আছে। লগে লগে চৰাইবোৰে কাউৰীটোক যেনেকৈ পাৰে তেনেকৈ আঁচুৰি-কামুৰি, খুটিয়াই মাৰি পেলালে। গতিকে আনৰ বস্তুৰ ওপৰত বেছি লোভ কৰিব নালাগে। অতি লোভৰ ফল এনে হয়।

এখন নদীৰ পাৰত এখন ডাঙৰ হাবিত এটা শিয়াল আৰু এটা বগলী বাস কৰিছিল। সিহঁত দুয়োটা খুব বন্ধু আছিল। যদিও শিয়ালে দেখাত বগলীক বন্ধুৰ দৰে ব্যৱহাৰ কৰিছিল, কিন্তু ভিতৰি ভিতৰি সি বগলীক যথেষ্ট হিংসা কৰিছিল। মনে মনে সদায় তাক অপকাৰ কৰিবলৈ বিচাৰি ফুৰিছিল আৰু তাৰ অহিত চিন্তা কৰিছিল। এদিন শিয়ালে তাৰ এই কু-অভিসন্ধি বাস্তৱত ৰূপ দিবৰ বাবে এটা দুষ্টবুদ্ধি চিন্তা কৰিলে। সি বগলীক তাৰ ঘৰলৈ খাবৰ বাবে নিমন্ত্ৰণ জনালে। শিয়ালৰ নিমন্ত্ৰণ পাই বগলীয়ে বৰ আনন্দ পালে আৰু যথা সময়ত শিয়ালৰ নিমন্ত্ৰণ ৰক্ষা কৰি তাৰ ঘৰত উপস্থিত হ'ল। শিয়ালেও বগলীক আথে-বেথে মাতি আনি বহিবলৈ দিয়ে আৰু দুখন কাঁহীত দুয়োটাৰ বাবে ভাত সজাই দিয়ে।



# বগলীৰ প্ৰতিশোধ

**বচিৰ আহমেদ**
প্ৰাক্তন ছাত্ৰ

বগলীক খাবলৈ কৈ শিয়ালে নিজৰ কাঁহীৰ ভাতখিনি জিভাৰে চেলেকি চেলেকি খাবলৈ ধৰিলে। কিন্তু ভাত দিয়া কাঁহীখন বহল আৰু চেপেটা হোৱাৰ বাবে বগলীয়ে তাৰ জোঙা ঠোঁটটোৰে খাব নোৱাৰিলে। সি দুখ মনেৰে শিয়ালৰ ফালে চাই ৰ'ল, কিন্তু বগলীৰ প্ৰতি শিয়ালে কোনো সহানুভূতি নেদেখুৱালে আৰু একো নক'লে। বৰঞ্চ বগলীক মাতি আনি তেনেদৰে অপমান কৰিবলৈ পাই মনে মনে সুখী হ'ল। বগলীয়ে শিয়ালৰ এই দুষ্ট বুদ্ধিৰ কথা বুজিব পাৰি বন্ধুৰ এই অপমানৰ বাবে বৰ দুখ পালে। দুখ মনে বগলীয়ে শিয়ালৰ ঘৰৰ পৰা উৰা মাৰিলে, কিন্তু মনে মনে প্ৰতিশোধৰ চিন্তা এটা লগত লৈ গ'ল।

দিন বাগৰিল, বগলীয়ে কিন্তু শিয়ালে তাক কৰা অপমানৰ কথা পাহৰা নাছিল। এদিন বগলীয়েও শিয়ালক তাৰ ঘৰলৈ পায়স বনাইছে বুলি খাবলৈ মাতিলে। লুভীয়া শিয়ালে একো চিন্তা নকৰি পায়স খাবৰ বাবে বগলীৰ ঘৰত উপস্থিত হ'ল।

এইবাৰ বগলীয়ে সিহঁত দুটাৰ বাবে দুটা দীঘল আৰু জোঙা বাঁহৰ চুঙাত পায়স দি শিয়াল আৰু সি খাবলৈ বহিল। শিয়ালৰ ফালে চুঙাটো আগবঢ়াই মুখেৰে একো নমতাকৈ নিজৰ জোঙা ঠোঁটটোৰে চুঙাৰ পৰা পায়স খোৱাত লাগিল। এইবাৰ কিন্তু শিয়ালে অকণমানো পায়স মুখলৈ নিব নোৱাৰিলে আৰু দুখ মনেৰে বগলীৰ ফালে চাই বহি থাকিল। তেতিয়া তাৰ বগলীক খাবলৈ মাতি নি কৰা অপমানৰ কথা মনলৈ আহিল আৰু আনৰ বেয়া চিন্তা কৰিলে নিজৰো এদিন একে দশা হয় বুলি উপলব্ধি কৰিলে। সি একো নকৈ বগলীৰ পৰা বিদায় ল'লে। বাটত উভতি আহোঁতে মনতে শিয়ালে সেই দিনাৰে পৰা কেতিয়াও কাকো অপমান আৰু অপকাৰ নকৰোঁ বুলি প্ৰতিজ্ঞা কৰিলে। সি ভাবিলে বন্ধুক সদায় বন্ধুৰ দৰেই ব্যৱহাৰ কৰিব লাগে। মুখত বন্ধুৰ দৰে ব্যৱহাৰ কৰি পেটত কপটতা ৰাখিলে— আজি মোৰ দৰে দশা হ'ব বুলি অনুশোচনা কৰিলে।

ইফালে বগলীয়ে শিয়াল যোৱাৰ পিছত শিয়ালক শিক্ষা দিবলৈ পাই শান্তি লাভ কৰিলে। বগলীয়ে শিয়ালক এইটোৱেই শিক্ষা দিব বিচাৰিলে যে সদায় আনক ভাল ব্যৱহাৰ কৰিলেহে নিজেও ভাল ব্যৱহাৰ পোৱাৰ আশা কৰিব পাৰি। আৰ্জিলে ফল ভোগ কৰিবলৈ পায়।

আনক হিংসা কৰিলে নিজৰ বিপদ হয়। কপট লোকৰ ফল সদায় বেয়া হয়, সেয়ে পেট কপটীয়া স্বভাৱ এৰিব লাগে আৰু অন্তৰ সদায় পবিত্ৰ হ'ব লাগে। বগলীয়েও সেই দিনাৰ পৰা কুসঙ্গত থাকিলে নিজৰ অপকাৰ হয় বুলি ভাবি, শিয়ালৰ বন্ধুত্ব চিৰদিনৰ বাবে ত্যাগ কৰিলে।





উজবেক কবিতা

## মাতৃভূমি

**অ'দিল ইক্ৰম** (Odil Ikrom)

মাতৃভূমি বিশ্বাসত নল'বা মোক
যদিও কওঁ তোমাক প্ৰিয়তমা বুলি।
আত্মা নহয় কাজৰ
আৰু উপকাৰী হোৱাটো যে বৰ কঠিন।

তুমি হাবিয়াস কৰা ধৰাক বুকুত ৰাখি জনাবলৈ সম্ভাষণ
নিবিচাৰা কাহানিও পৰম ভাগ্য।
বিনয়ী তুমি, ফুটি উঠা শস্যৰ বীজ
তিৰোতা তুমি কপাহৰ পথাৰত।

**অনুবাদ ঃ ড° প্ৰয়াগ শইকীয়া**
নগাঁও

## খৰমান

অস্ত গ'ল এটি
ৰঙা সুৰুযৰ
(শেষ) পাৰ হ'ল এটি
বৰ্ণিল অধ্যায়ৰ
অনাথ হ'ল এটি
জীয়া জাতি
উদং হ'ল আই
অসমীৰ কোলা
কণ্ঠ ৰুদ্ধ হ'ল
ৰূপহী অসমীৰ
বৰলুইতখনে কান্দিছে
ইনাই-বিনাই
অহা বেলি বাৰিষাৰ প্লাৱন
মোৰ বুকুত ব'ব জানো
গংগা-যমুনা-পদ্মাৰ
পাৰে পাৰে সুৰৰ লহৰ
কোনে বোৱাব
তুমি আহিবা
অহা বেলি ব'হাগত
নতুন ৰূপত নতুন সাজত
আমি ৰৈ থাকিম
তোমালৈ বাট চায়।

**স্বপন জ্যোতি নাথ**
অধ্যাপক, অসমীয়া বিভাগ
*খাগৰিজান মহাবিদ্যালয়*

## তুমি

তুমি মোক আশা দিছা, প্ৰেৰণা দিছা
যন্ত্ৰণাবিদ্ধ হৃদয়খনক সলাই পেলাইছা
এখনি শুভ্ৰ নিকা হৃদয়ৰ সৈতে।
তোমাৰ উপস্থিতিত,
জীপাল মোৰ আশাশুধীয়া সপোনৰ শইচ।
তোমাৰ আগমনত
সেউজ হৈ পৰিছে মোৰ
বসন্তৰ হালধীয়া পৃষ্ঠা,
বিনিময়ত মই কি দিব পাৰিছোঁ।
এখনি তৰা ভৰা আকাশ
এখনি হেঁপাহৰ নৈ
সম্ভাৱনাময় বহল শইচৰ পথাৰ নে
এজোলোকা মৰম লগা সপোনৰ নক্সা।

**নাজলিন হুছেইন**
প্ৰৱক্তা, অসমীয়া বিভাগ

## আহ্বান

সখা, কৰা না আহ্বান;
নকৰা প্ৰত্যাখ্যান
ৰূপ সাগৰতো সাঁতুৰিলোঁ মই
জোৱাৰৰ দৰে উটি আহিল মোৰ ৰূপ
যৌৱন ক্ষণস্থায়ী বুলি তুমিতো
নজনা নহয়,
সখা, কৰা না আহ্বান
নকৰা প্ৰত্যাখ্যান।

**জ্যোতি বনিয়া**
*স্নাতক প্ৰথম বষ*

## লজ্জা

সুখ যদি সাগৰীয় জোৱাৰ-ভাটা
দুখ তাৰ উপকণ্ঠ।
ভোক হ'ল মানুহৰ আদিম বাসনা
লজ্জা মাথোঁ সংকীৰ্ণতাৰ অৰ্থ
হে কলংকৃত মানৱ
তই বিবস্ত্ৰা কৰা নাই বেলতলাক
তই বিবস্ত্ৰা কৰিছ মাথোঁ তোক
একবিংশ শতিকাৰ ধাৱমান সভ্যতাক
নামান্তৰ মাথোঁ বেলতলাৰ
সেই আদিবাসী যুৱতীজনীক
হে কলংকৃত মানৱ
এবাৰ তই
মাতৃৰ মমতাৰ সাগৰত
সাঁতুৰি চা
চেতনাত তোৰ জাগ্ৰত হওক
এক নতুনৰ
সন্ধানী নাৰী সত্তা।

**পদ্মা বৰ্মন**
*স্নাতক দ্বিতীয় বষ*

## মা

প্ৰথমে তোমাক যাচিলোঁ প্ৰণাম,
তোমাৰ কোলাতে জন্মি হ'লোঁ মহান।
যেতিয়া মই কান্দিছিলোঁ তোমাৰ কোলাত,
তেতিয়া তুমি দিছিলা মৌ-বৰষাৰ মাত।

তোমাৰ মাতত ভোল গৈ,
আছিলোঁ মই নীৰৱ হৈ।
যেতিয়া মই থুনুক-থানাক মাতেৰে মাতিছিলোঁ,
মা মা বুলি,
তেতিয়া তুমি আনন্দতে মাতিছিলা,
দেহা, সোণ, বুলি।

তোমাৰ কোলাতে জিৰণি লৈ,
ৰচিলো বহুত সপোন
আকৌ, এবাৰ যাচিলোঁ তোমাক
মা বুলি প্ৰণাম।

যেতিয়া তোমাক দিছিলোঁ আমনি
খঙতে তুমি দিছিলা গালি
নুবুজি মই উঠিলোঁ উচুপি
মোৰ বেদনা সহিব নোৱাৰি
মতিলা পিছত সোণটো বুলি।

নেপালোঁ বুজি তোমাৰ বেদনাবোৰ
দিলোঁ তোমাক আমনি।
তথাপি তুমি খং নকৰা।
নিজৰ পুত্ৰ বুলি।

জীৱনটো হৈ ৰ'ম তোমাৰ ধৰুৱা

নোৱাৰোঁ শোধাব তাৰ ফল
এতিয়াহে বুজিলোঁ মই
মা যে আমাৰ অতি মৰমৰ।

মা পুনৰ তোমাক যাচিলোঁ এবাৰ
মা, মা, বুলি প্ৰণাম।
মা, তুমি অন্যন্যা।

**মীৰাজুল হক**
*স্নাতক তৃতীয় বৰ্ষ*





## আহ্বান

নৱ উদ্যমেৰে
নৱ চেতনাৰে
আগ বাঢ়িছোঁ ৰণক্ষেত্ৰলৈ
আমি একোজন বিপ্লৱী
হাতত তুলি লৈছোঁ জ্ঞানৰূপী,
তীক্ষ্ণ তৰোৱাল।
আন্ধাৰৰ কালিমা নাশি
জ্যোতিৰ প্ৰভা প্ৰকাশি
এখন সুস্থ সবল সমাজ গঢ়িবলৈ
অন্যায়ৰ বিৰুদ্ধে জনগণক
জাগ্ৰত কৰিবলৈ।
উদাত্ত কণ্ঠেৰে চিঞৰি চিঞৰি
আগ বাঢ়িছোঁ এক ৰণক্ষেত্ৰলৈ
লক্ষ্য আমাৰ অন্যায় নিৰ্মূল কৰি
ন্যায় প্ৰতিষ্ঠা কৰা।
আজি যেন ন্যায়ৰ অপমৃত্যু ঘটিছে
সেয়ে কৰিছোঁ আহ্বান,
হে জনগণ আহা
ওলাই আহা!
টুকুৰা টুকুৰ তেজৰ চেকুৰাৰে
ভূলুণ্ঠিত হ'ল সপোনৰ কাবেং
হে জনগণ জানানে?
সময় গতিশীল,
চিৰ শাশ্বত চিৰ সত্য এই বাণী
সেয়ে কৰিছোঁ আহ্বান,
আহা আমি আগবাঢ়ি যাওঁ
আহা আমি জীৱন গঢ়োঁ
আহা!

**জ্যোতিস্না শইকীয়া**
*স্নাতক তৃতীয় বৰ্ষ*

## শিক্ষা

শিক্ষা এক শিখা,
যি পোহৰ দিয়ে।
শিক্ষা এক জীৱ,
যি জীৱন দিয়ে।
শিক্ষা এক পথ,
যি যাত্ৰা কৰে।
শিক্ষা এক মঠ,
যি প্ৰাৰ্থনা কৰে।
শিক্ষা এক মৌ,
যি জীৱন মধুৰ কৰে।
শিক্ষা এক বটবৃক্ষ,
যি জীৱনক ছাঁ দিয়ে।

**কুনটুন**
*স্নাতক দ্বিতীয় বৰ্ষ*

## দুখ

অকণমান দুখতেই যদি
ভাগি পৰে পৰক মোৰ হিয়া
তেহে যদি জাগে শক্তি
গভীৰ দুখৰ বাবে।

**ৰুকচানা**
*স্নাতক প্ৰথম বষ*

## ভাগ্যহীন

কৰিছোঁ কামনা সুখী হোৱা তুমি
থাকিবা সদায় কৃতকাৰ্যতাক চুমি,
নহ'বা ভাগৰুৱা জীৱনৰ যুঁজত
পাবা ভাল লগৰীয়া জীৱনৰ খোজত
নিমিলিলে খোজ মোৰ তোমাৰ লগত
আৰু নাই কোনো প্ৰেম মোৰ ভাগত,
কৰোঁ সদায় কামনা হোৱা ভাগ্যৱতী
পোৱা যাতে মোতকৈ ভাগ্যৱান পতি
মই হ'লোঁ এক বনৰীয়া জীৱ
নোৱাৰোঁ তোমাক কোনো সূত্ৰ দিব,
বাধ্য হৈ দিলোঁ তোমাক মই এৰি
এতিয়া নৰকত থাকোঁ দিনে-ৰাতি পৰি।
মোৰ ভুলত হ'ল মহান প্ৰেমৰ বলি
প্ৰেমৰ জুইত আছোঁ এতিয়া মই জ্বলি,
তুমি আছিলা মোৰ একমাত্ৰ প্ৰেম
তোমাৰ লগত যি কৰিছিলোঁ
কৰি দিবা ক্ষমা মোক অভগা বুলি
তোমাৰ আগত কৰিছোঁ প্ৰাৰ্থনা
যদি আছে ক্ষমা মোৰ ভাগত
অভিসাহত থাকিম জীয়াই তোমাৰ বাবে।

**মঃ আশ্বাফুল আলম**
উঃ মাঃ প্ৰথম বষ

## লুইতপৰীয়া ডেকা

লুইতপৰীয়া ডেকা
কি খবৰ তোমাৰ?
তুমিয়েই সেই বিশ্ব
বিজয়ী নৱ জোৱান।

স্বয়ম্ভু বিপ্লৱৰ
সুঠাম সন্তান,
পৰাধীনতাৰে খোলা ভাঙি
মুক্তিৰ সুবাস লোৱা
তুমিয়েই সেই লুইতপৰীয়া ডেকা ল'ৰা।

তোমাৰ ধমনীৰ সিৰে সিৰে
বয় নে সেই লাচিতৰ তেজৰ কোঁহ?
আৰু, চকুৰে দেখেনে
তেওঁৰ উজ্জ্বল সপোন।

ধেৎ, তুমিতো সেই লুইতপৰীয়া
ডেকাজন নহয়,
তুমিতো সেই পুৰণি প্ৰজন্মৰ
অন্য এক কল্পনা
সহিষ্ণুতা আৰু কৰ্মোদ্যম
নাইকিয়া একোটা বুঢ়া মনৰ গৰাকী।

যিয়ে, ধ্বংসৰ বীজ কলিজাত লৈ ফুৰা
এক লক্ষ্যহীন অস্তিত্ব
সমাজৰ এলেন্ধৰা দৃষ্টিভংগীৰে
কংকাল কৰি তোলা এক হতাশা চৰিত্ৰ;
সেয়েহে, তুমি কেতিয়াও
সেই লুইতপৰীয়া ডেকাল'ৰা হ'ব নোৱাৰা।

**প্ৰাঞ্জল শৰ্মা**
*স্নাতক প্ৰথম বৰ্ষ*

## সত্য পথ

সৰু বৰ সকলোকে
কৰিবা সন্মান,
তেতিয়াহে সমাজত
পাবা তুমি নাম।
পৰৰ দুখক তুমি
নিজৰ বুলি ল'বা।
শত্ৰুক নিজৰ মিত্ৰ
বুলি ধৰিবা
দুখীয়া নিচলাক
নকৰিবা ঘৃণা
নচলা আলচা কথা
নাপাতিবা ভিন্ন
সত্যক সঙ্গ দিলে
সকলোকে পাবা।
জাগতিক জীৱনপ্ৰেমী হৈ
তুমি ৰৈ যাবা।।

**চুফিয়া বেগম**
*স্নাতক প্ৰথম বৰ্ষ*

## মোৰ যে কিমান হেঁপাহ

তুমিতো নাজানা
মোৰ যে কিমান হেঁপাহ
সন্ধিয়াৰ ফুলনিত তোমাৰ সৈতে ফুৰিবলৈ
তুমিতো নুবুজা
মোৰ যে কিমান হেঁপাহ
ৰঙীন সপোনৰ অনাগত দিনবোৰ
তোমাৰ সৈতে কটাবলৈ
তোমাক আকৰ্ষিত কৰাৰ
বিমোহন ৰূপ মোৰ নাই
মাথোঁ জানি থোৱা
মনে-প্ৰাণে মই তোমাক বিচাৰোঁ
আশা নদীৰ ৰূপালী সোঁতত
তোমাৰ সৈতে উটি যাওঁ বহুত দূৰলৈ
এই চিৰ সেউজীয়া পৃথিৱীলৈ
মোৰ যে কিমান হেঁপাহ
মাথোঁ তোমাক পাবলৈ।

**দীপজ্যোতি বৰা**
*স্নাতক দ্বিতীয় বৰ্ষ*



## ভূপেন হাজৰিকাদেৱৰ স্মৃতিত

আজি দেখিছোঁ কি
অগণন মানুহৰ
অশ্ৰুৰ বোল
এয়াতো শত শত
আত্মাৰ হৃদয়ত
শোকৰ ছাঁ পেলাই
বিলীনতাৰ অন্ধকাৰত
বিলীন হৈ পৰা
ভূপেন দাৰ শোক।
তোমাৰ প্ৰত্যেকটো গীতৰ
সুৰে সুৰে
মানৱ অন্তৰ স্পৰ্শ কৰে।
শব্দ সজ্জাৰ মহিমা ভংগিমাই
মানুহৰ অন্তৰ জয় কৰে।
যদিও তুমি নিজকে
যাযাবৰী জীৱন কটোৱা বুলি ভাবিছিলা
তথাপি কিন্তু তুমি
অসমী আইৰ জনগণৰ হিয়াত
সদায় বিৰাজ কৰি আছা।
সেয়ে আজি
মাতৃভূমিৰ প্ৰান্তে প্ৰান্তে
বিশ্ব বৰেণ্য
আই অসমীৰ সন্তান
অসম বাসীৰ হিয়াৰ আমঠু
তোমাৰ আদাশ্ৰাদ্ধত
বিমুগ্ধ হৈ
জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে
জনালে প্ৰাৰ্থনা সৰ্বধৰ্মৰে
বৈদিক ক্ৰিয়াৰে
কৰিছে সমাপন।
হে মহান!
ময়ো তোমাৰ অমৰ
আত্মাক কৰিছোঁ সোঁৱৰণ
হিয়া ভৰা শ্ৰদ্ধা জনাই
তোমাৰে গীত গায় গায়....।

## সুধাকণ্ঠ ড° ভূপেন হাজৰিকা

চন ২০১১, ৫ নৱেম্বৰ,
সময় বিয়লি ৪ বাজি ৩৭ মিনিট!
মুম্বাই কুকিলাবেন হাস্পাতালত
মৃত্যুৰ সৈতে যুঁজি যুঁজি, হঠাৎ!
নিয়তিৰ কোলাত শুই গ'লা!

সুধাকণ্ঠ ড° ভূপেন দাদা,
তোমাৰ নিজবাপাৰত থকা
সেই বেতৰ বিছনাখনলৈ মনত পৰিবনে?
কেতিয়াও নপৰিব চাগে।
আমি তোমাৰ সেই বিছনাখন
ৰখাই থ'ম।
কিজানিবা; তুমি আকৌ আহিবা!

গুৱাহাটীৰ জৰ্জ খেলপথাৰত তুমি যেতিয়া
শৰশয্যাত শুই আছিলা!
তেতিয়া কেনে লাগিছিল জানানে?
এনে লাগিছিল যেন পিতামহ ভীষ্মহে।
ভীষ্মই যেতিয়া কুৰুক্ষেত্ৰ যুদ্ধত
কেৱল হস্তিনাপুৰকহে দেখিছিল!
ঠিক তেনেকৈ যেন...
মৰমৰ ভূপেন দাদাই
আই অসমীক দেখিছিল।

**ভাস্কৰজ্যোতি বৰুৱা**



## গণশিল্পী ড° ভূপেন হাজৰিকাদেৱৰ সোঁৱৰণত

স্তব্ধ হৈ পৰিল সময়
তোমাৰ মৌনতাত
এটা জাতি
যেন অনাথ হৈ পৰিল।
হে বিশ্ববন্দিত
তোমাক লৈ আমি গৌৰৱান্বিত।
কিন্তু নিষ্ঠুৰ সত্যক আমি
স্বীকাৰ কৰিবই লাগিব
লুইতৰ বহল পাৰত আজি অশ্ৰুৰ ঢল।
জনস্ৰোতৰ বাধাহীন উৰ্মিমালা
আইৰ কথা ভাবি বুকু হুম হুম কৰা
সাগৰ সংগমত
সাঁতুৰি নাদুৰি ক্লান্ত নোহোৱা
হে বিশ্ববিজয়ী শিল্পী ভূপেন দা
তোমাৰ নিস্তব্ধতাত অশ্ৰুঅঞ্জলি
দিবলৈ আহিছে
বিস্তৃৰ্ণ পাৰৰ অসংখ্য জনতা।

প্ৰিয়াংকু শৰ্মা

# পুরণো পেরিয়ে নতুনের পদধ্বনি

**ড° বাদল চন্দ্র ঘোষ**
প্রাক্তন অধ্যক্ষ, খাগবিজান কলেজ

পুরণো বছর ছিল হাসি-খুশি,
সুখ-দুঃখ-বেদনা, ক্লান্তি-বিষাদে ভরপুর,
কি পেলাম আর কি পেলাম না,
তারই হিসেব করছি আজ।
সোণালী রজনী পার হয়ে এল সুপ্রভাত,
মানুষের মঙ্গলবার্তা নিয়ে যেন আসে,
জাগো নতুন প্রভাত, জাগো নতুন দিনমণি,
অন্ধ নিমির, বিদূরিত হয়ে যেন আসে নতুন আশার আলো।

বিদায়ী ১৪১৮ বঙ্গাব্দ দেখতে দেখতে পার হয়ে গেল।
অনেক হিসেব-নিকেশ, আশা-ভরসা,
কত রক্তা-রক্তি, খুনো-খুনি অত্যাচার-অবিচার, ন্যায়-অন্যায়,
জন্ম-মৃত্যু চিরতরে বিলীন হয়ে গেল,
অটল গহ্বরে, আর ফিরে আসবে না।
এরই মধ্যে যে সুখ আনন্দ, আমেজ ছিল না, তা নয়,
ছিল, কিন্তু আমরা তার হিসেব রাখিনি।
হিসেব রাখার প্রয়োজনবোধ করি নি,
তাই যে অতীত হয়ে গেল চিরতরে।

এমনি করে প্রতি বছর নতুন আসে,
পুরণো বছর চলে যায় অতীত হয়ে,
আমরা বুঝতে পারি না, বুঝতে চাইও না,
শুধু অনুভব করি পলে পলে, মুহূর্তে মুহূর্তে।
জীবনও চলে যায়, সময়ও চলে যায়,
প্রবহমান সময়, অতীত হয়ে চলে যায়,
সময় কারো জন্যে অপেক্ষা করে না।
বিদায়ী বছরের জন্যে মোদের স্নেহ-মমতা জাগে,
অতীতের সেই স্মৃতি সুখ-আনন্দ, বেদনা-দুঃখ,
অশ্রুর জাগতে মায়ার বাঁধন সৃষ্টি করে।
ফেলে আসা রঙীন দিনগুলোর কথা স্মৃতিতে আসে,
চিন্তা করে কোন লাভ নেই।
নতুন বছর যেন আলোর বরমাল্য আনে,
প্রতি নতুন বছরই তো মোদের
আশা-আকাংক্ষার বদলে বিশ্বাসঘাতকতা আনে,
এতে আমাদের দোষ কি?
আমরাই তো নিজেদের মধ্যে হানাহানি,
খুনো-খুনি করি, দাপা-দাপি করি,
এতে বছরের দোষ থাকতে পারে কি?
এসেছে নতুন বছর, বিগত বছর
হাতছানি দিয়ে মোদের প্রলোভন দেখিয়েছিল,
মোরা নিতে পারি নি,
সেজন্যে দুঃখ করে লাভ নেই।
নতুনকে মোরা জানাই সাদর সম্ভাষণ,
নতুনের পদধ্বনিতে মোরা যেন জেগে উঠি,
প্রাণচঞ্চল মন নিয়ে নতুনকে বরণ করতে।

এক নতুন আশা বিশ্বাস নিয়ে,
যেন এগোতে পারি নতুনের প্রেরণায়।
ভুলে যেন যাই পুররো গ্লানি-বঞ্চনা, ব্যর্থতা,
মোদের এই সুজলা-সুফলা, শস্য-শ্যামলা,
মধুময় সুন্দর অসম তথা ভারতবর্ষকে।
কালিমা লিপ্ত করতে চাচ্ছি হিংসা নিন্দা,
হানাহানি, খুনোখুনি।
আজ আমরা দেখতে পাচ্ছি মানবাত্মা সর্বত্র
লাঞ্ছিত, পদদলিত এবং অবহেলিত,
মুষ্টিমেয় কিছু সংখ্যক পাচ্ছে ভোগের সুবিধে,
যারা তাদের পদলেলিহান।
আজ আছে দেশে সরকার,
সরকার দেশ শাসন করছে,
কিন্তু সুস্থভাবে দেখা শাসনের ক্ষমতা আছে কতটুকু?
হাজারের মধ্যে দু-চারজন আছেন মানবতাবাদী,
যাঁরা জনগণের মঙ্গল চান,
আর সবাই চলেছেন অর্থের পেছনে লুণ্ঠন করার,
ভোটের সময় এলে পরে মন্ত্রী-নেতাদের দেখতে পাই,
মানুষের খুব কাছাকাছি হতে দরদী মন নিয়ে।
তারা তখন মানুষের কিছু কিছু উপকার করে থাকেন।
মানুষের কাছে এসে বড় বড় কথা বলেন,
জনসাধারণের কাছে মানুষের প্রস্তাব গ্রহণ করেন,
নানা রকম কাজ করার প্রতিশ্রুতি দেন।
কিন্তু ভোট পেয়ে বৈতরণী পার হলে,
তখন কেউ যেন কাউকে চেনে না।
এইতো দেশ! এইতো ভারতবর্ষ।





# চেষ্টা

**গোপাল সূত্রধর**
স্নাতক প্রথম বর্ষ

প্রাচীন কালে রাজা বিক্রম রায় চোধুরী নামে এক রাজা বাস করিত, এবং আর এক রাজ্যে রাজা শেখর কুমার নামক এক রাজা রাজ্য চালাইত। একদিন এই দুই রাজ্যের মধ্যে অনেক বড় যুদ্ধ হইল, সেই যুদ্ধে অনেক সৈন্য-সামন্ত মারা গেল। রাজা বিক্রম রায় পরাজিত হইলে না সেই যুদ্ধে পরাজিতের মাধ্যমে রাজা নিজের সব কিছু হারাইলেন— নিজ রাজ্য, পত্নী তথা সব প্রজাদেরকে। রাজা জঙ্গলে তথা বনে বনে বাস করিতে লাগিলেন। রাজার মন ভাঙ্গিয়া গেল। রাজা বনে বাস করিতে থাকা অবস্থায় একদিন দেখিলেন, একটি বিড়াল বার বার গাছে উঠার চেষ্টা করিতেছে কিন্তু সে গাছে উঠতে পারিতেছে না, রাজার মনত অনেক কষ্ট হল। বিড়ালের এই কাণ্ড দেখে। আর একদিন দেখিলেন বিড়ালটি দুই-তিনবার চেষ্টা করিয়াই গাছের ওপর উঠিয়া গিয়াছে। তাই দেখিয়া রাজার মনে অনেক সাহস জন্মাইল। তিনি আবার যুদ্ধের জন্য তৈরী হইলেন এবং সেই যুদ্ধে তাহার বিজয় হইল। তিনি আবার রাজ্য ফিরিয়া পাইলেন এবং সঙ্গে ফিরিয়া পাইলেন স্ত্রী এবং প্রজাদেরকে। রাজা আনন্দে রাজত্ব চলাইতে লাগিলেন। তিনি একমাত্র চেষ্টার ফলস্বরূপেই পরাজিত হরিয়ে যাওয়া রাজ্যে পুনর সাফল্য লাভ করিয়াছেন। চেষ্টা করিয়াই সাফল্য লাভ করা যায়।

উপদেশ ঃ চেষ্টা মানুষের জীবনের অমূল্য সম্পদ, চেষ্টা নাহলে মানুষ বাঁচতে পারবে না, একবার না পারিলে কর শতবার।



## প্রেমের গান

সেই প্রেমের সাগরে চলোনা বয়ে যাই
কোথাও দূরে
যেখানে থাকবে না মানুষের কোলাহল,
থাকবে শুধু এক শান্ত মহল;
আর সেই শান্ত মহলের ভেতরে
আমি তোমার সেই প্রেমের সাগরে—
বয়ে যেতে চাই একমনে।
যে খানে ডাকবে না কেউ তোমাকে,
ডাকবে না কেউ আমাকে,
শুধু থাকব আমরা একমনে
সেই প্রেমের গানে,
সেই প্রেমের গানে।

**দীপক সূত্রধর**
*স্নাতক প্রথম বর্ষ, দ্বিতীয় ষান্মাসিক*



## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



খাগৰিজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদত নিযুক্তি হোৱাতো মোৰ বাবে আছিল এক অবৰ্ণনীয় সপোন। এদিন আপোনালোকৰ উৎসাহ আৰু সহায়ত মই খাগৰিজান মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদত প্ৰতিদ্বন্দ্বিতা কৰি অধিক সংখ্যক ভোটৰ ব্যৱধানত বিজয়ী হৈছিলোঁ। এয়া সম্ভৱ হৈছিল একমাত্ৰ আপোনালোকৰ মোৰ প্ৰতি থকা আস্থা, মৰম লগতে শিক্ষাগুৰুসকলৰ অমূল্য আশীৰ্বাদৰ বাবে।

মহাবিদ্যালয়ত নামভৰ্তি কৰাৰে পৰা স্নাতক প্ৰথম বৰ্ষলৈ সুদীৰ্ঘ তিনিবছৰ জুৰি মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে ভালদৰেই মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাবাজিৰ বিষয়ে অভিজ্ঞ হৈছিলোঁ, সেই সকলো অভিজ্ঞতাই মোক সাধাৰণ সম্পাদকৰ দায়িত্ব সুকলমে পৰিচালনা কৰাত সহায় কৰিছিল।

আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালৰ আৰম্ভণিতে আমাৰ সন্মুখত আহি পৰিছিল মহাবিদ্যালয় সপ্তাহ সমাৰোহ পতাৰ গধুৰ দায়িত্ব। আমাৰ মহাবিদ্যালয়ত প্ৰতিভাৰ অভাৱ নাই। সেয়ে আমি মহাবিদ্যালয়ত বিভিন্ন বিভাগত অতীজৰ পৰা চলি অহা প্ৰতিযোগিতা তথা কিছু নতুন নতুন প্ৰতিযোগিতা অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ সুপ্ত প্ৰতিভাসমূহক বহিৰ্জগতলৈ উলিয়াই অনাৰ চেষ্টা কৰিছিলোঁ। ক্ৰীড়া বিভাগৰ কিছুমান প্ৰতিযোগিতা নগাঁও আৰক্ষী বিভাগৰ খেলপথাৰত অনুষ্ঠিত কৰা হৈছিল।

মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ ঠিক পাছতেই আন কিছুমান গুৰুত্বপূৰ্ণ কাম কৰি ছাত্ৰ-ছাত্ৰীয়ে বহুদিন ধৰি পাই অহা অসুবিধাসমূহ দূৰ কৰিবলৈ চেষ্টা কৰিছিলোঁ। ইয়াৰ ভিতৰত তলৰ বিষয়সমূহ উল্লেখনীয়—

১। মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ বাবে এখন 'কেণ্টিন'।

২। ছাত্ৰ জিৰণি কোঠাৰ উন্নতিকৰণ।

৩। ছাত্ৰী জিৰণি কোঠাৰ উন্নতিকৰণ ইত্যাদি।

খাগৰিজান মহাবিদ্যালয় বৰ্তমান পৰিৱৰ্তনৰ পথত। কিছুদিনৰ ভিতৰতে মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ যথেষ্ট পৰিৱৰ্তন হৈছে। ফলত ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উৎসাহিত হোৱা দেখা যায়।

শেষত মোৰ কাৰ্যকালত বিভিন্ন ধৰণে সহায় আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সতীৰ্থ সম্পাদকসকল, অধ্যক্ষ মহোদয় ড° সাগৰ বৰুৱা ছাৰ, শিক্ষক-তত্ত্বাৱধায়িকা অজন্তা খাৰঘৰীয়া বাইদেউ, উমে ছালমা বাইদেউ, ৰূপশ্ৰী বাইদেউ, আব্দুল ছালাম ছাৰৰ ওচৰত মই কৃতজ্ঞ। লগতে মোক সহায় কৰা সকলো বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভণ্টি সকলোকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সৰ্বশেষত খাগৰিজান মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

'জয়তু অসমী আই'

'জয়তু খাগৰিজান মহাবিদ্যালয়'

'জয়তু খাগৰিজান মহাবিদ্যালয় ছাত্ৰ একতা সভা।'

**কাৰ্তিক বণিক**
সাধাৰণ সম্পাদক





# অন্তৰঙ্গ আলাপ

## ১০ টা বিশ্ব অভিলেখৰে অসমৰ নাম উজ্জ্বল কৰা নগাঁৱৰ চিত্ৰশিল্পী সুজিত দাসৰ সৈতে



নগাঁৱৰ চিত্ৰশিল্পী সুজিত দাসে তেওঁৰ চিত্ৰকলাৰ অভিনৱ সৃষ্টিৰে বিশ্বৰ দৰবাৰত এক বিশেষ স্থান অধিকাৰ কৰিছে। ২০১০ চনৰ ৩০ চেপ্টেম্বৰত শিল্পী সুজিত দাসে ৩০ মিনিটৰ মাত্ৰ এক ইঞ্চিৰ চক পেঞ্চিলত দুৰ্গা প্ৰতিমা খোদিত কৰি বিশ্বৰ আটাইতকৈ ক্ষুদ্ৰতম দুৰ্গা প্ৰতিমাৰ নিৰ্মাতা হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে গিনীজ ৱৰ্ল্ড ৰেকৰ্ডৰ বাবে এই প্ৰতিমা প্ৰেৰণ কৰা হৈছে। ইণ্ডিয়া বুক অব্ ৰেকৰ্ডৰ কৰ্তৃপক্ষই জনোৱা মতে এই দুৰ্গা প্ৰতিমাখন বিশ্বৰ আটাইতকৈ ক্ষুদ্ৰতম মা দুৰ্গাৰ প্ৰতিমা। শিল্পীজনে ইতিমধ্যে আমেৰিকাৰ ৰাষ্ট্ৰপতি বাৰাক ওবামাৰ মাত্ৰ এক ইঞ্চিৰ ক্ষুদ্ৰতম ভাস্কৰ্য চক পেঞ্চিলত প্ৰস্তুত কৰিছে আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ বিশ্বৰ আটাইতকৈ ক্ষুদ্ৰতম ভাস্কৰ্য নিৰ্মাণ কৰি কলাৰসিকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। চিত্ৰকৰ ৰূপে পৰিচিত শিল্পী সুজিত দাসৰ ছবি ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় স্তৰত বহুকেইখন প্ৰদৰ্শনীত প্ৰদৰ্শিত হৈছে। তেওঁৰ এই সাফল্য কেৱল নগাঁওবাসীৰ বাবেই নহয় সমগ্ৰ দেশৰ বাবেই গৌৰৱৰ বিষয়। শিল্পীজনৰ জীৱনৰ আৰু তেওঁৰ কৰ্মৰাজিৰ বিষয়ে জানিবলৈ কৃষ্ণা হল চাৰিআলিৰ কাষত থকা তেখেতৰ ঘৰত আমি উপস্থিত হৈছিলোঁ। তেখেতৰ ঘৰত থকা তেখেতে আঁকা ছবিসমূহ দেখি অভিভূত হৈছিলোঁ। স্বাভাৱিক সৰলতাৰে তেওঁ আমাৰ লগত কথা পাতিছিল আৰু আমি জানিব বিচৰা প্ৰশ্নৰ উত্তৰ দিছিল।

**'এটা ব্যতিক্ৰমী কাম কৰি বিশ্ব অভিলেখ গঢ়াৰ হেঁপাহ আছিল, যিটো কামে মোৰ নিজা ক্ষেত্ৰখনত প্ৰতিষ্ঠা লাভ কৰাত সহায় কৰে'— সুজিত দাস**

■ **আপুনি কেতিয়াৰ পৰা ছবি আঁকা আৰম্ভ কৰিছিল?**

■■ শৈশৱ কালৰ পৰা । প্ৰায় ৫ বছৰ বয়সতে মাৰ হাতত ধৰি শিল্পী প্ৰণৱ বৰুৱাৰ ওচৰলৈ লৈ গৈছিলোঁ।

■ **আপুনি লাভ কৰা সাফল্যৰ বাবে কাক কৃতিত্ব দিব?**

■■ মা-দেউতা, শিল্পী প্ৰণৱ বৰুৱা ছাৰ, গোলাপ বৰা ছাৰ আৰু মোৰ বন্ধু আৰু শুভাকাংক্ষীসকলক।

■ **আপোনাৰ কৰ্মক্ষেত্ৰত পোৱা সুবিধা আৰু অসুবিধাবোৰ ক'ব নেকি?**

■■ দুখে এজন শিল্পী গঢ়ে, এই কথা মই বিশ্বাস কৰোঁ। আৰ্থিক অসুবিধাৰ বাবেই ২০০২ বৰ্ষত গুৱাহাটীৰ চৰকাৰী আৰ্ট কলেজত পঢ়াৰ হেঁপাহ সামৰিব লগা হৈছিল। কিন্তু আত্মবিশ্বাস থকাৰ বাবেই আজি এইখিনি কৰিব পাৰিছোঁ।

■ **এতিয়ালৈকে আপুনি কেনে ধৰণৰ স্বীকৃতি লাভ কৰিছে?**

■■ ২০১০ বৰ্ষত লিমকা বুক অব ৰেকৰ্ডত প্ৰথম অন্তৰ্ভুক্তি হৈছিল। তাৰ উপৰি বৰ্তমানলৈকে চকৰ দুৰ্গা প্ৰতিমাক বিশ্ব অভিলেখৰ স্বীকৃতি প্ৰদান কৰিছে— প্ৰদান কৰিছে অফিচিয়েল ৱৰ্ল্ড ৰেকৰ্ড, ৰেকৰ্ড হল্ডাৰছ ৰিপাব্লিক, ৱৰ্ল্ড ৰেকৰ্ড ২০১২- ইউনিক ৱৰ্ল্ড ৰেকৰ্ড, এভাৰেষ্ট ৱৰ্ল্ড ৰেকৰ্ড, অফিচিয়েল ৱৰ্ল্ড ৰেকৰ্ড-ৰেকৰ্ড ছিটাৰ ৱৰ্ল্ড ৰেকৰ্ড, এছিষ্ট ৱৰ্ল্ড ৰেকৰ্ড, ইলাইট ৱৰ্ল্ড ৰেকৰ্ড, ৱৰ্ল্ড ৰেকৰ্ড ইণ্ডিয়া, ৱৰ্ল্ড ইমাজিং ৰেকৰ্ড, ইণ্ডিয়া বুক অব ৰেকৰ্ড আৰু জৰ্জিয়া ৰেকৰ্ড ফেডাৰেচনে। স্বীকৃতি পাবলৈ বাকী থকা ৱেবছাইটসমূহ হৈছে দি ইউনিভাৰ্ছেল ৰেকৰ্ডছ ডাটা বেছ, গ্ৰিণিজ ৱৰ্ল্ড ৰেকৰ্ড, এছিয়া বুক অব ৰেকৰ্ড, ৱৰ্ল্ড ৰেকৰ্ড একাডেমী আৰু গ্ল'ৱেল ৱৰ্ল্ড ৰেকৰ্ড।

■ **নৱ প্ৰজন্ম প্ৰতি আপোনাৰ উপদেশ কি?**

■■ মোৰ বিশ্বাস যে কাম কৰি যাব লাগে। বাট নিজে নিজে মুকলি হৈ যায়। কাম কৰা মানুহক লক্ষ্যৰ পৰা কোনেও আঁতৰাব নোৱাৰে।

■ **আপোনাৰ ভৱিষ্যৎ কাৰ্যপন্থা সম্পৰ্কে জনাব নেকি?**

■■ নগাঁৱত এটা ডাঙৰ আৰ্ট গেলেৰী খোলাৰ ইচ্ছা আছে।

**(সাক্ষাৎগ্ৰহণ - কাৰ্তিক বণিক)**



# সাক্ষাৎকাৰ

স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত কলা শাখাৰ
শিক্ষা বিভাগত সন্মান সহ প্ৰথম শ্ৰেণী অধিকাৰ কৰা
আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী **মৃদুলা গগৈ**ৰ সৈতে এক সাক্ষাৎকাৰ

**প্ৰশ্ন ঃ তুমি কেনেদৰে কৃতকাৰ্যতা লাভ কৰিলা?**

উত্তৰ ঃ মই নিয়মীয়াকৈ আঠ-দহ ঘণ্টা অধ্যয়ন কৰিছিলোঁ।

**প্ৰশ্ন ঃ তুমি ইয়াৰ বাবে কাক কৃতিত্ব দিব খোজা?**

উত্তৰ ঃ মোৰ মা-দেউতা, মহাবিদ্যালয়ৰ অধ্যক্ষ সাগৰ বৰুৱা ছাৰ, শিক্ষাগুৰুসকলক। বিশেষকৈ শিক্ষা বিভাগৰ অধ্যাপিকা অজন্তা খাৰঘৰীয়া বাইদেৱে মোক সকলো সময়তে উৎসাহ-উদ্দীপনা, সহায় আৰু যথেষ্ট মৰম কৰিছিল, যিটো মই কেতিয়াও পাহৰিব নোৱাৰোঁ।

**প্ৰশ্ন ঃ কিদৰে পঢ়িলে কৃতকাৰ্যতা লাভ কৰিব পাৰি বুলি তুমি ভাবা?**

উত্তৰ ঃ সদায় নিয়মীয়াকৈ পঢ়িব লাগিব। কলেজৰ ক্লাছসমূহ কৰিব লাগিব। যথেষ্ট পৰিশ্ৰম কৰিব লাগিব আৰু এক নিৰ্দিষ্ট লক্ষ্য থাকিব লাগিব।

**প্ৰশ্ন ঃ খাগৰিজান মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ ওপৰত তোমাৰ মতামত কি?**

উত্তৰ ঃ যথেষ্ট ভাল আৰু উন্নত।

**প্ৰশ্ন ঃ তুমি ভাবা নে খাগৰিজান মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল, গ্ৰন্থাগাৰ আৰু ছাত্ৰ একতা সভাৰ সদস্যবৃন্দই ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰিছে?**

উত্তৰ ঃ বহুখিনিলৈকে পাৰিছে। শিক্ষাগুৰুসকলে আমাক শিক্ষাদান কৰাৰ উপৰিও মৰম-স্নেহ তথা সজ উপদেশ দিয়ে।

মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰতো বিভিন্ন ধৰণৰ কিতাপ-আলোচনী আৰু বাতৰিকাকত আছে, এইবোৰে ছাত্ৰ-ছাত্ৰীৰ উপকাৰ কৰিছে বুলি মই ভাবোঁ।

ছাত্ৰ একতা সভাৰ সদস্যসকলে বিভিন্ন ধৰণে মহাবিদ্যালয়ৰ বাবে সহায় আগ বঢ়াই আহিছে। মই নিজে এই বৰ্ষৰ কলেজৰ সাধাৰণ সম্পাদিকা হিচাপে কলেজৰ বিভিন্ন অনুষ্ঠান আদিত সহায় আগ বঢ়াইছো আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে চেষ্টা কৰিছোঁ।

**প্ৰশ্ন ঃ তোমাৰ ভৱিষ্যৎ পৰিকল্পনা কি?**

উত্তৰ ঃ ভৱিষ্যতে এগৰাকী অধ্যাপিকা হ'ম বুলি ভাবিছোঁ।

**শেষ প্ৰশ্ন ঃ তুমি তোমাৰ জুনিয়ৰ ছাত্ৰ-ছাত্ৰীসকলক কিবা ক'ব খোজা নেকি?**

উত্তৰ ঃ ছাত্ৰ-ছাত্ৰীসকলক মই অনুৰোধ কৰিব বিচাৰোঁ যে সকলোৱে এটা নিৰ্দিষ্ট লক্ষ্য আগত ৰাখি ভালদৰে পঢ়িব লাগে। ৰাজ্যিক তথা সৰ্বভাৰতীয় পৰীক্ষাসমূহত অৱতীৰ্ণ হ'ব পৰাকৈ নিজক উপযুক্ত কৰি তুলিব লাগিব। অহৰহ চেষ্টা থাকিলে সফলতা নিশ্চয় অনিবাৰ্য।

**(সাক্ষাৎগ্ৰহণ - প্ৰতিমা দাস)**





## Seminar & College Campus





















# College Activities & College Week

Khagarijan College



















Apart from the publication of Amritdhara the college magazine and the celebration of Birth anniversary of Dr. Birinchi Kumar Barooah in collaboration of Nagaon Zila Sahitya Sabha and some other such programmes, Khagarijan College has organized many local state/ national level seminars, workshop, popular talk, symposium etc. in the last five academic years. Among those academic programmes a few programmes are mentioned below.

# Academic Activities of the college



**1.** Popular Talk on "Importance of Study of History" on 3rd October, 2007. Professor Shrutidev Goswami was the Resource Person of the Talk.

**2.** UGC sponsored National Seminar on "Ethnic Conflict and National Integration : Problems and Solution" on 24 and 25th October, 2008. Professor J.B. Bhattacharjee, Shilong, Professor Manoram Sharma, Shillong, Professor Apurba Baruah, SHillong, Profesor S.D. Goswami, Dibrugarh, Professor Anuradha Dutta, Guwahati, Dr. Rajen Saikia, Nagaon attended the seminar as Resource Persons.

**3.** ICHR Sponsored National Seminar on "Relevance of Study of History in the Twenty-First Century" on 7and 8th February, 2009. Professor S.D. Dutta, Rajib Gandhi University, Arunachal Pradesh, Mridupaban Goswami, Jorhat, Professor Priyam Goswami, Gauhati Universiy, Professor S.D. Goswami, Dibrugarh University and Pradip Saikia were the guests of the seminar.

**4.** UGC Sponsored National Seminar on "The Study of History in the Twenty First Century "Prospects and Perspectives" on 4 and 5th November, 2009. Resource Persons were Professor Smriti Kumar Sarkar, Kalyani University, West Bengal, Professor Ananda Gopal Ghose, University of North Bengal, Professor S.D. Goswami, Dibrugarh University, Professor J.B. Bhattacharjee, Professor S.D. Dutta, Rajib Gandhi University, Arunachal Pradesh and Dr. Rajen Saikia, Nagaon.

**5.** The 30th Session of North East India History Association (NEIHA) was successfully organized by the College on and from 7th November 2009 to 9th November 2009. Delegates from various places of the country and abroad attended the session.

**6.** A Workshop sponsored by UGC was organized on and from 20 January 2010 to 5 February 2010 on "Recent Trend on Modern Indian Drama". Scholars like Professor Amitava Ray, Rabindra

Bharati Visya Vidyalaya, Kolkala, Professor Poona Mahanta, Former Professor, Dibrugarh University, ...................... Gauhati University were the resource persons of the Inaugural Session of the Workshops.

**7.** UGC Sponsored National Seminar was organized on 27th May, 2011. The theme of the Seminar was "Globalisation : Its Impact on Cultural Milieu of North East India". The seminar was attended by Professor Monirul Hussain, Gauhati University, Professor Udayan Misra, Former Professor of English, Dibrugarh University, Professor Prabin Das, Gauhati University, Professor Dilip Kumar Baruah, Former Principal, Cotton College, Gauhati, Dr. Pradip Kumar Chatterjee, Kolkata and others as Resource Persons.

**8.** UGC Sponsored National Seminar on "Historical Studies in the Context of Globalisation : Rationale for Restructuring Curriculum" was organized on 30 and 31st July, 2011. Professor J.B. Bhattacharjee, Former Professor of History and Vice Chancellor of Assam University, Professor B.S. Mipun, NEHU, Shillong, Professor S. Bora, Former Professor of History, Dibrugarh University, Dr. Amarendra Thakur, NEHU, Shillong were the Resource Persons of the Seminar.

**9.** A UGC Sponsored National Symposium on "Value of Human Rights and Problems of Women Community of Minority Group" was held on 20th December, 2011. Dr. Sidhartha Guha Roy, Kolkata, Professor Isamuddin Sarkar of University of North Bengal, Professor Archana Sarma, Director, Women Study Centre, Gauhati University, Dr. Abu Hanifa, Nagaon, and Pradip Saikia, Nagaon were the speakers of the Symposium.

**10.** A National Seminar on "Globalisation "Its Impact on Folklore and Folk Culture of North East of India" was organized on 11 and 12th February, 2012. Professor Himadri Benarjee, Jadavpur University, Kolkata, Professor Upen Rabha Hakachan, Gauhati University, Dr. Prafulla Nath, Gauhati College attended the seminar as Resource Persons.

## Everyday Science

**Gurmail Singh**
*TDC 1st Year*

1. Give the name of a salt which is an essential constituent of our diet ?
Ans. Common salt i.e. sodium chloride is an essential constituent of our diet.
2. Why are the stars visible only at night ?
Ans. Stars are present both at day and night. But they are not visible in day because of the bright light of sun. So they are visible only at night.
3. Why does a spoon kept in hot tea become hot ?
Ans. The spoon becomes hot because of conduction from hot tea to spoon.
4. Name the two fluids which help in circulation in human body?
Ans. Blood and lymph.
5. Why we hear more clearly in a curtained room than a room without curtains ?
Ans. Curtained rooms reduce the reflection of sound and audiences hear only voice of source and is not disturbed by reflection.
6. Why do lemons taste sour ?
Ans. Lemons taste sour because they contain citric acid.





# *Views of Resource Person to our College*

**North-Eastern Hill University**

## School of Human and Environmental Sciences

Shillong-793022

*Professor* **B. S. Mipun, PhD.**
Email: bsmipun@hotmail.com
Phone: 2723206(O)

Dated: 7th May, 2012

A seminar on Historical studies in the context of globalization: Rational for Restructuring the Curriculum was conducted by at Khagarijan College, Nagaon on 30-31, July, 2011, in that seminar I was invited to deliver a keynote address on the theme when I was Dean, School of Human and Environmental Sciences, North-Eastern Hill University, Shillong. That was my first visit to the college, though I knew some of the faculty members through some programmes attended by them at NEHU, Shillong.

I was overwhelmed to meet the enthusiastic teachers and students of the college. I was impressed with the functioning of the college, location and academic atmosphere. They have conducted the seminar with great success in the form of academic as well as with limited logistics. I met some of the Governing Body Members whom I found are very learned and well-wishers positive development of the college. The college lacks a good auditorium with a seating capacity of at least 800-1000 to organize national level seminars, conferences and special lectures and modern class rooms to introduce new courses to cater to the needs of the growing number of students and job oriented courses. If facilities are provided there is zeal among the teachers to inculcate better academic excellence in the college. With the support of the additional fund received from the State Government of Assam for development of infrastructure will help the college to build good facilities and achieve greater heights, if used properly. I wish the college authority for success in future.

*Professor* **B. S. Mipun**
*Department of Geography*
North-Eastern Hill University
Shillong-793022

Views of Resource Person to our College

North-Eastern Hill University
**School of Human and Environmental Sciences**
Shillong-793022

**Dr. Amrendra Kr Thakur, PhD.**
*Associate professor*
Email: akthakurnehu@yahoo.co.in :: Phone: 2723018 (O)

Dated: 9th May, 2012

It gives me pleasure to know that Khagarijan College, Nagaon, Assam is bringing out its magazine, *"Amritdhara"* shortly.

Important to emphasize again, a college magazine is an important medium to showcase the creative geniuses of the members of the College family. It is also an indication of the togetherness and concern for each other - students, teachers, staff, principal and members of the College Management Committee/ Governing Body. I have every reason to believe that under the dynamic principal, Dr. Sagar Boruah, every individual related to the College is giving his or her best not only to permanently establish the College on the academic map of the State but also to fulfill the aspirations of the people at large from an institution of higher learning. The College takes teaching assignments and research activities seriously and makes successful efforts towards the dissemination of knowledge to the people at large through various other related activities. Among a number of co-curricular activities performed here, holding of seminar and conferences on important and relevant themes has become a regular phenomenon. This enables students and teachers at local level to interact with the specialists in the field. More important is the publication of the Proceedings of the seminars. The benefit of the academic endeavours reaches to a wider public through these.

I have had three occasions to visit the College in the last few years, twice to attend seminars and once to attend the thirtieth annual conference of North-East India History Association (NEIHA), the largest academic organization of the scholars in northeast India, in the year 2009. Not only the seminars but also the annual session or NEIHA with about 300 delegates was organized successfully and more importantly with warmth and highest hospitability. The enthusiasm and urge for betterment in academics of the students, staff, teachers and the principal have always overcome the lack of physical infrastructure in forms of buildings etc. in the College. It is high time the concerned authorities can pay their attention for the development of the same. This will certainly boost the morale of the members of the College family and inculcate in them a sense of reward to do more in the years to come.

I congratulate the members of the College family in general for all their excellent successful efforts in the field of higher education and the members of the publication committee of *"Amritdhara"* for putting in special efforts to bring out the magazine.

**Professor (A.K. Thakur)**
*General Secretary,*
North-East India History Association





# PROBLEMS AND PROSPECTS OF CULTURAL TOURISM IN THE NORTH EAST WITH SPECIAL REFERENCE TO ASSAM

**S.S. Khandakar**
*Associate Prof.,* Deptt. of Economics
Khagarijan College



**INTRODUCTION :**

The North-east India which comprises of eight states, namely Arunachal Pradesh, Assam, Manipur, Meghalaya, Mizoram, Nagaland, Sikkim and Tripura is well-known for its biodiversities and heritage sited. The physical features of the region are characterized by the lofty mountainous terrains and moderately high hilly tracts interspersed with plateaus and river fed valleys. It is the homeland of a rich variety of ethnic communities. The distinctive cultural resources of each communities of this region produce a juxtaposition of racial, linguistic and cultural varieties often quoted as the anthropologist's paradise, this region seems to bear all the potentials to be called as Tourists' Paradise.

The North-East India is a land of lofty mountains with icy Himalayan peaks with the highest peak being Mt Kangto in Arunachal Pradesh to the humid plains of Assam and Tripura. It is one of the wettest regions of the world with Mawsynram in Meghalaya; Majuli being the biggest and the Umananda, the smallest river island in the world are situated in this region in Assam.

There are around 32 territories in North East India that have been declared as Natural preserves or National Parks; among them Kaziranga National Park is famous for its one Horned Rhino, the Keibul Lamjao National Park situated on the Loktak lake in Manipur is famous for the only floating National Park in the world, and all four varieties of at can be found together in Namdapha National Park in Arunachal Pradesh. In Arunachal Pradesh, there exists more than 500 different varieties of orchids. Asia's largest orchadarism, the Orchid Research Centre is located at Tipi in the west Kameng district.

North-East India, the home of more than 300 ethnic groups speaking about 500 local dialects is an anthropological delight. With 28 main ethnic groups of which 110 sub groups exist in Arunachal Pradesh, 78 in Tripura, 25 in Nagaland, 23 in Meghalaya, 17 in Mizoram, 13 in Manipur and more than 20 in Assam. Adis, Apa Tanis, Noctes,

Mompas of Arunachal Pradesh; Reangs, Jamatias, Noatias, Halams of Tripura; Khasi, Garo, Jaintias of Meghalaya; Angami, Ao, Chakesong, Chang, Kabui, Phom, Pochury, Rengma, Lotha, Zeliang, Sema, Sangtam, Konyaks of Nagaland; Hmar, Raltes, Paitezos of Mizoram; Meithis of Manipur; Boro, Sonowal, Kacharis, Chutiyas, Lalungs, Rabhas, Mising, Karbis, Dimasas of Assam are some of the main tribal communities of this region making the regions very rich in ethnic diversity.

Unlike other regions of the country, culturally the North-East represents the Indian ethos of 'unity in diversity' and 'diversity in unity'. It is a mini India, where diverse ethnic and cultural groups of Aryan, Dravidian, Indo-Burmese, Indo-Tibetan and other races have lived together since time immemorial. The region is a complex transition zone of linguistic, racial and religious streams. Ethnic coalitions, oral traditions and life-styles based on respect of nature have mattered more in these regions, than frontiers. It is a great meeting place of people and cultures where political frontiers coverage and overlap, representing an ethno cultural frontier, encompassing much of India's rich but lesser known Mongoloid heritage.

## WHAT IS CULTURAL TOURISM ?

According to Prof Asoke Singh "By Cultural Tourism, we mean people visiting an area to see and experience its culture. It is the sub-set of tourism concerned with a country or region's culture, especially its arts. Cultural Tourism includes tourism in urban areas, particularly historic or large cities and their cultural facilities such as museums and theatres. It can also include tourism in rural areas showcasing the traditions of indigenous cultural communities (i.e. festivals and ritual) and their value and lifestyles. This form of tourism is also becoming generally more popular throughout the world, and a recent OECD (Organization of Economics Cooperation and Development) report has highlighted the role that cultural tourism can play in regional development in different world regions."

## PROSPECTS OF CULTURAL TOURISM IN ASSAM :

